# দিল্লী দায়েৰী

(১০।৯।৪৭ তাৰিখৰ পৰা প্ৰাৰ্থনা সভাৰ বক্তৃতা)

(১ম খণ্ড)

এম্, কে, গান্ধী

অনুবাদক—ললিত বৰুৱা

বিজয় প্ৰকাশ ভৱন

হয়বৰগাওঁ ঃ নগাওঁ

DELHI DIARY—Assamese Version ( Part I ) Prayer speeches from 10. 9. 47 to 9. 11. 47 Published by Vijoy Prakash Bhawan, P. O. Haibargaon, Nowgong, Assam. Price Rs 2·50 n. P.

প্ৰথম প্ৰকাশ—জুন, ১৯৫৮

বেচ ২॥০

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

# আগ কথা

মহাত্মা গান্ধীৰ ৰচনাৱলী বিভিন্ন প্ৰাদেশিক ভাষাত যেনেকৈ প্ৰচাৰ হৈছে, অসমীয়া ভাষাত হোৱা নাই। দিল্লী দায়েৰী মহাত্মাৰ দিল্লীত দিয়া প্ৰাৰ্থনা সভাৰ বক্তৃতা। ইংৰাজী কিতাপখনত ১০।৯'৪৭ৰ পৰা ৩০।১।৪৮ তাৰিখ (তিৰোভাৱ দিবস) পৰ্য্যন্ত আছে। কিন্তু ভাওনিত ছপাৰ কলেৱৰ ডাঙৰ হয় দেখি আমি দুইখণ্ড কৰি প্ৰথম খণ্ড ৰাইজৰ আগলৈ উলিয়াই দিলোঁ। অনুবাদত ভুল ত্ৰুটি যে বহুত হৈছে তাক আমি জানো। আমাৰ মনৰ হেঁপাহ আৰু কাৰ্য্যক্ষমতাতকৈ বিদ্যাৰ পৰিসৰ অতিশয় সংকীৰ্ণ। সেইবাবে সুধীসকলে আমাক দোষ ত্ৰুটি আঙুলিয়াই দিলে কৃতাৰ্থ মানিম।

অসমীয়া খণ্ড ছপাবলৈ অনুমতি দিয়া বাবে আমি নৱজীৱন ট্ৰাষ্টলৈ কৃতজ্ঞতা জনালোঁ।

বিনীত

**ললিত বৰুৱা**

# মুখবন্ধ

এই ৪০০ পিঠীয়া কিতাপখনত যোৱা চাৰে চাৰিবছৰে প্ৰাৰ্থনান্তত দিয়া মহাত্মা গান্ধীৰ বক্তৃতা সংগৃহীত হৈছে। নামটোৰে ইঙ্গিত দিয়া মতে এই কিতাপখন মহাত্মা দিল্লীত থকা কালৰ ১৯৪৭ চনৰ ১০ চেপ্তেম্বৰৰ পৰা ১৯৪৮ চনৰ ৩০ জানুৱাৰীলৈকে দিনলিপি। সকলোৱে জানে যে যি বিলাক ঘটনাই বহুতো জীৱন, অজস্ৰ সা-সম্পত্তি আৰু সবাতো উপৰি ইমান নৈতিক আৰু আধ্যাত্মিক মূল্যৰ বিনাশ ঘটালে, সেই ঘটনাসমূহত মহাত্মা ব্যথিত হৈ পৰিছিল। ইয়াৰ পাতে পাতে আছে মহাত্মাৰ ভিতৰি ভিতৰি জ্বলা ৰাগাগ্নি আৰু তাক নিৰ্ব্বাপিত কৰি মানৱ জীৱনৰ মূল্য আৰু জীবন যাপনৰ মানদণ্ডৰ পুনৰ স্থাপন কৰি আমাক সঞ্জীৱিত কৰিবলৈ কৰা তেখেতৰ মহান প্ৰচেষ্টাৰ কথা। তেখেতৰ অন্যান্য লেখনি আৰু বক্তৃতা সমূহৰ দৰেই ইয়াতো বহল ক্ষেত্ৰৰ বিষয়-বস্তু সম্বন্ধে আলোচিত হৈছে। কিন্তু আটাইতকৈ লেখত লবলগীয়া আৰু তাৎপৰ্য্যপূৰ্ণ ভাষণসমূহ হল—বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত—বিশেষকৈ হিন্দু, মুছলমান আৰু শিখৰ মাজত—শান্তি আৰু সম্প্ৰীতিৰ ভাব অনা বিষয়ে। আমাৰ জীৱন আৰু কাৰ্য্যৰ আটাইতকৈ শোকলগা কথা হল যে—তেওঁ যি উদ্দেশ্য সাধনৰ হকে যত্ন কৰিছিল তাক লাভ কৰি-

বলৈ গৈ প্ৰাণকে হেৰুৱাব লগাত পৰিল। সাম্প্ৰদায়িক সম্প্ৰীতি স্থাপন কৰিব নোৱাৰিলে যে তেওঁ জীয়াই থকাৰে কোনো মোহ পোষণ কৰা নাছিল, ইয়াৰ পাতে পাতে তাৰ প্ৰমাণ আছে আৰু তেওঁৰ অন্তৰত বৈ থকা হতাশাৰ ফল্গুধাৰা —যি ৩০ জানুৱাৰীৰ চৰম দুখৰ কাহিনী সৃষ্টি কৰিলে—তাৰ স্পষ্ট ইঙ্গিত পাঠকে ইয়াত ধৰিব পাৰিব। সত্য আৰু অহিংসাই বহুতো অজানিত পথেদি কাৰ্য্য কৰে আৰু মহাত্মাৰ জীৱন কালত যি ঐশ্বৰিক কাৰ্য্য সাধন কৰিব নোৱাৰিলে, তাক হয়তো তেওঁৰ মৃত্যুৱে সাধন কৰাব পাৰে। যি শান্তি আৰু সম্প্ৰীতি স্থাপনৰ ব্ৰত লৈ মহাত্মাই কাম কৰি মৃত্যুকো বৰণ কৰিছিল—তাক উপলব্ধি কৰাৰ বাটত এই পুথিয়ে সহায় কৰিব পাৰে।

১৭. ৩. ৪৮      ৰাজেন্দ্ৰপ্ৰসাদ

'দিল্লী দায়েৰী' গান্ধীজীৰ শেষ বাণী, ইয়াত প্ৰকাশ পাইছে, তেখেতৰ আত্মাৰ গভীৰতম প্ৰদেশৰ উৎকণ্ঠা, বিষাদ আৰু ভাৰতীয় জাতিক আত্মহত্যাৰ পৰা ৰক্ষা কৰিবলৈ কৰা সুদৃঢ় সঙ্কল্প। ভাৰতে স্বাধীনতা লাভ কৰিলে, কিন্তু তেখেতে আজীৱন যি তথ্যটোৰ বিৰোধ কৰিছিল, সেই তথ্যৰ ওপৰতে দেশ দুভাগ হল ; এখন দেশত বসবাস কৰা মানুহৰ ধৰ্ম্ম বেলেগ হলেই জাতি বেলেগ নহয়—এয়ে আছিল গান্ধীজীৰ বিশ্বাস। কিন্তু মুছলীম লীগৰ প্ৰচেষ্টাত আৰু শেষত অৱশ্যম্ভাবী পৰিণাম হিচাবে সকলো পক্ষই অনিচ্ছাস্বত্বে হলেও মানি লোৱাত, এই বিশ্বাসৰ বিৰুদ্ধেই ভাৰত দুখন দেশত বিভক্ত হল, গান্ধীজীৰ কাৰণে ই হল এটা দুখৰ কথা। স্বাধীনতা লাভৰ আনন্দতকৈ তেওঁ ভাতৃ-বিচ্ছেদৰ দুখ বৰকৈ অনুভৱ কৰিলে, কিন্তু এই দুখ যিমানেই বেছি নহওক, সকলো পক্ষই নিজৰ পৰা আলোচনাৰ জৰিয়তে স্বাধীনতা লাভৰ দৰে বৃহত্তৰ স্বাৰ্থৰ কাৰণে, দেশ বিভাগ মানি লোৱা দেখি, গান্ধীজীয়ে সেই বিষয়ত আপত্তি তোলা নাছিল। তেওঁ প্ৰাৰ্থনা কৰিলে যাতে বিভাজনৰ পাছত দুয়োখন দেশে শান্তিপূৰ্ণভাবে সম্প্ৰীতিৰ মাজেদি আগবাঢ়ি যাব পাৰে।

দুৰ্ভাগ্যক্ৰমে দুয়োখন দেশৰ ৰাষ্ট্ৰনায়কসকলৰ ঘোষণা আৰু উপদেশৰ বিৰুদ্ধে, দেশ বিভাজনৰ পিছত সেই সেই দেশত থকা হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ লাগিল ; সেই

সংঘৰ্ষৰ ফলত যি ঘটিল সি ইতিহাসৰ এক মৰ্ম্মন্তুদ কাহিনী। হত্যা, লুটপাত আৰু ব্যভিচাৰৰ মাজেদি ভীষণ অৱস্থাৰ সৃষ্টি হল। এই সকলোৰে উপৰি, জটিল সমস্যা সৃষ্টি কৰি লগে লগে মানুহে নিজৰ সাতামপুৰুষীয়া ভেটি-মাটি এৰি থৈ আহিব লগা হল, গান্ধীজীয়ে তেখেতৰ দূৰদৃষ্টিৰে পৰিষ্কাৰ কৰি দেখিলে যে যদি এই ভাতৃ-বিৰোধৰ উন্মত্ততা চলি থাকে, তেন্তে সদ্যজাত স্বাধীনতাৰ শিশুটিৰ প্ৰাণেই নাশ হব পাৰে। তেখেতে ইয়াকো দেখিলে যে বিশ্বৰ সন্মুখত ভাৰতৰ সন্মান নষ্ট হৈছে, আৰু চাৰ্চ্চিলৰ দৰে লোকে বক্ৰোক্তি কৰিবলৈ সুবিধা পাইছে।

এই সকলোতকৈ গান্ধীজীৰ মনত ডাঙৰকৈ দেখা দিলে এই কথাটোৱে যে—ইতিহাসৰ নানা ভাগ্য-বিপৰ্য্যয়ৰ মাজেদি যিবিলাক নীতি আৰু আদৰ্শৰ পতাকা বহন কৰি ভাৰতবৰ্ষ জীয়াই আছে, সেই নীতি-আদৰ্শবিলাকক হত্যা কৰা হব ধৰিছে। গান্ধীজীৰ বিশ্বাস আছিল দেশতকৈও ডাঙৰ হৈছে আদৰ্শ আৰু নীতি। যদি নীতি বা আদৰ্শ নষ্ট হয় তেন্তে কি থাকিব ? দেশ-জাতিৰ অস্তিত্বৰেই তেতিয়া চিন নেথাকে॥

যদি নীতি আৰু আদৰ্শ নিষ্ঠাৰে ৰক্ষা কৰা হয়, তেন্তে কোনো মৰা নপৰে। বাহিৰৰ পৰা দেখোঁতে নীতি-আদৰ্শৰ কাৰণে লোকচান হোৱা যেন দেখা যাব পাৰে কিন্তু প্ৰকৃতপক্ষে সেই লোকচানেই স্থায়ী লাভৰ বুনিয়াদ।

সেয়েহে এই সময়ত গান্ধীজীয়ে তেওঁৰ প্ৰাণতকৈও, দেশতকৈও প্ৰিয় নীতি আৰু আদৰ্শসমূহৰ পবিত্ৰতা ৰক্ষাৰ

কাৰণে জীৱনৰ শেষ সংগ্ৰাম—সৰ্ব্বোচ্চ অবদান কৰিবলৈ পণ কৰিলে।

যি জনে 'মৃত্যু বা মুক্তি'ৰ মন্ত্ৰ দিছিল, আৰু স্বাধীনতাৰ কাৰণে দেশৰ মানুহক বলীয়া কৰিছিল, তেওঁ এতিয়া স্বাধীনতা লাভৰ পিছত জীৱনৰ আটাইতকৈ ডাঙৰ যুদ্ধখন অকলশৰে কৰিবলৈ ওলায়। সাম্প্ৰদায়িক উন্মত্ততাই দূষিত কৰা ৰাজধানী দিল্লীৰ বতৰ সুস্থ কৰিবলৈকে তেখেতে তাত বহি ললে; তেখেতৰ আশা আছিল ভাৰতৰ অৱস্থা ভাল কৰি তেখেত পাকিস্তানলৈ যাব।

তেখেতৰ মানত দেশ, ধৰ্ম্ম আৰু জাতীয় বিভিন্নতা একো নাছিল, মানুহ হিচাবে সকলোৰে মঙ্গল কামনা তেখেতে কৰিছিল। কিন্তু নিজ ঘৰ ভাল নকৰাকৈ বাহিৰলৈ যোৱা অনৰ্থক কাৰণে তেখেতে দিল্লীৰ কামত প্ৰথমতে মন দিছিল; সেই সময়ত তেখেতৰ প্ৰাণৰ আকুলি-বিকুলি তেখেতৰ প্ৰতিটো কথাত মূৰ্ত্তিমান হৈ প্ৰকাশ পাইছে 'দিল্লী-দায়েৰী'ত।

মহাপুৰুষৰ গভীৰ অনুভূতিৰ জীৱন্ত ভাষাই হিমালয়ো লৰাব পাৰে। ই মানুহৰ অন্তৰত সত্যৰ পোহৰ পেলাই প্ৰকৃত বাটৰ সন্ধান দিব পাৰে।

ডাঃ ললিত বৰুৱাই এই মূল্যবান কিতাপখন অসমীয়ালৈ ভাঙি প্ৰকাশ কৰাৰ কাৰণে তেখেতক অভিনন্দন জনাওঁ।

শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী,

এম, পি,

# দিল্লী দায়েৰী

## প্ৰথম খণ্ড

## (১)

১০-৯-৪৭

### মৃতকৰ দেশ

যদিও কাৰ্ফিউৰ কাৰণে শ্ৰোতাৰ সংখ্যা কম আছিল, তথাপিও গান্ধীজীয়ে গোটেই দিল্লীৰ কাৰণেই কৈছিল। তেওঁ কৈছিল যে তেওঁ চাহাদ্ৰা পোৱাত তাত তেওঁক অভ্যৰ্থনা কৰিবৰ কাৰণে চৰ্দ্দাৰ পেটেল, ৰাজকুমাৰী আৰু আন লোক-সকলক বৈ থকা পায়। কিন্তু তেওঁ চৰ্দ্দাৰজীৰ মুখত তেওঁৰ স্বাভাৱিক হাঁহি আৰু সময়োপযোগী ধেমেলীয়া কথা নাপালে। তেওঁ ৰেলৰ পৰা নামি তেওঁৰ চাৰিওফালে থকা অন্ধকাৰ তেওঁ লগ পোৱা পুলিচ আৰু জনসাধাৰণৰ মুখত প্ৰতিবিম্বিত হোৱা দেখা পালে। আনন্দপূৰ্ণ দিল্লী হঠাতে মৃতকৰ চহৰত পৰিণত হলনে? তেওঁৰ কাৰণে আৰু এটা আশ্চৰ্য্য কাহিনী সঞ্চিত হৈ আছিল। এইবাৰ তেওঁ আনন্দ লাভ কৰা ভাঙ্গি কলনীত নাৰাখি তেওঁক লৈ যোৱা হল

ৰাজপুৰী বিৰলা ভৱনলৈ। ইয়াৰ কাৰণে তেওঁ দুঃখিত হলেও সদায় থকা ঘৰটোলৈ অহাৰ কাৰণে তেওঁ আনন্দিত হৈছিল। তেওঁ বাল্মিকী ভাইসকলৰ মাজতে থাওক লাগে বিৰলা ভৱনতে থাওক, মুঠতে তেওঁ বিৰলা ভাতৃ সকলৰ অতিথি। তেওঁলোকৰ মানুহে একান্ত চিত্তৰে ভাঙ্গী কলনীত তেখেতৰ পৰিচৰ্য্যা কৰিছিল। এই পৰিবৰ্ত্তনৰ কাৰণ চৰ্দ্দাৰজী নহয়। ভাঙ্গী কলনীত তেখেতৰ নিৰাপত্তাৰবাবে ভয় কৰিবলৈ চৰ্দ্দাৰজী দুৰ্ব্বলতাৰ কাৰণে কেতিয়াও দোষী হব নোৱাৰে। ভাঙ্গীবিলাকৰ মাজত থাকিবলৈ পোৱাটোৰেই তেওঁৰ আনন্দ যদিও নতুন দিল্লী কমিটিৰ দোষত তেওঁ প্ৰকৃততে সামুদ্ৰিক মাছৰ দৰে ( Sardines ) ঠাঁহ খাই থকা ভাঙ্গীবোৰৰ ঘৰত বাস কৰিবলৈ পোৱা নাই।

## আশ্ৰয়প্ৰাৰ্থীৰ সমস্যা

এই বাৰৰ পৰিবৰ্ত্তনৰ কাৰণৰ কথাটো হল তেওঁ ব্যৱহাৰ কৰা ঘৰবোৰ তেওঁতকৈ বেচি আৱশ্যক থকা আশ্ৰয়প্ৰাৰ্থীবোৰৰ কাৰণে ব্যৱহৃত হৈছিল। আশ্ৰয়প্ৰাৰ্থীৰ সমস্যাৰ উদ্ভব হোৱাটো জাতি হিচাবে তেওঁলোকৰ লাজৰ কথা নহয়নে ? পণ্ডিত নেহেৰু আৰু চৰ্দ্দাৰ পেটেলৰ লগত একে সুৰতে কায়েদে আজম জিন্না, লিয়াকত চাহেব আৰু আন আন পাকিস্তান নেতাসকলে ঘোষণা কৰিছিল যে সংখ্যাগৰিষ্ঠ সকলৰ দৰে নিজ নিজ ৰাজ্যত সংখ্যালঘুসকলকো সম্মানেৰে

বিবেচনা কৰা হব। মিঠা কথাৰে পৃথিৱীক সন্তুষ্ট কৰিবলৈকে প্ৰত্যেকে এই কথা কৈছিল নে নাই আমি যি কৈছোঁ ঠিকেই কৈছোঁ আৰু এই কথা ৰক্ষাৰ কাৰণে এই চেষ্টাত আমি মৰিম এইবোৰ পৃথিৱীক দেখুৱাবৰ কাৰণে এই কথা কোৱা হৈছিল। যদি সেয়ে হয়, তেওঁ সুধিছিল, তেন্তে কিয় হিন্দু আৰু শিখ আৰু গোৰৱী আমিল আৰু ভাইবন্ধুসকলক নিজৰ দেশ পাকিস্তান এৰিবৰ কাৰণে খেদা হৈছিল? কোৱেটা, নৱাৱচাহ আৰু কৰাচীত কি ঘটিছিল? পকিস্তানৰ পৰা কাণেৰে শুনা আৰু পঢ়িবলৈ পোৱা গল্পবোৰ অন্তৰ্ভেদী বা হৃদয়ভেদী আছিল। নিজৰ অসহায়তাৰ কথা কোৱা আৰু এইবোৰ সকলো গুণ্ডাৰ কাম বুলি কলে নহব। প্ৰত্যেক ৰাজ্যই নিজৰ নিজৰ ৰাজ্যৰ ভিতৰত মানুহে কৰা কাৰণবোৰৰ সম্পূৰ্ণ দায়িত্ব লবলৈ বাধ্য। "তেওঁলোকে প্ৰশ্ন কৰিব নোৱাৰেঃ তেওঁলোকৰ কাম কৰি যোৱা আৰু মৃত্যু বৰণ কৰা।" সাম্প্ৰদায়িকতাৰ মহাভাৰৰ তলত তেওঁলোকে আৰু ইচ্ছা বা অনিচ্ছাত কাম কৰা নাছিল। কিন্তু ইয়াৰ অৰ্থ এয়ে নহয় যে যদি তেওঁলোকে পৃথিৱীৰ সন্মুখীন হব লগা হয় তেন্তে ইয়াত কোনো আইনৰ শাসন এতিয়া হব নোৱাৰিব। ইউনিয়নৰ সচিবসকলে তেওঁলোকৰ নিঃস্বতা ঘোষণা কৰিব লাগিবনে নিৰ্লজ্জভাবে পৃথিৱীৰ আগত মানি লব লাগিবনে যে দিল্লীবাসী বা আশ্ৰয়প্ৰাৰ্থীবোৰে আনন্দমনেৰে আৰু স্বইচ্ছাৰে আইনৰ শাসন মানি নলব? তেওঁ বিচাৰে মন্ত্ৰী

সকলে তলমূৰ হোৱাতকৈ মানুহবোৰৰ বলিয়ালিৰ পৰা তেওঁলোকক আঁতৰ কৰিবলৈ চেষ্টা কৰিব।—গোটেইখিনি সময় বক্তাৰ মাত বৰ সৰু আছিল কিন্তু মৃতকৰ চহৰ প্ৰতীক দিল্লী ভ্ৰমণৰ অভিজ্ঞতাৰ এটি বৰ্ণনা দিবলৈ ধৰিলে। তেওঁ মাজে মাজে উল্লেখ কৰিছিল যে তেওঁ নিজে বাস কৰা ঘৰটোত কোনো ফল বা শাক-পাচলি পাবলৈ নাছিল। ই লাজৰ কথা নহয়নে যে কিছুমান মুছলমানে মেচিনগানেৰে বা আন উপায়েৰে গুলি কৰাৰ কাৰণেই সবজিমাণ্ডিত ( শাক-পাচলিৰ বজাৰত ) পাচলি পাবলৈ নোহোৱা হল ? তেওঁ ফুৰি ফুৰোঁতে আশ্ৰয়প্ৰাৰ্থীবোৰৰ ৰেচন নোহোৱাৰ আপত্তি শুনিবলৈ পাইছিল। তেওঁলোকক দিয়া বস্তুবোৰ ব্যৱহাৰৰ উপযোগী নাছিল। যদি দোষ শাসকসকলৰ তেন্তে আশ্ৰয়-প্ৰাৰ্থীবোৰো সমানে দোষী যিহেতু সিহঁতে আনকি আৱশ্যকীয় কাৰ্য্যাদিও অসাৰ কৰি দিছিল। নিজৰে নিজে অনিষ্ট কৰিছে বুলি সিহঁতে নুবুজে কিয় ? যদি সিহঁতে নিজৰ সকলো আইনসঙ্গত অভাৱ-অভিযোগ দূৰ কৰাবৰ কাৰণে গৱৰ্ণমেণ্টক বিশ্বাস কৰে আৰু আইন অনুগত নাগৰিকৰ দৰে চলে, তেওঁ জানে, আৰু সিহঁতেও জানে, তেন্তে সিহঁতৰ বেচি ভাগ বিপদ-আপদ, অসুবিধা দূৰ হব।

হুমায়ুন কবৰৰ কাষত থকা মিউ আশ্ৰয়প্ৰাৰ্থীৰ কেন্দ্ৰলৈ তেওঁ এবাৰ গৈছিল। সিহঁতক আলোৱাৰ আৰু ভৰতপুৰ ৰাজ্যৰ পৰা খেদি দিয়া হৈছে বুলি সিহঁতে কৈছিল।

তেওঁ জানিব পাৰিলে যে মুছলমান বন্ধুসকলে পঠিওৱা আহাৰৰ বাহিৰে সিহঁতৰ কোনো আহাৰ নাই। মিউবোৰ সহজে উত্তেজিত হৈ ভয়ানক হৈ পৰা কথা তেওঁৰ বিদিত আছিল। ইয়াৰ প্ৰতিষেধক—সিহঁতে নিজে যাবলৈ নিবিচাৰিলে দলে বলে পাকিস্তানলৈ পঠিয়াই দিয়াটো নহয় বৰং আন আন বেমাৰ-আজাৰৰ দৰে সিহঁতক মানুহৰ দৰে ব্যৱহাৰ কৰি সিহঁতৰ দুৰ্ব্বলতা দূৰ কৰাৰ চেষ্টা কৰা।

তাৰ পিচত তেওঁ জামিয়া মিলিয়ালৈ যায়; ইয়াক গঢ়ি তোলাত তেওঁ বিশেষ অংশ গ্ৰহণ কৰিছিল। ডাঃ জাকিৰ হুচেইন তেওঁৰ পৰম বন্ধু। ডাক্তৰে অতি দুঃখেৰে অথচ কোনো ঈৰ্ষা নোহোৱাকৈ তেওঁৰ অভিজ্ঞতা বৰ্ণনা কৰিলে। অলপ **সময়ৰ** আগতে তেওঁ জলন্ধৰলৈ যাবলগীয়া হৈছিল। এজন মুছলমান হোৱাৰ পাপত খণ্ডাল শিখৰ হাতত তেওঁ মৃত্যু বৰণ কৰিবলৈ বাধ্য হলহেঁতেন কিন্তু এজন শিখ কেপ্তেইন আৰু এজন হিন্দু ৰেলকৰ্ম্মচাৰীৰ সময়োচিত সাহায্যতহে তেওঁ ৰক্ষা পৰিল। তেওঁ কৃতজ্ঞতাৰে এই অভিজ্ঞতা বৰ্ণনা কৰিলে। অনুমান কৰক যে অসংখ্য হিন্দুৱে অধ্যয়ন কৰা এই জাতীয় অনুষ্ঠান খঙ্গাল আশ্ৰয়প্ৰাৰ্থী আৰু সিহঁতৰ আক্ৰমণকাৰীৰ পৰা মনোযোগ লাভ কৰাৰ ভয়ত আছিল। জামিয়া ঘৰবোৰত এহেজাৰ আশ্ৰয়প্ৰাৰ্থীক কোনোমতে থাকিবলৈ দিয়া তেওঁ দেখিছিল। আশ্ৰয়-প্ৰাৰ্থীবোৰৰ অসুবিধাৰ দুঃখৰ বৰ্ণনা শুনি থাকোঁতে তেওঁ

লাজত তলমূৰ কৰিলে। তাৰ পিচত তেওঁ দিৱান হল আশ্ৰয়প্ৰাৰ্থী কেন্দ্ৰ, ওয়াভেল কেন্‌টিন কেন্দ্ৰ আৰু কিংচ্‌ ওৱে চাবলৈ গৈছিল। তেওঁ তাত হিন্দু আৰু শিখ আশ্ৰয়-প্ৰাৰ্থীবোৰক লগ পাইছিল। পাঞ্জাবৰ কাৰণে কৰা অতীত কাৰ্য্যবোৰ সিহঁতে পাহৰা নাছিল। কিন্তু সেই কেন্দ্ৰবোৰত কিছুমান মাৰ্জ্জনাৰ যোগ্য খঙাল মানুহ আছিল। হিন্দুবোৰৰ প্ৰতি তেওঁৰ অন্তৰ কঠিন হোৱাৰ কাৰণে তেওঁক দোষী কৰা হৈছিল। সিহঁতৰ দৰে তেওঁ যন্ত্ৰণা ভোগ কৰা নাছিল। সিহঁতৰ দৰে তেওঁ নিজৰ আপোন জনক হেৰুৱা নাছিল, আৰু সিহঁতৰ দৰে তেওঁ আজি ঘৰবাৰীহীন আৰু নিঃসম্বল হোৱা নাই। তেওঁ কেনেকৈ সিহঁতক সান্ত্বনা দিব পাৰে যে ভাৰতৰ ৰাজধানীক সাধাৰণ অৱস্থালৈ আনিবৰ কাৰণে যি পাৰে তেওঁ কৰিবলৈ দিল্লীত থাকিবলৈ লৈছে? তেওঁ মৃতকবোৰক ফিৰাই আনিব নোৱাৰে। কিন্তু মানৱ আৰু অৰ্দ্ধ-মানৱ আদি সকলো জীৱৰে ওপৰত ঈশ্বৰে জাপি দিয়া মৃত্যু আশীৰ্ব্বাদহে। পাৰ্থক্য হৈছে কেৱল সময় আৰু ৰীতিৰ মাজত। শুদ্ধ ব্যৱহাৰেই জীৱনৰ প্ৰকৃত পথ—যি জীৱনক ধৈৰ্য্যশীল আৰু সুন্দৰ কৰে।

## এজন প্ৰকৃত শিখ

সেই দিনা এজন শিখ বন্ধুৱে তেওঁক দেখা কৰিছিল। তেওঁ কৈছিল যে তেওঁ শিখ হৈ জন্ম ললেও, গ্ৰন্থ চাহেবৰ আদৰ্শমতে

তেওঁ নিজক শিখ বুলি দাবী কৰিব নোৱাৰে। বক্তাই তেওঁক তেনে দাবী কৰা কাৰবাক জানেনে কি সুধিছিল। বন্ধুজনে তেনে কাৰো কথা ভাবিব নোৱাৰে। তেতিয়া লাহেকৈ গান্ধীজীয়ে নিজৰ দাবী উত্থাপন কৰে। গ্ৰন্থ চাহেবৰ নিৰ্দ্দেশ মতে শিখ হিচাবে বাস কৰিবলৈ চেষ্টা কৰিছে বুলি তেওঁ দাবী কৰে। এসময়ত নানকানা চাহেবত শিখবোৰৰ প্ৰকৃত বন্ধু বুলি তেওঁক গ্ৰহণ কৰা হৈছিল। গুৰু নানকে হিন্দু আৰু মুছলমানৰ মাজত কোনো পাৰ্থক্য ৰখা নাছিল। তেওঁৰ মানত গোটেই জাতিটোৱেই এটা। তেওঁৰো ( গান্ধীজী ) সনাতন হিন্দু ধৰ্ম্ম এনেকুৱাই। গতিকে তেওঁ নিজক মুছলমান বুলি দাবী কৰিছিল। ঈশ্বৰৰ ঐক্য আৰু তেওঁৰ দিনে-ৰাতিয়ে সকলোকে ৰক্ষা কৰাৰ শক্তিৰ বিষয়ৰ ডাঙৰ মুছলিম প্ৰাৰ্থনা গীত তেওঁ গাইছিল।

সকলো আশ্ৰপ্ৰাৰ্থীকে সত্যতা, অভয় আৰু আন কাৰোৰ প্ৰতি কোনো হিংসা বা ঈৰ্ষাভাব নোলোৱাকৈ থাকিবলৈ কৈছিল। খণ্ডৰ বেলা যেন সিহঁতে উতলা আৰু নিৰ্ব্বোধ কাৰ্য্যৰ দ্বাৰা অতি কষ্টত অৰ্জ্জন কৰা স্বাধীনতাৰ সোণৰ বহুমুলীয়া ফলক ( apple ) দলিয়াই নেপেলায়।

( ২ )

১২-৯-৪৭

## সীমান্ত প্ৰদেশৰ বাতৰি

আজি আবেলি গান্ধীজীয়ে তেখেতৰ প্ৰাৰ্থনা সভাৰ বক্তৃতা আৰম্ভ কৰে সীমান্ত প্ৰদেশৰ পৰা অহা উৎকণ্ঠাপূৰ্ণ বাতৰিত নিজৰ অসীম দুঃখ প্ৰকাশ কৰি। সেই প্ৰদেশ তেওঁ ভালদৰেই চিনি পায়। কেইবা সপ্তাহো তেওঁ সেই প্ৰদেশত ফুৰিছে আৰু খান ভাতৃদ্বয়ৰ ছালিৰ তলত সম্পূৰ্ণ নিৰাপত্তাৰে বাস কৰিছিল। গতিকে, ভূতপূৰ্ব্ব মন্ত্ৰী শ্ৰীগিৰিধাৰী লাল পুৰী আৰু তেওঁৰ ভাৰ্য্যাক তেতিয়াই তাৰ পৰা ৰক্ষা কৰিব লাগে বুলি এখন টেলিগ্ৰাম তেওঁক দেখুৱাত তেওঁ অন্তৰত অসীম বা অতিশয় দুখ পাইছে। এনে বাতৰিত লাজত তেওঁ তলমূৰ কৰিব লগীয়া হৈছে আৰু এতিয়া ভাৰপ্ৰাপ্ত গবৰ্ণমেণ্টে আৰু কায়েদে আজম জিন্নাই চোৱা উচিত যে তাত সকলো মুছলমানৰ দৰে হিন্দু আৰু শিখসকলে নিৰাপদ অৱস্থাত থাকে।

### খং ক্ষণিকৰ বলিয়ালি

সীমান্ত প্ৰদেশৰ দুঃখৰ কাহিনীবোৰৰ বিষয়ে আক্ষেপ কৰি গান্ধীজীয়ে শ্ৰোতাসকলৰ মনত সুমুৱাই দিলে যে খঙে

সিহঁতক কলৈকো নিনিয়ে। খণ্ডৰ পৰা প্ৰতিহিংসাৰ উৎপত্তি আৰু আজিৰ দিনত ইয়াত আৰু আন ঠাইত ঘটা সকলোবোৰ ভয়ানক ঘটনাৰ কাৰণে প্ৰতিহিংসাৰ প্ৰৱণতাই দায়ী। দিল্লীৰ ঘটনাৰ বাবে প্ৰতিশোধ ললে মুছলমানৰেই বা কি উপকাৰ হব বা সীমান্ত আৰু পশ্চিম পাঞ্জাৱৰ সমধৰ্ম্মীবোৰৰ ওপৰত নৃশংসতাৰ কাৰণে প্ৰতিশোধ ললে শিখ বা হিন্দুবোৰৰ কি লাভ হব ? কোনো এটা বা কোনো এদল মানুহ বলিয়া হল বুলি আন বোৰো বলিয়া হবনে ? গন্ধীজীয়ে হিন্দু আৰু শিখবোৰক সতৰ্ক কৰি দিছে যে মানুহ মাৰি, লুট কৰি আৰু গৃহদাহ আদিৰে সিহঁতে নিজৰ নিজৰ ধৰ্ম্মহে ধ্বংস কৰিছে। তেওঁ নিজক ধৰ্ম্মৰ ছাত্ৰ বুলি দাবী কৰে আৰু তেওঁ জানে যে কোনো ধৰ্ম্মই বলিয়ালি নিশিকায়। ইছলামো বাদ নাযায়। তেওঁ সকলোকে নিজৰ বলিয়ালি কাৰ্য্যবোৰ তৎক্ষণাৎ বন্ধ কৰিবলৈ হাত জোৰ কৰিছে। ভবিষ্যৎ বংশধৰসকলে যাতে কবলগীয়া নহয় যে আমি হজম কৰিব নোৱাৰাৰ কাৰণে আমি স্বাধীনতাৰ মিঠা ফল হেৰুৱালোঁ। মনত ৰাখিব যে আমি যদি এই বলিয়ালি বন্ধ নকৰোঁ তেন্তে পৃথিৱীৰ চকুত ভাৰতৰ নাম পঙ্কিল হব।

## অতীত পাহৰি যোৱা

পৃথিৱীত অদ্বিতীয় ধুনীয়া জুম্মা মচজিদলৈ যাত্ৰাৰ কথা গান্ধীজীয়ে কৈছিল। তাত মুছলমান মতা তিৰোতাক বৰ

দুখ-কষ্টত থকা দেখি তেওঁ অন্তৰত বৰ কষ্ট পাইছিল। মৃত্যু সকলোলৈকে নিশ্চয় আহিব বুলি কৈ তেওঁ যন্ত্ৰণাভোগীবোৰক সান্ত্বনা দিবলৈ চেষ্টা কৰিছিল। মৃতকৰ কাৰণে এতিয়া কন্দাৰ পৰা একো লাভ নহয়। মৃতলোক সকলক আৰু ওভোতাই আনিব নোৱাৰে। এই বিৰাট দেশৰ ভৱিষ্যৎ ৰক্ষা কৰাটোৱেই সকলোৰে কৰ্ত্তব্য। বহুত মুছলমান মানুহে তেওঁক চাবলৈ প্ৰত্যেক দিনেই আহিছিল। সিহঁতৰ নিজৰ নিজৰ অৱস্থাৰ কথা খোলাখুলি আৰু সম্পূৰ্ণৰূপে ব্যক্ত কৰিবলৈ তেওঁ উপদেশ দিছিল। দিল্লী আৰু ভাৰতৰ আন আন ঠাইৰ মুছলমানবোৰৰ জীৱন বিপদাপন্ন হোৱাত তেওঁ দুখ কৰিছে। ই এটা বৰ ডাঙৰ দুৰ্ঘটনা। গান্ধীজীয়ে সিহঁতক কাকুতি কৰি কৈছিল এজন বুঢ়াৰ কথা শুনিবলৈ— যি জনে নিজৰ দীঘলীয়া জীৱনত বহুত অভিজ্ঞতাৰ মাজেদি যাবলগীয়া হৈছিল। তেওঁ সম্পূৰ্ণৰূপে বুজিছিল যে অনিষ্টৰ পৰিবৰ্ত্তে কৰা অনিষ্টই কাকো কলৈকো নিনিয়ে। ভালৰ কাৰণে ভাল কৰা কোনো ধৰ্ম্ম নহয়। প্ৰকৃত পথ হৈছে অনিষ্ট বা অন্যায়ৰ পৰিবৰ্ত্তে ভাল কৰাটো। বহুত মুছলমান বন্ধুয়েই সহায় কৰিবলৈ ভাল পাব বা বিচাৰিব। কিন্তু আজি দিল্লীত তেওঁলোকৰ গঠনমূলক কাৰ্য্য কামত লগোৱা (requisition) অসম্ভৱ।

হৃদয় চঞ্চল কৰা কথাৰে গান্ধীজীয়ে শিখ, হিন্দু আৰু মুছলমান বোৰক অতীত পাহৰি যাবলৈ, নিজৰ দুঃখ-যন্ত্ৰণাৰ

কথা নাভাবি ভাতৃত্বৰ সোঁহাত সকলোলৈকে বঢ়াই দিবলৈ আৰু প্ৰত্যেকেই প্ৰত্যেকৰ লগত শান্তিত বাস কৰিবলৈ অনুৰোধ কৰিছিল। ভাৰত ইউনিয়নৰ প্ৰজা হিচাবে মুছলমানবোৰ গৌৰৱান্বিত হব লাগিব, সিহঁতে ত্ৰি-ৰঙ্গা ধ্বজা প্ৰণাম কৰিব লাগিব। তেওঁলোক যদি নিজ ধৰ্ম্মৰ বাধ্য বা অনুৰক্ত তেন্তে কোনো হিন্দুৱেই তেওঁলোকৰ শত্ৰু হব নোৱাৰে; সেইদৰে হিন্দু আৰু শিখবোৰেও শান্তি ভাল পোৱা মুছলমানবোৰক নিজৰ মাজলৈ স্বাগত কৰিব। তেওঁ জানিব পাৰিছে যে ইয়াৰ মুছলমান সকলৰ হাতত অস্ত্ৰ-শস্ত্ৰ (arms) আছে। তেওঁলোকে তৎক্ষণাৎ সেইবোৰ সমৰ্পণ কৰক আৰু গবৰ্ণমেণ্টেও সিহঁতৰ বিপক্ষে ব্যৱস্থা নকৰিব। হিন্দু আৰু শিখবোৰেও তাকে কৰক। তেওঁ আৰু জানিব পাৰিছে যে পশ্চিম পঞ্জাৱ গবৰ্ণমেণ্টে মুছলমান বোৰক অস্ত্ৰ যোগাইছে। ই যদি সঁচা হয়, ই সম্পূৰ্ণ ভুল আৰু অৱশেষত সিহঁতৰ নিজৰে ধ্বংস হব। এইটো তৎক্ষণাৎ বন্ধ হব লাগে। কোনো মানুহৰে কোনো ঠাইতে লাইচেন্স বিহীন অস্ত্ৰ থাকিব নোৱাৰিব।

গান্ধীজীয়ে সকলোৰে ওচৰত কৰযোৰে কৈছিল দিল্লীত সোনকালে শান্তি স্থাপন কৰিবলৈ যাতে তেওঁ পূৰ্ব্ব আৰু পশ্চিম পঞ্জাৱলৈ যাব পাৰে। তেওঁৰ মাথোন এটি উদ্দেশ্য (mission) আৰু তেওঁৰ বাণী সকলোৰে কাৰণে একে। তেওঁলোকৰ বিষয়ে কোৱা হওক যে দিল্লীৰ জনসাধাৰণ

ক্ষন্তেকৰ কাৰণে বলিয়া হৈছিল কিন্তু সেই শান্তি এতিয়া ফিৰিছে। তেওঁলোকে তেওঁলোকৰ প্ৰধান মন্ত্ৰী আৰু সহকাৰী প্ৰধান মন্ত্ৰীক তেওঁলোকৰ শিৰ আকৌ উচ্চ কৰিবলৈ দিয়ক। আজি লাজত আৰু দুঃখত তেওঁলোকে মূৰ দোঁৱাইছে। তেওঁলোকৰ অমূল্য অধিকাৰ ( heritage ) আছে। তেওঁলোকে মনত ৰাখক যে ই এটা উভয় দলীয় বা যৌথ কাৰ্য্য। ইয়াক ৰক্ষা কৰা আৰু অকলঙ্কিত কৰি ৰখাটো তেওঁলোকৰ কৰ্ত্তব্য।

## ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘ

শেহান্তৰত, গান্ধিজীয়ে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সঙ্ঘৰ লগত তেওঁৰ আৰু ডাঃ দিনশ্বা মেহটাৰ কথা-বাৰ্ত্তাৰ উল্লেখ কৰে। তেওঁক ( গান্ধীজীক ) কোৱা হল যে এই অনুষ্ঠানৰ পৃষ্ঠপোষক ( hands ) সকলৰ হাতো তেজেৰে ৰাঙলী—গুৰুজীয়ে ই মিছা বুলি তেখেতক নিশ্চয়তা দিয়ে। তেওঁলোকৰ অনুষ্ঠান কোনো মানুহৰে শত্ৰু নহয়। ই মুছলমানক বধিবৰ কাৰণে স্থাপিত হোৱা নাই ( stand )। ইয়াৰ একমাত্ৰ কাম ইয়াৰ শক্তি অনুসাৰে হিন্দুধৰ্ম্মক ৰক্ষা কৰা। শান্তিৰ কাৰণেই ইয়াৰ প্ৰতিষ্ঠা আৰু তেওঁৰ ( গান্ধীজীৰ ) মত প্ৰকাশ কৰিবৰ কাৰণে ( গুৰুজীয়ে ) গান্ধীজীক কৈছিল।

১৩-৯-৪৭

## চৰকাৰক বিশ্বাস কৰা

প্ৰথমতে গান্ধীজীয়ে ১৯১৫ চনৰ দিনবোৰৰ কথা উল্লেখ কৰিছিল ; সেই সময়ত তেওঁ স্বৰ্গীয় অধ্যক্ষ ৰুদ্ৰৰ ঘৰত বাস কৰিছিল। তেওঁ যেনে ভাৰতৰ সন্তান ঠিক তেনেভাৱে এজন অবিচল ( staunch ) খৃষ্টান। তেওঁৰেই গান্ধীজীক স্বৰ্গীয় হাকিম চাহেব আৰু ডাঃ আন্সাৰীৰ লগত চিনাজনা কৰি দিয়ে ; তেওঁলোক দুয়ো হিন্দু, মুছলমান আৰু আন আন ভাৰতীয়ক সমান মৰম আৰু সমান চকুৰে চাইছিল। তেওঁ জানে যে হাজাৰ হাজাৰ দুখীয়া হিন্দুৱে হাকিম চাহেবৰ পৰা বিনাখৰচে চিকিৎসা লাভ কৰিছিল। নিঃসন্দেহে তেওঁ গোটেই দিল্লীৰ মৰমৰ বা আদৰৰ চৰ্দ্দাৰ আছিল। এনেলোক সকলক অযোগ্যৰ শ্ৰেণীত থব পাৰিনে ? ই বৰ লাজৰ কথা যে ডাঃ আন্সাৰীৰ কন্যা জহৰা আৰু তেওঁৰ স্বামী ডাঃ চৌকতুল্লা খাঁ হিন্দু আৰু শিখৰ ভয়ত নিজৰ ঘৰবাৰী এৰি এখন হোটেলত থাকিব লগা হৈছে। তেওঁ এই কথা অতি সহজে কব পাৰে যে তেওঁ জীৱনৰ সকলো বিশেষত্ব এৰি দিব যদি এনে হেন মানুহ জন্ম দিয়া মুছলমান সকল ইউনিয়নৰ ভিতৰত সম্পূৰ্ণ নিৰাপত্তাত বাস কৰিব নোৱাৰে। তেওঁক

সঙ্কেত দিয়া হৈছে যে মুছলমানবোৰ সকলো ইউনিয়নৰ ভিতৰত পঞ্চম বাহিনী। তেওঁ এই আক্ৰমণকাৰী (sweeping) নিন্দাবাদ বিশ্বাস কৰিবলৈ মান্তি নহয়। ইউনিয়নৰ ভিতৰত ৪২ কোটী মুছলমান আছে। যদি তেওঁলোক সকলোৱেই বেয়া, তেওঁলোকে ইছলামৰ কবৰ খান্দিব। কায়েদে-আজমে ইউনিয়নৰ মুছলমানসকলক ইয়াৰ অনুগত হবলৈ কৈছে। বিশ্বাসঘাতক বোৰক শাস্তি বিধান কৰিবলৈ সকলো মানুহেই নিজৰ গবৰ্ণমেণ্টক বিশ্বাস কৰক। সিহঁতে নিজৰ হাতলৈ আইন আনিব নালাগে।

## ঈশ্বৰ সকলোৰে আশ্ৰয়

তাৰ পাচত গান্ধীজীয়ে প্ৰাৰ্থনা সভাৰ শ্ৰোতা সকলক জনায় যে তেওঁ মাথোন এটি আশ্ৰয়প্ৰাৰ্থীৰ কেন্দ্ৰলৈ যাবলৈ সক্ষম হৈছিল আৰু সেইটোৱেই হৈছে পুৰণা কিল্লাত (old fort)। ইয়াত বহুতো মুছলমান আশ্ৰয়প্ৰাৰ্থী আছিল। জনতাৰ মাজেদি তেওঁৰ মটৰত গৈ থাকোঁতে, আৰু বহুতো আশ্ৰয়প্ৰাৰ্থী অহা যেন দেখা গৈছিল। জনতা ডাঙৰ হলেও আৰু অধ্যক্ষ অনুপস্থিত থাকিলেও গান্ধীজীয়ে আশ্ৰয়প্ৰাৰ্থী-বোৰক কেইটামান উৎসাহৰ কথা কবলৈ জেদ কৰিছিল (insist)। মুছলমান কৰ্ম্মীসকলে জনতাক বহিবলৈ আৰু বক্তাৰ কথা কাণপাতি শুনিবলৈ অনুৰোধ কৰিছিল। সিহঁতো বহিছিল আৰু কিনাৰৰ বোৰহে থিয় দি আছিল। সিহঁতৰ

চাহনিত খং ভাব দেখা গৈছিল। মুছলমান স্বেচ্ছাসেৱক সকলো মনৰ আৱেগত চিঞৰিবলৈ জিদ কৰা বোৰক যুক্তিৰ দ্বাৰাই নিস্তব্ধ ৰাখিছিল। তেওঁৰ বেচি কবলগীয়া নাছিল। তেওঁ দেৱাল চমনলালৰ বাউসিত ভেজা লৈ তেওঁক তেওঁৰ দুৰ্ব্বল মাতেৰে উচ্চাৰণ কৰা কথা কেইটা চিঞৰি শুনাই কবলৈ কৈছিল; সিহঁতক শান্ত হবলৈ আৰু খং পৰিত্যাগ কৰিবলৈ তেওঁ তাগিদ দিছিল। তেওঁ কৈছিল যে ঈশ্বৰহে সকলোৰে আশ্রয়, অতি উচ্চস্থান লাভ কৰিলেও মানুহ নহয়। মানুহে যি নষ্ট কৰিছে তাক ঈশ্বৰে শুদ্ধ কৰিব। তেওঁৰ নিজৰ কথা কওঁতে তেওঁ প্ৰতিজ্ঞা কৰিছে যে দুয়ো জাতিৰ মানুহ বলিয়া হোৱাৰ আগতে দিল্লীত যি শান্তি বিৰাজ কৰিছিল, সেই শান্তি ফিৰি নহালৈকে তেওঁ জিৰণি নলয়।

## দুয়ো ৰাজ্যৰ কৰ্ত্তব্য

সেই দিনা তেওঁৰ লগত বহুত হিন্দু আৰু মুছলমান বন্ধুৱে দেখা কৰে। ভুক্তভোগী হিন্দুৱেই হওক বা মুছলমানেই হওক, সকলোৰে মুখত সেই একেটি দুঃখৰ কাহিনী। দুয়োৰে পক্ষে ই লাজৰ কথা। তেওঁ সকলোৰে সমান ভৃত্য বুলি দাবী কৰে। যদি সকলোৱেই একেলগে ভাবিলে-হেঁতেন যে জনতাৰ দেশ-পৰিবৰ্ত্তন এটা ভীষণ ফন্দি ( snare )। ইয়াৰ উদ্দেশ্য বেচি দুঃখ-যন্ত্ৰণাৰ বাহিৰে একো নহয়। ইয়াৰ মীমাংসা নিজৰ নিজৰ আপোন ঘৰত শান্তিত

আৰু বন্ধুত্বত বাস কৰাটোহে। বৰ্ত্তমান ত্যাগক ( estrangement ) চিৰস্থায়ী শত্ৰুতাত পৰিণত কৰা বলিয়ালিহে হব। নিজৰ নিজৰ সংখ্যালঘু সকলক সম্পূৰ্ণ ৰক্ষাৰ অঙ্গীকাৰ কৰা প্ৰত্যেক ৰাজ্যৰেই অপৰিহাৰ্য্য কাৰ্য্য। দুয়ো ৰাজ্যই এই প্ৰশ্ন নিজৰ নিজৰ ভিতৰতে মীমাংসা কৰক বা, দৰকাৰ হলে, যুদ্ধ কৰি নিজক পৃথিৱীৰ আগত হাঁহিয়াতৰ পাত্ৰ কৰক।

ইউনিয়নৰ পৰা মুছলমান ভগনীয়াৰ কাৰণে ধনৰ ঔৎসুক্যপূৰ্ণ প্ৰাৰ্থনাত পাকিস্তানৰ মুছলমানৰ অন্যায় কাৰ্য্যৰ কোনো উল্লেখ গান্ধীজীয়ে পোৱা নাই। সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ অন্যায় কাৰ্য্যৰ স্পষ্ট আৰু সাহসিক গ্ৰহণ ( acknowledgement ) দুয়োৰাজ্যৰ পৰা তেওঁ বিচাৰে।

## আচফ আলি চাহেব

সৰ্ব্বশেষত, গান্ধীজীয়ে আমেৰিকাত তেওঁলোকৰ ৰাজদূত আচফ আলি চাহেবৰ বিপক্ষে হোৱা অস্পষ্ট শ্লেষৰ (insinuation ) কথা উল্লেখ কৰিবলৈ ইচ্ছা কৰিছিল। মোক জনাৰে পৰা তেওঁ কংগ্ৰেচমেন। তেওঁ স্বৰ্গীয় হাকিম চাহেব আৰু ডাঃ আন্সাৰীৰ বন্ধু আছিল, আৰু বহুত দিন কংগ্ৰেচ সভাপতি পদত অধিষ্ঠিত থকা মৌলানা চাহেববো বন্ধু, আৰু সদায় তেওঁক উগ্ৰ জাতীয়তাবাদী বুলি সকলোৱে জানিছিল। আচফ আলিক আমেৰিকাৰ ফিৰাই মতা নাই বুলি তেওঁ জানে, কিন্তু বহুত আৱশ্যকীয় সমস্যা প্ৰধান মন্ত্ৰীৰ লগত

আলোচনা কৰিবলৈহে তেওঁ আহিছিল। ই বৰ লাজৰ কথা যে এনে মুছলমানে প্ৰত্যেক হিন্দু আৰু শিখৰ লগত নিৰাপত্তা অনুভৱ কৰিব নোৱাৰে। নিজৰ ৰাজধানী দিল্লীত এজন মুছলমানেও নিজক অৰক্ষিত ( unsafe ) বুলি ভবাটো ভুল।

---

## ( ৪ )

১৪-৯-৪৭

### আমাৰ অধঃপতন

গান্ধীজীয়ে কৈছিল যে তেখেতে ইদ্‌গাহ্ আৰু তাৰ বিপৰীতফালে থকা দুটা মুছলমান আশ্ৰয়প্ৰাৰ্থী কেন্দ্ৰলৈ গৈছিল! কোনো মুছলমানৰ মুখত খঙৰ চাহনি নাছিল। সিহঁতক দুখীয়া যেন দেখা গৈছিল। সিহঁতৰ মাজত এজন অস্থিচৰ্ম্মসাৰ বুঢ়া মানুহ আছিল। প্ৰত্যেকদাল কামিহাড়কে দেখা গৈছিল। তেওঁৰ শৰীৰৰ বহুত ঠাইত চুৰীৰে খোচা হৈছিল। সমানে আঘাত পোৱা আৰু এজনী তিৰোতা মানুহ তেওঁৰ কাষতে আছিল। অতি বুঢ়া নহলেও, তাই জীৰ্ণাৱস্থাত আছিল। সিহঁতক দেখি তেওঁ লাজত তলমূৰ কৰিছিল। যি কোনো ধৰ্ম্মাৱলম্বীয়েই নহওক তেওঁৰ মানত সকলো মতা তিৰোতাই সমান।

## আশ্ৰয়প্ৰাৰ্থী কেন্দ্ৰৰ স্বাস্থ্য

তাৰ পাচত তেওঁ কেন্দ্ৰবোৰৰ স্বাস্থ্যৰ বিষয়ে মন্তব্য প্ৰকাশ কৰিছিল। সেইবোৰ বৰ্ণনাতীতভাবে অপৰিষ্কাৰ আছিল। ইদ্‌গাহৰ কুঁৰা ( tank ) বা খাল শুকাই গৈছিল। আশ্ৰয়প্ৰাথীবোৰে ক'ৰপৰা পানী পাই এই বিষয়ে তেওঁ বিচাৰ কৰা নাছিল। অন্তৰ্বাসীবোৰে যেনে তেনে ভাবে শৌচাদি কাৰ্য্য কৰিছিল। তেওঁ যদি কেন্দ্ৰৰ অধ্যক্ষ হল-হেঁতেন আৰু মিলিটাৰী আৰু পুলিচ তেওঁৰ তলত থাকিল-হেঁতেন, তেন্তে তেওঁ নিজে হাতত কোৰ আৰু কুঠাৰ ( pickane ) লৈ মিলিটাৰী আৰু পুলিচক তেনে কৰিবলৈ সহায় খুজিলেহেঁতেন আৰু কেন্দ্ৰক সম্পূৰ্ণৰূপে স্বাস্থ্যকৰ অৱস্থালৈ আনিবৰ কাৰণে আশ্ৰয়প্ৰাৰ্থীবোৰক তেনে কৰিবলৈ কলেহেঁতেন। কিন্তু দৰাচলতে, ঠাইডোখৰ এনে ময়লাৰ দ'মেৰে পোত খাই আছিল যে তাক সম্পূৰ্ণৰূপে চাফা নকৰাকৈ কোনো মানুহকে তাত বাস কৰিবলৈ মাতিব নালাগে। ইয়াৰ কাৰণে ধন নালাগে, লাগে সামান্য ভৱিষ্যৎ ভাবনা আৰু স্বাস্থ্যৰ জ্ঞান—যি জ্ঞানে অস্বাস্থ্যকৰ অৱস্থাকে সহ্য কৰিবলৈ মান্তি নহয়। এই হিচাবে হিন্দু কেন্দ্ৰবোৰো কোনো গুণে ভাল নহয়। অস্বাস্থ্যতা এটা জাতীয় খুঁত। বৰং ভালকৈ কবলৈ গলে ই পাপহে আৰু স্বাধীন জাতি হিচাবে যিমানেই ইয়াৰ পৰা ৰক্ষা পৰে সিমানেই তেওঁলোকৰ কাৰণে মঙ্গলজনক।

## চৰকাৰ আৰু ৰাইজৰ কৰ্ত্তব্য

এইবোৰ কেন্দ্ৰৰ পৰা গান্ধীজীৰ চিন্তা জাতিৰ অগ্ৰগতিক ৰোধকৰা এই সন্ধিচ্যুতিৰ কাৰণৰ ফালে ঢাল খায়। কিয় ইমানবোৰ হিন্দু আৰু শিখ পশ্চিম পঞ্জাবৰ প্ৰদেশবোৰৰ পৰা গুচি আহিছে? হিন্দু বা শিখ হোৱাটো পাপ নে কি? নাইবা মাত্ৰ অভিশাপৰ (cussedness) কাৰণে তেওঁলোক গুচি আহিছে? পূৰ্ব্বত সিহঁতৰ সহযোগীবোৰে যি কৰিছিল তাৰেই ই শাস্তিনে? তাৰ পিচত তেওঁ ইউনিয়নৰ বিষয়ে ভাবিছিল। দিল্লীৰ মুছলমানবোৰক কিয় নিজৰ ঘৰবাৰী এৰিবলৈ ভয় দেখুউৱা হৈছিল? তুই চৰকাৰেই ধ্বংস পাইছে নে কি? জনসাধাৰণে চৰকাৰক অমান্য কৰিছে কিয়? মুছলমানবোৰৰ লাইচেন্সবিহীন অস্ত্ৰ আছে। অবৈধৰূপে মানুহে ৰখা অস্ত্ৰশস্ত্ৰবোৰ কাঢ়ি নিবৰ কাৰণে চৰকাৰ আছেই। যদি তেওঁলোক অক্ষম, তেন্তে ভাল মানুহক স্থান দিয়ক। ৰাইজে সিহঁতক যি কৰিছে সেয়েই গবৰ্ণমেণ্ট। ৰাইজে নিজৰ হাতত আইন ৰখাটো সম্পূৰ্ণ ভুল আৰু প্ৰজাতন্ত্ৰৰ প্ৰতিকূল। পাকিস্তানতেই বা ইউনিয়নতেই প্ৰবল হওক এই উচ্ছৃঙ্খলতাৰ (lawlessness) পৰা ভাৰতৰ কোনো উপকাৰ বা মঙ্গল নহয়। তেওঁ দিল্লীলৈ আহিছে "মন্ত্ৰৰ সাধন কিম্বা শৰীৰৰ পতন"ৰ কাৰণে। এই বলিয়া ভাতৃবধ, এই জাতীয় আত্মহত্যা, সিহঁতৰ নিজৰ চৰকাৰক বিশ্বাস-ঘাতকতা কৰা—এইবোৰ চাবৰ তেওঁৰ ইচ্ছা নাই। সিহঁতৰ

হেৰোৱা জ্ঞান লাভ কৰিবৰ কাৰণে সিহঁতক যেন ঈশ্বৰে সহায় কৰে !

---

( ৫ )

১৫-৯-৪৭

## হৃদয় অন্বেষণ

ৰাতি মৃদু জীৱন-দাতা বৰষুণৰ হব লগা শান্ত শব্দ শুনোতে, মোৰ মন দিল্লীৰ মুক্ত কেন্দ্ৰবোৰত পৰি থকা হাজাৰ হাজাৰ আশ্ৰয়প্ৰাৰ্থীৰ কাষলৈ গৈছিল। কেউফালে মোক ৰক্ষা কৰা এখন বাৰাণ্ডাৰ তলত মই আৰামত শুই আছিলোঁ। নিজৰ ভাতৃৰ প্ৰতি মানুহৰ নিষ্ঠুৰ হাত নোতোলাহেঁতেন এই হাজাৰ হাজাৰ মতা, তিৰোতা আৰু লৰা-ছোৱালী আশ্ৰয়হীন নহলহেঁতেন আৰু বহুত ক্ষেত্ৰত অনাহাৰী নহলহেঁতেন। কোনো কোনো ঠাইত সিহঁত আঠুৱনীয়া পানীত নাথাকিলহেঁতেন। এই সকলোবোৰেই অপৰিহাৰ্য্য আছিল নে ? অন্তৰৰ পৰা অহা উত্তৰ আছিল প্ৰৱল অস্বীকাৰ। মাত্ৰ এমহীয়া কেঁচুৱা স্বাধীনতাৰ এয়ে প্ৰথম ফল ? যোৱা কুৰি ঘণ্টাত এই চিন্তাবোৰেই মোক বেঢ়ি ধৰিছিল ; মোৰ নিস্তব্ধতা আশীৰ্ব্বাদহে। ইয়েই মোক হৃদয় অন্বেষণ কৰাইছে। দিল্লীৰ নাগৰিকবোৰ বলিয়া

হৈছেনে কি ? সিহঁতৰ ভিতৰত মনুষ্যত্ব অকণো নাইনে ? সিহঁতৰ ওচৰত দেশপ্ৰেম আৰু স্বাধীনতাৰ প্ৰতি প্ৰেমৰ কোনো আৱেদন নাইনে ? হিন্দু আৰু শিখৰ ওপৰত প্ৰথম দোষ দিয়াৰ কাৰণে মোক ক্ষমা কৰিব লাগিব। হিংসাৰ জোৱাৰ প্ৰতিৰোধ কৰিবলৈ সিহঁত মানুহো হব নোৱাৰেনে ? মই দিল্লীৰ মুছলমান সকলক নিৰ্ভয় হবলৈ, ঈশ্বৰক বিশ্বাস কৰিবলৈ আৰু হিন্দু, শিখবোৰ সিহঁতৰ হাতত আছে বুলি সন্দেহ কৰা সকলো অস্ত্ৰ-শস্ত্ৰ আৱিষ্কাৰ কৰিবলৈ হাতজোৰ কৰোঁ। আগৰ সকলৰ হাততো একো নাই বুলি এইদৰে কোৱা নাই। ই মৰ্য্যাদাৰ প্ৰশ্ন। হয় সংখ্যালঘিষ্ঠ বোৰে উপযুক্ত কাম কৰিবৰ কাৰণে ভগৱানক আৰু তেওঁৰ সৃষ্ট প্ৰাণী মানুহৰ ওপৰত নিৰ্ভৰ কৰক, নহয় সিহঁতে বিশ্বাস নকৰা মানুহৰ পৰা নিজক ৰক্ষা কৰিবলৈ অগ্নি-অস্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰক।

## তোমাৰ চৰকাৰক বিশ্বাস কৰা

মোৰ উপদেশ নিৰ্দ্দিষ্ট আৰু অবিচলিত বা দৃঢ়। ইয়াৰ অভ্ৰান্ততা স্পষ্ট। অন্যায়কাৰী যিমানেই অস্ত্ৰেৰে সুসজ্জিত হওক, সিহঁতৰ পৰা প্ৰত্যেক নাগৰিককে ৰক্ষা কৰিবলৈ চৰকাৰৰ ওপৰত বিশ্বাস স্থাপন কৰা। আৰু, অন্যায়ভাৱে অনিষ্টগ্ৰস্ত হোৱা সংখ্যালঘুৰ প্ৰত্যেক জনৰে ক্ষতি দাবী কৰি ক্ষতিপূৰণ পাবলৈ বিশ্বাস কৰা। মৃতকক পুনৰ্জীবন

দিবহে কোনো চৰকাৰেই নোৱাৰে। পাকিস্তান চৰকাৰৰ পৰা সুবিচাৰ দাবী কৰাটো দিল্লীৰ মানুহৰ পক্ষে টান হব। যি সুবিচাৰ বিচাৰে, তেওঁলোকে নিজে সুবিচাৰ কৰিব লাগিব, নিষ্কলঙ্ক থাকিব লাগিব। হিন্দু আৰু শিখবোৰে প্ৰকৃত পথ লওক আৰু নিজৰ ঘৰ-বাৰীৰ পৰা খেদা খোৱা মুছলমানসকলক ঘূৰি আহিবলৈ নিমন্ত্ৰণ কৰক। যদি তেওঁ-লোকে এই যোগ্যতৰ সাহসিক পথ গ্ৰহণ কৰিব পাৰে তেন্তে তেওঁলোকে এই আশ্ৰপ্ৰাৰ্থীৰ সমস্যাক একেবাৰে সাধাৰণ কৰিব পাৰে। পাকিস্তানৰ পৰা কিয় গোটেই পৃথিৱীৰ পৰাই তেওঁলোকে ( recognition ) পাব। তেওঁলোকেই অপমান আৰু ধ্বংসৰ পৰা দিল্লী আৰু ভাৰতবৰ্ষক ৰক্ষা কৰিব। মোৰ পক্ষে, লাখ লাখ হিন্দু আৰু শিখ আৰু মুছলমানক স্থানান্তৰ (transfer) কৰা অভাৱনীয়। ই ভুল। দৃঢ় ৰাইজৰ অ-দেশান্তৰৰ দাবীয়ে পাকিস্তানৰ ভুল তল পেলাব ( undone ) বা নষ্ট কৰিব। মই আশা কৰোঁ ইয়াক সমৰ্থন কৰিবলৈ ( stand by it ) মোৰ অন্তৰত সাহ পাম যদিও ইয়াৰ অনুকূলে মোৰটো এটি অকলশৰীয়া মাত হয়।

---

## ( ৬ )

১৭-৯-৪৭

## অনুজ্ঞা নহয়

Lines অৰ বহল মুকলি পথাৰত ( courtyard ) দিল্লী কটন মিল আৰু বাহিৰৰ শ্ৰমিক সকলৰ এটা বিৰাট জনতা গোট খাইছিল। সেই শ্ৰমিক সকলৰ ইঙ্গিততেই গান্ধীজী তালৈ গৈছিল কাৰণ বাল্মিকী কলনীৰ যি কোনো ঠাইত তেওঁ থাকোঁতেই এওঁলোকৰ পৰা স্বেচ্ছাসেৱক পোৱা হৈছিল। ৬-৩০ সেই ঠাই পায়েই গান্ধীজীয়ে লাউদ-স্পীকাৰৰ সহায়ত কথা কবলৈ চেষ্টা কৰিছিল, কিন্তু যন্ত্ৰত কিবা অমঙ্গল ঘটাত আন এটা যন্ত্ৰ চেষ্টা কৰা হৈছিল। ইয়াৰ পৰা কিছু কাম হলেও গোটেই জনতাই কথা শুনাত টান হৈছিল। কিন্তু এজন পঞ্জাৱী বন্ধুৱে গান্ধীজীৰ প্ৰত্যেক কথাকে চিঞৰি কবলৈ আগ বাঢ়িল। এই কৌশলে কাম দিলে। গান্ধীজীয়ে কলে যে আগ দিনা আবেলিৰ অভিজ্ঞতাৰ পিচত গান্ধীজীয়ে মনস্থ কৰিলে শ্ৰোতাসকলৰ কাকো বাদ নিদিয়াকৈ সকলোৱেই তেওঁৰ প্ৰাৰ্থনা নিবিচাৰিলে তেওঁ সমজুৱা (public) প্ৰাৰ্থনা নকৰে। কোনো বস্তুকে কাৰবাক দিবলৈ তেওঁ বল কৰা নাই আৰু প্ৰাৰ্থনাৰ দৰে এনে হেন উচ্চতম আধ্যাত্মিক বস্তুৰ কাৰণে তেওঁ বল কৰিবই নোৱাৰে। ইয়াৰ উত্তৰ ( response ) অন্তৰৰ পৰা আহিব লাগিব। তেওঁক সন্তুষ্ট কৰাৰ কোনো প্ৰশ্ন উঠিব নোৱাৰে। তেওঁৰ প্ৰাৰ্থনা

সভাবোৰ অৱশ্যে জনপ্ৰিয় হৈছে আৰু লাখ লাখ মানুহ তাৰ পৰা উপকৃত হোৱা যেন দেখা যায়। কিন্তু tensionৰ এই সময়ত ভুক্তভোগী সকলৰ ৰোষৰ কথা তেওঁ বুজিব পাৰিছে। মাত্ৰ, প্ৰাৰ্থনাৰ যিটি অংশ তেওঁৰ মতে আপত্তিজনক দেখা যায়, সেই অংশটোৱে যেন তেওঁ এৰিব বুলি কোনেও আশা নকৰে। এনে ভাবে ইয়াক আন্তৰিকতাৰে গ্ৰহণ কৰিব লাগিব বা অগ্ৰাহ্য কৰিব। তেওঁৰ মতে কোৰাণ পাঠ প্ৰাৰ্থনাৰ এটা বিশেষ অঙ্গ।

## ৰোষ সংযত কৰা

সেই সময়ৰ তুমুল বাদানুবাদৰ প্ৰশ্নৰ বিষয়ে গান্ধীজীয়ে কয় যে তেওঁ সিহঁতৰ ৰোষ আৰু ফলত হোৱা অধৈৰ্য্যৰ কথা বুজিবলৈ সাজু। যদি সিহঁত সিহঁতৰ স্বাধীনতাৰ যোগ্য, তেন্তে সিহঁতে নিজৰ ৰোষ দমন কৰিবলৈ শিকিব আৰু উপযুক্ত ব্যৱস্থা কৰিবলৈ সিহঁতৰ গবৰ্ণমেণ্টক বিশ্বাস কৰিব। তেওঁৰ যথেষ্ট ইচ্ছা থাকিলেও তেওঁ সিহঁতক তেওঁৰ নিজৰ অহিংসাৰ পথ দেখুৱা নাই। কিন্তু তেওঁ জানে যে আজি তেওঁ কোৰ্টৰ বাহিৰত। তেওঁ সঙ্কেত দিলে যে সকলো গণতান্ত্ৰিক জাতিয়ে অনুসৰণ কৰা পথকে তেওঁলোকে গ্ৰহণ কৰক। গণতন্ত্ৰত ব্যক্তিগত ইচ্ছা সামাজিক ইচ্ছাৰ দ্বাৰাই শাসিত আৰু সীমাবদ্ধ হয়, আৰু এই সামাজিক ইচ্ছাই হৈছে গণতন্ত্ৰৰ কাৰণে গণতন্ত্ৰই শাসন কৰা ৰাজ্য ( state )। যদি

প্ৰত্যেক ব্যক্তিয়েই আইন নিজৰ হাতলৈ লয় তেন্তে কোনো ৰাজ্য হব নোৱাৰে, অৰাজকতাত পৰিণত হব অৰ্থাৎ সামাজিক আইন বা নিয়ম বা ৰাজ্যৰ অনুপস্থিতি। সেই পথতে স্বাধীনতাৰ ( liberty ) ধ্বংস। গতিকে, সিহঁতে নিজৰ ৰোষ দমন কৰক আৰু ৰাজ্যই সুবিচাৰ প্ৰবৰ্ত্তন কৰক। তেওঁৰ মতে, তেওঁলোকে যদি ৰাজ্যক কৰ্ত্তব্য কৰিবলৈ দিয়ে, তেন্তে সন্মান আৰু গৌৰবেৰে প্ৰত্যেক হিন্দু আৰু শিখ আশ্ৰয়প্ৰাৰ্থী নিজৰ ঘৰলৈ উভতি যোৱাত তেওঁৰ কোনো সন্দেহ নাথাকিব। তেওঁ মুক্তভাবে কব পাৰে যে পাকিস্তানত সিহঁতে যথেষ্ট যন্ত্ৰণা ভোগ কৰিছে, বহুত ঘৰ উজাড় হৈছে, জীৱন হানি হৈছে, ছোৱালীবোৰ বলেৰে ধৰি নিছে, আৰু জবৰদস্তী ধৰ্ম্মান্তৰ কৰা হৈছে। যদি সিহঁতৰ আত্ম-সংযম ( আছে ) থাকিলহেঁতেন, আৰু সিহঁতৰ বিচাৰ শক্তিক ৰোষৰ তলতীয়া হবলৈ ( নিদিয়ে ) নিদিলোঁহেঁতেন, তেন্তে ছোৱালী-বোৰ ফিৰাই দিলেহেঁতেন, জবৰদস্তী ধৰ্ম্মান্তৰ অবৈধ হল-হেঁতেন আৰু সিহঁতৰ ধনসম্পত্তি ফিৰাই দিলেহেঁতেন। কিন্তু এইটো সম্ভৱপৰ নহব যদি সিহঁতে সুবিচাৰৰ স্পষ্ট বাটত হস্তক্ষেপ কৰে আৰু এইদৰে নিজৰ বিষয়কো ধ্বংস কৰিব। এইবোৰো সিহঁতে আশা কৰিব নোৱাৰে যৰি সিহঁতে বিচাৰে যে সিহঁতৰ মুছলমান ভাই-ভনীবোৰক ভাৰতৰ পৰা বাহিৰ কৰি দিয়া হওক। এনে কোনো কথা তেওঁ আসুৰিক প্ৰস্তাৱ বুলি বিবেচনা কৰে। সিহঁতে পিঠাও নাপায় আৰু তাক

খাবও নোৱাৰে। তাৰ উপৰিও, সংখ্যালঘু অৰ্থাৎ হিন্দু আৰু শিখক পাকিস্তানত বেয়া ভাবে ব্যৱহাৰ কৰা (কথা) সঁচা, আৰু এইটো কথাও সঁচা যে পূৰ্ব্ব পঞ্জাৱেও ইয়াৰ সংখ্যালঘু মুছলমানবোৰক একে দৰেই ব্যৱহাৰ কৰিছে। সোণৰ তৰ্জ্জুৰে দোষ ওজন কৰিব নোৱাৰে! দুয়ো পক্ষৰ দোষ ওজন কৰিবলৈ তেওঁৰ হাতত কোনো প্ৰদত্ত প্ৰমাণ বা বিষয় নাই। দুয়ো পক্ষয়েই যে দোষী এইটো জনাই নিশ্চয় যথেষ্ট। উপযুক্ত adjustment পোৱাৰ সাধাৰণ (universal) পথ হৈছে দুয়ো ৰাজ্যৰ কাৰণে দুয়ো পক্ষৰ দোষৰ খোলা আৰু সম্পূৰ্ণ ভাৱে স্বীকাৰ কৰা আৰু মীমাংসালৈ অহা; মীমাংসা নহলে স্বাভাৱিক উপায়েৰে মধ্যস্থতাৰে নিষ্পত্তিৰ আশ্ৰয় লোৱা। আনটো আৰু উগ্ৰ পথ হৈছে যুদ্ধৰ। এই চিন্তাই তেওঁক প্ৰতিবোধ কৰিছে (repelled) কিন্তু ৰক্ষাৰ কোনো উপায় নাই যদি মীমাংসাও নহয় বা মধ্যস্থতাৰে নিষ্পত্তিও নহয়। এই অৱসৰতে, তেওঁ আশা কৰে সজ পৰামৰ্শ সকলোৱে লব আৰু পাকিস্তানলৈ নিজ ইচ্ছামতে যাবলৈ নিবিচৰা মুছলমান সকলক ওচৰচুবুৰীয়া সকলে তেওঁলোকক নিৰাপত্তাৰ সম্পূৰ্ণ অনুভূতি লৈ ফিৰি আহিবলৈ কোৱাটো উচিত। মিলিটাৰীৰ সহায়ত ই সম্ভৱপৰ হব নোৱাৰে। একমাত্ৰ জড়িত থকা মানুহবোৰৰ মনৰ সুস্থতা ঘূৰি আহিলেহে ই সম্ভৱপৰ হব। তেওঁ নিজৰ চৰম বাছনি কৰি লৈছে। ভাতৃবধৰ মাজেদি ভাৰত ধ্বংস হোৱা

চাবলৈ তেওঁৰ জীয়াই থাকিবৰ ইচ্ছা নাই। তেওঁৰ নিয়ত প্ৰাৰ্থনা এয়ে যে তেওঁলোকৰ সুন্দৰ দেশত এনে কোনো দৈব দুৰ্ব্বিপাক হোৱাৰ আগতে তেওঁক যেন ঈশ্বৰে আঁতৰাই নিয়ে। আৰু দৰ্শকবৃন্দক তেওঁ প্ৰাৰ্থনাত যোগ দিবলৈ আহ্বান কৰিলে।

## শ্ৰমৰ কাৰ্য্য ( Role )

শেষত গান্ধীজীয়ে একে লগে কাম কৰা হিন্দু আৰু মুছলমানৰ শ্ৰমিক শ্ৰেণীক ধন্যবাদ জনায়। যদি তেওঁলোকে সম্পূৰ্ণ ঐক্যৰে কাম কৰিছে, তেওঁলোকে এটা মহৎ আদৰ্শ দাঙি ধৰিছে। শ্ৰমিকসকলৰ মাজত কোনো সাম্প্ৰদায়িকতা থাকিব নোৱাৰে। তেওঁ কোৱা নাছিলনে যে তেওঁলোকে যদি নিজৰ শক্তিৰ কথা জানে আৰু ইয়াক সজ বিবেচনাৰে আৰু সিদ্ধান্তৰ দ্বাৰা কামত লগালেহেঁতেন, তেন্তে তেওঁ-লোকেই প্ৰধান শাসক হলহেঁতেন আৰু নিয়োগকৰ্ত্তাসকল আৱশ্যকতাত আৰু কাৰ্য্যত তেওঁলোকৰ জিম্মাদাৰ আৰু বন্ধু হলহেঁতেন ? শ্ৰমৰ দ্বাৰা পৃথিৱীৰ অন্তৰ্ভেদী বাহিৰ কৰা সোণ আৰু ৰূপৰ আকাৰধাৰী পুঁজিতকৈ শ্ৰম বেচি আচল পুঁজি বুলি তেওঁলোকে জানিলেহে এনে সুখৰ দিনবোৰ ( happy state of things ) আহিব।

## (৭)

১৮-৯-৪৭

### প্ৰাৰ্থনা অবিভক্ত

দাৰিয়াগঞ্জৰ পৰা ঘূৰি আহি, গান্ধীজীয়ে বিৰলা ভৱন কম্পাউণ্ডৰ প্ৰাৰ্থনাৰ সৰু জনতাৰ মাজলৈ যায়। তেওঁ সিহঁতক কলে যে যদি কোনো এজন মানুহেও কোৰাণ পাঠ কৰাত আপত্তি কৰে তেন্তে তেওঁ আৰু ৰাইজৰ মাজত প্ৰাৰ্থনা নকৰে। প্ৰাৰ্থনাৰ উদ্দেশ্য কাৰো অন্তৰত আঘাত দিয়াটো নহয়। আৰু লগতে তেওঁ বিশেষ চিন্তা আৰু বিবেচনাৰ পিচত বাচিলোৱা প্ৰাৰ্থনাৰ কোনো অংশকে বাদ দিব নোৱাৰে। তেওঁৰ প্ৰাৰ্থনা সভা পতাত বা নপতাত ৰাইজৰ মতামত আছেনে নাই তাকে দেখুৱাবৰ কাৰণে তেওঁলোকক হাত ডাঙিবলৈ কয়। প্ৰাৰ্থনাৰ বিপক্ষে কোনো হাতকে তোলা নহল। গতিকে আগৰ দৰেই এটি পৰিবৰ্ত্তনৰে সৈতে প্ৰাৰ্থনা সভা পতা হল, পৰিবৰ্ত্তন এয়ে যে কোৰাণ পাঠ প্ৰাৰ্থনাৰ শেষত নহৈ প্ৰথমতে আৰম্ভ হব।

### গজেন্দ্ৰ মোক্ষ

প্ৰাৰ্থনাৰ পিচত গান্ধীজীয়ে জনতাক সম্ভাষণ কৰি কলে যে শৰীৰৰ কাৰণে ৰুটি আহাৰ হোৱাৰ দৰে আত্মাৰ কাৰণে প্ৰাৰ্থনাই আহাৰ আৰু তেওঁ এই কথা জানি সুখী হৈছে যে সকলোৱে বা তেওঁলোকে ইয়াৰ আৱশ্যকতা বুজিছে।

গজেন্দ্র মোক্ষ ভজন আলোচনা কৰি তেওঁ কয় যে তেওঁলোকৰ কাৰণে কৰিব লগীয়া বিষয় হৈছে ভাৰতবৰ্ষক বৰ্ব্বৰতাৰ মুঠিৰ পৰা ৰক্ষা কৰা। ঈশ্বৰৰ অনুগ্ৰহতহে এই কাম সমাধা হব।

## দিল্লীৰ পিচত পঞ্জাৱ

গান্ধীজীয়ে তেওঁলোকক দাৰিয়াগঞ্জৰ মুছলমানসকলৰ লগত দেখা শুনা হোৱাৰ কথা কলে। ভাৰতত প্ৰত্যেক মুছলমান আৰু হিন্দু আৰু শিখ নিজ নিজ ঘৰত পুনঃ প্ৰতিষ্ঠিত নোহোৱালৈকে তেওঁ শান্তিত থাকিব নোৱাৰে। যদি দিল্লী বা ভাৰতত মুছলমান আৰু পাকিস্তানত শিখ বাস কৰিব নোৱাৰে তেন্তে ভাৰতৰ বৃহত্তম মছজিদ জুম্মা মছজিদ বা নানকানা চাহেব বা পুঞ্জা চাহেবৰ অৱস্থা কি হব ? এইবোৰ পৱিত্ৰ স্থান আন কাৰ্য্যত লগোৱা হবনে কি ? কেতিয়াও নহয়। ( ঠাইৰ অভাবত আন আন উদাহৰণ এৰা হৈছে )।

গান্ধীজীয়ে কলে তেওঁ পঞ্জাৱলৈ যাত্ৰা কৰিব—তাত অসদ্‌কাৰ্য্য সম্পাদন কৰাত খ্যাতি লাভ কৰা মুছলমান সকলক তেওঁলোকৰ দোষ স্খালন কৰাবৰ কাৰণে। দিল্লীৰ মুছলমান সকলৰ কাৰণে সুবিচাৰ নোপোৱালৈকে তেওঁ কৃতকাৰ্য্যতাৰ আশা কৰিব নোৱাৰে। তেওঁলোকে দিল্লীত কেইবা পুৰুষো বাস কৰিছে। যদি দিল্লীৰ হিন্দু আৰু

মুছলমান সকলে আকৌ ভাতৃভাবে বাস কৰে, তেন্তে তেওঁ পাকিস্তানলৈ যাত্রা কৰিব আৰু পাকিস্তানত "কাৰ্য্য সম্পাদন কৰিব বা জীৱন ত্যজিব"। কৃতকাৰ্য্যতাৰ অৱস্থা হৈছে ইউনিয়নৰ লোকসকলে নিজৰ হাত পৰিষ্কাৰ ৰাখক। হিন্দু ধৰ্ম্ম সমুদ্রৰ দৰে। সমুদ্র কেতিয়াও অপৰিষ্কাৰ নহয়। ইউনিয়নৰ বিষয়ে সি সত্য হব। হিন্দু আৰু শিখসকলে যি যন্ত্রণা ভোগ কৰিছে তাৰ কাৰণে ৰোষ ( resentment ) অনুভৱ কৰাটো স্বাভাৱিক। কিন্তু সিহঁতৰ কাৰণে সুবিচাৰ পাবলৈ সকলো চৰকাৰৰ হাতত এৰি দিয়া উচিত।

## মিলিটাৰী আৰু পুলিচৰ কৰ্ত্তব্য

পক্ষাশ্রয়ী আচৰণ মিলিটাৰী আৰু পুলিচৰ গুণ বা লক্ষণ। ই সঁচা হলে বৰ দুখৰ কথা। যদি আইন আৰু শৃঙ্খলাৰ ৰক্ষক পক্ষপাতী আৰু পাপৰ ভাগ লয় তেন্তে আইন আৰু শৃঙ্খলা কেনেকৈ ৰক্ষা হয়? তেওঁ মিলিটাৰী আৰু পুলিচক কুসংস্কাৰ আৰু কলুষৰ ওপৰত থাকিবলৈ অনুৰোধ কৰে। জাতি-ধৰ্ম্ম নিৰ্ব্বিশেষে ৰাইজৰ তেওঁলোক বিশ্বাসী সেৱক হব লাগে।

---

( ৮ )

১৯-৯-৪৭

## অত্যুক্তি ত্যাগ কৰা

আবেলি ৫ বজাত গান্ধীজীয়ে, হিন্দুবিলাকৰ আগত এজনে কোৱা হিচাবে কেউফালে মুছলমানে বেৰি থকা কুচা তাৰাচাঁদৰ হিন্দু নিবাসলৈ ( pocket ) যায়। তেওঁ অতি অতিৰঞ্জিত ভাষাত হিন্দুবিলাকৰ তুৰ্গতিৰ কথা বৰ্ণনা কৰিছিল আৰু এই কথা কৈ বৰ্ণনা শেষ কৰিছিল যে বেচিভাগ লীগ-পন্থী আৰু হিন্দুৰ বিপক্ষে উত্তেজনা সৃষ্টি কৰা মুছলমানবোৰৰ সেই স্থান মুক্ত কৰিব লাগে (denude)। তেওঁ আৰু কৈছিল যে পাকিস্তানত মুছলমানবোৰে যি কৰাৰ বাতৰি পোৱা গৈছে হিন্দুসকলেও ঠিক সেইদৰে কৰা উচিত।

## সাহসী আৰু নিৰ্ভীক হবা

ইয়াৰ উত্তৰত গান্ধীজীয়ে কলে যে মুছলমান বোৰে পাকিস্তানৰ পৰা সকলো অমুছলমানক বাহিৰ কৰি খেদাৰ দৰে ভাৰতেও সকলো মুছলমানক পাকিস্তানলৈ খেদি দিয়া কথাৰ লগত তেওঁ কোনো সম্বন্ধ ৰাখিব নোৱাৰে। গান্ধীজীয়ে কয় যে ছুটা ভুল লগ লাগি এটা শুদ্ধ হব নোৱাৰে। সেই কাৰণে তেওঁ দৰ্শক বৃন্দক তেওঁৰ উপদেশ শুনিবলৈ কয়, আৰু সাহসেৰে আৰু নিৰ্ভীকভাবে কাৰ্য্য কৰক আৰু সৰহ সংখ্যক মুছলমানৰ মাজত থাকিবলৈ পোৱাত গৌৰৱ অনুভৱ কৰক।

তাৰ পাচত তেওঁ পাটাউদী ভৱনৰ অনাথালয়লৈ যায় আৰু তাৰ দায়িত্বসম্পন্ন লোকসকলক ভয়ত আঁতৰাই নিয়া মাউৰা লৰা-ছোৱালীবোৰক ফিৰাই আনিবলৈ কয়। তেওঁক কোৱা হ'ল যে ওচৰৰ মুছলমানৰ ঘৰৰ পৰা গুলি মৰা হৈছিল আৰু সেই গুলিত এটি কেঁচুৱা মৰে আৰু এটিৰ আঘাত হয়। এই ঘটনা সাত চেপ্তেম্বৰত হৈছিল। তেওঁৰ লগত যোৱা মৌলানা আহমদ চৈয়দ আৰু আন আন মুছলমান বন্ধুবোৰে কয় যে অন্তৰ্বাসী সকলৰ যাতে কোনো বিপদ নহয় তাৰ কাৰণে ওচৰ চুবুৰীয়া মুছলমান সকলে চকু দিব। পিচৰ স্থান হৈছে মুচলমান সকলৰ মাজত হিন্দু হিচাবে অকলে বাস কৰা শ্ৰীভাৰ্গবৰ ঘৰৰ ওচৰতে। এই ঠাইডোখৰ মুছলমানেৰে পৰিপূৰ্ণ। গান্ধীজীয়ে আশা কৰে বাৰ বছৰীয়া লৰাৰ দৰে মুছলমান সকলে তেওঁৰ স্বপ্ন পূৰ্ণ কৰিব যে হিন্দু মুছলমান আৰু আন আন ভাৰতীয়ই ভাই-ককাই আৰু বন্ধুহিচাবে একেলগে বাস কৰিব। বিৰলা ভৱনৰ প্ৰাৰ্থনা সভাৰ সৰু জনতাক ঈশ্বৰে সেই সপোন পূৰ্ণ কৰক বা তেওঁক আঁতৰাই নিয়ক আৰু ভাৰতৰ এক অংশত একমাত্ৰ মুছলমান আৰু আন অংশত হিন্দু বাস কৰা এই ভয়ানক দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰক—এই প্ৰাৰ্থনাত যোগ দিবলৈ কওঁতে এই বোৰ ঘটনাৰ কথা গান্ধীজীয়ে উল্লেখ কৰে।

---

( ৯ )

২০-৯-৪৭

## ঈশ্বৰে ভয় দূৰ কৰে

কোৰাণ চৰিফৰ পৰা পদ পাঠ কৰাত কোনেও আপত্তি নকৰাত আজি আবেলিও একে দৰেই প্ৰাৰ্থনা চলিছিল।

গান্ধীজীয়ে আগতে গোৰা পদৰ কথা উল্লেখ কৰে। এই পদত ৰচকে কৈছে যে ঈশ্বৰত বিশ্বাস কৰা সকলো মানুহৰ অন্তৰৰ পৰা ঈশ্বৰে সকলো ভয় দূৰ কৰে।

আজি, হিন্দু আৰু শিখ সকলে দিল্লীৰ মুছলমান সকলক ভয় খুৱাইছে। যি সকলে নিজে ভয়ৰ পৰা মুক্ত হব খোজে তেওঁলোকে আনৰ অন্তৰতো ভয় সুমুৱাই দিয়া উচিত নহয়।

সীমান্ত প্ৰদেশৰ বান্নু চহৰত তেওঁ এজন মুছলমান বন্ধুৰ ঘৰত বাস কৰিছিল। বান্নুৰ কিছুমান মানুহে তেওঁৰ আগত আপত্তি কৰিলে যে যদি তেওঁলোকক ইয়াৰ পৰা সোনকালে স্থানান্তৰ কৰা নহয় তেন্তে তেওঁলোক সকলো মৰিব আৰু ধ্বংস হব পাৰে। মুছলমান বন্ধুজন সদায় নিৰ্ভীক (staunch) কিন্তু তেওঁ চেষ্টা কৰিলেও অকলে তেওঁলোকক ৰক্ষা কৰিব নোৱাৰে। আনবোৰ মুছলমানে আনকি সীমান্তত সদায় আহি তেওঁলোকৰ অন্তৰত ভয় সুমুৱাই দিছে আৰু তেওঁ-লোকক সোনকালে নিৰাপদ ঠাইলৈ নিয়ক। গান্ধীজীয়ে কলে যে তেওঁৰ কোনো শক্তি নাই। তেওঁ পণ্ডিতজী আৰু সৰদাৰৰ আগত তেওঁলোকৰ কথা কব। বন্ধুসকলে কলে যে

৩

তেওঁলোকৰ নিজৰ মিলিটাৰীয়ে তেওঁলোকৰ সহায়লৈ অহা উচিত। বক্তাই আগেয়ে কোৱাৰ দৰে তেওঁলোকক কলে, "ঈশ্বৰৰ বাহিৰে আন কোনেও তোমালোকক ৰক্ষা কৰিব নোৱাৰে। কোনো মানুহেই আনক ৰক্ষা কৰিব নোৱাৰে।" কোনেও কব নোৱাৰে যে তেওঁ পিচ দিনা জীয়াই থাকিবনে বা আনকি এক মিনিটৰ পিচতো জীয়াই থাকিব। একমাত্র ঈশ্বৰেই আছে আৰু থাকিব। গতিকে, তেখেতক মতা আৰু তেখেতৰ ওপৰত নিৰ্ভৰ কৰাই তেওঁলোকৰ কৰ্ত্তব্য। কোনো কাৰণতেই, কোনো সময়তেই কোনেও বেয়াৰ পৰিবৰ্ত্তে বেয়া কৰা উচিত নহয়।

## সংখ্যালঘুৰ ৰক্ষা

গান্ধীজীয়ে কবলৈ ধৰিলে যে পাকিস্তানত হিন্দু আৰু শিখৰ ভয় তাৰ চৰকাৰৰ ওপৰত বৰ দুঃখজনক প্ৰতিক্ষেপ ( reflection ) আৰু ই কায়েদে-আজমে নিজে দিয়া সংখ্যা-লঘুক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিৰ বিপক্ষে। ইউনিয়নৰ সংখ্যাগৰিষ্ঠৰ দৰে পাকিস্তানৰ সংখ্যাগৰিষ্ঠবো তেওঁৰ হাতৰ মুঠিত সন্মান আৰু জীৱন আৰু ঐশ্বৰ্য্য এবা সংখ্যালঘুক ৰক্ষা কৰাটো অৱশ্য কৰ্ত্তব্য।

## ভায়েই শত্ৰু ?

একেলগে ভাই হিচাবে বাস কৰা, জালিৱানওয়ালা-বাগৰ হত্যাত তেজ মিহলি হোৱা মানুহবোৰ আজি শত্ৰু

হোৱা কথাই তেওঁক পৰাস্ত কৰিছে (baffle)। যেতিয়ালৈকে তেওঁৰ নিশ্বাস-প্ৰশ্বাস আছে তেতিয়ালৈকে তেওঁ কব যে এনে হব নোৱাৰে। মনৰ দুঃখ আৰু বেজাৰত, শান্তি ফিৰাই আনিবৰ কাৰণে তেওঁ ঈশ্বৰত দিনে দিনে, ঘণ্টাই ঘণ্টাই কান্দিছে। যদি শান্তি ঘূৰি নাহে, তেন্তে তেওঁক আঁতৰাই নিবৰ কাৰণে ঈশ্বৰক খাটিব।

## আশ্ৰয়প্ৰাৰ্থী

বৰযুণ হৈ থাকোঁতেও তেওঁ দিল্লী, পূৰ্ব্ব আৰু পশ্চিম পঞ্জাৱৰ দুৰ্ভগীয়া আশ্ৰয়প্ৰাৰ্থীবোৰৰ কথা ভাবিছে। সিহঁতৰ আশ্ৰয় নাই, ঘৰবাৰী নাই—কাৰ পাপৰ কাৰণে যন্ত্ৰণা ভুগিছে? তেওঁ শুনিছে যে হিন্দু আৰু শিখ দলে দলে পশ্চিম পঞ্জাৱৰ পৰা আহি—৫৭ মাইল দীঘলীয়া বাট আহি পূৰ্ব্ব পঞ্জাৱত সোমাইছে। ই কেনেকৈ হব পাৰে এই কথা ভাবি তেওঁৰ মস্তিষ্ক ঘূৰিব ধৰিছে। এনে এটা ঘটনাৰ পৃথিৱীৰ বুৰঞ্জীত তুলনা নাই আৰু, আনৰ দৰে, তেওঁৰো শিৰ লাজত নত হৈছে। কোনে বেচি দোষ কৰিছে কোনে কম কৰিছে ইয়াৰ বিচাৰ কৰিবৰ সময় নাই। এই বলিয়ালিক বন্ধ কৰাহে এইটো সময়।

## মুছলমানৰ আনুগত্য আৱশ্যক

কোনোৱে তেওঁক কৈছে যে ভাৰত ইউনিয়নৰ প্ৰত্যেক মুছলমান পাকিস্থানৰ হে অনুগত, ভাৰতৰ নহয়। তেওঁ এই

দোষাৰোপ অস্বীকাৰ কৰিব। মুছলমানৰ পিচত মুছলমান আহিছে আৰু ইয়াৰ বিপৰীততো তেওঁক কৈছে। যি কোনো অৱস্থাতে, ইয়াৰ সংখ্যাগৰিষ্ঠ সংখ্যালঘুক ভয় কৰাৰ কোনো আৱশ্যক নাই। মুঠতে, ভাৰতৰ ৪২ কোটি মুছলমান গোটেইখন দেশতে বিয়পি আছে। সেৱাগ্ৰামৰ দৰে, গাৱঁত থকা মুছলমান বোৰ নিৰ্দ্দোষ আৰু তুখীয়া। সিহঁতৰ পাকিস্তানৰ লগত কোনো সম্বন্ধ নাই। সিহঁতক কিয় খেদিব লাগে ? বিশ্বাসঘাতক স্বৰূপে কোনো থাকিলে, আইনৰ সহায়ত সিহঁতক সদায় হাতৰ মুঠিত ৰাখিব পাৰি। আনকি মিঃ আমেৰীৰ পুতেকৰ হোৱাৰ দৰে, বিশ্বাসঘাতকক সদায় গুলি মাৰি মৰা হয়, যদিও সেয়ে গান্ধীজীৰ আইন নহয় বুলি তেওঁ স্বীকাৰ কৰে। আনবোৰে কৈছে যে ভাৰতৰ মুছলমানক পাকিস্তানৰ অনুগত ৰাখিবৰ কাৰণে ইয়াত কিছুমান চাকৰিয়াল ৰখা হৈছে। কোনোৱে কৈছে যে মুছলমানবোৰে সকলো হিন্দুকে কাফিৰ বুলি বিবেচনা কৰে। বিদ্বান মুছলমানে তেওঁক কৈছে যে ই সম্পূৰ্ণ ভুল। মুছলমান, খৃষ্টান, আৰু ইহুদীৰ দৰে হিন্দুবোৰো অনুপ্ৰাণিত ধৰ্ম্মপুথি মানে আৰু নিৰ্দ্দেশ মতে চলে। যি কোনো অৱস্থাতে, ( গান্ধীজীয়ে ) তেওঁ হিন্দু আৰু শিখক সিহঁতৰ অন্তৰৰ মুছলমানৰ প্ৰতি হোৱা সকলো ভয় দূৰ কৰিবলৈ, তেওঁলোকৰ প্ৰতি দয়ালু হবলৈ, ঘূৰি আহি আপোন ঘৰত বাস কৰিবলৈ আৰু বিপদ-আপদৰ পৰা ৰক্ষাৰ প্ৰতিশ্ৰুতি দিবলৈ অনুৰোধ

কৰে। তেওঁ নিশ্চিত আছিল যে এই দৰেই পাকিস্তানৰ মুছলমানৰ পৰা ইপ্সিত উত্তৰ পাব, আনকি সীমান্ত প্ৰদেশৰ সীমান্তত থকা জাতিবোৰৰ পৰাও। ভাৰতৰ কাৰণে শান্তি আৰু জীৱনৰ এইটোৱেই পথ। প্ৰত্যেক মুছলমানক ভাৰতৰ পৰা আৰু প্ৰত্যেক হিন্দু আৰু শিখক পাকিস্তানৰ পৰা খেদি দিয়াৰ অৰ্থ যুদ্ধ আৰু দেশৰ কাৰণে চিৰস্থায়ী ধ্বংস। দুয়ো দেশতে এনে এটা আত্মহত্যাকাৰী নীতি চলিছেনে ইয়াৰ পৰা পাকিস্তান আৰু ইউনিয়নত ইচলাম আৰু হিন্দুধৰ্ম্মৰ ধ্বংস অনিবাৰ্য্য। ভালৰ পৰাহে অকল ভাল হয়। প্ৰেমে প্ৰেমৰ জন্ম দিয়ে। প্ৰতিহিংসাৰ ফালে, মানুহে অন্যায়কাৰীক ঈশ্বৰৰ হাতলৈ এৰি দিব লাগে। ইয়াৰ বাহিৰে আন পথ তেওঁ নাজানে।

---

## ( ৯০ )

২১-৯-৪৭

## আপত্তিকাৰী সম্মানিত

শ্ৰোতাসকলৰ ভিতৰৰ এজন মানুহে অল ফতেহা পাঠ কৰা আপত্তি কৰাত বিৰলা ভবন বাগিছাত ( lawn ) প্ৰাৰ্থনা সভা পতা নহল। যি হওক, গান্ধীজীয়ে শ্ৰোতাক সম্ভাষণ কৰিছিল। তেওঁ কলে যে তেওঁ আপত্তিকাৰীৰ লগত

তর্ক কৰিবলৈ নাযায়। আজি ৰাইজৰ অন্তৰত জাগি উঠা ৰোষৰ কথা তেওঁ বুজিছে। আবহাৱা বা অৱস্থা ইমান ভাৱাক্রান্ত হৈ পৰিছে যে আনকি এজন আপত্তিকাৰীক মনাটো উচিত বুলি ভাবিছে, সেই বুলি ইয়াৰ অর্থ এয়ে যে তেওঁ ঈশ্বৰক ত্যাগ কৰিছে বা তেওঁৰ প্রার্থনা অন্তৰৰ পৰা ত্যাগ কৰিছে। প্রার্থনাই পৱিত্র অৱস্থা দাবী কৰে। এনে আপত্তিৰ পৰা প্রত্যেকে অন্তৰত ৰখাটো উচিত যে যি সকল সেৱা কৰিবলৈ আগ্রহান্বিত তেওঁলোকৰ অসীম ধৈর্য্য আৰু সহিষ্ণুতা থাকিব লাগিব। কোনোৱেই নিজৰ মতামত আনৰ ওপৰত জাপিবলৈ বিচাৰিব নালাগে।

## ফলহীন গছ মৰে

কেনেকৈ গান্ধীজীয়ে শ্রীমতি ইন্দিৰা গান্ধীৰ লগত সৰ্বহীয়া মুছলমানৰ কাষতে বাস কৰা অনেক হিন্দুয়ে বাস কৰা ঠাই এডোখৰলৈ যোৱাৰ কথা বর্ণনা কৰিলে। হিন্দু-বোৰে মহাত্মা গান্ধীকি জয় বুলি তেওঁক অভ্যর্থনা কৰিলে, কিন্তু তেওঁলোকে নাজানিছিল যে তেওঁৰ কাৰণে আজি কোনো জয় হব নোৱাৰে; হিন্দু, মুছলমান আৰু শিখবোৰে ইজন সিজনৰ লগত শান্তিত বাস নকৰিলে তেওঁ জীয়াই থাকিবলৈ ইচ্ছা নকৰে। তেওঁ এই কথাতো সকলোৰে অন্তৰত সুমুৱাই দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল যে ঐক্যত শক্তি আৰু অনৈক্যত দুর্ব্বলতা আছে। যেনেকৈ

ফল নোহোৱা গছ মৰি যায়, সেই দৰে তেওঁৰ সেৱাই ইপ্সিত ফল ধৰাব নোৱাৰিলে তেওঁৰ শৰীৰ নিষ্প্রয়োজনীয় হব। এই কথাও সঁচা, আৰু ফললৈ আশা নকৰি কাম কৰিবলৈ বাধ্য হোৱাও সমানে সঁচা। অনুৰাগতকৈ (attachment) বিচ্ছিন্নতা ( detachment ) বেচি ফলপ্রদ। তেওঁ মাথোন ঘটনাৰ যুক্তিহে ব্যাখ্যা কৰিছে। ( নিজৰ ) উপকাৰিতাৰ অতিক্রম কৰি বাচি থকা শৰীৰে নতুনক স্থান এৰি দি ধ্বংস হব। আত্মা অবিনশ্বৰ আৰু সেৱা কাৰ্য্যৰ মাজেদি ইয়াৰ মুক্তিৰ কাৰণে নতুন নতুন ৰূপ ধৰি থাকে।

## নিজৰ ঘৰতে লাগি থাকা

সেই ঠাইৰ মুছলমান সকলৰ লগত সভালৈ আহি গান্ধীজীয়ে কয় যে তেওঁলোকে তেওঁলোকৰ হিন্দু ওচৰ-চুবুৰীয়াৰ দ্বাৰা মৃত্যুলৈকে উৎপীড়ন কৰিলেও নিজৰ ঘৰতে লাগি থাকিবলৈ তেওঁ উপদেশ দিয়ে। তেওঁলোকৰ সেই কণ জ্ঞান নাথাকিলে মৃত্যুৰ পৰা হাত সাৰিবলৈ আঁতৰি যোৱাত তেওঁলোক মুক্ত। তেওঁলোকে তেওঁৰ উপদেশমতে চলিব পাৰিলে, তেওঁলোকে ইচলাম আৰু ভাৰত দুয়োকো সেৱা কৰিব। তেওঁলোকক উৎপীড়ন কৰা হিন্দু আৰু শিখবোৰে নিজৰ ধৰ্ম্মৰ বদনাম আনিব আৰু ভাৰতৰ অপূৰণীয় ক্ষতি কৰিব। ৪½ কোটি মানুহক পৃথিৱীৰ পৰা মচি পেলোৱা বা পাকিস্তানলৈ বনবাস দিয়া কথা ভবাটো

বলিয়ালিহে। কিছু মানুহে তেওঁ (গান্ধীজীয়ে) তেনে কৰিবলৈ ইচ্ছা কৰিছে বুলি সঙ্কেত কৰিছে। তেওঁৰ এনে কোনো ইচ্ছা নাই যে মুছলমান আশ্ৰয়প্ৰাৰ্থী বোৰক পুলিচ আৰু মিলিটাৰীৰ হাতেদি পুনঃস্থাপন হওক। তেওঁ ধাৰণা নকৰা কথাটো হৈছে হিন্দু আৰু শিখৰ ৰোষ নিমজ্জিত হলে, তেওঁলোকে নিজেই আশ্ৰয়প্ৰাৰ্থী বোৰক সন্মানেৰে ফিৰাই আনিব। তেওঁ, যিহওক, বাস্তুত্যাগীসকলৰ কাৰণে গবৰ্ণমেণ্টে তেওঁলোকৰ এৰি যোৱা ঘৰ-বাৰী ভাল অৱস্থাত আৰু বিশ্বাসত ৰাখিব বুলি আশা কৰে।

## কেতিয়া চৰকাৰে পদত্যাগ কৰিব ?

চৰকাৰৰ সেই খিনি শক্তি নাথাকিলে অৰ্থাৎ ৰাইজে গবৰ্ণমেণ্টক উপযুক্ত কাম কৰিবলৈ নিদিলে যি সকলে ভাৰতৰ পৰা সকলো মুছলমানক বধ কৰা বা খেদি দিয়া বলিয়া উপায় কাৰ্য্যত খটাব খোজে তেওঁলোকৰ কাৰণে পদত্যাগ কৰিবলৈ তেখেতে চৰকাৰক উপদেশ দিব। বাতৰি কাকতত এনে ঈঙ্গিত বিশেষ ভাবে দিয়া তেখেতে দেখিছে। ই জাতীয় আত্মহত্যা কৰা বা হিন্দুধৰ্ম্ম নিৰ্ম্মূল কৰাৰহে উপদেশ। এনে বাতৰি কাকত স্বাধীন ভাৰতত থাকিব পাৰেনে কি বুলি তেওঁ আচৰিত হৈছে। প্ৰেচৰ স্বাধীনতা ৰাইজৰ মন বিষাক্ত কৰাৰ কাৰণেনে কি? যি বোৰ মানুহে এনে নীতি অনুসৰণ কৰাটো বিচাৰে তেন্তে

তেওঁলোকে চৰকাৰক পদত্যাগ কৰিবলৈ কোৱা উচিত। এতিয়ালৈকে যি পৃথিৱীয়ে ভাৰতৰ মুখলৈ চাই আছে, সেই পৃথিৱীয়েই তেনে কৰিবলৈ এৰিব। যি কি নহওক, যেতিয়ালৈকে তেওঁৰ জীৱন থাকিব, এনে নিৰতিশয় বলিয়ালিৰ বিপক্ষে তেওঁ সদায়েই উপদেশ দিব।

---

(১৯)

২২-৯-৪৭

## আপত্তিকাৰীৰ কৰ্ত্তব্য

অকলশৰীয়া এজন আপত্তিকাৰীৰ কথা মনাত মই জ্ঞানীৰ কাম কৰিছো বুলি বিশ্বাস কৰিলেও আৰু মুকলি প্ৰাৰ্থনা সভা বহুৱাৰ পৰা নিবৃত্ত থাকিলেও ঘটনাটো অলপ বিশদ ভাবে আলোচনা কৰিলে অযুক্তি নহব। এই অৰ্থতহে প্ৰাৰ্থনা মুকলি কৰা হৈছিল যে জনসাধাৰণৰ কাকো এই সভাত উপস্থিত থকাত বাধা দিয়া নাই। ই স্বতন্ত্ৰ ঘৰতহে হৈছে। ন্যায়্যতাই বিচাৰে যে কোৱাণৰ পদ অন্তৰ্ভুক্ত এই প্ৰাৰ্থনাত যি সকলে সৰ্ব্বান্তঃকৰণে বিশ্বাস কৰে তেওঁলোকহে ইয়াত উপস্থিত থকা উচিত। নিশ্চয় এই নিয়ম জনসাধাৰণৰ মাজত হোৱা প্ৰাৰ্থনা সভাতো খটাব লাগে। প্ৰাৰ্থনা সভা তৰ্ক সভা নহয়। একেডোখৰ মাটিতে অনেক

ধৰ্ম্ম সম্প্ৰদায়ৰ প্ৰাৰ্থনা সভাৰ কল্পনা কৰাটো সম্ভৱ। শিষ্টতাই বিচাৰে যে যি সকল কোনো বিশেষ প্ৰাৰ্থনাৰ বিপক্ষে, তেওঁলোকে আপত্তি কৰা সভালৈ অহাৰ পৰা নিবৃত্ত থাকিব লাগে। বিনা উৎপাতে ( disturbance ) ইয়াৰ বিপৰীতটোৱে কোনো সভা পতা অসম্ভৱ কৰিব। প্ৰাৰ্থনা আনকি বক্তৃতাৰ ( public speech ) স্বাধীনতা প্ৰহসনত পৰিণত হব যদি হস্তক্ষেপেই একমাত্ৰ অৱলম্বন হয়। শিষ্ট সমাজত এই প্ৰাথমিক স্বত্বক কাৰ্য্যত লগোৱাত সঙ্গীনৰ সহায়ৰ কোনো আৱশ্যক নাই। ই সৰ্ব্বজন-গ্ৰহণীয় হব লাগে।

## সতেজ সহিষ্ণুতা

কংগ্ৰেচৰ বাৎসৰিক অধিবেশনৰ প্ৰদৰ্শনী মহলত বেলেগ বেলেগ ধৰ্ম্মসম্প্ৰদায় বা ৰাজনৈতিক দলক সভা পাতি কোনো উৎপীড়নাদি নোহোৱাকৈ অনৈক্য আনকি সম্পূৰ্ণ বিপৰীত মতামত প্ৰকাশ কৰি নানা সভা পতা মই বৰ আনন্দৰে চাইছোঁ। এই প্ৰধান নিয়মৰ পৰা কিছুমান আঁতৰি গৈছে আৰু জনসাধাৰণৰ নিন্দাবাদৰ উদ্ৰেক কৰিছে। সেই সতেজ সহিষ্ণুতাৰ মূল এতিয়া কলৈ গল? এই কাৰণেইনে কি যে আমি ৰাজনৈতিক স্বাধীনতা পাই, ইয়াৰ অৱমাননা কৰি আমি ইয়াক পৰীক্ষা কৰিছোঁ? আমি আশা কৰোঁ যেন ই জাতিৰ জীৱনৰ অতিক্ৰম হৈ যোৱা এটা অৱস্থা।

মোক যেন কোনেও নকয় যে এই সকলো মুছলিম লীগৰ

অন্যায় কাৰ্য্যৰ কাৰণেহে হৈছে। এই কথাৰ সত্যতা ধৰি লৈ, কব লাগিব নে কি আমাৰ সহিষ্ণুতা এনে সাধাৰণ বস্তুৰে ( poor stuff ) তৈয়াৰী যে অস্বাভাৱিক আঘাতত ই আত্ম-বিলোপ কৰিব ? শিষ্টতা আৰু সহিষ্ণুতাৰ মূল্য থাকিবৰ হলে অতি কষ্টকৰ আঘাত সহিবলৈকো সক্ষম হব লাগিব। যদি নোৱাৰে, তেন্তে ভাৰতৰ কাৰণে বৰ দুখৰ দিন হব। আমি স্বাধীনতাৰ যোগ্য নহওঁ এই কথাটো যেন আমি সমালোচকৰ কাৰণে সহজ নকৰোঁ। এই সমালোচকবোৰৰ উত্তৰত মোৰ অন্তৰত বহুত যুক্তিয়ে জাকি মাৰেহি। কিন্তু সেইবোৰ সান্ত্বনা দিয়াত অক্ষম। মোৰ গৌৰৱে আঘাত পায়, লাখ লাখ মানুহৰ ভৰপূৰ ভাৰতৰ প্ৰেমিক হিচাবে যে আমাৰ সহিষ্ণু আৰু সন্মিলিত কৃষ্টি স্ব-প্ৰকাশ নহয় বুলি।

## যদি ভাৰত অকৃতকাৰ্য্য হয়

যদি ভাৰত অকৃতকাৰ্য্য হয়, তেন্তে এচিয়া মৰিব। ইয়াক যথাৰ্থৰূপেই অনেক মিলিত কৃষ্টি আৰু সভ্যতাৰ লালন-প্ৰকোষ্ঠ বুলি কয়। এচিয়াতেই হওক বা আফ্ৰিকাতেই হওক বা পৃথিবীৰ আন অংশেই হওক, পৃথিবীৰ সকলো শোষণগ্ৰস্ত জাতিৰ ভাৰতেই আশা হওক আৰু আশা হৈ থওক।

## লাইচেন্স নোহোৱা অস্ত্ৰ

ইয়েই মোক লাইচেন্স নোহোৱা, লুকুৱাই থোৱা অস্ত্ৰৰ শঙ্কাজনক পদাৰ্থ কথালৈ আনিছে। কিছুমান নিঃসন্দেহে

পোৱা হৈছে। স্বেচ্ছাই মোৰ ওচৰলৈ কিছুমান আহিছে। সকলো উপায়েৰে সেইবোৰ বাহিৰ কৰা হওক। মই যিমান দূৰ জানো, আধুনিক ( কৰা ) আকৰ্ষণ ( haul ) দিল্লীৰ বিশেষ কৰ লগীয়া নহয়। বৃটীচ ৰাজত্বতো মানুহৰ হাতত লুকায়িক অস্ত্ৰ-শস্ত্ৰ আছিল। তেতিয়া কোনেও নাভাবিছিল। যেতিয়া তোমালোকে নিঃসন্দেহে নিশ্চিন্ত হবা যে সেইবোৰ কোনো বিশেষ ঠাইত লুকুৱা আছে, তেতিয়া সকলো প্ৰকাৰে সকলো লুকাই থোৱা খাৰ-বাৰুদ জ্বলাই দিবা। বহ্বাৰম্ভে লঘু ক্ৰিয়াৰ যেন দোহোৰা নহয়। আমি যেন বৃটীচৰ কাৰণে এটা আইন আৰু আমি ৰাজনৈতিক ভাবে স্বাধীন হৈছোঁ বুলি আমাৰ কাৰণে বেলেগ আইন আৰোপিত নকৰোঁ। কাৰবাক মাৰিবৰ কাৰণে যেন কাকো গালি নাপাবোঁ। সকলো কোৱা মেলাৰ পিচত ৬০ বছৰৰ পৰিশ্ৰমৰ ফলত পোৱা স্বাধীনতাৰ যোগ্য হবলৈ আমাৰ আগত দেখা দিয়া সকলো প্ৰকাৰৰ অতি কষ্টকৰ বিপদ-আপদৰ সাহসেৰে সন্মুখীন হওঁ। সেই বোৰৰ সন্মুখীন হলে আমি বেচি উপযুক্ত আৰু মহান হম।

## সংখ্যাগৰিষ্ঠৰ কৰ্ত্তব্য

বিশ্বাসঘাতক হোৱাত সন্দেহ কৰি সংখ্যালঘুক বধ কৰা বা দেশৰ পৰা বসবাস দিয়া সংখ্যাগৰিষ্ঠৰ পক্ষে ভীৰুতাৰ কাম নিশ্চয়। সংখ্যালঘুৰ স্বত্বৰ সবিশেষ জ্ঞানহে সংখ্যা-

গৰিষ্ঠৰ যোগ্য। সিহঁতৰ অৱমাননাই সংখ্যাগৰিষ্ঠক হাস্যাস্পদ কৰে। তথাকথিত বা প্ৰকৃতই হওক, নিজত সতেজ বিশ্বাস আৰু বিৰুদ্ধ পক্ষৰ সাহসিক বিশ্বাসেই উত্তম ৰক্ষাকৱচ। গতিকে মোৰ হাতত থকা সকলো আন্তৰিকতাৰে মই সমৰ্থন কৰোঁ যে দিল্লীত সকলো হিন্দু, শিখ আৰু মুছলমান বন্ধুত্বৰ আলিঙ্গনেৰে লগ লাগক আৰু ভাৰতৰ বাকী অংশ, আৰু কওঁ, গোটেই পৃথিৱীৰ আগত এটা উজ্জ্বল দৃষ্টান্ত দাঙি ধৰক। ভাৰতৰ আন আন ঠাইত যি কৰিছে বা কৰিব লাগিছে দিল্লীয়ে সেইবোৰ পাহৰি যোৱা উচিত। তেতিয়াহে ভিতৰুৱা প্ৰতিহিংসা আৰু বৈৰ-সাধনাৰ দুঃশীল পৰিবেশ ভঙ্গ কৰাৰ গৌৰৱময় সুবিধাৰ দাবী কৰিব পাৰিব। কেতিয়াবা কৰিলেও সিহঁত ৰাজ্যৰ, ব্যক্তি হিচাবে নাগৰিকৰ নহয়।

---

## (১২)

২৩-৯-৪৭

## জনসাধাৰণৰ স্বীকাৰ

প্ৰাৰ্থনাৰ পিচত কওঁতে গান্ধীজীয়ে শ্ৰীমতি মনু গান্ধী আৰু আভা গান্ধীয়ে আগদিনা পাঠ কৰা ক্ষমাৰ কথা উল্লেখ কৰে। ৰবিবাৰে আবেলি প্ৰাৰ্থনাৰ সময়ত তেওঁলোকে ভজন গাই থাকোঁতে তেওঁলোকে বেসুৰ হয় আৰু নিজৰ

হাঁহি দমাই ৰাখিব নোৱাৰিলে। তেওঁ মনত বৰ দুখ পালে। ছোৱালীহঁতে যে প্ৰাৰ্থনাৰ আৱশ্যকতা বুজা নাই এই কথা স্পষ্ট হল। পিচত তেওঁলোকে গান্ধীজীৰ ওচৰত ক্ষমা ভিক্ষা কৰে। ক্ষমা ভিক্ষাৰ কোনো দৰকাৰ নাছিল কাৰণ তেওঁ-লোকৰ ওপৰত তেওঁৰ কোনো ৰোষ নাই। তেওঁৰ নিজৰ ওপৰতহে খং উঠিছিল যে যদিও ছোৱালী দুজনী তেওঁৰ তত্বাবধানত ডাঙৰ দীঘল হৈছে তথাপি তেওঁলোকে প্ৰাৰ্থনা কৰি থাকোঁতে ঈশ্বৰত নিজক লীন কৰি দিয়াৰ আৱশ্যকতা তেওঁলোকৰ মনত সুমুৱাই দিব নোৱাৰিলে। ছোৱালী দুজনীয়ে বেজাৰ কৰাত তেওঁ মনত কিছু শান্তি পালে। তেওঁ জনসাধাৰণৰ আগত স্বীকাৰৰ উপদেশ দিলে। তেওঁলোকে আনন্দৰে উপদেশ গ্ৰহণ কৰে। কাৰণ, তেওঁ বিশ্বাস কৰে যে আন্তৰিকতাৰে জনসাধাৰণৰ আগত কৰা স্বীকৃতিয়ে স্বীকাৰকৰ্ত্তাক পৱিত্ৰ কৰে আৰু তেওঁৰ ভুলৰ পুনৰুক্তিৰ পৰা ৰক্ষা কৰে।

## জ্ঞানৰ মুক্তা

কোৰাণ পাঠ কৰাৰ আপত্তিৰ পুনৰ উল্লেখ কৰি তেখেতে কয় যে তেওঁলোকৰ পাকিস্তানত হিন্দু আৰু শিখৰ প্ৰতি ব্যৱহাৰৰ ৰোষ প্ৰকাশ কৰাৰ হক আছে। কিন্তু সেয়ে কোৰাণ পাঠ কৰাত ৰোষ প্ৰকাশ কৰোৱা উচিত নহয়। গীতা, কোৰাণ, বাইবেল, গ্ৰন্থচাহেব আৰু জেন্দ্ আবেষ্টাত

জ্ঞানৰ মুক্তাহাৰ আছে যদিও অনুগামী সকলে সেইবোৰৰ শিক্ষাক মিছা প্ৰমাণ কৰিব পাৰে।

## সাহসিক মৃত্যুৰ কলা ( art )

দিনটোৰ কামৰ বিষয়ে গান্ধীজীয়ে কয় যে ৰাৱলপিণ্ডি আৰু দেৰা গান্ধী খানৰ হিন্দু আৰু শিখৰ দুটা ডেপুটেচন তেওঁ দেখিছে। হিন্দু আৰু শিখবিলাকে ৰাৱলপিণ্ডিক আগৰ অৱস্থাৰ দৰে কৰিছে। তেওঁলোক সকলোৱেই তাত কুশলে আছিল। আজি তেওঁলোক আশ্ৰয়হীন আশ্ৰয়প্ৰাৰ্থী। ই তেওঁৰ মনত বৰ দুখ দিলে। হিন্দু আৰু শিখবোৰ নকৰিলে আধুনিক পাঞ্জাব কেনে কৰিলে? নিজৰ দেশৰ পৰা সিহঁত নিৰ্ব্বাসিত। সেইদৰে দিল্লী স্থাপন কৰাটো মুছলমান বিলাকেও বিশেষ কম কৰিব লগা হোৱা নাই। এইদৰে ভাৰতৰ অৱস্থা ১৫ আগষ্টৰ দৰে কৰাত সকলোৱে একেলগে কাম কৰিছে। বক্তা নিঃসন্দেহ যে পাকিস্তান কৰ্ত্তৃপক্ষই পাকিস্তানৰ সকলো ঠাইতে থকা বাকী হিন্দু আৰু শিখৰ সম্পূৰ্ণ ৰক্ষাৰ কাৰণে প্ৰতিশ্ৰুতি দিব। সংখ্যালঘুৰ কাৰণে এনে ৰক্ষামূলক ব্যৱস্থা দাবী কৰা দুয়ো গবৰ্ণমেণ্টৰ সমানে কৰ্ত্তব্য। তেওঁক কোৱা হৈছে যে এতিয়াও ৰাৱলপিণ্ডিত ১৮০০০ আৰু ওৱাহ কেন্দ্ৰত ৩০০০০ হিন্দু আৰু শিখ বাকী আছে। তেওঁ আকৌ তেওঁৰ উপদেশৰ পুনৰুক্তি কৰিব যে নিজৰ ঘৰবাৰী এৰি অহাতকৈ বৰং সকলোৱেই একেবাৰে

মৰিবলৈ সাজু হোৱা উচিত। সাহসেৰে আৰু সন্মানেৰে মৃত্যুক বৰণ কৰাত ঈশ্বৰত পূৰ্ণ বিশ্বাসৰ বাহিৰে আন একো বিশেষ শিক্ষা নালাগে। তেতিয়া কোনো অপহৰণো ( abduction ) নহব আৰু বলপূৰ্ব্বক ধৰ্ম্মান্তৰো নহব। তেওঁ জানে যে অতি সোনকালে তেওঁ পঞ্জাবলৈ যোৱাত সকলোৱেই ব্যগ্ৰ। তেওঁ তাকে কৰিব খুজিছে। কিন্তু দিল্লীত তেওঁ অকৃতকাৰ্য্য হলে পাকিস্তানত কৃতকাৰ্য্য হোৱা তেওঁৰ কাৰণে অসম্ভৱ। কাৰণ, ঈশ্বৰৰ বাহিৰে আন কাৰো সহায় নোলোৱাকৈ পাকিস্তানৰ সকলো ঠাই আৰু প্ৰদেশলৈকে তেওঁ যাবলৈ বিচাৰিছে। আনৰ হোৱা দৰে মুছলমানৰো বন্ধু হিচাবেই তেওঁ যাব। তেওঁৰ জীৱন তেওঁলোকৰ হাতত। তেওঁ আশা কৰে যে যেয়ে তেওঁৰ জীৱন লবলৈ বিচাৰিছে তেওঁৰ হাততে তেওঁ আনন্দমনেৰে মৰিব। তেতিয়াহে তেওঁ আনক উপদেশ দিয়া মতে তেওঁৰ কাম কৰা হব।

## আশ্ৰয়প্ৰাৰ্থীৰ কাৰণে ঘৰ

আশ্ৰয়প্ৰাৰ্থীবোৰেও তেওঁক ঘৰৰ কাৰণে কৈছে। তেওঁ সিহঁতক কলে যে সিহঁতৰ চকুৰ আগত দেশ আৰু মূৰৰ ওপৰত আকাশৰূপী চন্দ্ৰাতপ। মুছলমানবোৰে এৰি যোৱা ঘৰত বলেৰে বাস কৰাতকৈ বৰং এনে স্থানতেই ( accommodation ) সন্তুষ্ট থকা উচিত। সিহঁত সকলোৱে কাম কৰিলে এদিনৰ ভিতৰতে সিহঁতে দৰকাৰী আশ্ৰয় তৈয়াৰ কৰি লব

পাৰে। বেচি নো কি, সিহঁতে আশ্ৰয়প্ৰাৰ্থীৰ ৰোষ প্ৰশমিত কৰিব পাৰে আৰু তৎক্ষণাৎ তেওঁ পঞ্জাবলৈ যাব পৰা অৱস্থা ঘূৰাই আনিব পাৰে।

---

(১৩)

২৪-৯-৪৭

## ভাৰতৰ দুৰ্ব্বল তৰী

প্ৰাৰ্থনাত গোৱা ভজনক প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাৰ বিষয় কৰি গান্ধীজীয়ে কলে যে ভজনৰ কথা খিনিয়ে ( refrain ) উপযুক্ত ভাৱে আজিৰ ভাৰতৰ অৱস্থা বৰ্ণনা কৰিছে। ইয়াত কবিয়ে সমুদ্ৰৰ ওপৰেদি তেওঁৰ দুৰ্ব্বল নাও পাৰ কৰি নিবলৈ ঈশ্বৰৰ সহায় প্ৰাৰ্থনা কৰিছে।

## গবৰ্ণমেণ্টক এবাৰ সুবিধা দিয়া

আজি, প্ৰতিহিংসা আৰু প্ৰতিশোধৰ তেজেৰে আবহাৱা ভাৱাক্ৰান্ত। দিল্লীৰ হিন্দু আৰু শিখে দিল্লীত মুছলমানক বিচৰা নাই বা নালাগে বুলিছে। যদি সিহঁতক পাকিস্তানৰ পৰা খেদি দিয়া হৈছে, তেন্তে ভাৰত ইউনিয়নত, অন্ততঃ দিল্লীত মুছলমানৰ কিয় স্থান থাকিব ? এই বুলি সিহঁতে তৰ্ক কৰিছে। মুছলিম লীগেহে 'যুদ্ধং দেহি' বুলি যুদ্ধলৈ সগৰ্ব্বে

আহ্বান কৰিছে। গান্ধীজীয়ে মানে যে পাকিস্তান 'লৰকে লেঙ্গে পাকিস্তান'ৰ শ্লোগান গাই ভুল কৰিছে। গান্ধীজীয়ে কেতিয়াও বিশ্বাস কৰা নাই যে এনে এটা অৱস্থা ঘটিব পাৰে। আচলতে শক্তিৰ দ্বাৰাই দেশক বিভক্ত কৰাত কৃতকাৰ্য্য হব নোৱাৰিলেহেঁতেন। কংগ্ৰেচ আৰু বৃটীচ একমত নোহোৱা-হেঁতেন আজি পাকিস্তান হব নোৱাৰে। এই বিষয়লৈ কোনো আৰু ঘূৰি যাব নোৱাৰে। পাকিস্তানৰ মুছলমান ইয়াক পাবৰ যোগ্য। সিহঁতে কেনেকৈ স্বাধীনতা পালে তাক এক মিনিটৰ কাৰণে ভাবি চাওক। প্ৰকৃত যোদ্ধা কংগ্ৰেচ। অস্ত্ৰ আছিল নিষ্ক্ৰিয় প্ৰতিৰোধ ( passive resistance )। বৃটীচে ভাৰতৰ নিষ্ক্ৰিয় প্ৰতিৰোধত বশ মানি আঁতৰি গল। ভাৰতৰ দুটা চৰকাৰ হল। দুই চৰকাৰে নিজৰ ভিতৰতে যুদ্ধ কৰি জয়ী হবলৈ দিয়া নাগৰিকসকলৰ কৰ্ত্তব্য আছিল। দৈনিক জীৱন নাশ এটা অপৰাধ-জনক ক্ষতি, ই কাৰো উপকাৰ কৰা নাই বৰং প্ৰভূত ক্ষতিহে কৰিছে।

যদি মানুহবোৰ উচ্ছৃঙ্খল হয় আৰু নিজৰ ভিতৰতে যুঁজে তেন্তে সিহঁতে প্ৰমাণ কৰিব যে সিহঁত স্বাধীনতা হজম কৰাত অক্ষম। যদি এখন ৰাজ্যই সকলো সময়তে উচিত ব্যৱহাৰ কৰে, আনকো তেনে কৰিবলৈ বাধ্য কৰিব। গোটেই পৃথিবীয়েই এওঁলোকৰ পিচত থাকিব। নিশ্চয় তেওঁলোকে কংগ্ৰেচৰ বুৰঞ্জী পুনঃ লিখিবলৈ ভাল নাপাব আৰু আন ধৰ্ম্মৰ মানুহ থাকিব নোৱাৰাকৈ ইউনিয়নক হিন্দুৰাজ্য কৰিবলৈকো

ভাল নাপাব। তেওঁ আশা কৰে যে তেওঁলোকে নিজে বুদ্ধিভ্ৰষ্ট নহয়।

## জুনাগড়

জুনাগড়ত কি হৈছে তাক তেওঁলোকে ভাবক। এফালে জুনাগড় আৰু আনফালে আন আন কাথিৱাৰ ৰাজ্যবোৰৰ মাজত যুদ্ধ হবনে কি? যদি বাকীবোৰ ৰজা আৰু জনতাই সঁচাকৈয়ে লগ লাগে, তেন্তে তেওঁ নিঃসন্দেহ যে বাকীবোৰ কাথিৱাৰ ৰাজ্যৰ পৰা জুনাগড় বেলেগে বা আঁতৰি থাকিব নোৱাৰে। ইয়াৰ কাৰণেই আইনৰ শাসন অতি আৱশ্যক।

---

(৯৪)

২৫-৯-৪৭

## ইউনিয়ন চৰকাৰৰ কৰ্ত্তব্য

প্ৰাৰ্থনা আৰম্ভ হোৱাৰ আগতে কোনোবা এজনে গান্ধীজীৰ হাতত এটুকুৰা কাগজ দিয়ে। ইয়াত লিখা আছে যে পাকিস্তান চৰকাৰে পাকিস্তানৰ পৰা হিন্দু আৰু শিখক বাহিৰ কৰি খেদিছে। সমান নাগৰিক হিচাবে মুছলমানক ভাৰত ইউনিয়নত থাকিবলৈ দিবলৈ গান্ধীজীয়ে ভাৰত ইউনিয়ন চৰকাৰক উপদেশ দিছে। এই দ্বিগুণিত বোজা ইউনিয়ন চৰকাৰে কেনেকৈ সহ্য কৰিব পাৰে?

প্ৰাৰ্থনাৰ পিচত এই প্ৰশ্নৰ উত্তৰ দি গান্ধীজীয়ে কয় তেওঁ প্ৰস্তাৱ কৰা নাই যে ভাৰতীয় ইউনিয়ন চৰকাৰে পাকিস্তানত হিন্দু আৰু শিখক কৰা বেয়া ব্যৱহাৰক অগ্ৰাহ্য কৰা উচিত। সিহঁতক ৰক্ষা কৰিবলৈ তেওঁলোক যৎপৰোনাস্তি চেষ্টা কৰিবলৈ বাধ্য। কিন্তু প্ৰশ্নৰ উত্তৰ নিঃসন্দেহে এইটো নহয় যে তেওঁলোকে মুছলমানবোৰক খেদি দিব আৰু পাকিস্তানৰ এই যশপূৰ্ণ উপায় নকল কৰিব। যি সকলে নিজৰ ইচ্ছাতে পাকিস্তানলৈ যাব খোজে তেওঁলোকক নিৰ্ব্বিঘ্নে সীমান্তত থৈ অহা উচিত। পাকিস্তানত হিন্দু আৰু শিখৰ নিৰাপত্তা নিশ্চিত কৰা ভাৰত ইউনিয়ন চৰকাৰৰ কৰ্ত্তব্য। কিন্তু তাৰো পৰিবৰ্ত্তে চৰকাৰৰ স্বাধীনতা ( free hand ) দিব লাগে আৰু প্ৰত্যেক ভাৰতীয় সম্পূৰ্ণ আৰু আন্তৰিক সহযোগ পাব লাগে। ৰাইজে নিজৰ হাতলৈ আইন অনা কোনো সহযোগিতা নহয়। আমাৰ স্বাধীনতা এমাহ দহ দিনৰ এটি শিশু। তেওঁলোকে প্ৰতিশোধৰ বলিয়া জীৱন চলায়েই থাকে তেন্তে তেওঁলোকে কেঁচুৱা অৱস্থাতেই শিশুটিক বধ কৰিব।

## ধৰ্ম্মৰ জয়

গান্ধীজীয়ে ৰামায়ণৰ গল্প বৰ্ণনা কৰে। পৰাক্ৰমী ৰাৱণ আৰু বনবাসী ৰামৰ মাজত হোৱা এই বিষম যুদ্ধত ধৰ্ম্মত একান্ত মতি ৰাখি পিচৰ জনে জয় লাভ কৰে। যদি দুয়ো পক্ষই অবৈধতাৰ আশ্ৰয় ললেহেঁতেন তেন্তে কোনেনো সিজনলৈ

আঙ্গুলিয়াব পাৰিলেহেঁতেন ? ক্রম বা মর্য্যাদাৰ প্রশ্নই, যেয়ে আৰম্ভ কৰক, সিহঁতৰ আচৰণ সমর্থন কৰিব নোৱাৰে।

## শঠতাৰ শাস্তি

তেওঁলোকে সাহসী মানুহ। তেওঁলোকে পৰাক্রমী বৃটীচ গবর্ণমেণ্টৰ বিৰুদ্ধে থিয় দিছে। তেওঁলোকে আজি কিয় দুর্ব্বল হৈছে ? সাহসী পুৰুষে ঈশ্বৰৰ বাহিৰে আনক ভয় নকৰে। মুছলিমবোৰ বিশ্বাসঘাতক বুলি প্রমাণিত হলে, সিহঁতৰ শঠতাই সিহঁতক বধিব। যি কোনো ৰাজ্যতে ইয়েই আটাইতকৈ ডাঙৰ দোষ। কোনো ৰাজ্যই শঠক পুহিব নোৱাৰে। কিন্তু সন্দেহৰ ওপৰত মানুহক খেদি দিয়া অনুচিত বা নিন্দনীয়।

## পুলিচ আৰু মিলিটাৰীৰ কর্ত্তব্য

তেওঁ শুনিছে যে পুলিচ আৰু মিলিটাৰীয়ে ভাৰত ইউনিয়নত হিন্দুৰ আৰু পাকিস্তানত মুছলমানৰ পক্ষ লৈছে। এনে শুনিবলৈ পোৱাত তেওঁ মনত বৰ দুঃখ পাইছে। বিদেশীৰ তত্ত্বাবধানত তেওঁলোক কি কৰিবলৈ সক্ষম এই কথা ভালদৰে ভাবিব নোৱাৰে। আজি, বৃটীচ অফিচাৰৰে সৈতে, সিহঁত জাতিৰ সেৱক। তেওঁলোক কলুষিতা আৰু পক্ষপাতিতাৰ বাহিৰত বুলি আশা কৰা যায়।

পুলিচ আৰু মিলিটাৰীক ভয় কৰিব নালাগে বুলি গান্ধীজীয়ে জনতাক অনুৰোধ কৰে। মুঠতে এই বিৰাট

দেশত বাস কৰা লাখ লাখ মানুহৰ তুলনাত সিহঁত নগণ্য। যদি এই লাখ লাখ বাসিন্দা নিজৰ আচৰণত শুদ্ধ তেন্তে পুলিচ আৰু মিলিটাৰীও তেনে কৰিবলৈ বাধ্য।

## জুই নুমুৱা হয় কেনেকৈ?

সেই দিনা গবর্ণৰ-জেনেৰেলৰ লগত দেখা হোৱাৰ কথা গান্ধীজীয়ে তেওঁলোকক কয়। পিচত দিল্লীৰ সকলো সম্প্রদায়ৰ মুখিয়াল কৰ্ম্মী আৰু নাগৰিকৰ লগত তেওঁৰ দেখা হয় আৰু তাৰ পিচত তেওঁ ৱাৰ্কিং কমিটীত উপস্থিত থাকে। সকলোতে সেই একে সমস্যাই আলোচনা হৈছে; হিংসা আৰু প্রতিশোধৰ জুই কেনেকৈ নুমুৱা হব। মানুহে নিজৰ পূর্ণ উদ্যম দেখুৱাব লাগে; তেতিয়া ইয়াৰ ফল বিশ্বাসতাৰে ঈশ্বৰৰ হাতত এৰিব পাৰি। যি নিজক সহায় কৰে ঈশ্বৰেও তেওঁলোকৰ সহায় কৰে।

---

(১৫)

২৬-৯-৪৭

## ভিন্ ভিন্ ধৰ্ম্মৰ সমন্বয়

প্রার্থনা আৰম্ভ হোৱাৰ আগতে আগৰ দৰেই গান্ধীজীয়ে প্রার্থনাত কোৰানৰ পদ অন্তর্ভুক্ত কৰি গোৱাত কাৰবাৰ

আপত্তি আছে নেকি বুলি সুধিলে। এজন যুবকে কলে যে তেওঁ কোৰান পাঠ এৰি দিয়া উচিত। গান্ধীজীয়ে উত্তৰ দিলে যে তেওঁ সেইটো কৰিব নোৱাৰে। কিন্তু তেওঁ গোটেই প্ৰাৰ্থনাকে এৰি দিবলৈ ইচ্ছুক। শ্ৰোতা সকলে সেইটো নিবিচাৰে, তেওঁলোকে প্ৰাৰ্থনাহে বিচাৰে। তেতিয়া, আপত্তি-কাৰী মৌন হল।

## গ্ৰন্থ চাহেব

গান্ধীজীয়ে কলে যে সেই দিনা বাবা খাদাক সিঙৰ শিষ্য কেইজনমান শিখ বন্ধুৱে তেওঁৰ লগত দেখা কৰে। তেওঁলোকে কলে যে বৰ্ত্তমান নিৰ্দ্দয় হত্যাকাণ্ড শিখধৰ্ম্মৰ বিপক্ষে আৰু দৰাচলতে কোনো ধৰ্ম্মৰ লগতো সামঞ্জস্য নাই। তেওঁলোকৰ এজনে গ্ৰন্থ চাহেবৰ পৰা এশাৰী হৃদয়গ্ৰাহী পদ মাতে। তাত নানকজীয়ে কৈছে যে ঈশ্বৰক আল্লা, ৰহিম আদি নানা নামেৰে মাতিব পাৰি। তেওঁক অন্তৰত প্ৰতিষ্ঠাপিত কৰি ললে নামৰ পৰা একো নহয়। কবীৰৰ দৰে গুৰু নানকৰ চেষ্টা নানা ধৰ্ম্মক সংযোগ কৰাত ন্যস্ত কৰিছিল। তেওঁ-লোকৰ লগত একেলগে তাৰ অংশীদাৰ হবলৈ তেওঁ লিখি ৰখা পদফাঁকি লগত আনিবলৈ পাহৰিলে।

## গান্ধীজীৰ আকাঙ্ক্ষা

লাহোৰৰ পণ্ডিত ঠাকুৰ দত্ত তেওঁৰ কাষলৈ আহি তেওঁৰ আগত তেওঁৰ দুঃখৰ কাহিনী কলে। তেওঁ সেই কাহিনী

কওঁতে কান্দিছিল। তেওঁ লাহোৰ ত্যাগ কৰিবলৈ বাধ্য কৰা যেন অনুভৱ কৰিলে। তেওঁ কলে যে ধমক খাই যোৱাতকৈ পাকিস্তানত নিজৰ ঘৰতে মৃত্যু বৰণ কৰা গান্ধীজীৰ এই কথা তেওঁ বিশ্বাস কৰে কিন্তু সেই নিখুঁৎ উপদেশ মানিব পৰা শক্তি তেওঁৰ গাত নাই। তেওঁ উলটি গৈ মৃত্যুৰ সন্মুখীন হোৱাটো ইচ্ছা কৰে। গান্ধীজীয়ে তেওঁক সেই কাম কৰিবলৈ নিদিলে। কিন্তু তেওঁ কলে যে দিল্লীত প্ৰকৃত শান্তি স্থাপন কৰিবলৈ তেওঁ আৰু আন আন হিন্দু আৰু শিখে তেওঁক সহায় কৰাটো বিচাৰে। তেতিয়া তেওঁ নতুন শক্তিৰে পশ্চিম পাকিস্তানলৈ যাত্ৰা কৰিব। তেওঁ লাহোৰ, ৰাৱলপিণ্ডি, চেখপুৰ আৰু পশ্চিম পঞ্জাবৰ আন আন ঠাইলৈ যাব, তেওঁ সীমান্ত প্ৰদেশ আৰু সিন্ধুলৈ যাব। তেওঁ সকলোৰে সেৱক আৰু শুভানুধ্যায়ী। তেওঁ বেচ জানে যে তেওঁ যি কোনো ঠাইলৈ যোৱাৰ পৰা কোনেও বাধা দিব নোৱাৰে; আৰু তেওঁ মিলিটাৰীৰ সহায়তো নালায়। তেওঁ জনতাৰ হাতত নিজক এৰি দিব। পাকিস্তানৰ পৰা খেদা খোৱা প্ৰত্যেক হিন্দু আৰু শিখ নিজৰ ঘৰলৈ সন্মান আৰু সম্ভ্ৰমেৰে ঘূৰি নহালৈকে তেওঁ জিৰণি নলয়।

## এটি লাজৰ বিষয়

পণ্ডিত ঠাকুৰ দত্ত এজন বিখ্যাত বৈদ্য। তেওঁৰ ৰোগী আৰু বন্ধু হিচাবে বহুতো মুছলমান আছে। তেওঁলোকক

তেওঁ বিনাবেতনে চিকিৎসা কৰে। তেওঁ লাহোৰ এৰি আহিব লগা হোৱাটো লাজৰ কথা। সেই দৰে হাকিম আজমল খাঁয়ো দিল্লীৰ হিন্দু আৰু মুছলিমৰ সমানে সেৱা কৰিছিল। তেওঁ তিব্বিয়া কলেজ স্থাপন কৰে আৰু গান্ধীজীয়ে তাৰ দ্বাৰ উদ্ঘাটন কৰে। ই বৰ লাজৰ কথা হব যদি হাকিম আজমল খাঁৰ সন্তান-সন্ততিয়ে দিল্লী আৰু তিব্বিয়া কলেজ এৰিব লগা হয়। সকলো মুছলমানেই বিশ্বাসঘাতক হব নোৱাৰে। যিবোৰ বিশ্বাসঘাতক বুলি প্ৰমাণিত হৈছে সেই বোৰক গবৰ্ণমেণ্টে উপযুক্ত শাস্তি দিব।

## অবিচাৰ অসহ্য

তেওঁ সকলো প্ৰকাৰ যুদ্ধ-বিগ্ৰহৰ বিৰোধী। পাকিস্তানৰ পৰা সুবিচাৰ পাবৰ আন কোনো উপায় নাথাকিলে, পাকিস্তানে নিজৰ প্ৰমাণিত ভুল ( বুজাত ) অবিচলিতভাবে অগ্ৰাহ্য কৰে আৰু ক্ষুদ্ৰ কৰাতেই থাকিলে ভাৰতীয় ইউনিয়ন চৰকাৰে ইহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিব। যুদ্ধ ঠাট্টাৰ বিষয় নহয়। কোনেও যুদ্ধ নিবিচাৰে। সেই বাটে ধ্বংস অনিবাৰ্য্য। কিন্তু অবিচাৰ সহ্য কৰিবলৈ তেওঁ কাকো উপদেশ নিদিয়ে। যদি ন্যায় হেতুত হিন্দুবোৰ ধ্বংস হয়, তাত তেওঁৰ কবলৈ একো নাই। যুদ্ধ লাগিলে পাকিস্তানৰ হিন্দুবোৰ তাত পঞ্চম বাহিনী হব নোৱাৰে। কোনেও সেইটো সহ্য নকৰে। যদি সিহঁতৰ আনুগত্য পাকিস্তানৰ প্ৰতি নহয়

তেন্তে তেওঁলোকে সেই ঠাই এৰা উচিত। সেইদৰে, যি সকল মুছলমান পাকিস্থানৰ অনুগত তেওঁলোক ভাৰত ইউনিয়নত থকা উচিত নহয়। হিন্দু আৰু শিখৰ কাৰণে সুবিচাৰ অনা চৰকাৰৰ কাম। ৰাইজেই চৰকাৰৰ দ্বাৰা নিজৰ ইচ্ছা কাৰ্য্যক্ষম কৰিব পাৰে। গান্ধীজীৰ কাৰণে তেওঁৰ পথ বেলেগ। সত্য আৰু অহিংসাৰ প্ৰতীক ঈশ্বৰক তেওঁ পূজা কৰে।

## অকল হিন্দুয়েই ধ্বংস কৰিব পাৰে

এটা সময় আছিল যেতিয়া ভাৰতে তেওঁৰ কথা শুনিছিল, আজি তেওঁ back number। তেওঁ জানিব পাৰিছে যে, তেওঁলোকে বিচৰা যন্ত্ৰ-পাতি, নৌবল, বাষ্পযান আদিৰ যুগত তেওঁৰ কোনো স্থান নাই। তেওঁ ইয়াৰ পক্ষ সমৰ্থন কৰিব নোৱাৰে। তেওঁলোকে যি শক্তিৰে স্বাধীনতা পাইছে, সেই শক্তিৰেই স্বাধীনতা ৰক্ষা কৰিম বুলি কবলৈ সিহঁতৰ সাহ আছে তেন্তে তেওঁ তেওঁলোকৰেই মানুহ। একমুহূৰ্ত্ততে তেওঁৰ শাৰীৰিক অক্ষমতা আৰু তেওঁৰ বিষাদ অন্তৰ্দ্ধান হব। মুছলমান বিলাকে ‘হাসকে লিয়া পাকিস্তান’, ‘লৰকে লেঙ্গে পাকিস্তান’ আদি কোৱা তেওঁ শুনিছে। তেওঁ নিজ ইচ্ছা মতে কৰিব পৰাহেঁতেন, অস্ত্ৰৰ সহায়তে সিহঁতক এইটো লোৱাটো হবলৈ নিদিলেহেঁতেন। গোটেই ভাৰতবৰ্ষক ইচলাম-ধৰ্ম্মী কৰাৰ কিছুমানে সপোন দেখিছে।

যুদ্ধৰ দ্বাৰাই সেইটো কেতিয়াও নহয়। পাকিস্তানে কেতিয়াও হিন্দুধৰ্ম্ম ধ্বংস কৰিব নোৱাৰে। হিন্দুবোৰে নিজেই নিজক আৰু নিজৰ ধৰ্ম্মক ধ্বংস কৰিব পাৰে। যদি ইচলাম ধ্বংস হয় তেন্তে পাকিস্তানৰ মুছলমানেহে ধ্বংস কৰিব, হিন্দুস্থানৰ হিন্দুৱে নকৰে।

## সত্য অকলে বিজয়ী

আগদিনা আবেলি প্ৰাৰ্থনাৰ পিচত শ্ৰোতাসকলৰ মাজৰ এজনে সোধা প্ৰশ্নৰ উল্লেখ কৰি গান্ধীজীয়ে কয় যে বন্ধু জনে তেওঁক অত্যাশ্চৰ্য্যৰ ( miracle ) কাম কৰি ভাৰত আৰু হিন্দু আৰু শিখক ৰক্ষা কৰিবলৈ কয় যদি তেওঁ প্ৰকৃততে মহাত্মা হয়। গান্ধীজীয়ে নিজক কেতিয়াও মহাত্মা বুলি দাবী কৰা নাই। তেওঁ অতি দুৰ্ব্বল হোৱাৰ বাহিৰে তেওঁ-লোকৰ দৰেই তেওঁ এজন সাধাৰণ মানুহ। তেওঁৰ সপক্ষে পাৰ্থক্য এইখিনিতেই হব পাৰে যে ঈশ্বৰত তেওঁলোকতকৈ তেওঁৰ বিশ্বাস বেচি। যদি হিন্দু, শিখ, পাৰ্চী, মুছলমান আৰু খৃষ্টান আদি সকলো ভাৰতীয়ই ভাৰতৰ কাৰণে নিজৰ জীৱন উছৰ্গা কৰিবলৈ সাজু হয় তেন্তে ভাৰতৰ কোনো বিপদ নহয়। তেওঁ ঋষি সকলে কোৱা কথা মনত পেলাবলৈ দিছে—'সত্যমেব জয়তে নানৃতম্'। সত্য অকলে জয়ী, মিথ্যা নহয়।

(২৬)

২৭-৯-৪৭

## শ্ৰেষ্ঠ চিকিৎসক ৰাম

বাতৰি কাকতত ওলোৱা গান্ধীজীৰ অসুখৰ কথা তেওঁ উল্লেখ কৰে। তেওঁ কলে, তেওঁৰ অজ্ঞাতসাৰে এই বাতৰি ওলোৱাত তেওঁ মনত দুখ পাইছে। অসুখ তেওঁক ব্যাঘাত দিব পৰা বিধৰ নহয় আৰু এতিয়া তেওঁ বহুত ভাল পাইছে। ইয়াৰ ইমান দাম বঢ়োৱাৰ দৰকাৰ নাছিল। ডাঃ দিনশ্বা মেহতাক তেওঁৰ ব্যক্তিগত চিকিৎসক বুলি বৰ্ণোৱা হৈছে। সেইটো ভুল। তেওঁ গান্ধীজীক কলে যে এই বৰ্ণনাৰ কাৰণে তেওঁ দায়ী নহয়। তেওঁ মতাতহে ডাঃ দিনশ্বা তেওঁৰ কাষলৈ আহিছিল, কিন্তু চিকিৎসক হিচাবে তেওঁৰ অসুখ চাবলৈ নহয়। আধ্যাত্মিক প্ৰশ্নৰ দ্বাৰাই জৰ্জ্জৰিত হোৱাৰ কাৰণেহে তেওঁ আহিছিল। ডাঃ মেহতা এজন প্ৰকৃতি দ্বাৰা সুস্থ কৰোৱা ( Nature cure ) মানুহ। তেওঁ গান্ধীজীৰ বন্ধু, বহুত ক্ষেত্ৰত তেওঁক সহায় কৰিছে। কিন্তু এনেয়ে গান্ধীজীৰ তেওঁৰ সহায়ৰ আবশ্যক নাই।

ডাঃ সুশীলা নায়াৰ, ডাঃ জীৱৰাজ মেহতা, ডাঃ বি, চি, ৰায়, ডাঃ গিলদাৰ আৰু স্বৰ্গীয় ডাঃ আন্সাৰী তেওঁৰ ব্যক্তি-গত চিকিৎসক। কিন্তু তেওঁলোকৰ কোনো এজনেই কোনো কথাই তেওঁক নেদেখুৱাকৈ প্ৰেচলৈ নপঠিয়ায়। আজ্জি, তেওঁৰ একমাত্ৰ চিকিৎসক ৰাম। প্ৰাৰ্থনাত গোৱা ভজনত

কৈছে, সকলো শাৰীৰিক, মানসিক আৰু নৈতিক ৰোগৰ আৰোগ্যকাৰী। Nature cure ডাঃ দিনশ্বা মেইতাৰ লগত চিন্তা কৰোঁতে বিশেষ ( concrete ) আকৃতিত ইয়াৰ ধাৰণা ( realisation ) তেওঁ লাভ কৰে। ইয়াত তেওঁৰ মতে ৰামনামে প্ৰথম স্থান পাইছে। যি জনে ৰামক নিজৰ অন্তৰত প্ৰতিষ্ঠিত কৰিছে তেওঁৰ আন সহায়ৰ আৱশ্যক নাই। ৰামক প্ৰাপ্ত হোৱা জনৰ মাটি আৰু পানীৰ চিকিৎসাৰো আৱশ্যক নাই। দৰকাৰত সেই উপদেশকে তেওঁ আনক দিয়ে। আন পথ গ্ৰহণ কৰোঁতে তেওঁৰ কাৰণে অমঙ্গলহে হব।

সেৱাৰ কাৰণেই মানব জাতিক সেৱা কৰা ডাঙৰ ডাঙৰ হাকিম, বৈদ্য আৰু ডাক্তৰ আছে। হিন্দু আৰু মুছলমান, ধনী আৰু দুখীয়াক সমানে সেৱা কৰোঁতা দিল্লীত বিখ্যাত ডাঃ যোশীও আছিল। বিনা পইচাই তেওঁ দুখীয়াক চিকিৎসা কৰিছিল আৰু আনকি খাবলৈ আহাৰ আৰু ঘূৰি যাবলৈ ধনো দিছিল। কিন্তু তেওঁৰ প্ৰাপ্ত জ্ঞান লাভ কৰিও, তেওঁ ঈশ্বৰৰ বাহিৰে আনৰ ওপৰত নিৰ্ভৰ কৰিবলৈ বিচৰা নাছিল।

## গ্ৰন্থ চাহেবৰ পুনৰুল্লেখ

আগদিনা আবেলি উল্লেখ কৰা গ্ৰন্থ চাহেবৰ পদফাঁকি গান্ধীজীয়ে পঢ়ে। ই গুৰু অৰ্জ্জুন দেৱৰ ৰচনা, কিন্তু হিন্দু শাস্ত্ৰবোৰৰ ভজনবোৰৰ দৰে সন্তলোক সকলৰ শিষ্যবোৰে নিজে পদবোৰ ৰচনা কৰা স্বত্ত্বেও সেইবোৰ তেওঁলোকে গুৰুৰ

নামত দিয়ে। পদটিয়ে স্বীকাৰ কৰিছে—ৰাম, খোদা আদি নানা নামেৰে মানুহে ঈশ্বৰক মাতে। কিছুমানে তীৰ্থস্থানলৈ গৈ পবিত্ৰ নদীত গা ধোৱে, আনবোৰ মক্কালৈ যায়; কিছুমানে তেওঁক মন্দিৰত আৰাধনা কৰে, আনবোৰে মচজিদত; কিছুমানে ভক্তিত মূৰ দোঁৱায়; কিছুমানে বেদ পাঠ কৰে, আনবোৰে কোৰাণ; কিছুমানে নীলা কাপোৰ পিন্ধে, কিছুমানে বগা; কিছুমানে নিজক হিন্দু বোলে, আনবোৰে মুছলমান; নানকে কয় যে যি জনে ঈশ্বৰৰ নিয়ম সঁচাকৈয়ে মানে, তেওঁ তেওঁৰ ৰহস্য জানে। এই শিক্ষা হিন্দুধৰ্ম্মত বিশ্বজনীন (সাৰ্ব্বভৌমিক)। গতিকে ভাৰতৰ পৰা ৪½ কোটি মুছলমানক খেদিবলৈ বিচৰা বলিয়ালি বুজাটো টান।

## ই ভ্ৰম নে?

কংগ্ৰেচে আগতেই তিনিটা ভুল কৰিছে আৰু এতিয়া তেওঁলোকে অতি বিৰাটাকাৰ (highest magnitude) ভুল কৰিছে বুলি কোৱা এজন আৰ্য্য সমাজৰ বন্ধুৰ চিঠিৰ কথা বক্তাই উল্লেখ কৰে। এই ভুলটো হৈছে হিন্দুস্থানত হিন্দু আৰু শিখৰ ওচৰাওচৰিকৈ মুছলমানক পুনঃস্থাপিত কৰাৰ ইচ্ছাটো। গান্ধীজীয়ে কয় যে কংগ্ৰেচৰ হৈ তেওঁ কথা নকলেও তেওঁ সাহ কৰি কয় যে পত্ৰ-লিখকজনে উল্লেখ কৰা সেই ধৰি লোৱা ভ্ৰম কৰিবলৈ তেওঁ সম্পূৰ্ণৰূপে সাজু। ধৰি লোৱা পাকিস্তান বলিয়া হৈছে, সেই বুলি তেওঁলোকেও তেনে

কৰিব ? সঁচাকৈয়ে সি উচ্চ খাপতেই এটা ভ্ৰম আৰু পাপ হব। তেওঁ নিশ্চিত যে বলিয়ালিৰ অন্ত পৰিলেই, তেওঁ যে সত্য আৰু তেওঁলোকৰ ভুল হৈছে সেইটো তেওঁলোকে বুজিব।

## অদ্ভুত অসহিষ্ণুতা আৰু হস্তক্ষেপ

গান্ধীজীয়ে ছুখেৰে ৰাজকুমাৰীৰ পৰা শুনা কথাৰ উল্লেখ কৰে। তেওঁ এতিয়া স্বাস্থ্য বিভাগৰ কৰ্ম্মকৰ্ত্ৰী (in-charge)। তেওঁ খৃষ্টান আৰু সেই কাৰণেই তেওঁ শিখ আৰু হিন্দু বুলি দাবী কৰে। মুছলমানেই হওক বা হিন্দুয়েই হওক তেওঁ সকলোবোৰ কেন্দ্ৰৰ কল্যাণৰ তত্ত্বাবধান কৰিবলৈ চেষ্টা কৰিছিল। মুছলমান কেন্দ্ৰবোৰৰ সেৱা কৰিবলৈ তেওঁ খৃষ্টান যুৱতী আৰু মানুহৰ এটা দল গোটাইছিল। কিছুমান ৰোষ-প্ৰৱণ আৰু অজ্ঞানী মানুহে ঘৰ-বাৰী এৰি গৈছিল। ই ভীষণ কথা। এঠাইত হিন্দুবোৰে ছুৰ্ভগীয়া খৃষ্টানবোৰক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ কথা ৰাজকুমাৰীৰ পৰা জানিব পাৰি সুখী হৈছিল আৰু তেওঁ আশা কৰে যে তেওঁলোক অতি সোন-কালে নিজৰ ঘৰলৈ ফিৰিবলৈ সক্ষম হব আৰু কোনো উপদ্ৰৱ অত্যাচাৰ নোহোৱাকৈ ৰোগী আৰু ছুৰ্দ্দশাগ্ৰস্ত মানৱ সমাজক সেৱা কৰিবলৈ দিয়া হব।

## তেওঁৰ বিশ্বাস ছুৰ্ব্বল হৈছে নে কি ?

বাতৰি কাকতবোৰে যুদ্ধৰ বিষয়ে তেওঁৰ মন্তব্যবোৰ এনেভাৱে প্ৰকাশ কৰিছে যে তেওঁ সঁচায়ে যুদ্ধৰ পক্ষ সমৰ্থন

কৰিবলৈ আৰম্ভ কৰিছেনে নাই কলিকতাৰ পৰা সেই বিষয়ে অনুসন্ধান চলিছিল। তেওঁ সকলো সময়ৰ কাৰণে অহিংসতাৰ ( non-violence ) লগত দৃঢ়ভাবে সংযুক্ত আৰু কেতিয়াও যুদ্ধৰ পক্ষ সমৰ্থন কৰিব নোৱাৰে। তেওঁৰ দ্বাৰা চালিত ৰাজ্যত কোনো পুলিচ আৰু কোনো মিলিটাৰী নাথাকিব। কিন্তু ভাৰত ইউনিয়নৰ চৰকাৰ তেওঁ চলোৱা নাই! তেওঁ মাথোন নানা সম্ভৱপৰ কাৰ্য্যহে দেখুৱাই দিছে। ভাৰত আৰু পাকিস্তান পাৰস্পৰিক আলোচনাৰ দ্বাৰাই তেওঁলোকৰ পাৰ্থক্য মীমাংসা কৰা উচিত আৰু অকৃতকাৰ্য্য হলে মধ্যস্থৰ নিষ্পত্তিৰ আশ্ৰয় লোৱা উচিত। কিন্তু যদি এক পক্ষই ভুল কৰাতে দৃঢ়তা দেখুৱায় আৰু ওপৰত কোৱা কোনো এটা পথকে গ্ৰহণ নকৰে, তেতিয়া একমাত্ৰ মুকলি পথ হব যুদ্ধ। তেওঁ কি অৱস্থাৰ ওপৰত এই মন্তব্য কৰিছে সেইটো তেওঁ-লোকে জনা উচিত। তেওঁৰ দিল্লীৰ প্ৰায় সকলোবোৰ প্ৰাৰ্থনাৰ বক্তৃতাত ৰাইজক সদায় নিজৰ হাতলৈ আইন লবলৈ মানা কৰিছিল, কিন্তু চৰকাৰেই তেওঁলোকৰ কাৰণে সুবিচাৰ আনক। আইনৰ বিচাৰৰ অপেক্ষা নকৰি অপৰাধীক শাস্তি বিধানৰ ব্যৱস্থা ( lynch law ) ত্যাগ কৰা ন্যায়সঙ্গত খাপবোৰ তেওঁ তেওঁলোকৰ আগত ডাঙি ধৰিছিল। পিচৰ টোৱে যথোচিত চৰকাৰ হোৱাতো অসম্ভৱত পৰিণত কৰিব। ইয়াৰ অৰ্থ এয়ে নহয় যে আংশিক ভাৱেও অহিংসতাত তেওঁৰ বিশ্বাস কমিছে।

---

## (১৭)

২৮-৯-৪৭

## মিঃ চাৰ্চ্চিলৰ অপৰিণামদৰ্শিতা

আজি আবেলি আনদিনতকৈ শ্ৰোতাৰ সংখ্যা বেচি। পৱিত্ৰ কোৰাণৰ বিশেষ পদ পাঠ কৰাত কাৰবাৰ আপত্তি আছে বুলি গান্ধীজীয়ে সুধিছিল। শ্ৰোতাবৃন্দৰ মাজৰ দুজন আপত্তি দেখুৱাই হাত ডাঙে আৰু গান্ধীজীয়ে কয় যে তেওঁ তেওঁলোকৰ আপত্তি মানিব যদিও তেওঁ জানে যে বাকী শ্ৰোতা সকলৰ কাৰণে ই বৰ হতাশৰ কথা হব। যি হওক, তেওঁ আপত্তিকাৰীক কলে যে, যদিও, অহিংসাত দৃঢ় বিশ্বাসী হিচাবে, তেওঁ আনপথে যাব নোৱাৰে, তথাপি তেওঁ মন্তব্য নকৰি নোৱাৰে যে তেওঁলোকৰ বিপক্ষে থকা অতি ডাঙৰ জনতাৰ ইচ্ছা নিজৰ কাৰণে অৱজ্ঞা কৰিব নোৱাৰে। এই মন্তব্যবোৰৰ পৰা তেওঁলোকে বুজা উচিত যে আপত্তিকাৰী-সকলক প্ৰবঞ্চনা কৰি আনি পেলোৱা অসহিষ্ণুতা দেশত দেখিবলৈ পোৱা বিকৃতভাৱৰ ( distemper ) চিন আৰু ইয়েই মিঃ উইনটন চাৰ্চ্চিলৰ পৰা অতি নিৰ্দ্দয় মন্তব্য উৎপত্তি সাধন কৰিছিল। বক্তাই তেতিয়া নিজৰ হিন্দুস্থানী বক্তৃতাত ৰাতিপুৱা কাকতৰ প্ৰকাশিত হোৱা আৰু ৰয়টাৰে বিনাতাঁৰে পঠিওৱা তলত দিয়া সাৰাংশৰ ব্যাখ্যা কৰিছিল :—

“আজি ৰাতিৰ এটা বক্তৃতাত মিঃ চাৰ্চ্চিলে ঘোষণা কৰে

যে ভাৰতত ঘটা ভয়জনক হত্যাকাণ্ড তেওঁৰ কাৰণে আশ্চৰ্য্য ঘটনা নহয়।

"আমি, অৱশ্যে, বৃটীচ ৰাজ আৰু পাৰ্লিয়ামেণ্টৰ উদাৰ, সহিষ্ণু আৰু পক্ষপাতিত্বহীন শাসনৰ তলত সাধাৰণ শান্তি ওচৰাওচৰিকৈ পুৰুষানুক্ৰমে বাস কৰা আৰু উচ্চতম কৃষ্টিৰ ধাৰণ-শক্তি ( capacities ) থকা জাতিয়ে ৰাক্ষসৰ (cannibal) ক্ৰূৰতাৰে ইজনে সিজনৰ ওপৰত সম্পাদিত কৰা এইবোৰ বিভীষিকা, আৰু নৰহত্যাৰ মাথোন আৰম্ভণিতহে আছো।"

তেওঁ আৰু কৈছিল—

"মই সন্দেহ নকৰাকৈ নোৱাৰোঁ যে ভবিষ্যতে ৬০ কি ৭০ বছৰ পৃথিৱীৰ অতি শান্তিপূৰ্ণ অংশ হৈ থকা জনসংখ্যাৰ এক বিৰাট হ্ৰাস ( abridgement ) দেখিবলৈ পাব আৰু লগে লগে এচিয়াই কেতিয়াও নজনা শোকাবহ দুৰ্ঘটনাৰ এক বিশেষ অঙ্গ গঠন কৰি এই বিৰাট দেশবোৰৰ মাজেদি সভ্যতাৰ এটা পশ্চাদগমন ( retrogression ) হব।"

তেওঁলোকৰ সকলোৱেই জানে যে মিঃ চাৰ্চ্চিল নিজেই এজন ডাঙৰ মানুহ। তেওঁ ইংলণ্ডৰ অভিজাত সম্প্ৰদায়ৰ ( blue blood )। বৃটীচ বুৰঞ্জীত মাৰ্লবৰো সকল প্ৰখ্যাত। দ্বিতীয় মহাযুদ্ধৰ লগত গ্ৰেটবৃটেনৰ বিপদ কালত তেওঁ গুৰি বঠা ধৰিছিল। তেওঁ নিঃসন্দেহে সেই সময়ৰ সাম্ৰাজ্যক বিপদৰ পৰা ৰক্ষা কৰিছিল। তৰ্ক কৰাতো ভুল হব যে

আমেৰিকা আৰু আন আন মিত্ৰশক্তিৰ অবিহনে গ্ৰেট বৃটেনে যুদ্ধ জয় কৰিব নোৱাৰিলেহেঁতেন। যদি তেওঁৰ উদ্যমশীল ৰাজনীতিজ্ঞতা নহয় তেন্তে কোনে শক্তিবোৰ একেলগ কৰিলে? যুদ্ধ জয় কৰাৰ পিচত তেওঁ ইমান সক্ষমতাৰে প্ৰতিনিধিত্ব কৰা এই ডাঙৰ জাতিয়ে মিঃ চাৰ্চ্চিলৰ কাৰ্য্যক স্বীকাৰ কৰিও যথেষ্ট জীৱন আৰু ধন নষ্ট কৰিব লগা হোৱা বৃটীচ দ্বীপপুঞ্জক পুনৰ্গঠনৰ কাৰণে সম্পূৰ্ণ শ্ৰমিক চৰকাৰ পাবলৈ অকণো ইতস্ততঃ নকৰিলে। বৃটীচ সময়োচিত ব্যৱস্থাৰ সন্মুখীন হল, স্বইচ্ছাই সাম্ৰাজ্য ভাঙি দিবলৈ ঠিক কৰিলে আৰু ইয়াৰ ঠাইত এক অদৃশ্য আৰু বেচি মহান অন্তৰৰ ৰাজ্য স্থাপন কৰিবলৈ মনস্থ কৰিলে। বক্তাই, দুভাগত বিভক্ত হলেও, কমনওৱেলথৰ ইচ্ছাময় ( willing ) সভ্য হৈ থকাৰ ভাৰতৰ স্বইচ্ছাই ঘোষণাৰ কথা উল্লেখ কৰে। সকলো দলৰে দলভুক্ত গোটেই বৃটীচ জাতিৰ দ্বাৰা এই মহান ব্যৱস্থা (step) গ্ৰহণ কৰা হয়। এই কাৰ্য্যত মিঃ চাৰ্চ্চিল আৰু তেওঁৰ দল অংশীদাৰ আছিল। এই ব্যৱস্থা ভৱিষ্যতে সমৰ্থন কৰক নকৰক বেলেগ কথা, ইয়াৰ বক্তাৰ প্ৰবন্ধৰ ( thesis ) লগত সম্বন্ধ নাই, যিটো হৈছে এয়ে যে, ৰূপান্তৰ কৰা কাৰ্য্যৰ লগত সম্বন্ধ থকা মিঃ চাৰ্চ্চিলে ইয়াৰ গুণাগুণ কমাবলৈ একো নকৰ বা একো নকৰিব বুলি আশা কৰা যায়। নিশ্চয়, বৃটীচৰ শক্তিৰ অবহাৰৰ (withdrawal) লগত তুলনা কৰিবলৈ আধুনিক বুৰঞ্জীত একো নাই। তেওঁ

ধাৰ্ম্মিক অশোকৰ ত্যাগৰ কথা স্মৰণ কৰে, যাক দেখাটো সৌভাগ্যৰ অধিকাৰী হোৱা। কিন্তু অশোক অতুলনীয় আৰু তেওঁ আধুনিক বুৰঞ্জীৰ নহয়। সেই কাৰণে মিঃ চাৰ্চ্চিলৰ বক্তৃতাৰ ৰয়টাৰৰ সাৰাংশ পঢ়ি দুখীত হৈছে। তেওঁৰ মতে এই বক্তৃতা বিখ্যাত এজেন্সীৰ দ্বাৰা বিপৰীত অৰ্থ কৰা হোৱা নাই। তেওঁ এজন ডাঙৰ সেৱক হিচাবে তেওঁৰ জাতিৰ প্ৰতি এটা অন্যায় কৰিছে। যদি তেওঁ ভাৰতৰ বৃটীচৰ অধীনৰ পৰা স্বাধীন হোৱাৰ পাচত এনে ভাগ্য হোৱা জানিলেহেঁতেন, এক মুহূৰ্ত্তৰ কাৰণেও তেওঁ ভাবিবলৈ এৰিলেহেঁতেন নে যে দোষতো তেওঁৰ মতে "উচ্চতম কৃষ্টিৰ কাৰণে ধাৰণা-শক্তি প্ৰাপ্ত" জাতিবোৰৰ নহয় বৰং সাম্ৰাজ্য গঠন-কৰ্ত্তা সকলৰহে। গান্ধীজীয়ে ইঙ্গিত দিয়ে যে মিঃ চাৰ্চ্চিল তেওঁৰ ব্যাপক অনিষ্টকাৰী মন্তব্যত অধিক চঞ্চল হৈছিল ( over-hasty )। ভাৰতবৰ্ষ লাখ লাখ মানুহৰে গঠিত ; তাৰে অসুৰ হোৱা কেই লাখ মান সংখ্যাত নগণ্য। মিঃ চাৰ্চ্চিলক ভাৰত চাবলৈ মাতিবলৈ আৰু পূৰ্ব্বকল্পিত বিশ্বাসলৈ পক্ষাবলম্বী মানুহ হিচাবে নহয়, দলস্বাৰ্থৰ আগত সম্মান স্থাপন কৰা আৰু বৃটীচ সম্পাদিত কাৰ্য্যক গৌৰৱপূৰ্ণ কৃতকাৰ্য্যতা দিবলৈ ইচ্ছুক এজন নিৰপেক্ষ সৰল বৃটীচ মানুহ হিচাবে নিজে বিষয়বোৰ চকুদি অন্বেষণ কৰিবলৈ দিবলৈ তেওঁ সাহসী হৈছিল। ফলৰ দ্বাৰা গ্ৰেট বৃটেনৰ অনুপম কাৰ্য্যৰ বিচাৰ কৰা হব। ভাৰতৰ অঙ্গছেদনে দুই পক্ষক নিজৰ ভিতৰত যুদ্ধ কৰিবলৈ এক

অজ্ঞাত নিমন্ত্ৰণ সৃষ্টি কৰে। ওচৰাওচৰি ৰাজ্য হিচাবে দুই অংশক স্বাধীনতাৰ মুক্তি প্ৰদানে দানক কলঙ্কৰ কৰা যেন লাগে। দুইখন ৰাজ্যই বৃটীচৰ অধীনৰ ৰাজ্যবোৰৰ পৰা বাহিৰ হৈ যাবলৈ স্বাধীন বুলি কোৱাৰ কোনো আৱশ্যক নাছিল। কৰাতকৈ কোৱাটো বেচি সহজ। তেওঁ এই তৰ্ক বা যুক্তি (argument) বেচি বহল কৰাটো উচিত নহব। আগতকৈ মিঃ চাৰ্চ্চিল কিয় বেচি সতৰ্ক হবলগীয়া হৈছিল সেই কথা দেখুৱাবলৈ তেওঁ যথেষ্ট কৈছে। নিজ চকুৰে অৱস্থা বুজি নোলোৱাকৈ তেওঁ তেওঁৰ অংশীদাৰবোৰক দোষী সাব্যস্ত কৰিছে। তেওঁৰ কথা শুনি থকা জনতাক তেওঁ কব যে শ্ৰোতাসকলৰ অনেকেই মিঃ চাৰ্চ্চিলৰ সুবিধা দিছে। নিজৰ আচৰণ শুদ্ধ কৰি মিঃ চাৰ্চ্চিলৰ পূৰ্ব্ব সুচনাক মিছা প্ৰমাণ কৰা একো বেলি নহয়। তেওঁ জানে যে তেওঁ অৰণ্যতহে চিঞৰিছে। যদি নহয় আৰু স্বাধীনতাৰ কথাবাৰ্ত্তা চলাৰ আগতো যদি ইয়াৰ ক্ষমতা বা শক্তি আছিল তেন্তে তেওঁ জানে যে ই নিশ্চেষ্টভাবে ( relish ) বৰ্ণনা কৰা আৰু মিঃ চাৰ্চ্চিলৰ দ্বাবা বৃহদাকাৰ দিয়া বৰ্ব্বৰতা কেতিয়াও নঘটিল-হেঁতেন আৰু তেওঁলোকে তেওঁলোকৰ অৰ্থ নৈতিক আৰু আন আন ঘৰুৱা বিপদ-আপদবোৰ সমাধান কৰাত যথেষ্ট আগ বাঢ়িলহেঁতেন।

---

(১৮)

২৯-৯-৪৭

## ভাতৃহত্যাৰ ফল

দুই ওচৰ-চুবুৰীয়া ৰাজ্যৰ মাজত যুদ্ধৰ সম্ভাৱনাৰ মোৰ উল্লেখে, মই শুনিছোঁ পাশ্চাত্য দেশত এটা ভয়ৰ সৃষ্টি কৰিলে-হেঁতেন। বাতৰি কাকতৰ বাতৰি পঠিওৱা সকলে বাহিৰলৈ কি বাতৰি পঠিয়াইছে মই কব নোৱাৰোঁ। বক্তাৰ মত ঠিকমতে তেওঁলোকে প্ৰতিফলিত কৰাৰ বাহিৰে আনবোৰ সাৰাংশ সদায়েই একোটা ভয়ানক চেষ্টা। ১৮৯৬ চনত দক্ষিণ আফ্ৰিকাত মই লিখা এখন কিতাপৰ ( pamphlet ) এটা অনিশ্চিত ( unwarranted ) সাৰাংশই মোৰ জীৱনকে সংশয়াপন্ন কৰিছিল। ই এনে নিৰাশভাৱে অনিশ্চিত যে মোক সকলোৱে মিলি বে-আইন প্ৰহাৰ কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত দক্ষিণ আফ্ৰিকাত ইউৰোপীয় সকলৰ মত এজন নিৰ্দ্দোষী মানুহক কোনো ভুল নকৰাকৈয়ে যন্ত্ৰণা ভুগিব লগীয়া হৈছে বুলি বোধৰ পৰা গৈ অনুতাপত পৰিণত হল। ওপৰত উল্লিখিত কথাৰ পৰা মই এইটো নীতিকে পাবলৈ বিচাৰোঁ যে কোনো মানুহক তেওঁ নকৰা কাম বা নোকোৱা কথাৰ বাবে দায়ী কৰা উচিত নহয়।

মই বিবেচনা কৰোঁ যে মোৰ বক্তৃতাবোৰৰ যুদ্ধৰ কোনো এটা উল্লেখকে পাকিস্তান আৰু ইউনিয়নৰ যুদ্ধৰ উত্তেজনা

বা সন্মতি আছে বুলি কব নোৱাৰি। যদি মাত্র উল্লেখেই নিষেধ হব নোৱাৰে, আমাৰ মাজত এটা কুসংস্কাৰ আছে যে যি ঘৰত লৰা-ছোৱালীৰ দ্বাৰা মাথোন সাপৰ উল্লেখোহে কৰা হয় সেই ঘৰত সাপ ওলাবই। যুদ্ধৰ বিষয়ে ভাৰতত যেন কোনেও এনে কুসংস্কাৰ অন্তৰত পোষণ নকৰে।

মই দাবী কৰোঁ যে বৰ্ত্তমান অৱস্থা পৰ্য্যৱেক্ষণ কৰি আৰু কেতিয়া দুই ৰাজ্যৰ মাজত যুদ্ধৰ কাৰণৰ উৎপত্তি হব পাৰে তাক নিশ্চিতভাৱে কৈ দুই ওচৰ-চুবুৰীয়া ৰাজ্যৰ প্ৰতি মই উপকাৰ কৰিছোঁ। এনে কৰা হৈছিল যুদ্ধ ঘটাবৰ কাৰণে নহয় যিমানদূৰ সম্ভব যুদ্ধ এৰাবৰ কাৰণে। মই দেখুৱাবলৈ চেষ্টা কৰিছিলোঁ যে মানুহৰ দ্বাৰাই যদি সংজ্ঞাহীন হত্যাকাণ্ড, লুট আৰু গৃহদাহ আদি চলি থাকে, তেন্তে তেওঁলোকে চৰকাৰক (বলাৎকাৰ) কৰিবলৈ বাধ্য কৰিব। ইটোৰ পিচত সিটোকৈ অপৰিহাৰ্য্যৰূপে হোৱা বা ঘটা যুক্তি-সিদ্ধ কাৰ্য্যলৈ ৰাইজৰ মন আকৰ্ষণ কৰাটো ভুলনে?

ভাৰতে জনা উচিত, আৰু জগতেও, যে যুদ্ধৰ চৰম সীমা পোৱা ভাতৃহত্যাৰ নিশ্চিত পৰিহাৰৰ কাৰণে মোৰ প্ৰত্যেক বিন্দু উদ্যম উৎসৰ্গ কৰি আহিছোঁ আৰু এতিয়াও কৰিছোঁ। অহিংস ব্ৰত ধৰা মানুহে আইনৰ দ্বাৰা শাসিত মানুহ হিচাবে যুদ্ধৰ কথা উল্লেখ কৰিবলৈ সাহ কৰে, তেওঁ ইয়াক পৰিত্যাগ কৰিবৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিবলৈহে ইয়াকে কৰে। এয়ে মোৰ মূলীভূত প্ৰতিজ্ঞা (position) যৰ পৰা মই

আশা কৰোঁ মোৰ মৃত্যুৰ দিনলৈকে কেতিয়াও পিচ নোহোঁহকোঁ ( swerve )।

---

## ( ১৯ )

৩০-৯-৪৭

## গবৰ্ণমেণ্টৰ কৰ্ত্তব্য

গান্ধীজীয়ে কৈছিল যে সেইদিনা মিয়ানওৱালিৰ কেইজন মান বন্ধুৱে তেওঁক দেখা কৰে। তেওঁলোকে এৰি থৈ অহা তেওঁলোকৰ বন্ধু-বান্ধৱৰ কাৰণে উদ্বেগ দেখুৱাইছে। এই দৰে হেজাৰ হেজাৰ পাকিস্তানৰ নানা ঠাইত আছে। মিয়ানওৱালিৰ পৰা অহা বন্ধু সকলে তেওঁক কলে, তেওঁলোকে সন্দেহ কৰে যে পিচত থাকি অহা মানুহবোৰৰ বলেৰে ধৰ্ম্মান্তৰ, হত্যা হব পাৰে বা অনাহাৰে মৰিব পাৰে আৰু তিৰোতাবোৰ বলেৰে হৰণ কৰিব। তেওঁলোকক ৰক্ষা কৰা ইউনিয়ন চৰকাৰৰ কৰ্ত্তব্য নহয়নে কি বুলি সুধিছিল। আন ঠাইৰ পৰাও সেই একে কাহিনীয়েই শুনা গৈছিল। গান্ধীজীয়ে স্বীকাৰ কৰে যে যিসকলে ইউনিয়ন চৰকাৰৰ মুখলৈ চায় বা ত্যাগ কৰে তেওঁলোকক ৰক্ষা কৰা ইউনিয়ন চৰকাৰৰ কৰ্ত্তব্য। ৰাইজেই চৰকাৰৰ হাত শক্তিশালী কৰিব লাগিব ; চৰকাৰৰ হাত শক্তিশালী কৰাটো ৰাইজৰ কাম।

পাকিস্তানত থকা সংখ্যালঘিষ্ঠক ৰক্ষা কৰাৰ দুটা উপায় আছে। উত্তম উপায় হৈছে কায়েদে-আজম জিন্না আৰু তেওঁৰ মন্ত্ৰী সকলে সংখ্যালঘিষ্টৰ নিৰাপত্তাৰ কাৰণে সিহঁতৰ অন্তৰ বিশ্বাসেৰে অনুপ্ৰাণিত কৰিব লাগে যাতে সিহঁতে ওচৰৰ ( sister ) ৰাজ্যৰ মুখলৈ চাবলগীয়া নহয়। বাস্তুত্যাগীবোৰৰ কাৰণে ত্যাগ কৰা ধন-সম্পত্তি ৰক্ষা কৰোটো পাকিস্তান কৰ্ত্তৃপক্ষৰ কৰ্ত্তব্য। নিশ্চয় কোনো বলপূৰ্ব্বক ধৰ্ম্মান্তৰীকৰণ বা নাৰীহৰণ হোৱা উচিত নহয়। মুচলিম হওক বা হিন্দু হওঁক, এজনী সৰু ছোৱালীও ইউনিয়নত বা পাকিস্তানত সম্পূৰ্ণ ৰূপে নিৰাপদ হব লাগিব। আৰু কোনোৰে ধৰ্ম্মৰ ওপৰত আক্ৰমণ হোৱা উচিত নহব। গণতন্ত্ৰত প্ৰজায়েই চৰকাৰ গঢ়িব পাৰে বা ধ্বংস কৰিব পাৰে। সিহঁতে ইয়াক শক্তিশালীও কৰিব পাৰে দুৰ্ব্বলো কৰিব পাৰে। নিয়মানুবৰ্ত্তিতাৰ অভাৱত সিহঁত একোকে সমাধা কৰিবলৈ সক্ষম নহয়।

## ব্যক্তিৰ ক্ষমতা

তেওঁৰ কাৰণে, তেওঁলোকক উত্তেজিত কৰাৰ ভয় থাকিলেও তেওঁ পুনৰ্বাৰ কবই যে এজনৰ ধৰ্ম্ম ৰক্ষা কৰাটো তেওঁৰেই হাতত। নিজৰ ধৰ্ম্মৰ কাৰণে জীৱন উছৰ্গা কৰিবলৈ প্ৰত্যেক লৰা-ছোৱালীকে শিক্ষা দিয়া উচিত। তেওঁলোক সকলোৱেই প্ৰহ্লাদৰ গল্প আৰু তেওঁ কেনেকৈ নিজৰ ধৰ্ম্মৰ

কাৰণে ১২ বছৰ বয়সটো নিজৰ বা পৰৰ বিৰুদ্ধে ঠিয় দিয়াৰ কথা জানে। এনে বীৰত্বব্যঞ্জক উদাহৰণেৰে প্ৰত্যেক ধৰ্ম্ম পৰিপূৰ্ণ। তেওঁ সেই একে শিক্ষাকে তেওঁৰ লৰা-ছোৱালীক দিছে। তেওঁ তেওঁৰ লৰা-ছোৱালীৰ ধৰ্ম্মৰ তত্বাবধায়ক নহয়। নাৰীক দুৰ্ব্বল বোলাটো ভুল। যি নাৰী নিজৰ ধৰ্ম্মত দৃঢ় তেওঁ তেওঁৰ সন্মানৰ আৰু ধৰ্ম্মৰ ওপৰত আক্ৰমণলৈ ভয় কৰাৰ আৱশ্যক নাই। চৰকাৰে তেওঁলোকক ৰক্ষা কৰা উচিত। কিন্তু ধৰি লওক, চৰকাৰ অকৃতকাৰ্য্য হল, সেই বুলি তেওঁলোকে কাপোৰ সলোৱাৰ দৰে ধৰ্ম্মকো সলাবনে ?

## ভাৰতীয় মুছলিম

মুছলমানবিলাকক নিৰঙ্কুশ আক্ৰমণ কৰাৰ কথা উল্লেখ কৰি ভাৰতৰ মুছলমানবোৰ কোন বুলি গান্ধীজীয়ে সোধে। ইমান বিৰাট সংখ্যাৰ তেওঁলোক আৰবৰপৰা অহা নাই। অলপ সংখ্যকহে বাহিৰৰ পৰা আহিছে। কিন্তু কোটী কোটী হিন্দুধৰ্ম্মৰ পৰা দীক্ষিত হোৱা। তেওঁ বিজ্ঞ দীক্ষাত নধৰে। এই তথাকথিত অস্পৃশ্য আৰু শূদ্ৰবোৰক যুক্তিৰ সহায়েৰে পৰধৰ্ম্মত দীক্ষিত কৰা হোৱা নাই। দায়িত্ব সিহঁতৰ নিজৰ। হিন্দুধৰ্ম্মত অস্পৃশ্যতাক ঠাই দি আৰু তথাকথিত অস্পৃশ্যক উৎপীড়ন কৰি সিহঁতে ইচলাম গ্ৰহণ কৰিবলৈ বাধ্য কৰিলে। সেইবোৰ ভাই-ভনীক বধ কৰা বা উৎপীড়ন কৰা সিহঁতৰ পক্ষে অশোভনীয় বা নিন্দনীয়।

## ( ২০ )

১-১০-৪৭

## সেৱাৰ স্থল অসীম

প্ৰাৰ্থনাৰ পিচত গান্ধীজীয়ে কলে যে তেওঁক এজনী ভগিনীয়ে ( sister ) এখন চিঠি দিলে, তাত লিখা আছিল যে তেওঁ আৰু তেওঁৰ স্বামী সেৱা কৰিবলৈ আগ্ৰহান্বিত, কিন্তু কি কৰিব লাগে কোনেও কোৱা নাই। গান্ধীজীয়ে কলে যে তেনেকুৱা আপত্তি বহুত আছে। সকলোৰে কাৰণে তেওঁৰ সেই একেই উত্তৰ। কৰ্ত্তৃত্বৰ দৰে নহে সেৱাৰ স্থল সীমাহীন। পৃথিৱীৰ দৰেই ই বিস্তৃত। ই অসংখ্য সেৱক গ্ৰহণ কৰিব পাৰে। উদাহৰণ স্বৰূপে, দিল্লী চহৰ কেতিয়াও আদৰ্শস্থানীয় পৰিষ্কাৰ হোৱা নাই। আশ্ৰয়প্ৰাৰ্থীৰ অন্তঃ-প্ৰবাহৰ আমদানীৰ লগে লগে স্বাস্থ্য আৰু বেয়া হৈছে। নানা আশ্ৰয়প্ৰাৰ্থীৰ কেন্দ্ৰৰ স্বাস্থ্য কোনো গুণেই সন্তোষজনক নহয়। যেয়ে সেয়ে সেই কাম হাতত লব পাৰে। তেওঁ-লোকে আশ্ৰয়প্ৰাৰ্থীৰ কেন্দ্ৰবোৰত সোমাব নোৱাৰিলেও তেওঁলোকে নিজৰ ওচৰৰ ঠাইবোৰ পৰিষ্কাৰ কৰিব পাৰে, আৰু সেয়ে গোটেই চহৰ প্ৰভাবিত কৰিব। নিৰ্দ্দেশৰ কাৰণে কোনেও কাৰো মুখলৈ চাব নালাগে। শাৰীৰিক পৰিচ্ছন্নতাৰ লগতে তেওঁ মন আৰু আত্মাৰ পৰিচ্ছন্নতাকো যোগ দিয়ে। ই এটা ডাঙৰ কাম আৰু বিৰাট সম্ভাৱনাৰে ( possibilities ) পৰিপূৰ্ণ।

## শান্তিৰ চৰ্ত্ত

বাবা বাচিত্তৰ সিঙৰ দ্বাৰা আমন্ত্রিত দিল্লীৰ মুখিয়াল লোক সকলৰ সভালৈ তেওঁ (এদিন) গৈছিল। পণ্ডিত জৱাহৰলাল নেহেৰুৱে বক্তৃতা দিব। কিন্তু তেওঁ ক্ষমা বিচাৰিলে কাৰণ লিয়াকত আলি চাহেব তেওঁৰ লগত আলোচনা কৰিবলৈ আহিছে আৰু তেওঁ আবেলি ৪ বজাত কংগ্রেচ ৱাৰ্কিং কমিটি আৰু ৫ বজাত মন্ত্রীসভাত উপস্থিত থাকিব লাগে। সেই কাৰণে, বাবা বাচিত্তৰ সিঙে নিমন্ত্রিত সকলৰ আগত বক্তৃতা কৰিবলৈ গান্ধীজীক অনুৰোধ কৰাত গান্ধীজী মান্তি হল। বক্তাই চুটি চুটি প্রশ্ন দিবলৈ কৈছিল। এজন বন্ধু থিয় দি এটা বক্তৃতাকে দিলে। ইয়াৰ মূল কথা হৈছে দিল্লীৰ নাগৰিকসকল মুছলিমবিলাকৰ লগত শান্তিত বাস কৰিবলৈ সাজু যদি সিহঁত ইউনিয়নৰ অনুগত হয় আৰু সিহঁতৰ হাতত লাইচেন্স নোহোৱাকৈ ৰখা সকলোবোৰ অস্ত্র আৰু গুলি-বাৰুদ সমৰ্পণ কৰক। এই বিষয়ত দুটা মত হব নোৱাৰে যে যি সকলে ইউনিয়নত থাকিবলৈ বিচাৰে তেওঁলোক যি ধৰ্ম্মৰে নহওক ইউনিয়নৰ অনুগত হব লাগিব আৰু লাইচেন্সবিহীন সকলো অস্ত্র-শস্ত্র নিবিচৰাকৈয়ে সমৰ্পণ কৰিব লাগিব। কিন্তু তেওঁ বক্তাক তেওঁ কোৱা ওপৰত উল্লিখিত আৰু এটা চৰ্ত্ত যোগ কৰিবলৈ কয় যে তেওঁ কোৱা চৰ্ত্তবোৰৰ কৃতকাৰ্য্যতা চৰকাৰৰ হাতত এৰা।

## ব্যক্তিগত প্ৰতিশোধ কোনো প্ৰতিষেধক নহয়

পুৰণা কিল্লাত প্ৰায় ৫০,০০০ হেজাৰ আৰু হুমায়ুনৰ কবৰ প্ৰাঙ্গণত আৰু কিছুমান মুছলমান আশ্ৰয়প্ৰাৰ্থী আছে। তাত জীৱনৰ অৱস্থাবোৰ বৰ সন্তোষজনক নহয়। পাকিস্তানৰ হিন্দু আৰু শিখ আশ্ৰয়প্ৰাৰ্থীৰ আৰু আনকি ভাৰত ইউনিয়নৰ বোৰবো দুঃখ-যন্ত্ৰণাৰ উল্লেখ কৰি সিহঁতৰ যন্ত্ৰণাক উচিত বুলি কোৱাটো ভুল। হিন্দু আৰু শিখবোৰে নিঃসন্দেহ আৰু অতিশয়ভাবে যন্ত্ৰণা ভোগ কৰিছে। সিহঁতৰ কাৰণে সুবিচাৰ কৰাটো ভাৰত ইউনিয়নৰ চৰকাৰৰ কাম। নানা শিক্ষা-মূলক অনুষ্ঠানৰ কাৰণে লাহোৰ বিখ্যাত। সেইবোৰ বেচৰকাৰী উদ্যোগত স্থাপিত হৈছে। পঞ্জাবী সকল পৰিশ্ৰমী। কেনেকৈ ধন আৰ্জ্জিব লাগে আৰু দানত কেনেকৈ ব্যয় কৰিব লাগে তেওঁলোকে জানে। লাহোৰত হিন্দু আৰু শিখৰ দ্বাৰা স্থাপিত প্ৰথম শ্ৰেণীৰ চিকিৎসালয় আছে। প্ৰকৃত গৰাকীক সেই সকলোবোৰ অনুষ্ঠান আৰু ব্যক্তিগত সম্পত্তি ফিৰাই দিব লাগে। ব্যক্তিগত প্ৰতিশোধৰ দ্বাৰা এনে কাম কৰিব নোৱাৰি। ইউনিয়নৰ দ্বাৰা সুবিচাৰ পোৱাটো পাকিস্তানে চোৱাৰ দৰে পাকিস্তান চৰকাৰে যাতে তেওঁলোকৰ কৰ্ত্তব্য কৰে তাক চোৱাটোও ইউনিয়ন চৰকাৰৰ কৰ্ত্তব্য। ইজনে সিজনৰ বেয়াটো অনুকৰণ কৰি সুবিচাৰ পাব নোৱাৰে। দুটা মানুহ একেলগে ঘোঁৰাত উঠি গৈ

থাকোঁতে এটা পৰিলে, আনটোৱেও তাকে কৰিবনে ? তাৰ ফল হব ছুয়োজনৰে হাড় ভঙা। ধৰিলোৱা, মুছলমানবোৰ ইউনিয়নৰ অনুগত নহয়, অস্ত্ৰ-শস্ত্ৰও সমৰ্পণ নকৰে, সেই বুলিয়েই তেওঁলোকেও নিৰপৰাধ মতা, তিৰোতা আৰু শিশু-বোৰক বধিবলৈ ধৰিবনে ? বিশ্বাসঘাতকক উপযুক্তৰূপে শাস্তি দিয়া যাতে হয় তাক চোৱাটো চৰকাৰৰ কাম। বৰ্ব্বৰতাৰ আশ্ৰয় লৈ ছুই ৰাজ্যৰ মানুহবোৰে ভাৰতে পৃথিবীত আৰ্জ্জন কৰা সুন্দৰ নাম কলুষিত কৰিছে। তাকে কৰি সিহঁতে নিজৰ মহান ধৰ্ম্মৰ দাসত্ব আৰু ধ্বংসৰ হে ব্যৱস্থা কৰিছে। সেই কাম কৰিবলৈ সিহঁত মুক্ত। কিন্তু যি জনে ভাৰতৰ স্বাধীনতা আৰ্জ্জনৰ কাৰণে নিজৰ জীৱন বিপদাপন্ন কৰিছে তেওঁ ইয়াৰ ধ্বংসৰ জীৱন্ত সাক্ষী হবলৈ ইচ্ছা নকৰে। প্ৰত্যেক নিশ্বাস-প্ৰশ্বাসৰ লগতে তেওঁ ঈশ্বৰক প্ৰাৰ্থনা কৰিছে হয় এই অগ্নি নিৰ্ব্বাপিত কৰিবলৈ তেওঁক শক্তি দিয়ক নাইবা তেওঁক সংসাৰৰ পৰা আঁতৰাই নিয়ক।

## মুছলমান বন্ধুৰ পৰা টেলিগ্ৰাম

আম্মান আৰু মধ্য প্ৰাচ্যৰ মুছলনমান বন্ধুৰ পৰা পোৱা কেৱল্‌গ্ৰামৰ কথা উল্লেখ কৰে, তাৰ দ্বাৰাই তেওঁলোকে আশা কৰে যে ভাৰতত বৰ্ত্তমান ভাতৃবধ খন্তেকীয়া আৰু ভাৰতে সোনকালে নিজৰ পুৰণি গৌৰৱ ফিৰাই পাব আৰু হিন্দু মুছলমানে ভাই ভাই হিচাবে একেলগে বাস কৰিব।

## অতি ভীৰু ( কাপুৰুষোচিত ) আৰু অমানুষিক

তাৰ পাচত তেওঁ দুখেৰে ওচৰৰে গাৱঁৰ জনতাৰ দ্বাৰা দিল্লীৰ চিকিৎসালয়ৰ ওপৰত আক্ৰমণ কৰা আৰু ফলস্বৰূপে ৪টা ৰোগীৰ মৃত্যু আৰু কেইজনক কৰা আঘাতৰ কথা বৰ্ণায়। ই অতি কাপুৰুষোচিত আৰু অমানুষিক কাৰ্য্য, ইয়াক কোনো অৱস্থাতেই সমৰ্থন কৰিব নোৱাৰি।

আৰু এটা খবৰ আছে যে নাইনিৰ পৰা এলাহাবাদলৈ অহা ৰেলৰ পৰা কিছুমান মুছলমান যাত্ৰীক গাড়ীৰ বাহিৰ কৰি পেলোৱা হয়। এনে কাৰ্য্যৰ পিচত কি কাৰণ আছে তাক বুজিবলৈ তেওঁ কিংকৰ্ত্তব্যবিমূঢ় হৈছে। এই ঘটনাই প্ৰত্যেক ভাৰতীয়ক লাজত মূৰ দোঁৱাব লগীয়া কৰা উচিত।

---

## ( ২৯ )

২-১০-৪৭

## শিখ গুৰুসকলৰ বাণী

দিনটোৰ ভিতৰত বাবা চৰ্দ্দাৰ খৰক সিঙৰ সম্পাদক ( Secretary ) চৰ্দ্দাৰ চান্তক সিঙৰ লগত হোৱা কথা-বতৰাৰে গান্ধীজীয়ে আবেলিৰ বক্তৃতা আৰম্ভ কৰে। এই বন্ধুজনে তেওঁক কয় যে গুৰু অৰ্জ্জুন দেৱৰ পৰা উল্লেখ কথাকে

ঠিক সেই ভাৱেই গুৰু গোবিন্দ সিঙেও কৈছে। ভুলকৈয়ে বহুত মানুহে অনুমান কৰে—এই হিচাবে বহুত শিখে বৰ অজ্ঞান—যে গুৰু গোবিন্দ সিঙে তেওঁৰ শিষ্য সকলক মুছলমানক বধিবলৈ শিকাইছিল। গান্ধীজীয়ে যি ভজন পঢ়িছিল, তাৰ ৰচক দশম গুৰুৱে কয় যে মানুহে যি কোনো নামেৰেই ঈশ্বৰক পূজা কৰক তাত কোনো কথা নাই। প্ৰত্যেকৰ কাৰণে তেওঁ একেই, আৰু বেচিনো কি, মানুহো একেই অৰ্থাৎ একে মূল বস্তুৰ পৰাই ( genus ) তেওঁৰ উৎপত্তি। গুৰু গোবিন্দ সিঙে কয় যে মানুহজাতিক পৃথক কৰিব নোৱাৰি। মানুহ প্ৰকৃতি আৰু অবয়বত বেলেগ কিন্তু সকলো একেটা সাঁচতে গঢ়া। সিহঁতৰ অনুভূতি একে। সিহঁত সকলো মৰে আৰু ধূলিত মিহলি হয়। সকলো মানুহৰ কাৰণে বায়ু আৰু সূৰ্য্য একে। গঙ্গা নদীয়ে তেওঁৰ শ্ৰান্তি-নিবাৰক জল মুছলমানক নিদিওঁ নোবোলে। সকলোৰে ওপৰত একে ভাৱেই মেঘে ডাৱৰে বৰষুণ দিয়ে। একমাত্ৰ ধৰ্ম্মসংস্কাৰহীন ( unregenerate ) মানুহে হে নিজৰ আৰু আনৰ মাজত পাৰ্থক্য আনে। সেই কাৰণে যদি মহান শিখ গুৰুসকলৰ আৰু আন আন ধৰ্ম্মৰ নেতাসকলৰ বাণী তেওঁলোকৰ কাৰণে সত্য হয় তেন্তে তেওঁলোকে বুজা উচিত যে ভাৰত ইউনিয়ন একামাত্ৰ হিন্দুৰ দ্বাৰা গঠিত সম্পূৰ্ণ হিন্দু ৰাজ্য বোলাটো যি কোনো মানুহৰ পক্ষে অতি অন্যায়।

## কিৰপানৰ প্ৰকৃত ব্যবহাৰ

গান্ধীজীয়ে কবলৈ ধৰিলে যে ইয়াৰ অৰ্থ তেওঁ এইটো কৰা নাই যে শিখবোৰ অহিংসতাৰ লগত দৃঢভাৱে সংযুক্ত (wedded to non-violence)। সিহঁত তেনে নহয়। কিন্তু চৰ্দ্দাৰে তেওঁক কলে যে গুৰু গোবিন্দ সিঙৰ দিনত মুছলমানবোৰে তেওঁলোকৰ ধৰ্ম্ম এৰিলে আৰু সেই কাৰণে তেওঁ তেওঁৰ শিষ্যবোৰক তেওঁলোকৰ বিপক্ষে যুদ্ধ কৰিবলৈ হুকুম দিছিল। শিখবোৰে লৈ ফুৰা কিৰপান নিৰীহক ৰক্ষা কৰিবৰ এবিধ অস্ত্ৰ। ই অত্যাচাৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈহে, নিৰীহ বা তিৰোতা আৰু শিশু বা বুঢ়া বা অক্ষম মানুহক মাৰিবলৈ কেতিয়াও নহয়। মুছলমানৰ বিৰুদ্ধে যুদ্ধতো দুয়ো পক্ষৰ আঘাত-প্ৰাপ্তক ৰক্ষা কৰাহে নিয়ম আছিল। কিন্তু আজি কালি কিৰপান সম্পূৰ্ণ অন্যায় কামৰ কাৰণে প্ৰায়েই ব্যৱহৃত হয় আৰু যি অন্যায় ভাৱে ইয়াক ব্যৱহাৰ কৰে তেওঁ ইয়াক লবৰ যোগ্য নহয়।

## জন্মদিনৰ শুভেচ্ছাপত্ৰ

তাৰ পিচত গান্ধীজীয়ে বিদেশীয় দৌত্য-কাৰ্য্যত নিযুক্ত প্ৰতিনিধিসকল আৰু লেডি মাউণ্টবেটেনকে ধৰি তেওঁৰ ওচৰলৈ অহা সাক্ষাৎকাৰীসকলৰ সোঁতৰ কথা বৰ্ণনা কৰিবলৈ ধৰে। তেওঁলোক সকলোৱেই তেওঁক অভিনন্দন জনাবলৈ

আহিছিল। তেওঁ নিজৰ দেশৰ আৰু বাহিৰৰ পৰা অসংখ্য টেলিগ্ৰাম পাইছে। প্ৰত্যেকলৈকে গাইগুটীয়া উত্তৰ দিয়া অসম্ভৱ। তেওঁ নিজকে সোধে, "অভিনন্দনবোৰ কৰপৰা কিয় আহে? এইবোৰক সহানুভূতি প্ৰকাশ (condolences) বুলিলে বেচি উপযুক্ত নহয় নে?" আনকি ফুলো আশ্ৰয়-প্ৰাৰ্থীবোৰৰ পৰা আহিছে আৰু টকা আৰু শুভ ইচ্ছাৰে বহুত প্ৰশংসাও আহিছে। সিহঁতক গান্ধীজীয়ে কয় যে তেওঁৰ অন্তৰত যন্ত্ৰণাৰ বাহিৰে আন একো নাই। এনেকুৱা সময় আছিল যেতিয়া তেওঁ যি কয় মানুহে সেই মতেই কৰিছিল। আজি তেওঁৰ মাত অকলশৰীয়া। তেওঁলোকৰ পৰা তেওঁ ইয়াকে শুনিছে যে ভাৰত ইউনিয়নত মুছলমানক থাকিবলৈ নিদিয়ে। যদি আজিৰ এই চিঞৰ-বাখৰ মুছলমানৰ বিৰুদ্ধে তেন্তে কালিলৈ পাৰ্শী, খৃষ্টান আৰু আনকি ইউ-ৰোপীয় সকলৰ অৱস্থা কি হব? তেওঁ কয় যে তেওঁ ১২৫ বছৰ জীয়াই থাকিব বুলি বহুত বন্ধুৱে আশা কৰে, কিন্তু ১২৫ বছৰৰ কথাই নহয়, তেওঁ বেচি দিন জীয়াই থাকিবলৈ ইচ্ছা নকৰে। তেওঁৰ ওপৰত জাপি দিয়া কোনো অভিনন্দনকে উপযুক্ত বুলিবলৈ বা গ্ৰহণ কৰিবলৈ তেওঁ একেবাৰে অক্ষম। হিংসা আৰু হত্যাই অৱস্থা ধ্বংস কৰিলে তেওঁ জীয়াই থাকিব নোৱাৰে। সেই কাৰণে তেওঁ বৰ্ত্তমান বলিয়ালি ত্যাগ কৰিবলৈ সকলোকে অনুৰোধ কৰে। পাকিস্তানত অনা-মুছলমানক কি কৰিছে নকৰিছে সি কোনো কথা নহয়। এটা দলৰ

অধঃপতন হলে, আনটো তেনে হব নোৱাৰে। এনে অন্যায়ৰ বেয়া ফলৰ কথা কৈ বিবেচনা কৰিবলৈ তেওঁ তেওঁলোকক কয়। তেওঁলোকৰ হিংসাৰ অন্তৰ ধুই নিকা কৰক। তেওঁলোকৰ অভিযোগ চৰকাৰৰ আগত দি সেইবোৰৰ প্ৰতীকাৰ দাবী কৰা তেওঁলোকৰ স্বত্ব আৰু কৰ্ত্তব্য। কিন্তু আইন নিজৰ হাতলৈ অনা সম্পূৰ্ণ ভুল। সেই বাটে ধ্বংস সকলোৰে।

---

(২২)

৩-১০-৪৭

## সকলো সমানে অপৰাধী

গান্ধীজীলৈ অভিনন্দনজ্ঞাপক টেলিগ্ৰাম আহিয়েই আছে। সেইবোৰৰ উত্তৰ দিয়াত তেওঁৰ শাৰীৰিক অসন্তৰৰ কথা তেওঁ উল্লেখ কৰে। তাৰে কিছুমান বাণী প্ৰকাশ কৰিবলৈ বন্ধুসকলে ইঙ্গিত দিছিল। মুছলমান বন্ধুৰ পৰাও তেওঁ বহুতো সুন্দৰ বাতৰি ( message ) পাইছে কিন্তু তেওঁ বৰ্ত্তমান সময়ক সুবিধাজনক বুলি বিবেচনা নকৰে কাৰণ ইয়াৰ পৰা বৰ্ত্তমানে অহিংসা আৰু সত্যক বিশ্বাস নকৰা সৰ্ব্বসাধাৰণৰ পক্ষে উপকাৰী নহবও পাৰে। তেওঁ কয় যে অন্যায়কাৰীসকল, লাগে যেয়ে নহওক সমানে অপৰাধী।

## সত্যাগ্ৰহ আৰু দুৰাগ্ৰহ

আজি, তেওঁ নানা ঠাইত সত্যাগ্ৰহ আৰম্ভ কৰাৰ বাতৰি পাইছে। তেওঁ প্ৰায়েই তথাকথিত সত্যাগ্ৰহ সঁচাকৈয়ে দুৰাগ্ৰহ নহয় বুলি ভাৱি আচৰিত হয়! ই মিল বা ৰেল বা পোষ্ট অফিচত ধৰ্ম্মঘট বা কোনো কোনো দেশীয় ৰাজ্যত আন্দোলন হওক বা আন কিবা হওক ইয়াৰ শক্তি হস্তগত কৰাৰ প্ৰশ্ন যেনহে দেখা যায়। এক উগ্ৰ বিষে সমাজক দূষিত কৰি আহিছে আৰু তেওঁলোকৰ উদ্দেশ্যক সফলকাম কৰাৰ প্ৰত্যেক সুবিধা যি সকলে উপায় আৰু ফলক (ends) পৰিবৰ্ত্তনীয় শব্দ বুলি ভাবিবলৈ অপেক্ষা নকৰে তেওঁলোকে হস্তগত কৰিছে।

## ভাল কামেই নিজস্ব আশীৰ্ব্বাদ

গান্ধীজীয়ে এই কথা উল্লেখ কৰে যে ৰাইজৰ কামক বা আনকি আন্দোলন আৰম্ভনিকো আশীৰ্ব্বাদ দিবলৈ অনুৰোধ কৰি লিখা চিঠি তেওঁ পাইছে। তেওঁৰ মতে প্ৰত্যেক ভাল কামতেই এটা নিজস্ব আশীৰ্ব্বাদ আছে আৰু তেওঁৰ বা আন কাৰোৰ সমৰ্থনৰ আৱশ্যক নাই। যি জন ভাল মানুহে ভাল কাম কৰিছে আৰু তেওঁৰ কাষ চাপিছে তেওঁ তৎক্ষণাৎ তেওঁৰ প্ৰস্তাৱ বুজি পায়। সত্য সদায় আত্ম-প্ৰকাশক আৰু যি কোনো অৱস্থাতে হওক এই মতে চলাটো প্ৰত্যেকৰে কৰ্ত্তব্য। কিন্তু যিসকলে সত্যাগ্ৰহ আশ্ৰয় কৰে তেওঁলোকে নিজৰ

অন্তৰ:তে বিচাৰিব লাগে যে তেওঁ বিচৰাটো সত্য হয়নে নহয়। যদি নহয়, পণ ( insistense ) বিদ্রূপত পৰিণত হব। তেওঁ স্বীকাৰ কৰে যে যিসকলে প্রকৃততে যিটো নিজৰ নহয় সেইটো পাবলৈ চেষ্টা কৰিছে, তেওঁলোকে সম্ভৱতঃ অহিংস থাকিব নোৱাৰে আৰু ই নোহোৱাকৈ সত্যকো পাব নোৱাৰি।

## আশ্রয়প্রার্থী কেন্দ্রবোৰৰ স্বাস্থ্য

তাৰ পিচত গান্ধীজীয়ে ইয়াত থকা অসংখ্য আশ্রয়প্রার্থীৰ কেন্দ্রৰ কথা আৰু তাৰ আৰু চহৰৰ অস্বাস্থ্যকৰ অৱস্থাৰ কথা উল্লেখ কৰে। প্রত্যেকেই নিজৰ কাৰণে ময়লা পৰিষ্কাৰ বিচাৰে। তেওঁ কয় যে যি সকল কেন্দ্রত নাই তেওঁলোকে চোৱা উচিত নিজৰ ওচৰৰ ঠাইবোৰ পৰিষ্কাৰ হোৱা। অস্পৃশ্যতাৰ কলঙ্কই হিন্দুধৰ্ম্মৰ সুনাম নিষ্প্রভ কৰিছে। এই কলঙ্ক দূৰ কৰাৰ এটা উপায় হৈছে প্রত্যেকেই ভাঙ্গী ( Bhangi ) হোৱা। মেথুৰৰ কাম কোনো বেয়া ( dirty ) কাম নহয়। এই কাম কৰা হয় পৰিষ্কাৰ পৰিচ্ছন্নতাৰ কাৰণে। যদি দিল্লীৰ নাগৰিকসকলে নিজেই চহৰৰ স্বাস্থ্যত চকু দিয়ে, তেন্তে অকল দিল্লীয়েই যে সুন্দৰ হব এনে নহয়, তেওঁলোকৰ উদাহৰণৰ সুদূৰ প্রসাৰী ফল ধৰিব। তেওঁ যদি কেন্দ্রবোৰৰ তত্ত্বাবধানত থাকিলহেঁতেন তেন্তে তেওঁ আশ্রয়-প্রার্থীবোৰকে সকলো কাম কৰিবলৈ উদগালেহেঁতেন।

এলাহৰ আহাৰ খোৱা আৰু সুৰা আৰু তাছখেলত দিন কটোৱা প্ৰত্যেকৰ কাৰণে কুনীতিজনক (demoralizing)। সূতা কটা, কাপোৰ বোৱা বা কাপোৰ চিলোৱা, কাঠৰ কাম, কৃষি—যেয়েই নহওক—নিজ ৰুচি মতে যি কোনো এটা কাৰ্য্য হাতত লোৱাত তেওঁলোক আনন্দিত হোৱা উচিত। তেওঁ সম্পূৰ্ণৰূপে নিশ্চিত যে আনৰ কামৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ ভৰিত ঠিয় দিবলৈ তেওঁলোকে শিকা উচিত। তেওঁ আৰু নিশ্চিত যে তেওঁলোকে কামত আত্মনিয়োগ কৰিব পাৰিলে তেওঁলোকে নিজৰ দুঃখ-যন্ত্ৰণাও বিশেষভাৱে পাহৰিব। গান্ধীজীয়ে কয় যে তেওঁলোকে সহ্য কৰিব লগা হোৱা দুঃখ-যন্ত্ৰণা তেওঁৰ বিদিত আৰু এক মুহূৰ্ত্তৰ কাৰণেও তেওঁলোকৰ ওপৰত এনেবোৰ যন্ত্ৰণা জাপি দিয়া মানুহবোৰক ক্ষমা কৰা নাই। কিন্তু তেওঁ পুনঃ পুনঃ নিশ্চয় দি কয় যে বেয়াৰ পৰিবৰ্ত্তে ভাল কৰাহে শুদ্ধ পথ।

## এজন ফ্ৰেন্সবাসীৰ উপদেশ

গান্ধীজীয়ে উল্লেখ কৰে যে এজন দয়ালু ফ্ৰেন্সবাসীয়ে তেওঁক অভিনন্দন জনাওঁতে তেওঁৰ কাম শেষ কৰিবৰ কাৰণে ১২৫ বছৰ জীয়াই থাকিবলৈ প্ৰৰোচিত কৰিবৰ কাৰণে চেষ্টা কৰিছিল। বন্ধুজনে কৈছিল যে, তেওঁ ইমান কাম সমাধা কৰিছে আৰু সৰ্ব্বশেষত যদি ঈশ্বৰ সকলো কামৰ কাৰণে দায়ী, তেন্তে তেওঁ বেয়াৰ মাজৰ পৰাই ভালটো বাহিৰ

কৰিব। গান্ধীজী দুঃখিত (depressed) হব নালাগে। বক্তাই কয় যে প্ৰিয় কথাৰে তেওঁ নিজক প্ৰবঞ্চনা কৰিব নোৱাৰে। আজি তেওঁ অনুভব কৰিছে যে অতীতত যি তেওঁ সমাধা কৰিব পাৰিলেহেঁতেন তাক পাহৰিব লাগিব। অতীতৰ ওপৰত নিৰ্ভৰ কৰি কোনো থাকিব নোৱাৰে। বাইজক তেওঁ সেৱা কৰিব পাৰিব বুলি অনুভৱ কৰিব পাৰিলেহে তেওঁ বাচি থাকিবলৈ ইচ্ছা কৰিব পাৰে। ইয়াৰ অৰ্থ হৈছে মানুহবোৰে নিজৰ কাৰ্য্যৰ ভুল বুজিব আৰু তেওঁৰ কথা শুনিব। তেওঁ ঈশ্বৰৰ হাতত। ঈশ্বৰে যদি তেওঁৰ পৰা আৰু কাম বিচাৰে, তেন্তে তেওঁ কৰিব। কিন্তু তেওঁ নিশ্চয়কৈ অনুভৱ কৰে যে আজি তেওঁৰ কামৰ মূল্য নোহোৱা হৈছে আৰু তেওঁ যদি আৰু সেৱা কৰিবলৈ সক্ষম নহয় তেন্তে ঈশ্বৰে তেওঁক লৈ যোৱাই উত্তম।

---

(২৩)

৪-১০-৪৭

## কম্বলৰ কাৰণে অনুৰোধ

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত প্ৰাৰ্থনা কৰা দলৰ সন্মুখত বহি থকা ডাঃ সুশীলা নায়াৰলৈ আঙুলিয়াই গান্ধীজীয়ে কয় যে হিন্দু আৰু মুছলমান সকলো আশ্ৰয়প্ৰাৰ্থীকে চিকিৎসাৰে

সহায় কৰিবলৈ তেওঁ এতিয়া উঠি-পৰি লাগিছে। পুৰণা কিল্লাৰ মুছলমান আশ্ৰয়প্ৰাৰ্থীবোৰৰ মাজত তেওঁ চাৰি ঘণ্টা কাম কৰে। ৰেডক্ৰচৰ মেটাৰনিটি আৰু চাইল্ড-ওয়েলফেয়াৰ বোৰোৰ ডিৰেক্টৰ ডাঃ পণ্ডিত, ফ্ৰেঞ্চ চাৰ্ভিচ ইউনিটৰ প্ৰফেচৰ হৰেচ্ আলেক্‌জেণ্ডাৰ আৰু মিঃ ৰিচাৰ্ড চিমনদ্‌চ আদি কৰি এটা ৰেডক্ৰচ দলৰ লগত তেওঁ আগদিনা কুৰুক্ষেত্ৰ কেন্দ্ৰ পৰিদৰ্শন কৰিছিল। কুৰুক্ষেত্ৰ কেন্দ্ৰৰ আশ্ৰয়প্ৰাৰ্থীবোৰ হিন্দু আৰু শিখ। তেওঁলোকৰ সংখ্যা অতি কমেও ২৫০০০ আৰু দৈনিক বাঢ়িছে। আশ্ৰয়প্ৰাৰ্থীবোৰক আশ্ৰয় দিবৰ কাৰণে তম্বু তৰা হৈছে কিন্তু সকলোকে আশ্ৰয় দিবৰ কাৰণে যথেষ্ট নহয়। সিহঁতে যি আহাৰ পায় সিও সিহঁতক নোখোৱাকৈ মৰাৰ পৰা ৰক্ষা কৰাৰ কাৰণেহে যথেষ্ট, কিন্তু ইও উপযুক্ত ( balanced ) আহাৰ নহয় আৰু সেইবোৰ আগতেই অস্বাস্থ্যকৰ আৰু ৰোগক কমকৈ বাধা দিব পৰাহে। তেওঁ কবলৈ বাধ্য হৈছে যে অন্ততঃ এটা পক্ষই মনৰ সুস্থতা ৰক্ষা কৰা হেঁতেনো মানৱ জাতিৰ যন্ত্ৰণা অনেক পৰিমাণে কমিলহেঁতেন। প্ৰতিহিংসা আৰু প্ৰতিশোধৰ প্ৰকৃতিৰে এটা দুষ্কৰ্ম্মবৃত্ত অঙ্কিত কৰি বেচি সংখ্যক দুঃখ কষ্টৰ সৃষ্টি কৰিছে। হিন্দু আৰু মুছলমানে আজি নৃশংসতাত ইদলে সিদলক চেৰ পেলাবলৈ উঠি পৰি লাগিছে। আনকি তিৰোতা, শিশু আৰু বৃদ্ধও ৰক্ষা পৰা নাই। তেওঁ ভাৰতৰ স্বাধীনতাৰ কাৰণে বৰ পৰিশ্ৰম কৰিছে আৰু ঈশ্বৰৰ ওচৰত

তেওঁ ১২৫ বছৰ জীয়াই থাকিবৰ কাৰণে প্ৰাৰ্থনা কৰিছে যাতে তেওঁ ভাৰতত ৰামৰাজ্য স্থাপন—পৃথিৱীত স্বৰ্গ ৰাজ্য স্থাপন চাব পাৰে। কিন্তু আজি তেওঁৰ আগতে তেনে কোনো আশা নাই। প্ৰজা আজি নিজেই সৰ্ব্বেসৰ্ব্বা। তেওঁ এই বিয়োগান্ত নাটকৰ এজন অসহায় সাক্ষী নহয়নে? তেওঁ ঈশ্বৰক প্ৰাৰ্থনা কৰিছে সিহঁতে নিজৰ ভুল বুজি নিজক সংশোধন কৰাৰৰ কাৰণে তেওঁক শক্তি দিয়ক নাইবা তেওঁক আঁতৰাই নিয়ক। এনে সময় আছিল যেতিয়া তেওঁৰ প্ৰতি সিহঁতৰ ভালপোৱাই সিহঁতক তেওঁক অটলভাৱে অনুসৰণ কৰাইছে। সম্ভৱতঃ সিহঁতৰ স্নেহ অদৃশ্য হোৱা নাই; কিন্তু তেওঁলোকৰ বিচাৰশক্তি আৰু হৃদয়ৰ প্ৰতি কৰা তেওঁৰ অনুৰোধৰ শক্তি যেন কমি গৈছে। ইও পাৰেনে যে তেওঁলোক দাস হৈ থাকোঁতেহে তেওঁ কামত আহিছিল আৰু স্বাধীন ভাৰতত তাৰ একো নাই? স্বাধীনতাৰ অৰ্থ সভ্যতা আৰু মানৱতাক বিদায় দিয়ানে কি? ঘৰৰ ওপৰৰ পৰা ইমান বছৰ তেওঁ ঘোষণা কৰি অহা বাণীৰ বাহিৰে আন একো বাণী তেওঁ তেওঁলোকক দিব নোৱাৰে।

এই আবেলি তেওঁৰ উদ্দেশ্য হৈছে আগত-প্ৰায় শীত কালৰ প্ৰতি শ্ৰোতাসকলৰ মনোযোগ আকৰ্ষণ কৰা। ই দিল্লী আৰু পঞ্জাবত বৰ কঠোৰ। তেওঁ সকলোকে এৰিব পৰা গৰম কম্বল বা লেপ দান দিবলৈ অনুৰোধ কৰে। আনকি ডাঠ কপাহী কাপোৰো পঠিয়াব পাৰে। দৰকাৰ

হলে পঠিওয়াৰ আগতে সেইবোৰ পৰিষ্কাৰ আৰু টাপলি মাৰি দিব পাৰে। এই মনুষ্য সেৱা কাৰ্য্যত হিন্দু আৰু মুছলমান সকলোৱে যোগ দিয়া উচিত। কোনো বিশেষ সম্প্ৰদায়ৰ কাৰণে তেওঁলোকে যেন কোনো বস্তুকে আচুতীয়া নকৰিবলৈ তেওঁলোকক কয়। তেওঁলোক নিশ্চিত হোৱা উচিত যে তেওঁলোকৰ বস্তুবোৰ মাত্ৰ উপযুক্ত মানুহৰ মাজত ভগাই দিয়া হব। তেওঁ আশা কৰে যেন পিচদিনাৰ পৰাই বস্তুবোৰ আহে। লাখ লাখ ঘৰ নোহোৱা মানুহক কম্বল দিয়া চৰকাৰৰ কাৰণে সম্ভৱ নহয়। ভাৰতৰ কোটি কোটি মানুহ তেওঁলোকৰ দুৰ্ভগীয়া ভাইক ৰক্ষাৰ কাৰণে আগবঢ়া উচিত।

---

## ( ২৪ )

৫-১০-৪৭

## তেওঁৰ অসুখ

তেওঁৰ প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে দুখেৰে কয় যে বাতৰি কাকতত আকৌ তেওঁৰ অসুখৰ কথা প্ৰকাশিত হৈছে। কোনে এই বাতৰি দিছে তেওঁ নাজানে। তেওঁৰ সামান্য কাহ আৰু জ্বৰ হোৱাটো সঁচা কিন্তু এই প্ৰকাশে তেওঁক বা আনক সহায় কৰা নাই। ই অনেককে উদ্বিগ্ন

কৰিব পাৰে। গতিকে, আকৌ তেওঁৰ অসুখৰ কথা প্ৰকাশ নকৰিবলৈ তেওঁ বন্ধুসকলক অনুৰোধ কৰে।

## কম্বল

কম্বলৰ কাৰণে তেওঁৰ অনুৰোধৰ উত্তৰত আগ দিনা দুজন বন্ধুৱে দুখন ভাল কম্বল আৰু আন এজনে ১০খন দেচি কম্বল পঠিয়াইছে। দানীসকলক তেওঁ নিশ্চিত কৰি কয় যে সেই-বোৰ উপযুক্ত মানুহক দিয়া হব।

## এটা অসঙ্গত প্ৰস্তাৱ

তেওঁ পোৱা এখন টেলিগ্ৰামত লিখা হৈছে যে যদি হিন্দু আৰু শিখবোৰে প্ৰতিশোধ নললেহেঁতেন তেন্তে সম্ভৱতঃ আজি তেৱোঁ জীয়াই নাথাকিলহেঁতেন। তেওঁ এই প্ৰস্তাৱক অসঙ্গত বুলি বিবেচনা কৰে। তেওঁলোকৰ দৰে তেওঁৰ জীৱনো ঈশ্বৰৰ হাতত ভাল আছে। তেওঁৰ বিনানুমতিত কোনেও ইয়াক অন্ত পেলাব নোৱাৰে। তেওঁৰ নিজৰ বা আনৰ জীৱন ৰক্ষা কৰা মানৱৰ কাম নহয়। টেলিগ্ৰামত আৰু লিখা হৈছে যে শতকৰা ৯৬ জন মুছলমান বিশ্বাসঘাতক আৰু কোনো এক নিৰ্দ্দিষ্ট মুহূৰ্ত্তত সিহঁতে পাকিস্তানৰ অনুকুলে ভাৰতক প্ৰবঞ্চনা কৰিব—এই কথা তেওঁ বিশ্বাস নকৰে। গাৱঁত বাস কৰা মুছলমান জনতা বিশ্বাসঘাতক হব নোৱাৰে। সিহঁতক তেনে বুলি ধাৰণা কৰিলে সিহঁতে

ইচলাম ধ্বংস কৰিব। এই অপৰাধ প্ৰমাণিত হলে চৰকাৰে তাৰ উচিত বিধান কৰিব। তেওঁ নিশ্চিত হৈছে যে হিন্দু আৰু মুছলমান দুয়ো দুয়োৰো শত্ৰু হৈয়েই থাকিলে যুদ্ধ অনিবাৰ্য্য আৰু তাৰ অৰ্থ দুয়ো ৰাজ্যই ধ্বংস হব। চৰকাৰৰ মুখলৈ চোৱা সকলোকে চৰকাৰে ৰক্ষা কৰাতো কৰ্ত্তব্য লাগে —সিহঁত য'তে নাথাকক বা যি ধৰ্ম্মৰে নহওক। অৰ্থাৎ, কোনোৰ ধৰ্ম্ম ৰক্ষাৰ ভাৰ তেওঁৰ ওপৰতে।

## আকৌ মিঃ চাৰ্চ্চিল

তাৰ পাচত তেওঁ মিঃ চাৰ্চ্চিলৰ দ্বিতীয় বক্তৃতাৰ কথা উল্লেখ কৰে। এই বক্তৃতাত তেওঁ ভাৰতৰ ওপৰত ধ্বংস অনাৰ কাৰণে শ্ৰমিক চৰকাৰক আক্ৰমণ কৰিছে। তেওঁ কৈছে, তেওঁলোকে সাম্ৰাজ্যৰ ঋণ পৰিশোধ কৰিছে ( liquidated ) আৰু ভাৰতৰ জনতাক দুৰ্দ্দশাগ্ৰস্থ কৰিছে। ব্ৰহ্মদেশৰ ভাগ্যতো সেয়ে হব বুলি তেওঁ সন্দেহ কৰে। তেওঁৰ ইচ্ছা চিন্তাৰ বাপেক নেকি ( was his wish father to the thought ) ? মিঃ চাৰ্চ্চিল এজন ডাঙৰ মানুহ। তেওঁ এই একে সুৰতে আকৌ কোৱাত তেওঁ ( speaker ) দুখ পাইছে। তেওঁ দলক জাতিৰ আগত স্থান দিছে। ভাৰতত সাত লাখ গাওঁ আছে। কিন্তু ধৰি লোৱা সিহঁতে কৰিলে, সেয়ে তেন্তে ভাৰতক দাসত্বৰ শিকলিত বন্ধাৰ মুক্তি নে ? স্বাধীনতাৰ স্বত্ব থকাহে ভাল মানুহ নে? আমাক বৃটিচেই শিকাইছে যে

বলিয়ালিৰে স্বাধীনতা এদিন গাম্ভীৰ্য্যপূৰ্ণ দাসত্বতকৈ বেচি গ্ৰহণীয়। আমি ঠিকভাবেই শিক্ষা পাইছো যে স্বায়ত্বশাসনৰ ভিতৰ বেয়া শাসনৰ (misgovt) স্বত্বও সোমাই আছে আৰু ভাল শাসন স্বায়ত্বশাসনৰ প্ৰতিভূ। সমাজতন্ত্ৰ (socialism) মিঃ চাৰ্চ্চিলৰ কৃষ্ণ-পশু (pete noire, ভয়ৰ কাৰণ)। শ্ৰমিক সমাজতন্ত্ৰীৰ বাহিৰে আন একো হব নোৱাৰে। সমাজতন্ত্ৰী এটা মত (doctrine)। জ্ঞানযুক্ত আত্মনিয়োগৰ বাহিৰে নিন্দাবাদৰ স্থান নাই (do not admit of)। সমাজতন্ত্ৰী বেয়া হব পাৰে, সমাজতন্ত্ৰ নহয়। ইংলণ্ডত শ্ৰমিক চৰকাৰৰ জয়েই সমাজতন্ত্ৰৰ জয়। শ্ৰমিক চৰকাৰ হৈছে শ্ৰমিকৰ দ্বাৰা শাসন। তেওঁ বহুত দিনৰে পৰা এই মত পোষণ কৰিছে যে যেতিয়া শ্ৰমিকে নিজৰ মহিমা (dignity) বুজিব তেতিয়া ই সকলো দলকে নিষ্প্ৰভ কৰিব। সকলো দলৰ ইচ্ছাত শ্ৰমিকে ভাৰতৰ পৰা বৃটিচ শক্তি উঠাই নিছে। এই মহান কাৰ্য্যত খৰিয়াল কৰাটো মিঃ চাৰ্চ্চিলৰ শোভা নাপায়। ধৰি লোৱা অহাবাৰৰ নিৰ্ব্বাচনত তেওঁ কৃতকাৰ্য্য হল, সেই বুলি স্বপ্নাবিষ্ট হোৱা নাই যে তেওঁ সেই আইন (act) বাতিল কৰিব আৰু ভাৰতক দ্বিতীয়বাৰ দাসত্ব গ্ৰহণ কৰিবলৈ বাধ্য কৰিব। তেওঁ ভীষণ বাধাৰ সন্মুখীন হব লাগিব। তেওঁ এক মুহূৰ্ত্তৰ কাৰণেও ভাবিছেনে যে ব্ৰহ্মদেশক ভুক্ত কৰা কিমান লাজৰ হব? ভাৰতক কেনেকৈ বশবৰ্ত্তী কৰাৰ বাট তেওঁৰ মনত পৰিছেনে? তেওঁ এই অন্ধকাৰময় অধ্যায় মুকলি

কৰিবলৈ ইচ্ছা নকৰে। যিমানেই কম কয় সিমানেই ভাল। তেওঁ এইবোৰ কথা কৈ থাকোঁতে তেওঁৰ শ্ৰোতাসকল পাহৰি যোৱা উচিত নহব যে যদি সিহঁতে মানুহতকৈ বৰং পশুৰ দৰে কাম কৰি থাকে তেন্তে পৃথিৱীৰ শক্তিবোৰৰ হাতত ভাৰতে ইমান কষ্ট কৰি অৰ্জ্জা স্বাধীনতা লুপ্ত পাব। সিহঁত যদি ইয়াত পৰাভূত হয় তেন্তে তেওঁ এই ভয়ঙ্কৰ দুৰ্য্যোগৰ জীৱন্ত সাক্ষী হবলৈ ইচ্ছা নকৰে। অকলশৰীয়া হৈ ভাৰতক ৰক্ষা কৰিবলৈ তেওঁ কোন? কিন্তু তেওঁ তেওঁৰ শ্ৰোতা-বোৰক মিঃ চাৰ্চ্চিলৰ পূৰ্ব্ব সূচনাক মিছা প্ৰমাণ কৰাটো নিবিচাৰে।

---

(২৫)

৬-১০-৪৭

## আহাৰৰ সমস্যা

যি সকলে আমাৰ আহাৰৰ বিষয়ে জনা উচিত তেওঁলোকে এই জটিল খাদ্য-সমস্যাত তেওঁলোকৰ উপদেশৰ সুবিধা দিবৰ কাৰণে ডাঃ ৰাজেন্দ্ৰ প্ৰসাদৰ আমন্ত্ৰণত গোট খাইছেহি। এই আৱশ্যকীয় বিষয়ত এটা ভুলৰ কাৰণে লাখ লাখ মানুহৰ পৰিহাৰ্য্য ( avoidable ) অনাহাৰ আৰু মৃত্যু হব পাৰে। স্বাভাৱিক, বা মানুহে কৰা আকালৰ কাৰণে লাখ লাখ নহলেও, হাজাৰ হাজাৰ মানুহৰ অনাহাৰ আৰু মৃত্যু ভাৰতৰ

অপৰিচিত নহয়। মই বিশ্বাস কৰো যে শৃঙ্খলাবদ্ধ সমাজত পানী আৰু খাদ্যদ্ৰব্যৰ অভাৱৰ কৃতকাৰ্য্যতাপূৰ্ণ ব্যৱস্থাৰ আগতীয়া উপায় সদায় থাকিব লাগে। অৱশ্যে এতিয়া এক শৃঙ্খলাবদ্ধ সমাজ বৰ্ণনা কৰা আৰু এই বিষয়বোৰৰ ব্যৱস্থা দেখুৱা ই সময় নহয়। বৰ্ত্তমানৰ কাৰণে আমাৰ বিশেষ প্ৰয়োজন হৈছে, কৃতকাৰ্য্য হোৱাৰ আশাৰে আমি বৰ্ত্তমান খাদ্য-সমস্যা যথাবিহিত কৰিব পাৰো নোৱাৰো তাকে চোৱা।

## আত্ম-বল

আমি পাৰিম বুলি মই ভাবো। আমি শিকিব লগীয়া প্ৰথম শিক্ষা হৈছে আত্ম-বল আৰু আত্ম-নিৰ্ভৰ। এই শিক্ষা গ্ৰহণ কৰিব পাৰিলে আমি নিজক বিদেশীৰ ওপৰত দুঃখজনক অৱলম্বন আৰু চৰম নিঃস্বতাৰ পৰা মুক্ত কৰিব পাৰিম। এই কথা দম্ভত কোৱা হোৱা নাই, সঁচা বুলিহে কোৱা হৈছে। খাদ্য-যোগানৰ কাৰণে বাহিৰৰ সহায়ৰ ওপৰত নিৰ্ভৰ কৰিবলৈ, আমাৰ দেশ সৰু নহয়। আমাৰ দেশ এখন অৰ্দ্ধ-মহাদেশ, প্ৰায় ৪০ কোটি মানুহৰ ( 400 millions ) এটা জাতি। অক্ষয় গোধনেৰে নানা প্ৰকাৰ কৃষিপ্ৰধান মাটি আৰু ডাঙৰ ডাঙৰ নদীৰ আমাৰ দেশ। আমাৰ দৰকাৰতকৈ যে আমাৰ গৰুৱে অতি কম গাখীৰ দিয়ে ই আমাৰ নিজৰ দোষ। যি কোনো সময়তে আমাৰ আৱশ্যকীয় আটাইখিনি গাখীৰ দিবলৈ আমাৰ গো-ধন সক্ষম। যোৱা কেইশতিকাত

উপেক্ষিত নোহোৱাহেঁতেন আমাৰ দেশে নিজৰ কাৰণে যথেষ্ট আহাৰ যোগালেহেঁতেন, আৰু যোৱা যুদ্ধৰ কাৰণে দুৰ্ভগীয়াৰ দৰে আহাৰৰ অভাৱত থকা পৃথিৱীৰ আন আন দেশৰ অতি আৱশ্যকীয় খাদ্যদ্ৰব্য যোগান ধৰাত এটা বিশেষ অংশ গ্ৰহণ কৰিলেহেঁতেন। ইয়াৰ পৰা ভাৰত বাদ নপৰে। কমাৰ চিনৰ সলনি দুখ-দুৰ্দ্দশা বাঢ়িছেহে। মোৰ প্ৰস্তাৱত যি কোনো দেশে আমাক দিবলৈ ইচ্ছা কৰা অবাৰিত যোগানৰ অকৃতজ্ঞ-ভাৱে প্ৰত্যাখ্যান অন্তৰ্ভুক্ত নকৰে। মই ইয়াকে কব খোজো যে আমি ভিক্ষাৰীৰ দৰে খোজাটো উচিত নহব। ই ধৰ্ম্ম-নষ্ট কৰে ( demoralizes )। ইয়াৰ লগত এঠাইৰ পৰা আন ঠাইলৈ খাদ্যদ্ৰব্যৰ আভ্যন্তৰিক অনা-নিয়াৰ অসুবিধা যোগ দিয়া। এঠাইৰ পৰা আন ঠাইলৈ শস্য আৰু আন আন খাদ্য-দ্ৰব্য দ্ৰুতভাৱে অনা-নিয়াৰ আৱশ্যকীয় সুবিধা আমাৰ নাই। তাৰ উপৰি, ইয়াৰ লগত অখাদ্য খাদ্যদ্ৰব্যৰ অনা-নিয়াৰ অস্পষ্ট সম্ভাব্য লগ নকৰিব। আমি যে মানৰ চৰিত্ৰৰ লগতো যুজিব লাগিব এই কথা মনৰ পৰা দূৰ কৰিবলৈ আমাৰ সাহ নাই। পৃথিৱীৰ কোনো ঠাইতে ইয়াক প্ৰকৃত সম্পূৰ্ণ অৱস্থাত বা তাৰ ওচৰা-ওচৰি অৱস্থাত পাবলৈ নাই।

## বিদেশৰ সহায়ৰ অৰ্থ

তাৰ পিচত, আমি চাওঁ কি সম্ভৱপৰ বিদেশী সহায় আমি পাব পাৰো। মই জানিছো যে আমাৰ বৰ্ত্তমান

অভাৱৰ শতকৰা তিনি ভাগতকৈ বেচি নহয়। এই বাতৰি সঁচা হলে, আৰু এই সংখ্যাক নিভু'ল বোলা বিশেষজ্ঞৰ দ্বাৰাই মই পৰীক্ষা কৰাইছিলোঁ—মই নিশ্চিত যে বাহিৰৰ সহায়ৰ ওপৰত নিৰ্ভৰ কৰা নিৰৰ্থক। বাহিৰৰ সহায়ৰ ওপৰত সামান্য নিৰ্ভৰ কৰাটোৱেও যথেষ্ট ধন অৰ্জ্জাৰ পৰিৱৰ্ত্তে দৈনিক আহাৰৰ কাৰণে খাদ্যদ্ৰব্য উৎপন্ন কৰিবৰ কাৰণে সম্পূৰ্ণভাৱে প্ৰত্যেক ইঞ্চি খেতিৰ উপযোগী মাটিক কাৰ্য্যত লগোৱাৰ আকাৰত আমাৰ যথেষ্ট আভ্যন্তৰিক সম্ভাৱনাৰ চেষ্টাৰ পৰা আমাক আঁতৰাই নিব। অতি সোনকালে খেতি আৰম্ভ কৰিবৰ কাৰণে অনুৰ্ব্বৰ মাটিক আমি পুনৰুদ্ধাৰ কৰিব লাগিব।

## কেন্দ্ৰীভূত কৰণ নে নিষ্কেন্দ্ৰীকৰণ

মই বুজিছোঁ খাদ্যদ্ৰব্য কেন্দ্ৰীকৰণ কৰা ধ্বংসাত্মক হব। নিষ্কেন্দ্ৰীকৰণে ক'লাবজাৰৰ ওপৰত প্ৰহাৰ কৰিব, ইফালে সিফালে অনা নিয়া কৰাত সময় আৰু ধনৰ ৰক্ষা পৰিব। তাৰ উপৰি, ভাৰতৰ ধান-যব আৰু মাটিমাহ আদি উৎপন্ন কৰা গাৱঁৰ মানুহবোৰে দন্তৰ জন্তৰ ( rodent ) পৰা নিজৰ শস্য ৰক্ষা কৰিব জানে। এঠাইৰ পৰা আন ঠাইলৈ শস্য নিওঁতে এন্দুৰ আদিয়ে খাব পাৰে। ইয়াৰ কাৰণে দেশে কোটি কোটি ভৰিব লাগে, আৰু আমাৰ অতি আৱশ্যকীয় টনে টনে শস্যৰ পৰা বঞ্চিত হব। যদি প্ৰত্যেক ভাৰতীয়ই যি কোনো ঠাইতে শস্য উৎপন্ন কৰিব পৰা বুজিব পাৰে তেন্তে

দেশত খাদ্যদ্ৰব্যৰ অভাৱ থকা কথা আমি সম্ভৱতঃ পাহৰি যাম। মই অৱশ্যে সম্পূৰ্ণ ৰূপে যথেষ্ট শস্য উৎপন্ন কৰাৰ আকৰ্ষণীয় আৰু মোহনীয় ( absorbing ) বিষয়ে কোৱা নাই, কিন্তু মই আশা কৰোঁ আগ্ৰহ বঢ়াবলৈ এই প্ৰশংসনীয় চেষ্টাত প্ৰত্যেক মানুহে কেনেকৈ সহায় কৰিব তাৰ চিন্তালৈ জ্ঞানীসকলৰ মনোযোগ দিবলৈ মই যথেষ্ট কৈছোঁ।

## অপ্ৰচুৰতাৰ ব্যৱস্থা কেনেকৈ হব

বাহিৰৰ আমি পাব পৰা শতকৰা তিনি ভাগ শস্যৰ কেনেকৈ লেন-দেন ( deal ) কৰিব পাৰি তাকে মই দেখুৱাওঁ। প্ৰত্যেক পষেকৰ এঘাৰ দিনত হিন্দুবোৰে অনশন বা আধা অনশন কৰে। বিশেষকৈ যেতিয়া লাখ লাখ খাবলৈ নোপোৱা মানুহৰ কাৰণে মুছলমান আনবোৰে স্বাৰ্থ ত্যাগ কৰাৰ পৰা নিবাৰণ কৰা নহয়। যদি গোটেই জাতিয়েই এই আৱশ্যক আত্ম-ত্যাগৰ ( self-denial ) সৌন্দৰ্য্য উপলব্ধি কৰিলেহেঁতেন তেন্তে বিদেশৰ সহায়ৰ স্বেচ্ছাকৃত বঞ্চনাৰ পৰা হোৱা অভাৱ ভাৰতে বেচি ভাৱে দূৰ কৰিব পাৰিলেহেঁতেন।

নিজৰ ফালৰ পৰা মই কওঁ যে ৰেচনিঙৰ ব্যৱহাৰ বৰ সীমাবদ্ধ। যদি উৎপাদনকাৰীবোৰে নিজৰ ভাৱে চলিব পাৰে, তেন্তে সিহঁতে সিহঁতৰ বস্তু বজাৰলৈ আনিব আৰু আজিৰ পাবলৈ নোহোৱা ভাল আৰু খাদ্য উপযোগী শস্য সকলোৱে পালেহেঁতেন।

## সভাপতি ট্ৰুমেনৰ উপদেশ

আমেৰিকাবাসীবোৰক কম আহাৰ খাই খাবলৈ নোপোৱা ইউৰোপৰ কাৰণে অতি আৱশ্যকীয় খাদ্য সঞ্চয় কৰিবলৈ দিয়া সভাপতি ট্ৰুমেনৰ বাতৰিত ওলোৱা উপদেশলৈ মনোযোগ আকৰ্ষণ কৰি খাদ্য-সমস্যাৰ এই লৰালৰিকৈ কোৱা সমালোচনা শেষ কৰিম। তেওঁ আৰু কয় যে আত্ম-ত্যাগৰ এই ব্যৱস্থিত কাৰ্য্যৰ কাৰণে আমেৰিকাবাসীৰ স্বাস্থ্য নষ্ট নহয়। এই পৰহিতৈষী ইঙ্গিতৰ কাৰণে মই সভাপতি ট্ৰুমেনক মোৰ অভিনন্দন জনাইছোঁ। এই পৰহিতৈষণাৰ পিচতে আমেৰিকাৰ কাৰণে ধনৰ সুবিধা পোৱাৰ উদ্দেশ্য থকাৰ ইঙ্গিত মই অনুমোদন নকৰোঁ। মানুহৰ বিচাৰ কাৰ্য্যৰ দ্বাৰাই, উদ্দেশ্য নহয়। একমাত্ৰ ঈশ্বৰেহে মানুহৰ অন্তৰ জানে। ক্ষুধাৰ্ত্ত ইউৰোপৰ কাৰণে আমেৰিকাই স্বাৰ্থত্যাগ নকৰে ( deny herself )। আমিও নিজৰ কাৰণে আত্ম-ত্যাগৰ এইকণ কাম কৰিবলৈ অকৃতকাৰ্য্য হমনে ? যদি অনেকেই নোখোৱাকৈ মৃত্যুমুখত পৰে তেন্তে জাতিক সক্ষম কৰা আত্ম-ত্যাগৰ চলেৰে আমি যথেষ্ট কৰাৰ যশস্যা আৰ্জ্জিব পাৰোঁ।

আমি আশা কৰোঁ ডাঃ ৰাজেন্দ্ৰ প্ৰসাদৰ দ্বাৰা আমন্ত্ৰিত কমিটি যেন দেশৰ সন্মুখত ঠিয় দিয়া খাদ্য-সমস্যাৰ সন্তৱপৰ (workable ) সমাধান নিদিয়াকৈ ভঙ্গ নহয়।

## বেচি কম্বলৰ কাৰণে অনুৰোধ

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে কয় যে আগ দিনা তেওঁ আৰু কেইখনমান কম্বল পায়। দানীলোকসকলক ধন্যবাদ দিওঁতে, তেওঁ কবলৈ বাধ্য হৈছে যে এনে পৰিমাণৰ দানে লাখ লাখ ঘৰহীন আশ্ৰয়প্ৰাৰ্থীক কম্বল দিয়াত সহায় নকৰে। ৰাইজে এনেভাৱে চাঁদা গোটাব লাগে যাতে কম সময়ৰ ভিতৰত সৰহ সংখ্যক কম্বল গোটাব পাৰি। তেওঁ-লোকে কম্বলবোৰ তেওঁলৈ পঠিয়াব পাৰে বা উপযুক্তৰূপে ভগাই দিবৰ কাৰণে তেওঁলোকে সেইবোৰ কোনো মানুহ বা প্ৰতিষ্ঠানৰ হাতত দিব পাৰে।

## কংগ্ৰেছ নিৰ্দ্দেশত ( creed ) অটল হবা

তেওঁ দুখেৰে দেৰাদুনত এজন প্ৰখ্যাত মুছলমানৰ হত্যাৰ কথা উল্লেখ কৰে। তেওঁৰ একমাত্ৰ দোষ তেওঁ মুছলমান। ভাৰত ইউনিয়নৰ ১০ নিযুত ( million ) মুছলমানক তেওঁ ( বক্তা ) ভাৰত এৰি যাবলৈ কবনে? সিহঁত কলৈ যাব? আনকি ৰেলগাড়ীৰ ভিতৰতো সিহঁত নিৰাপদ নহয়! ই সঁচা যে পাকিস্তানতো হিন্দুবোৰে একে ধৰণৰ অদৃষ্ট ভোগ কৰিছে। দুটা ভুল লগ লাগি এটা শুধ হব নোৱাৰে। ইউনিয়নত মুছলমানৰ ওপৰত প্ৰতিশোধ লৈ তেওঁলোকে হিন্দু আৰু মুছলমানক সহায় কৰিব নোৱাৰে। তেওঁ তেওঁলোকক নিজৰ

ধৰ্ম্ম আৰু কংগ্ৰেছ নিৰ্দ্দেশত অটল হবলৈ হাতজোৰ কৰে। দেশৰ হিতত কুঠাৰাঘাত কৰিবলৈ যোৱা ৬০ বছৰ কংগ্ৰেছে এনে কোনো কাম কৰিছেনে? যদি কংগ্ৰেছে সেই বিশ্বাস হেৰুৱাইছে তেন্তে তেওঁলোকে কংগ্ৰেছ মন্ত্ৰীসকলক গুচাই আন কোনো মানুহক সেই বাব দিয়াত তেওঁলোক মুক্ত। মাত্ৰ তেওঁলোকে নিজৰ হাতলৈ আইন আনিব নোৱাৰে। তেওঁলোকে যেন এনে কোনো কাম নকৰে যাৰ কাৰণে তেওঁ-লোকে পিচলৈ অনুতপ্ত হব লাগে।

## খাদ্য কণ্ট্ৰোল

খাদ্য কণ্ট্ৰোলৰ তেওঁৰ মন্তব্যৰ উল্লেখ কৰি তেওঁ কয় যে তেওঁ বিশ্বাস কৰে তেওঁৰ প্ৰস্তাৱে ২৪ ঘণ্টাৰ ভিতৰত খাদ্য অপ্ৰচুৰতাৰ সমস্যাৰ বেচি ভাগ দূৰ কৰিব। বিজ্ঞ লোক-সকলে ইয়াক গ্ৰহণ কৰে নকৰে সি স্বতন্ত্ৰ প্ৰশ্ন।

## মন্ত্ৰীসকলৰ প্ৰতি সতৰ্কবাণী

অনেক মানুহ আহি তেওঁৰ লগত আলোচনা কৰিছে আৰু বৃটীচ পূৰ্ব্বগামী সকলৰ দৰে জনপ্ৰিয় মন্ত্ৰীসকলেও স্বেচ্ছাচাৰীভাৱে কাম কৰাৰ বিষয়ৰ সাহিত্য এৰি গৈছে। এই বিষয়ে তেওঁ মন্ত্ৰীসকলৰ লগত কথা পতা নাই। কিন্তু তেওঁৰ কাৰণে ই স্পষ্ট যে দায়িত্বপূৰ্ণ মন্ত্ৰী মন্ত্ৰীত্বৰ ৰাজ্যত (regime) তেওঁলোকে বৃটীচ চৰকাৰক সমালোচনা কৰা বিধৰ

যেন একো নঘটে। বৃটীচ শাসনৰ তলত ভাইচৰয়ে আইন কৰি কামত খটোৱাৰ কাৰণে অৰ্ডিনেন্স জাৰি কৰিব পাৰে। বিচাৰ আৰু কাৰ্য্যকৰী কামবোৰ এটা হোৱাত মানুহৰ মাজৰ হুলস্থূল ( hue and cry ) হৈছিল। এই মত পৰিৱৰ্ত্তন হোৱাৰ একো ঘটা নাই। ইয়াত কোনো অৰ্ডিনেন্স শাসন হব নোৱাৰে। তেওঁলোকৰ ব্যৱস্থাপক সভাবোৰেই একমাত্ৰ আইনকাৰী হোৱা উচিত। ইচ্ছামতে মন্ত্ৰীসকলৰ পৰিৱৰ্ত্তন হব পাৰিব। তেওঁৰ বিচাৰালয়ৰ দ্বাৰা তেওঁলোকৰ কাৰ্য্যবোৰৰ দোষাদোষ অনুসন্ধান হোৱা উচিত। তেওঁলোকে নিজ শক্তিৰে পাৰ্য্যমানে বিচাৰ ( justice ) সুলভ আৰু নিষ্কলুষ কৰিবলৈ চেষ্টা কৰিব। ইয়াৰ কাৰণে পঞ্চায়ত ৰাজৰ প্ৰস্তাৱ কৰা হৈছিল। লাখ লাখ মানুহৰ কাম চপাটো হাইকোৰ্টৰ কাৰণে সম্ভৱ নহয়। একমাত্ৰ অসাধাৰণ অৱস্থাত উদ্গত (emergency) ব্যৱস্থাৰ দৰকাৰ। নিয়ম অনুসৰি কৰিলে সময় ললেও ব্যৱস্থাপক সভাবোৰ কাৰ্য্যনিৰ্ব্বাহকৰ দ্বাৰা অতিক্ৰম হব নোৱাৰিব। তেওঁৰ মনত কোনো বিশেষ উদাহৰণ নাই। নানা প্ৰদেশৰ পৰা পোৱা কাগজ-পত্ৰৰ ওপৰতহে তেওঁৰ নিজৰ মতামতৰ ভিত্তি। গতিকে, এহাতেদি ৰাইজক নিজৰ হাতলৈ আইন নলবলৈ হাৰজোৰ কৰোঁতে, তেওঁ মন্ত্ৰীবোৰক তেওঁলোকে নিন্দা কৰা পুৰণি পথলৈ ঘূৰি নাযাবলৈ অনুৰোধ কৰে।

## ৰামৰাজ্যৰ ৰহস্য

তেওঁ আকৌ গৱৰ্ণমেণ্টৰ প্ৰতি অনুগত হবলৈ আৰু স্বত্ব হিচাবে তেওঁলোকক শক্তিশালী কৰিবলৈ বা অবসৰ দিবলৈ মানুহবোৰক হাতযোৰ কৰি জনায়। পণ্ডিত জহৰলালজী সঁচাকৈয়ে এটি আচল জহৰ ( মুকুতা )। হিন্দুৰাজৰ দলভুক্ত তেওঁ হব নোৱাৰে আৰু মুছলমান বন্ধুৰ পক্ষ সমৰ্থন কৰা চৰদাৰজীয়েও নোৱাৰে। যদিও তেওঁ ( গান্ধীজীয়ে ) নিজক সনাতনী হিন্দু বোলে তথাপি দক্ষিণ আফ্ৰিকাৰ ইমামচাহেব তেওঁৰ লগত ভাৰতলৈ ঘূৰি আহি সবৰমতী আশ্ৰমত শেষ নিশ্বাস এৰাৰ কাৰণে তেওঁ গৌৰবান্বিত। তেওঁৰ জীয়েক আৰু জোঁৱায়েক এতিয়াও সবৰমতী আশ্ৰমত। তেওঁ ( বক্তাই ) আৰু চৰদাৰজীয়ে তেওঁলোকক ত্যাগ কৰিবনে? তেওঁৰ হিন্দুধৰ্ম্মই তেওঁক সকলো ধৰ্ম্ম সন্মান কৰিবলৈ শিকাইছে। ইয়াতেই ৰামৰাজ্যৰ ৰহস্য বা মূল কথা। তেওঁলোকৰ আদৰ্শৰে পণ্ডিত জহৰলাল, চৰদাৰজী আৰু আন আন লোকসকলে নিজৰ সন্মান আৰু বিশ্বাস হেৰুৱায় তেন্তে বিশ্বাস থকা দল এটাক তেওঁলোকৰ স্থান লবলৈ দিব পাৰে। কিন্তু তেওঁ-লোকে তেওঁলোকৰ বিবেকৰ বিপক্ষে কাম কৰিবলৈ আশা কৰিব নোৱাৰে আৰু ভাৰত হিন্দুৰ কাৰণে বুলিও বিবেচনা কৰিব নোৱাৰে। সেই বাটে ধ্বংস অনিবাৰ্য্য।

---

## (২৭)

৮-১০-৪৭

### ধনৰ সলনি কম্বলহে

গান্ধীজীয়ে কয় যে আৰু কেইখনমান কম্বল পোৱা হৈছে। এজন বন্ধুৱে আবেলি আহি ধন বা কম্বল দিবলৈ বিচাৰিছিল। তেওঁ তেওঁক কম্বল পঠিয়াবলৈ কলে। আন এজনে, তেওঁ সভালৈ আহোঁতে ইয়াৰ কাৰণে ৰূপ ৫০০ দিয়াত তেওঁ গ্ৰহণ কৰে। তেওঁ ধনতকৈ বৰং কম্বল পালেহে ভাল পাব।

### সাহসীৰ অহিংসা ( Non-violence )

এজন ভাল মানুহ তেওঁৰ ওচৰলৈ আহিছিল। তেওঁ দেৰাহুনৰ পৰা আহিছিল। তেওঁ অহা গাড়ীখন হিন্দু আৰু শিখেৰে পূৰ্ণ। এজন নতুন যাত্ৰীয়ে তেওঁলোকৰ সন্দেহৰ উদ্ৰেক কৰে। প্ৰশ্ন কৰাত তেওঁ নিজক চামাৰ বুলি কয়। কিন্তু তেওঁৰ হাতত এটা উল্কিৰ চিন আছিল তাৰ পৰা বুজা যায় তেওঁ মুছলমান। সেয়ে যথেষ্ট। মানুহজনক চুৰি মাৰি যমুনাত উটাই দিয়া হয়। ভাল মানুহজনে কয় যে তেওঁ সেই দৃশ্য দেখি মুখ ঘূৰায়। মানুহজনে নিজৰ জীৱনৰ বিনিময়তো তেওঁৰ মুছলমান ভাতৃক ৰক্ষা কৰিবলৈ বাধা নিদিয়াত গান্ধীজীয়ে তেওঁক তিৰস্কাৰ কৰে। তেওঁ তেনে কৰিলে, নিজৰ জীৱন হেৰুৱায়ো মুছলমান জনৰ জীৱন ৰক্ষা পৰাৰ

বিশেষ সম্ভাৱনা আছিল। সেইটোৱেই বীৰৰ বা সাহসীৰ অহিংসা। তেওঁৰ সাহসিক কাৰ্য্যই বাকীবোৰ যাত্ৰীকো সঞ্চাৰ কৰাৰ আৰু সেই বাধাত যোগ দিয়াৰ সম্ভাৱনা আছিল। সেই ভাল বন্ধুজনে স্বীকাৰ কৰে যে তেওঁৰ মনত এনে ভাব নেখেলালে।

গান্ধীজী ভাৱিবলৈ অনিচ্ছুক যে তেওঁৰ উপদেশ সেই একেটাই হলে আটাইবোৰ যাত্ৰীয়েই অপকাৰী হিচাবেই প্ৰবৃত্ত। গান্ধীজীয়ে বুজিছে যে বৃটীচ চৰকাৰৰ বিপক্ষে কৰা সিহঁতৰ যুদ্ধৰ ভিত্তি সাহসীৰ অহিংসাৰ ওপৰত নহয়। ইয়াৰ ফলৰ পৰা তেওঁ আৰু গোটেই দেশে ভূগিছে। তেওঁৰ বাকী দিনবোৰ তেওঁ পাৰিলে মানুহৰ মাজত সাহসীৰ অহিংসা প্ৰচাৰ কৰাত নিযুক্ত হব খুজিছে। ই টান কাম। পাকিস্তানত যি ঘটিছিল আৰু ঘটি আছে সি অতি বেয়া বুলি স্বীকাৰ কৰে, কিন্তু ইউনিয়নত যি ঘটিছে সিও সমানে বেয়া। আৰম্ভ কোনে কৰিছে আৰু কোন বেচি দোষী তাক আবিষ্কাৰ কৰাটো বেচি ফলপ্ৰদ বিচাৰ। এতিয়া এই দুয়ো বন্ধু হব খুজিলে অতীত পাহৰিব লাগিব। কালিৰ শত্ৰু আজি বন্ধু হব পাৰে, যদি তেওঁলোকে কথাত আৰু কাৰ্য্যত প্ৰতিশোধ ত্যাগ কৰে।

## বাতৰি কাকতৰ কৰ্ত্তব্য

বাতৰি কাকত এটা শক্তিশালী প্ৰভাৱ। যাতে কোনো ভুল খবৰ বা জনসাধাৰণক উত্তেজিত কৰা কোনো বাতৰি

বাতৰি কাকতত প্ৰকাশ নহয় তালৈ সম্পাদকসকলে চকু দিয়া উচিত। বেৰাবিৰ হিন্দুসকলক মিউবোৰে আক্ৰমণ কৰিছে বুলি এখন বাতৰি ককাতত প্ৰকাশ হোৱা বাতৰিৰ কথা তেওঁ উল্লেখ কৰে। এই বাতৰিয়ে গান্ধীজীক ব্যতিব্যস্ত কৰে। কিন্তু পিচদিনা বাতৰি কাকতত এই বাতৰিটো মিছা বোলাত তেওঁ সুখী হয়। এইটো নানা বাতৰিৰ এটা উদাহৰণহে। বাতৰি প্ৰকাশ কৰোঁতে আৰু সেইবোৰক ৰূপ দিওঁতে সম্পাদক আৰু তেওঁলোকৰ সহকাৰীবোৰ বেচি সাৱধান হব লাগে। স্বাধীনতাৰ অৱস্থাত প্ৰেচক দমন কৰাটো চৰকাৰৰ কাৰণে অসম্ভৱ। বাতৰি কাকতৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাটো আৰু সিহঁতক সত্য পথত ৰখাটো জনসাধাৰণৰ কৰ্ত্তব্য। জ্ঞানী জনসাধাৰণে উত্তেজক আৰু অশ্লীল বাতৰি কাকতৰ পৃষ্ঠপোষণ কৰিবলৈ অমান্তি হব।

## মিলিটাৰী আৰু পুলিচৰ কৰ্ত্তব্য

প্ৰেচ ৰাজ্যৰ এক শক্তিশালী অঙ্গ হোৱাৰ দৰে মিলিটাৰী আৰু পুলিচো। তেওঁলোকে পক্ষ সমৰ্থন কৰিব নোৱাৰে। মিলিটাৰী আৰু পুলিচৰ সাম্প্ৰদায়িক বিভাগ শোচনীয়। কিন্তু মিলিটাৰী আৰু পুলিচ সাম্প্ৰদায়িক ভাৱাপন্ন হলে ভয়ঙ্কৰ কথা। ইউনিয়নৰ পুলিচ আৰু মিলিটাৰী নিজৰ জীৱনৰ বিনিময়ত সংখ্যালঘুক ৰক্ষা কৰিবলৈ বাধ্য। এক মুহূৰ্ত্তৰ কাৰণে হলেও তেওঁলোকে এই মূল কৰ্ত্তব্যলৈ আওকাণ কৰিব

নোৱাৰে। পাকিস্তানৰ সংখ্যালঘুক ৰক্ষা কৰিবলৈ বাধ্য পাকিস্তানৰ পুলিচ আৰু মিলিটাৰীকো তেওঁ এই একে কথাই কব। এওঁলোকে তেওঁৰ কথা শুনক নুশুনক, তেওঁ যদি ইউনিয়নবোৰক উপযুক্ত কাম কৰাব পাৰে, তেন্তে তেওঁ বিশ্বাস কৰে যে পাকিস্তানেও সেই দৰেই কৰিব লাগিব।

গোটেই পৃথিৱীয়েই এই কথাত বোধ হৈছে যে ৰক্তপাত নোহোৱাকৈ ভাৰত স্বাধীনতা লাভ কৰিছে। উপযুক্ত আচৰণৰ দ্বাৰাই তেওঁলোক স্বাধীনতাৰ যোগ্য হব লাগিব। তাৰ উপৰি, মিলিটাৰী আৰু পুলিচ স্বাধীনতাৰ তলত নিষ্কলুষ হব লাগিব। প্ৰত্যেক নাগৰিকে ৰাজ্যই দিয়া কৰ্ত্তব্য নকৰিলে কোনো স্বাধীন দেশেই কাৰ্য্য কৰিব নোৱাৰে। তেওঁ তেওঁ-লোকক অহিংসা অৱলম্বন কৰিবলৈ কোৱা নাই। অহিংসাৰ বিবেচনা নকৰি শুদ্ধ আচৰণৰ কাৰণেহে তেওঁ যুক্তি দেখুৱাইছে। তেওঁ তেওঁলোকক সতৰ্ক কৰি দিয়ে যে তেওঁৰ কথাত তেওঁ-লোকে মনোযোগ নিদিলে, পিচলৈ তেওঁলোকে অনুতপ্ত হব লাগিব।

---

( ২৮ )

## সোনকালে কম্বল দিয়া

গান্ধীজীয়ে জনায় যে সেই দিনা তেওঁ অতি কমেও ৩০ খন কম্বল পাইছে। দিল্লীত শীত অক্টোবৰৰ মাজৰ পৰাই বেচি

হোৱাৰ কাৰণে দাতাসকলক তেওঁলোকৰ দানৰ বস্তু সোনকালে দিবলৈ অনুৰোধ কৰে। সময়ত দান নকৰিলে দানৰ মূল্য হ্রাস হয়।

## ধৈৰ্য্যেৰে শুনিলে যথেষ্ট নহয়

শ্রোতাসকলে ধৈৰ্য্যেৰে তেওঁৰ কথা শুনাৰ কাৰণে তেওঁ তেওঁলোকৰ ওচৰত কৃতজ্ঞ। কিন্তু সেয়ে যথেষ্ট নহয়। শুনিবৰ যোগ্য হলে তেওঁৰ উপদেশ মতে কাম কৰিব লাগিব।

## পাকিস্তানৰ সংখ্যালঘু

পাকিস্তানৰ হিন্দু আৰু শিখবোৰ ভীষণ অৱস্থাত আছে। স্থান পৰিবৰ্ত্তন বৰ টান কাম। বহুতেই বাটত মৰিব লাগিব। ইউনিয়নত সোমোৱাৰ পিচত আশ্রয়প্রার্থী কেন্দ্রত তেওঁলোকৰ অৱস্থা বৰ বাঞ্ছনীয় নহয়। কুৰুক্ষেত্র কেন্দ্রত হাজাৰ হাজাৰ আকাশৰ তলত পৰি আছে। চিকিৎসাৰ সুবিধা যথেষ্ট নহয়। পুষ্টিকৰ খাদ্য দুখ লগা। চৰকাৰক দোষ দিয়া ভুল হব। জনসাধাৰণক তেওঁ কি উপদেশ দিব ? পশ্চিম পাকিস্তানৰ কেইজনমান বন্ধুৱে তেওঁৰ লগত দেখা কৰে সেই দিনা। তেওঁলোকে তেওঁলোকৰ দুৰ্দ্দশাৰ কথা তেওঁৰ আগত বৰ্ণনা কৰে আৰু বাকী থকা মানুহবোৰক সোনকালে লৈ আহিবলৈ অনুৰোধ কৰে। তেওঁ নিজে চৰকাৰ নহয়। কিন্তু এনে অসাধাৰণ অৱস্থাত কোনো

চৰকাৰেই গোটেই পৃথিৱীৰ ইচ্ছা-শক্তিক লৈও কৰিব খোজা সকলোখিনি কাম কৰিব নোৱাৰে। পূৰ্ব্ববঙ্গৰ পৰা বাতৰি আহিছে যে তাৰ পৰাও মানুহবোৰ পলাবলৈ আৰম্ভ কৰিছে। তেওঁ তাৰ কাৰণ নাজানে। তেওঁৰ সহকৰ্ম্মীসকল—সতীশবাবু আৰু খাদি প্ৰতিষ্ঠানৰ আন আন লোক, পিয়াৰীলাল, কানু গান্ধী, আমতুল চালাম বেন আৰু চৰদাৰ জীৱন সিংজী এতিয়াও তাতেই। তেওঁ নিজেই নোৱাখালিৰ মাজেদি চফৰ কৰিছে আৰু মানুহবোৰক সকলো ভয় দূৰ কৰাৰ চেষ্টা কৰিছে। ই তেওঁক ৰাইজ আৰু চৰকাৰৰ কৰ্ত্তব্যৰ কথা ভবাইছে। এখন ৰাজ্যৰ পলাই যোৱা মানুহবোৰে অনুমান কৰিব পাৰে যে আন ফালৰ অৱস্থা বৰ ভাল হব। কিন্তু ই তেওঁলোকৰ ভুল। গোটেই পৃথিৱীৰ ইচ্ছা-শক্তি লৈয়ো কৰ্ত্তৃপক্ষই ইমানবোৰ আশ্ৰয়প্ৰাৰ্থীৰ সমকক্ষ হব নোৱাৰে। তেওঁলোকে পূৰ্ব্বৰ অৱস্থা আনি দিব নোৱাৰে। তেওঁ মানুহবোৰক এইটো উপদেশকে দিব পাৰে যে তেওঁলোকে নিজৰ ঠাইতে থাকি ৰক্ষাৰ কাৰণে ঈশ্বৰৰ বাহিৰে আনলৈ চাব নালাগে। নিজৰ ঘৰতে থাকিলে তেওঁলোকে সাহসেৰে মৰিব পাৰে। স্বভাৱতে, সংখ্যালঘুৰ নিৰাপত্তা বিচৰাটো আনটো চৰকাৰৰ কৰ্ত্তব্য। দুয়ো চৰকাৰে শুদ্ধভাৱে আৰু সহযোগৰে কাম কৰা কৰ্ত্তব্য। যদি এই ইপ্সিত কাম নঘটে, তেন্তে ন্যায়-সঙ্গত ফল যুদ্ধ। ইয়াৰ পক্ষে কথা কবলৈ তেৱেঁই শেষ মানুহ। কিন্তু তেওঁ জানে যে অস্ত্ৰ-শস্ত্ৰ

আৰু সৈন্য থকা চৰকাৰে আন উপায়ে কাম কৰিব নোৱাৰে। এনে কোনো কাৰ্য্যৰ অৰ্থ হব ধ্বংস। জনসংখ্যা স্থানান্তৰ কাৰ্য্যত মৃত্যুয়ে কাৰো উপকাৰ বা ভাল নকৰে। স্থানান্তৰে প্ৰতিকাৰ, মুক্তি আৰু পুনঃস্থাপনৰ ভয়ানক সমস্যা উত্থাপন কৰিছে।

---

( ২৯ )

১০-১০-৪৭

## আৰু কম্বল পোৱা হৈছে

গান্ধীজীয়ে ঘোষণা কৰে যে আৰু বহুত কম্বল পোৱা হৈছে। সেই উদ্দেশ্যেৰে কিছু ধন আৰু এটা সোণৰ আঙঠিৰ দান পোৱা হৈছে। বৰোদাৰ পৰা তেওঁ পোৱা এখন টেলিগ্ৰামে জনাইছে যে পঠিয়াবৰ কাৰণে ৮০০ কম্বল প্ৰস্তুত আছে আৰু বেলত পঠাবৰ আদেশ পালে আৰু বহুত কম্বল পঠিয়াব পৰা হব। তেওঁ আশা কৰে এই ভাৱে পালে শীতকালৰ আক্ৰমণৰ পৰা আশ্ৰয়প্ৰাৰ্থীবোৰক ৰক্ষা কৰিবলৈ যথেষ্ট কম্বল হব।

## খাদ্য আৰু বস্ত্ৰৰ অপ্ৰচুৰতা

তাৰ পিচত তেওঁ দেশৰ খাদ্যদ্ৰব্য আৰু বস্ত্ৰৰ অপ্ৰচুৰতা সমস্যাৰ কথা উল্লেখ কৰে। স্বাধীনতাৰ আগমনৰ লগতে

সমস্যাবোৰ আগতকৈ বেচি জটিল যেন হৈছে। ইয়াৰ কাৰণ বুজিবলৈ তেওঁ অক্ষম। এইবোৰ স্বাধীনতাৰ চিন নহয়। ভাৰতীয় স্বাধীনতা মূল্যৱান এই কাৰণেই যে ইয়াক পোৱাৰ উপায়ে সাৰ্ব্বজনিক প্ৰশংসা লাভ কৰিছে। তেওঁ-লোকে কৰা যুদ্ধ ৰক্তপাতহীন। এনে স্বাধীনতাই আগতকৈ বেচি সোনকালে তেওঁলোকৰ সমস্যা সমাধান কৰাত সহায় কৰিব।

খাদ্য বিষয়ত, তেওঁৰ মতে কণ্ট্ৰোল আৰু ৰেচনিঙৰ পদ্ধতি অস্বাভাৱিক আৰু অব্যৱসায়ীক। তেওঁলোকৰ যথেষ্ট উৰ্ব্বৰা মাটি আছে, যথেষ্ট পানী আছে আৰু মানুহ-শক্তিৰ অভাৱ নাই। এনে অৱস্থাত খাদ্যদ্ৰব্যৰ অভাৱ কিয় হয়? আত্মনিৰ্ভৰশীল হবলৈ জনসাধাৰণক শিক্ষা দিব লাগে। নিৰ্ভৰশীল হবলৈ এবাৰ তেওঁলোকে জানিলেই, ই অৱস্থাক (atmosphere) হঠাৎ উত্তেজিত কৰিব। ই সকলোৰে জনাজাত যে প্ৰকৃত বেমাৰতকৈ ভয়ে বেচি জীৱন নাশ কৰে। তেওঁ কয় যে সিহঁতে আত্ম-সহায়ৰ স্বাভাৱিক উপায় ললে দুৰ্দ্দশাৰ সকলো ভয় এৰি দিব লাগে। তেওঁ বিশ্বাস কৰে যে খাদ্যদ্ৰব্যৰ কণ্ট্ৰোল উঠাই দিলেই ফল নোখোৱা নোপোৱাৰ পৰা আকাল আৰু মৃত্যু নহব।

সেইদৰে, ভাৰতত বস্ত্ৰৰ অভাৱৰো কোনো কাৰণ নাই। নিজৰ দৰকাৰতকৈ ভাৰতে বেচি কপাহ উৎপন্ন কৰে। ৰাইজে নিজেই সূতা কাটি কাপোৰ বব লাগে। গতিকে তেওঁ

কাপোৰ কণ্ট্ৰোল উঠাই দিয়াৰ ফালে। তাৰ পৰা দাম বাঢ়িব পাৰে। তেওঁ জানিছে আৰু বিশ্বাস কৰে যে যদি জনসাধাৰণে ৬ মাহ কাপোৰ-কানি কিনিবলৈ এৰে তেন্তে এই নিবৃত্তিৰ ( abstention ) কাৰণে স্বভাৱতে দাম কমিবই। আৰু তেওঁ ইঙ্গিত কৰে যে দৰ্কাৰত এই সময়ৰ ভিতৰতে তেওঁলোকে নিজৰ খাদি প্ৰস্তুত কৰি উলিয়াব পাৰে। বৰ্ত্তমান সময়ত আন কাপোৰ এৰি খাদি ব্যৱহাৰৰ বিশ্বাস আগ নবঢ়ায়। এবাৰ জনসাধাৰণে নিজে হাতে নিজৰ আহাৰ আৰু বস্ত্ৰ প্ৰস্তুত কৰিলেই ই তেওঁলোকৰ দৃষ্টিভঙ্গী পৰিৱৰ্ত্তন কৰিব। তেওঁলোকে আজি ৰাজনৈতিক স্বাধীনতাহে পাইছে। তেওঁৰ উপদেশ মতে চলিলে তেওঁলোকে অৰ্থনৈতিক স্বাধীনতা পাব আৰু প্ৰত্যেক গাৱঁলীয়াই ইয়াক অনুভৱ কৰিব; নিজৰ ভিতৰত কাজিয়া কৰাৰ কোনো সময় আৰু ইচ্ছা নাথাকিব। ইয়াৰ ফলস্বৰূপে মদ্য পান, জুৱা আদি পাপবোৰো দূৰ হব। ভাৰতীয় ৰাইজে প্ৰত্যেক বিষয়তে জয়ী হব। ঈশ্বৰেও সহায় কৰিব কাৰণ যি নিজক সহায় কৰে তেওঁক ঈশ্বৰেও সহায় কৰে।

( ৩০ )

১১-১০-৪৭

## ৰেণ্টিয়া জয়ন্তী

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে শ্ৰোতাসকলক মনত পেলাই দিয়ে যে সেই দিনটো ভাদমাহৰ কৃষ্ণপক্ষৰ দ্বাদশ দিবস। কচ আৰু কাথিৱাৰ ধৰি গুজৰাটত এই দিনটোক ৰেণ্টিয়া বাৰজ বা চৰ্খা জয়ন্তী নামে জনাজাত। সভা পতা হয় আৰু যঁতৰ আৰু লগৰীয়া কাৰ্য্যৰ প্ৰোগ্ৰামৰ কথা মানুহবোৰক মনত পেলাই দিয়া হয়। চৰ্খা জয়ন্তীৰ উৎসাহপূৰ্ণ সম্পাদনৰ কাৰণে সময় অশুভ। ইয়াৰ বিশদ অৰ্থত তেওঁ চৰ্খাক অহিংসাৰ প্ৰতীক বোলে। এই প্ৰতীক হেৰোৱা যেন দেখা গৈছে। নহলে তেওঁলোকে ভাতৃবধৰ দৃশ্যবোৰ নেদেখিলেহেঁতেন। তেওঁ নিজকে সোধে—চৰ্খা জয়ন্তী পালন একেবাৰে বন্ধ কৰাই যথেষ্ট হয় নে নহয়। কিন্তু তেওঁৰ অন্তৰত এটা লুকাই থকা আশা আছে যে অন্ততঃ কেইজনমান অ'ত ত'ত মানুহ আছে যি সকলৰ যঁতৰৰ বাণীৰ প্ৰতি শুধ-ভাব আছে। তেওঁলোকৰ কাৰণেহে চৰ্খা জয়ন্তী পালন হব লাগে।

## হৰিজনৰ কাৰণে চিন ( **badge** )

তেওঁ আগদিনা এটা বিজ্ঞপ্তি দেখিছে যে পাকিস্তান চৰকাৰৰ মণ্ডলচাহেব আৰু আন কেইজনমান সভ্যই হৰিজন

বোৰে নিজক অস্পৃশ্য বুলি বুজাবৰ কাৰণে কোনো চিন লব লাগে বুলি সিদ্ধান্ত কৰিছে। সেই বেজত অৰ্দ্ধচন্দ্ৰ আৰু তৰাৰ চিন থাকিব। ইয়াৰ অৰ্থ হৰিজন আৰু হিন্দুবোৰৰ মাজত পাৰ্থক্য দেখুৱাবলৈ। তেওঁৰ মতে ইয়াৰ যুক্তিসঙ্গত ফল হৈছে তাত থকা হৰিজনবোৰে শেষত ইচলাম গ্ৰহণ কৰিব। অন্তৰৰে অনুভৱ কৰা বিশ্বাস আৰু আধ্যাত্মিক নিৰ্ব্বন্ধত ধৰ্ম্ম পৰিৱৰ্ত্তনৰ বিপক্ষে তেওঁৰ কবলৈ একো নাই। নিজৰ ৰুচিত হৰিজন হৈ তেওঁ হৰিজনৰ মন জানে। এই শ্ৰেণীত পৰিব পৰা কোনো হৰিজনেই নাই। সিহঁতে ইচলামৰ কি বুজে? সিহঁত কিয় হিন্দু তাকো সিহঁতে নাজানে। সকলো ধৰ্ম্মৰ শিষ্যৰ কাৰণে ই সত্য। সিহঁত কোনো বিশেষ ধৰ্ম্মত জন্ম লোৱাৰ কাৰণে সিহঁত যি সিয়েই। যদি সিহঁতে ধৰ্ম্ম পৰিৱৰ্ত্তন কৰে, তেন্তে পৰিৱৰ্ত্তন স্বৰূপে কোনো বাধ্যতা বা কোনো প্ৰৰোচনাৰ কাৰণেহে। বৰ্ত্তমান অৱস্থাত স্বইচ্ছাই ধৰ্ম্ম পৰিৱৰ্ত্তনৰ কোনো মূল্য নাই। ধৰ্ম্ম জীৱনতকৈয়ো মূল্যবান। যি এই সত্য মতে কাম কৰে তেন্তে হিন্দুশাস্ত্ৰ ভালকৈ জনা জনতকৈ তেওঁ বেচি ভাল হিন্দু। কিন্তু তেওঁলোকৰ ধৰ্ম্মই বিপদ কালত দেখা নিদিয়ে।

## দশহৰা আৰু বকৰিদ

তাৰ পিচত গান্ধীজীয়ে আগতপ্ৰায় দশহৰা আৰু বকৰিদ উৎসৱৰ কথা উল্লেখ কৰে আৰু যাতে কাৰো অন্তৰত বেজাৰ

নিদিয়ে তাৰ কাৰণে তেওঁ হিন্দু আৰু মুছলমানবোৰক সতৰ্ক আৰু বিবেচক হবলৈ অনুৰোধ কৰে। তেওঁ বিচাৰে যেন এইবোৰ উৎসৱত সাম্প্ৰদায়িক গণ্ডগোল কোনো দুৰ্ঘটনাৰ কাৰণ দূৰত ৰাখে।

## দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ

শেষত, তেওঁ পিচদিনা দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহ আৰম্ভ প্ৰস্তাৱৰ কথা উল্লেখ কৰে। কিছুদিনৰ পৰা সত্যাগ্ৰহ চলি আছে। কিছুদিনৰ কাৰণে ইয়াক বন্ধ ৰখা হৈছে। ভাৰতৰ বিষয় ইউ, এন, ও-ৰ আগত, আৰু দক্ষিণ আফ্ৰিকাৰ হিন্দু আৰু মুছলমান সকলো ভাৰতীয়ই পিচদিনৰে পৰা সত্যাগ্ৰহ আৰম্ভ কৰিবৰ সিদ্ধান্ত কৰিছে। তেওঁৰ উপদেশ হৈছে তেওঁলোকে ভাৰত ইউনিয়ন আৰু পাকিস্তান দুয়ো চৰকাৰৰ সহায় বিচৰা আৰু দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকলক দুয়ো চৰকাৰে সকলো প্ৰকাৰৰ সহায় আৰু উৎসাহ দিয়া কৰ্ত্তব্য। কৃতকাৰ্য্যতাপূৰ্ণ সত্যাগ্ৰহৰ অৱস্থা ( condition ) হৈছে উদ্দেশ্য প্ৰকৃত আৰু উপায় সম্পূৰ্ণ অহিংস হব লাগিব। দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকলে এইকথা বুজিলে, তেওঁ-লোকৰ কৃতকাৰ্য্যতা অনিবাৰ্য্য।

## (৩১)

১২-১০-৪৭

## আশ্ৰয়প্ৰাৰ্থীলৈ একাষাৰ

গান্ধীজীয়ে কয় যে তেওঁ সেইদিনা বহুত কম্বল আৰু লেপৰ প্ৰতীক্ষা কৰিছে। আশ্ৰয়প্ৰাৰ্থীবোৰৰ কাৰণে কিছুমান মিলে লেপ প্ৰস্তুত কৰিছে। কম্বলৰ দৰে নাই, লেপবোৰ নিয়ৰত তিতিব। কিন্তু ইয়াৰ পৰা ওলাবৰ সহজ উপায় হৈছে ৰাতি সেইবোৰ পুৰণি বাতৰি কাকতেৰে ঢাকি লোৱা। লেপৰ সুবিধা হৈছে সেইবোৰ খুলি, কাপোৰ ধুব পাৰি আৰু হাতেৰে ফালি ফালি কপাহ পুনৰ ভৰাব পাৰি।

যি সকলে ঈশ্বৰৰ সহায় বিচাৰে তেওঁলোকে দুৰ্ভাগ্যকো ভাল কামত লগাব পাৰে। আশ্ৰয়প্ৰাৰ্থীবোৰৰ কিছুমান দুৰ্দ্দশাৰ কাৰণে বৰ অসুখী হৈছে। তেওঁলোকৰ খং উঠিছে। কিন্তু খঙে সহায় নকৰে। তেওঁলোকৰ মাজত ভাল অৱস্থাৰ মানুহ আছে। তেওঁলোকে নিজস্ব সকলো হেৰুৱালে। সন্মান আৰু গৌৰৱ নিৰাপদৰ ভৰষাৰে নিজৰ ঘৰলৈ তেওঁলোকে ঘূৰি নোযোৱালৈকে কেম্প-জীৱনত তেওঁলোকে যি পাৰে কৰিব লাগিব। গতিকে ফিৰি যোৱাৰ প্ৰত্যাশা এক দীৰ্ঘসূত্ৰী প্ৰোগ্ৰাম। এই সময়ৰ ভিতৰত সিহঁতেনো কি কৰিব? তেওঁ জানিব পাৰিছে যে পাকিস্তানৰ পৰা অহা মানুহবোৰৰ শতকৰা ৭৫ ভাগেই ব্যৱসায়ী। ভাৰত

ইউনিয়নত সিহঁতে ব্যৱসায় আৰম্ভ কৰাটো আশা কৰিব নোৱাৰি। ইউনিয়নৰ গোটেই মিতব্যয়ক ( economy ) বিপৰ্য্যস্ত কৰিব। সিহঁতে নিজ হাতেৰে কাম কৰিবলৈ শিকিব লাগিব। ব্যৱসায়ী মানুহ, উদাহৰণ স্বৰূপে ডাক্তৰ, নাৰ্চৰ কাৰণে কাম বিচাৰি দিয়াত কোনো অসুবিধা নহব। যি সকলে পাকিস্তানৰ পৰা খেদা খোৱা বুলি অনুভৱ কৰিছে তেওঁলোকে জনা উচিত যে তেওঁলোক অকল পাঞ্জাব বা সীমান্ত প্ৰদেশ বা সিন্ধুৰেই নহয়—গোটেই ভাৰতৰে নাগৰিক। অৱস্থা এয়ে যে, গাখীৰৰ লগত চেনি মিহলি হোৱাৰ দৰে তেওঁলোকে সেই ঠাইৰ বাসিন্দাৰ লগত মিলি যাব লাগিব। নিজৰ আচৰণত তেওঁলোক পৰিশ্ৰমী আৰু সজ হোৱা উচিত। তেওঁলোকে বুজা উচিত যে তেওঁলোকৰ জন্ম হৈছে ভাৰতক সেৱা কৰিবলৈ, ভাৰতৰ গৌৰৱ বঢ়াবলৈ, ভাৰতক অৱনমিত কৰিবলৈ নহয়। তেওঁলোকে জুৱাখেল বা মদ্যপান বা নিজৰ ভিতৰত কাজিয়া কৰাত সময় খেদিবলৈ অমান্তি হোৱা উচিত। মানুহ মাত্ৰেই ভুল কৰে, কিন্তু বাৰে বাৰে ভুল নকৰি নিজৰ ভুলৰ পৰা শিক্ষা লাভ কৰিবলৈকো মানুহক দিছে। আশ্ৰয়প্ৰাৰ্থীবোৰে তেওঁৰ কথা শুনিলে তেওঁলোক যলৈকে যায় ততে সম্পত্তিৰ দৰে ( asset ) হব আৰু প্ৰত্যেক প্ৰদেশৰ মানুহবোৰে তেওঁলোকক মুক্ত হাতেৰে অভ্যৰ্থনা কৰিব।

---

( ৩২ )

১৩-১০-৪৭

## আশ্ৰয়প্ৰাৰ্থীলৈ

যোৱা কালি মই ইংৰাজী গাঢ় কৰণ (condensation) নোহোৱা আশ্ৰয়প্ৰাৰ্থীৰ কেম্পৰ কথা উল্লেখ কৰিছিলোঁ। সেইবোৰত বিশেষত্ব দিয়াৰ কাৰণে মই আৰু বহলাই কম। যদিও আমাৰ ধৰ্ম্মবিষয়ক আৰু আন প্ৰকাৰৰ মেলা আছে আৰু কংগ্ৰেছ অধিবেশন আৰু সভা আছে, তথাপি মানুহ হিচাবে ঠিকভাৱে কেম্প জীৱনত আমি অভ্যস্ত নহওঁ। মই বহুত কংগ্ৰেছ অধিবেশন, সভা, আৰু আন আন কেম্পত উপস্থিত আছোঁ। মই ১৯১৫ চনত হৰিদ্বাৰত হোৱা কুম্ভ মেলাতো উপস্থিত আছিলোঁ আৰু দক্ষিণ আফ্ৰিকাৰ পৰা ঘূৰি অহা মোৰ সহকৰ্ম্মীসকলৰ লগত Servant of India Campত সেৱা কৰাৰ সুবিধা পাইছিলোঁ। যদিও মোৰ আৰু মোৰ মানুহবোৰৰ প্ৰতি মৰমৰ মনোযোগৰ বাহিৰে মোৰ টুকিবলৈ একো নাই, তথাপি আমাৰ মানুহৰ কেম্প-জীৱন যাপন কৰাৰ মোৰ মন্তব্য বৰ উপাদেয় নহয়। আমাৰ সামাজিক স্বাস্থ্য-জ্ঞানৰ অভাৱ, ইয়াৰ ফল হল সংক্ৰামক আৰু খোচৰা বেমাৰৰ ভয়ৰ লগতে বিপদজনক অস্বাস্থ্যকৰ অৱস্থা। আমাৰ পায়খানাবোৰ সাধাৰণতে বৰ্ণনাতীত। এই প্ৰকাৰৰ সুবিধাৰ অভাৱেই বোধ কৰোঁ উপযুক্ত বৰ্ণনা।

মানুহে ভাৱে যে যতে ততে এইবোৰ কাম সিহঁতে কৰিব পাৰিব, আনকি পৱিত্ৰ নদীৰ ঘনে ঘনে যোৱা পাৰবোৰো বাদ নপৰে। ওচৰ-চুবুৰীয়াৰ সামান্য উপস্থিতিৰ কথা বিবেচনা নকৰি য'তে ত'তে থু পেলোৱা স্বত্ব বুলি গৃহীত। আমাৰ ৰন্ধা-বঢ়াৰ ব্যৱস্থাও কোনো গুণে ভাল নহয়। মাখিবোৰ য'তে ত'তে অবাৰিত লগৰীয়া। আমি পাহৰি যাওঁ যে এক মুহূৰ্ত্তৰ আগতে সিহঁতে কোনো ময়লাৰ ওপৰত বহি অতি সহজ বিষাক্ত বীজ বহন কৰোঁতা হব পাৰে। থকামেলা ঘৰ ভাল পদ্ধতিৰ নহয়। ই অতিৰঞ্জিত ছবি নহয়। এই কেম্প-বোৰত সহ্য কৰিব লগীয়া হোৱা মাত-কথাৰ হুলস্থূল উল্লেখ নকৰি নোৱাৰোঁ।

ব্যৱস্থা, পদ্ধতি আৰু প্ৰায় নিখুঁত স্বাস্থ্যৰ কাৰণে মোক এটা মিলিটাৰি কেম্প দিয়া। মিলিটাৰিৰ আৱশ্যকতা মই কেতিয়াও স্বীকাৰ কৰা নাই। কিন্তু তাৰ অৰ্থ এয়ে নহয় যে তাৰ পৰা কোনো ভাল ফল নফলিব। ই নিয়মানুৱৰ্ত্তিতা, সম্মিলিত সত্বা, স্বাস্থ্য-বিজ্ঞান আৰু প্ৰত্যেক উপকাৰী কাৰ্য্য থকা এখন প্ৰকৃত সময়-তালিকাৰ মূল্যবান শিক্ষা দিয়ে। এইবোৰ কেন্দ্ৰত পিন পৰিলেও শুনিব পোৱা নিস্তব্ধতা আছে। কেইঘণ্টামানৰ ভিতৰতে তৈয়াৰ কৰা তম্বুৰ ( canvass ) তলৰ ই এখন চহৰ। মই বিচাৰোঁ আশ্ৰয়-প্ৰাৰ্থীৰ কেম্পবোৰ এই আদৰ্শৰ যেন কাষ চাপে। তেতিয়া তাত কোনো অসুবিধা বৰষুণ বা অবৰষুণ নাথাকিব।

এই কেম্পবোৰ একেবাৰে অনধিক ব্যয়-সাধ্য হব যদি (sweeper) আশ্ৰয়প্ৰাৰ্থীবোৰৰ দ্বাৰা এই কেনভাচ চহৰ তৈয়াৰ কৰাৰ সৈতে সকলো কাম কৰা হয়, কাৰণ সিহঁত নিজেই ইয়াৰ ময়লা পৰিষ্কাৰক (sweepers), পৰিষ্কাৰক (cleaners), বাট-বান্ধোতা, নৰ্দ্দমা-খান্দোতা, ৰান্ধনি, ধোবী। সিহঁতৰ কাৰণে কোনো কামেই নীচ নহয়। কেম্প সম্বন্ধীয় সকলো কামেই সমানে সন্মানজনক। যত্নবান আৰু আলোকিত (enlightened) পৰিচালনাই সামাজিক জীৱনৰ ইঙ্গিত আৰু আৱশ্যকীয় পৰিৱৰ্ত্তন আনিব পাৰে। তেতিয়া বৰ্ত্তমান দুৰ্দ্দশা প্ৰচ্ছন্নভাৱে আশীৰ্ব্বাদত পৰিণত হব। তেতিয়া আশ্ৰয়প্ৰাৰ্থীবোৰ যলৈকে নাযাওক কাৰো বোজা নহব। তেওঁ নিজৰ কথা কেতিয়াও নাভাৱে, কিন্তু সকলো দুৰ্দ্দশাগ্ৰস্ত মানুহৰ কথা তেওঁ সদায় ভাৱে, আৰু তেওঁৰ লগৰীয়া বোৰৰ নোহোৱা বস্তু তেওঁ নিজলৈ কেতিয়াও নিবিচাৰে। এইবোৰ চিন্তা কৰিলেই নহব, কিন্তু জ্ঞানসম্পন্ন পৰিচালনা আৰু পৰামৰ্শৰ তলত তৎপৰ কাৰ্য্যৰ দ্বাৰাইহে কৰিব লাগিব।

কম্বল আৰু লেপ আহিবই লাগিছে। মই আশা কৰোঁ, সোনকালেই কৰ পৰা হব যে আগতপ্ৰায় শীতকালত এনে ৰক্ষাৰ অভাৱ নহব।

---

## ( ৩৩ )

১৪-১০-৪৭

## এটা উপযুক্ত উদাহৰণ

গান্ধীজীয়ে জনতাক জনায় যে সেই দিনা তেওঁ আৰু কম্বল পাইছে। আৰ্য্য সমাজ ছোৱালী স্কুলৰ দুজনা শিক্ষয়িত্ৰী আৰু কিছুমান ছাত্ৰীয়ে তেওঁৰ ওচৰলৈ কিছু ধন আৰু কিছুমান কম্বল আনিছে। কিন্তু কিহে তেওঁক দানতকৈ বেচি সন্তুষ্ট কৰিছে—সেইটো হৈছে শিক্ষয়িত্ৰী জনাই যে বাহিৰৰ পৰা আহাৰ অহা-নিয়াৰ অসুবিধাৰ কাৰণে যাতে খাদ্যদ্ৰব্যৰ অপ্ৰচুৰতা অনুভৱ কৰিবলগীয়া নহয় তাৰ কাৰণে খাদ্যদ্ৰব্য সঞ্চয়ৰ কাৰণে ১৫ দিনীয়া অনশনৰ গান্ধীজীৰ অনুৰোধ জানিব পাৰি, শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলে প্ৰত্যেক বৃহস্পতিবাৰে অনশন কৰিবলৈ সিদ্ধান্ত কৰিছে। তেওঁলোকে নিজৰ বাগানত যি পাৰে খাদ্যদ্ৰব্য উৎপন্ন কৰিবলৈও স্থিৰ কৰিছে। সকলোৱে এই মতে কাম কৰিলে অতি সোনকালে খাদ্যদ্ৰব্যৰ অভাৱৰ সমাধান হব।

ইৰাণৰ Charge-D'affaires আৰু তেওঁৰ পত্নীয়ে পিচত আহি বহুতো কম্বল দিয়ে, তেওঁ সেইবোৰ কৃতজ্ঞতাৰে গ্ৰহণ কৰিছে।

## শিখ বন্ধুৰ লগত কথাবাৰ্ত্তা

সেই দিনা অনেক শিখ বন্ধুৱে তেওঁৰ লগত দেখা কৰিছে। তেওঁলোক দুদল হৈ আহিছিল। তেওঁ তেওঁ-

লোকৰ লগত বহুত সময় কথা পাতে। তাৰ মূল কথা হৈছে, নিজৰ ভিতৰত যুদ্ধ কৰি তেওঁলোক কলৈকো যাব নোৱাৰে। যি কাৰ্য্যই সম্ভৱ সি নিজ নিজ চৰকাৰৰ জৰিয়তেহে হব।

## চৰকাৰক দূৰ্ব্বল নকৰিবা

চৰকাৰে কেইজনমান মানুহক আটক কৰিছে আৰু এই আটকৰ বিপক্ষে উত্তেজনাই দেখা দিছে। এনে কৰাত চৰকাৰৰ স্বত্ব আছে। আমাৰ চৰকাৰে ইচ্ছা কৰি নিৰপৰাধী মানুহক আটক কৰিব নোৱাৰে। মানুহ মাত্ৰেই ভুল কৰে আৰু ভুলত নিৰপৰাধী মানুহেও যন্ত্ৰণা ভোগ কৰাটো সম্ভৱ। এনে ভুল সংশোধন কৰা চৰকাৰৰ কাম। গণতন্ত্ৰৰ জনসাধাৰণে কোনো ভুল থাকিলে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি সন্তুষ্ট হব লাগে। তেওঁলোকে ইচ্ছা কৰিলে চৰকাৰক আঁতৰাব পাৰে। কিন্তু তেওঁলোকৰ বিৰুদ্ধে আন্দোলন কৰি চৰকাৰক বাধা দিয়া উচিত নহয়। আমাৰ চৰকাৰ—সহায়ত বিৰাট সৈন্যদল আৰু নৌবল থকা বিদেশী চৰকাৰ নহয়। তেওঁলোকে শক্তি জনসাধাৰণৰ পৰা গোটাব লাগিব।

## নিজৰ ভুলবোৰলৈ চোৱা

প্ৰকৃত শান্তি কেনেকৈ স্থাপন কৰিব পাৰি? দিল্লীলৈ শান্তি ফিৰি অহা যেন দেখি তেওঁলোকে আনন্দ পাব পাৰে।

এই আনন্দৰ তেওঁ ভাগ লব নোৱাৰে। হিন্দু আৰু মুছলমান ইজন সিজনৰ প্ৰতি অচিনাকী হৈছে। তেওঁলোকে অতীততো যুদ্ধ কৰি আহিছে। কিন্তু ই দুই এদিন লাগি সকলোৱে সেই বিষয়ে পাহৰি গৈছিল। আজি, সিহঁত ইমান তিক্ত হৈছে যে সিহঁতে নিজকে ইজনে সিজনৰ শত্ৰু বুলি অনুভৱ কৰিছে। এই অনভুতিক তেওঁ দুৰ্ব্বলতা বুলিছে। সিহঁতে ইয়াক এৰিব লাগে। তেতিয়াহে সিহঁত এটা ডাঙৰ শক্তি হব। সিহঁতৰ আগত দুটা বাচনি আছে। সিহঁত এটা ডাঙৰ মিলিটাৰী শক্তি হব পাৰে বা তেওঁৰ পথ অনুসৰণ কৰিলে সিহঁত এটা অহিংস আৰু দুৰ্জ্জয় শক্তি হব। এই দুয়ো অৱস্থাতে প্ৰথম দৰকাৰী বস্তু হব সকলো ভয় দূৰ কৰা।

পৰস্পৰে ওচৰ চপাৰ একমাত্ৰ পথ হৈছে প্ৰত্যেকে পৰৰ ভুল পাহৰি নিজৰ বোৰক বঢ়োৱা। তেওঁৰ হাতত থকা সকলো শক্তিৰে হিন্দু আৰু শিখকে দিয়াৰ দৰে মুছলমানকো সেই উপায়কে দিছে। কালিৰ শত্ৰু আজি বন্ধু হব পাৰে, যদি সিহঁতে নিজৰ দোষবোৰ বিৰৰি স্বীকাৰ কৰে। 'শঠে শাঠ্যম সমাচৰেৎ'—এই নীতি বন্ধুত্বৰ কাৰণে ফলদায়ক নহয়। সৰ্ব্বান্তঃকৰণে সিহঁতে তেওঁৰ উপদেশ মতে কাম কৰিলে, তেওঁ দিল্লী এৰিবলৈ সক্ষম হব আৰু পাকিস্তানত তেওঁৰ কাৰ্য্য আৰম্ভ কৰিব পাৰিব।

---

( ৩৪ )

১৫-১০-৪৭

## অত্যুত্তম কাৰ্য্য সংগ্ৰহ কৰা

প্ৰাৰ্থনা ভূমিত বিদ্যুৎশক্তি অকৃতকাৰ্য্য হোৱাত, লাউড-স্পীকাৰে কাম নকৰা হল। সেই কাৰণে গান্ধীজীয়ে শ্ৰোতৃবৃন্দক ওচৰ চাপি আহিবলৈ কলে—যাতে তেওঁলোকে তেওঁৰ কথা শুনিব পাৰে। তেওঁ তেওঁলোকক জনায় যে সেই উদ্দেশ্যে তেওঁ বহুত কম্বল আৰু ধন পাইছে। এজনা ভগিনীয়ে (sister) এখন ২০০০ টকাৰ চেক পঠিয়াইছে। দুজন মুছলমান বন্ধুৱে কম্বল পঠিয়াইছে আৰু কিনিবৰ কাৰণে ধন পঠিয়াইছে। তেওঁ তেওঁলোকক নিজে ৰাখি ভগাই দিবলৈ অনুৰোধ কৰিছে। কিন্তু বন্ধুকেইজনে কয় যে হিন্দু আৰু শিখ আশ্ৰয়প্ৰাৰ্থীৰ মাজত ভগাবৰ কাৰণে দান গান্ধীজীৰ হাতত দি পঠোৱাত তেওঁলোকে দৃঢ়প্ৰতিজ্ঞ। তেওঁলোকে কয় যে এসময়ত গান্ধীজীৰ গাতো তেওঁ দোষ পাইছিল। কিন্তু তেওঁলোকে এতিয়া বিশ্বাস কৰে যে গান্ধীজী সকলোৰে বন্ধু—কাৰো শত্ৰু নহয়। সকলো ঠাইতে অবিশ্বাস আৰু তিক্ততাৰ আবহাৱাত এইবোৰ কাম চাব লগীয়া। ইংৰাজীত Book of Golden Deeds বুলি কিতাপ এখন আছে। তেওঁলোকৰো তেনে বস্তু থাকিব লাগে। ভাল কৰিবৰ কাৰণে কোনেও আনলৈ উদ্দেশ্য (motive) থেলিব নালাগে। মুছলমান বন্ধু দুজনে আনকি তেওঁলোকৰ

নামো গান্ধীজীক দিয়া নাই। শুনিবলৈ পোৱা গৈছে যে প্ৰত্যেক মুছলমানে শিখক শত্ৰু বুলি ভাৱে আৰু প্ৰত্যেক শিখেও। ই সত্য যে বহুত হিন্দু আৰু শিখৰ দৰে বহুত মুছলমানেও জ্ঞান হেৰুৱাইছে। কিন্তু ব্যক্তি বিশেষৰ অন্যায়ৰ কাৰণে সকলোকে দোষী সাব্যস্ত কৰাটো সম্পূৰ্ণ ভুল—লাগে সিহঁতৰ সংখ্যা বহুতেই হওক। অনেক হিন্দু আৰু শিখে মুছলিম বন্ধুৰ ওচৰত জীবন ৰক্ষাৰ কাৰণে ঋণী আৰু বহুতো মুছলমানে সেইদৰে স্বীকাৰ কৰিছে। এনে ভাল হিন্দু, শিখ আৰু মুছলমান সকলো প্ৰদেশতে আছে। বাতৰি কাকতবোৰে এনে সজ বাতৰিবোৰ প্ৰচাৰ কৰা আৰু হিংসা আৰু প্ৰতিশোধৰ শক্তিক উত্তেজিক কৰা অন্যায় কাম প্ৰকাশ নকৰা তেওঁ যে কিমান বিচাৰে! নিঃসন্দেহে, সজ আৰু মহৎ কাৰ্য্য বৰ্ণনা কৰাত কোনো অতিৰঞ্জন নহব।

## হিন্দি নে হিন্দুস্থানী

বাতৰি কাকতত তেওঁ এচোৱা বাতৰি দেখিছে যে তেতিয়াৰ পৰা যুক্তপ্ৰদেশৰ চৰকাৰী ( Official ) ভাষা দেৱনাগৰী বাদে হিন্দি হব। ভাৰত ইউনিয়নৰ গোটেই মুছলমানবোৰৰ প্ৰায় ¼ ভাগ যুক্তপ্ৰদেশত বাস কৰে। চাৰ তেজবাহাদুৰ চাপ্ৰুৰ নিচিনা অনেক উৰ্দ্দু বিদ্বান হিন্দুও ইয়াত বাস কৰে। তেওঁলোকে উৰ্দ্দু আখৰ পাহৰিব লাগিবনে কি? উচিত কাম হব দুয়ো বিধ আখৰকে ৰাখি চৰকাৰী কামত

দুয়োটাকে চলোৱা। ইয়াৰ ফল হব দুয়ো বিধ আখৰতে বাধ্যতামূলক শিক্ষা।

ভাষাই তেতিয়া নিজৰ যত্ন নিজে লব আৰু হিন্দুস্থানী এই প্রদেশৰ ভাষা হৈ পৰিব। দুয়োবিধ আখৰৰ এই জ্ঞানৰ অপব্যয় নহয়। ই তেওঁলোকক উন্নত ( rich ) আৰু ভাষাক ধনী কৰিব। কোনেও যেন এনে ব্যৱস্থা লোৱাত আপত্তি নকৰে।

তেওঁলোকে মুছলমানবোৰক সমান নাগৰিক হিচাবে ব্যৱহাৰ কৰিব লাগে। ব্যৱহাৰৰ মমতাই উৰ্দ্দু আখৰৰ প্রতি সম্মানৰ দাবী কৰে। তেওঁলোকে এনে এখন প্রদেশ গঠন নকৰিব যত সম্মানজনক জীৱন যাপন অসম্ভৱ অথচ তেওঁলোকে মুছলমান বিলাক ওলাই যোৱাও ভাল নাপায়। প্রকৃততে সমান ব্যৱহাৰ থকা স্বত্বেও যদি সিহঁতে ( মুছলমান ) পাকিস্তানলৈ যাবলৈ বিচাৰে, তেও ই তেওঁলোকৰ ( মুছলমানৰ ) বিবেচনা বা বিচাৰ। মুছলমানবোৰক ভয় দেখুৱাব পৰা একোৱেই যেন থাকিব নোৱাৰে। নিজৰ ব্যৱহাৰত তেওঁলোক শুধ হব। তেতিয়াহে তেওঁলোকে ভাৰতৰ সেৱা আৰু হিন্দুধৰ্ম্ম ৰক্ষা কৰিব পাৰিব। তেওঁলোকে মুছলমানক বধি, বা খেদি দি বা যি কোনো প্রকাৰে দমন কৰি এনে কৰিব নোৱাৰে। পাকিস্তানত কি হৈছে তালৈ গণ্য নকৰি তেওঁলোকে উচিত কাম কৰিব লাগিব।

---

( ৩৮ )

১৬-১০-৪৭

## মহীশূৰৰ উদাহৰণ

প্ৰাৰ্থনাৰ পিচত বক্তৃতা দিওঁতে মহীশূৰ ৰাজ্যত সত্যাগ্ৰহ কৃতকাৰ্য্যতাৰে শেষ হোৱাত গান্ধীজীয়ে আনন্দ প্ৰকাশ কৰে। মহীশূৰে ভাৰত ইউনিয়নত যোগ দিছে। কিছু দিনৰ কাৰণে তাৰ জনসাধাৰণে দায়িত্বশীল চৰকাৰৰ কাৰণে আন্দোলন কৰিছিল। অলপতে সিহঁতে আকৌ সত্যাগ্ৰহ আৰম্ভ কৰিছে। সিহঁতে তেওঁলৈ টেলিগ্ৰাম কৰিছে যে সিহঁতে সত্যাগ্ৰহৰ নিয়ম আখৰে আখৰে মানি চলিব আৰু যেন তেওঁ এই বিষয়ে অকণো উদ্বিগ্ন নহয়। মহীশূৰৰ প্ৰধান মন্ত্ৰী চাৰ ৰামস্বামী মুদালিয়াৰ এজন অনেক দেশ ভ্ৰমণ কৰা লোক। ষ্টেট কংগ্ৰেছৰ লগত তেওঁ এটা সন্মানজনক বন্দোবস্তলৈ আহিছে। এই আনন্দজনক বিষয়ৰ কাৰণে তেওঁ মহাৰাজা, দেৱান আৰু ষ্টেট কংগ্ৰেছক অভিনন্দন জনায়। তেওঁ মহীশূৰৰ উদাহৰণ আন সকলো দেশীয় ৰাজ্যৰ কাৰণে ভাল বুলি প্ৰশংসা কৰে। ইংলণ্ডৰ ৰজাৰ দৰে সকলো শাসনকৰ্ত্তা ঠিকভাৱে নিয়মানুগত (constitutional) হব লাগে—যাতে শাসক আৰু শাসিত দুয়ো সুখী আৰু তৃপ্ত হব পাৰে।

## সজ আচৰণ

এটা বেচৰকাৰী ঘৰৰ চোতালত তেওঁ প্ৰাৰ্থনা সভা পাতে। তেওঁক তেওঁলোকৰ চৌহদৰ ভিতৰলৈ আহিবলৈ দিয়াৰ কাৰণে তেওঁলোকে বিড়লা ভাতৃৰ ভদ্ৰতা প্ৰশংসা কৰা উচিত। তেওঁ শুনি দুখ পাইছে যে আগন্তুক বিলাকৰ কিছুমানে বাগান ধ্বংস কৰিছে আৰু মালিৰ অনুমতি নোহোৱাকৈ গছৰ পৰা ফল চিঙিছে। অনুমতি নোহোৱাকৈ সিহঁতে আনকি পাত এটা চিঙাও উচিত নহয়। সিহঁতৰ দুৰ্দ্দশাই সজ আচৰণৰ সাধাৰণ নিয়ম পাহৰোৱা উচিত নহয়।

## চাকৰিয়ালৰ ( Services ) পৰা প্ৰত্যাশা

তেওঁ এটি আপত্তি পাইছে যে তেওঁ চিভিল চাৰ্ভিচ, পুলিচ আৰু মিলিটাৰীক কৃতিত্বৰ অনভিসিত চাৰ্টিফিকেট দিছে। তেওঁ তেনে কৰা নাই। জাতিৰ এইবোৰ চাকৰিয়ালৰ পৰা তেওঁ প্ৰত্যাশা প্ৰকাশ কৰিছে। তাৰ অৰ্থ প্ৰত্যাশাক তেওঁলোকে চৰিতাৰ্থ ( satisfied ) কৰা নহয়। চিভিল চাৰ্ভিচ, পুলিচ আৰু ইংৰাজৰ সৈতে মিলিটাৰী এতিয়া ভাৰতত জনসাধাৰণৰ সেৱক হে। বিদেশী ৰজাৰ দৰমহা খাই গৰাকী হৈ ব্যৱহাৰ কৰা দিনবোৰ নাই। সিহঁত পঞ্চায়ত-ৰাজৰ অনুগত সেৱক হব লাগিব। সিহঁতে মন্ত্ৰীৰ আদেশ লব লাগিব। সিহঁত অসাধুতা আৰু পক্ষপাতৰ ওপৰত থাকিব

লাগিব। আৰু আনহাতে জনসাধাৰণে শাসনক সম্পূৰ্ণ সহযোগ দিব লাগিব। এই চাকৰিয়ালবোৰ কৰ্ত্তব্যত অকৃতকাৰ্য্য হলে, সিহঁত বিশ্বাস ভঙ্গৰ দোষত পৰিব আৰু অৱস্থাক সংশোধন কৰিবলৈ উপযুক্ত ব্যৱস্থা লব লাগিব। এই চাকৰিবোৰৰ অসাধু চাকৰিয়ালৰ বিৰুদ্ধে জনসাধাৰণৰ অভাৱ অভিযোগ প্ৰকাশ কৰাৰ সম্পূৰ্ণ স্বত্ব আছে।

## পূৰ্ব্ব পাকিস্তানৰ সংখ্যালঘু

পূৰ্ব্ব পাকিস্তানৰ কিছুমান মানুহে তেওঁক দেখা কৰিবলৈ আহিছিল। বহুত হিন্দু মানুহে পূৰ্ব্ব পাকিস্তান এৰি আহিছে। এই বিষয়ে বন্ধুসকলে গান্ধীজীৰ উপদেশ বিচাৰে। তেওঁ সদায় যি কৈছে তাকেহে কব পাৰে। সাহসী পুৰুষ আৰু তিৰোতাক নিজৰ ঘৰৰ পৰা দিয়াটো বৰ অশোভন কথা। তেওঁলোকে নিজৰ ঘৰতে থাকি নিজৰ আত্ম-সন্মানক অপমান কৰাতকৈ বা হেৰুৱাতকৈ মৃত্যুৰ সন্মুখীন হোৱাই উচিত। তেওঁলোকে ঈশ্বৰত বাদে কাকো ভয় কৰিব নালাগে। তেওঁলোকে নিজৰ জীৱন দিও নিজৰ ধৰ্ম্ম, নিজৰ সন্মান আৰু নিজৰ নাগৰিক স্বত্ব ৰক্ষা কৰা উচিত। সিহঁতৰ এইখিনি সাহ নাথাকিলে সিহঁত গুচি যোৱাই ভাল। যদি সিহঁতে পূৰ্ব্ব পাকিস্তান এৰিবলৈকে সিদ্ধান্ত কৰিছে তেন্তে ডাক্তৰ, আইনজীৱী, ব্যৱসায়ী আদি উচ্চ হিন্দু সকলে চোৱা উচিত যাতে দুখীয়া অনুন্নত

সম্প্ৰদায় আৰু আনবোৰ আগতে যাব পাৰে। তেওঁলোক প্ৰথমে নগৈ শেষত যোৱা উচিত। একে সময়তে তেওঁ সকলো ঠাইলৈকে যাব নোৱাৰে। কিন্তু তেওঁৰ মাত সকলোৱে শুনিব পৰা কৰিব পাৰে। নিজৰ ধৰ্ম্ম আৰু সন্মানৰ কাৰণে অনুন্নত সম্প্ৰদায়ৰ মানুহবোৰক মৃত্যু বৰণ কৰিবলৈ কবলৈ ডাঃ আম্বেদকাৰক কবৰ কাৰণে তেওঁক অনুৰোধ কৰে। তেওঁ আনন্দ মনেৰে সভাৰ জৰীয়তে সেই কাম কৰিছে।

এই টান কামত খাজাচাহেবক সহায় কৰিবলৈ চাৰৱাৰ্দ্দি-চাহেবক বঙ্গদেশলৈ যাবলৈ কবলৈও তেওঁলোকে তেওঁক কয়। চাৰৱাৰ্দ্দিচাহেব দিল্লীত নাই। কিন্তু ঘূৰি আহি তেওঁ (চাৰৱাৰ্দ্দিচাহেব) বঙ্গদেশলৈ যে যাব এই বিষয়ত তেওঁৰ (বক্তা) কোনো সন্দেহ নাই। সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ অন্তৰত বিশ্বাসৰ সঞ্চাৰ কৰিবৰ কাৰণে পূৰ্ব্ববঙ্গৰ মুছলমান নেতাসকলে অৱস্থাৰ সৃষ্টি কৰিব লাগিব। শান্তিৰ কাৰণে কাম কৰা সকলোৰে দৰ্কাৰ। যদি স্বাৰ্থ সংখ্যালঘুৰ কাৰণে কোনো স্বত্ব নোহোৱাকৈ পাকিস্তান সম্পূৰ্ণৰূপে মুছলমান ৰাজ্য আৰু ভাৰত ইউনিয়ন সম্পূৰ্ণৰূপে হিন্দু আৰু শিখ ৰাজ্য হয়, তেন্তে ইয়াঁৰ অৰ্থ দুই ৰাজ্যৰে ধ্বংস। তেওঁ আশা কৰে আৰু প্ৰাৰ্থনা কৰে যে ঈশ্বৰে এই বিপদৰ পৰা ৰক্ষা কৰিবৰ কাৰণে তেওঁলোকক জ্ঞান দিয়ে।

---

## ( ৩৬ )

১৭-১০-৪৭

# অতি ফলপ্রদ প্রতিকাৰ

প্রার্থনাৰ পিচৰ বক্তৃতাত তেওঁৰ লাগি থকা কাঁহৰ বিষয়ে উদ্বেগ দেখুৱাই বন্ধুসকলে দিয়া চিঠি আৰু বাণীৰ কথা গান্ধীজীয়ে উল্লেখ কৰে। তেওঁৰ বক্তৃতাৰ লগতে আবেলি আৰু খোলাঠাইত প্রায়েই তেওঁক পীড়া দিয়া কাঁহো ব্রড্‌কাষ্ট হয়। যোৱা চাৰিদিন, যাহওক, কফে তেওঁক বেচি কষ্ট দিয়া নাই আৰু সোনকালে একেবাৰে নোহোৱা হব বুলি তেওঁ আশা কৰে। কফ সদায় পীড়াদায়ক হোৱাৰ কাৰণ তেওঁ চিকিৎসা লবলৈ অমান্তি হৈছিল। ডাঃ সুশীলাই কৈছে যে যদি আৰম্ভণিতে তেওঁ পেনিচিলিন খালেহেঁতেন তেন্তে তেওঁ তিনিদিনতে সম্পূর্ণ সুস্থ হলহেঁতেন। আন ফালে, ই ভাল হোৱাত তেওঁক তিনি সপ্তাহ লাগিব। পেনিচিলিনৰ উপকাৰিতাত তেওঁ নিঃসন্দেহ কিন্তু তেওঁ বিশ্বাস কৰে যে সকলো ৰোগৰ কাৰণে ৰামনাম অতি ফলপ্রদ ঔষধ আৰু সেই কাৰণেই সকলো প্রতিকাৰক অতিক্রম কৰিছে। তেওঁক কেউফালে বেঢ়ি ধৰা অগ্নিৰ মাজত ঈশ্বৰত এক দীপ্যমান বিশ্বাসৰো অতি আৱশ্যক। অকল ঈশ্বৰেই মানুহক অগ্নি নির্ব্বাপিত কৰাত সক্ষম কৰিব পাৰে। যদি তেওঁ গান্ধীজীৰ পৰা কাম লবলগীয়া হয়, তেন্তে তেওঁ তেওঁক জীয়াই ৰাখিব, নহলে তেওঁক আঁতৰাই নিব।

ৰামনামত একাগ্ৰচিত্তে লাগি থাকিবলৈ কোৱা কবিৰ ভজন তেওঁলোকে এইমাত্ৰ শুনিছে। তেৰেঁই একমাত্ৰ মানৱৰ আশ্ৰয়। গতিকে, বৰ্ত্তমান সঙ্কট-কালত তেওঁ নিজক সম্পূৰ্ণ-ৰূপে ভগৱানৰ পদতলত পেলাবলৈ আৰু শাৰীৰিক অসুখৰ কাৰণে চিকিৎসাৰ সহায় নলবলৈ ইচ্ছা কৰে।

## কম্বল

কম্বল আৰু লেপ বৰ বেচিকৈ অহাত তেওঁ সন্তোষ প্ৰকাশ কৰিছে। দৰ্কাৰত থকা মানুহৰ মাজত সেইবোৰ সোনকালে ভগাই দিয়া হব।

## কণ্ট্ৰোল দূৰ কৰা

ডাঃ ৰাজেন্দ্ৰপ্ৰসাদৰ দ্বাৰা গঠিত কমিটিয়ে আলোচনা শেষ কৰিলে। খাদ্যদ্ৰব্যৰ বিষয় আলোচনা কৰাই ইয়াৰ কাম। কিন্তু তেওঁ ( গান্ধীজী ) কেইদিনমান আগতে তেওঁৰ মত প্ৰকাশ কৰিছে যে খাদ্যদ্ৰব্য আৰু বস্ত্ৰৰ ওপৰত থকা কণ্ট্ৰোল অকণো বেলি নকৰাকৈ উঠাই দিব লাগে। যুদ্ধ শেষ হল। তথাপিও দাম চৰিবই লাগিছে। দেশত খাদ্যদ্ৰব্য আৰু বস্ত্ৰও আছে। তথাপিও জনসাধাৰণে এইবোৰ নাপায়। ই এটা বৰ দুঃখৰ বিষয়। চৰকাৰে জনসাধাৰণক খাদ্য দিবলৈ (spoon-feed) চেষ্টা কৰিছে। ইয়াৰ পৰিবৰ্ত্তে জনসাধাৰণক নিজৰ সংস্থানৰ ওপৰত এৰি দিব লাগে। চিভিল চাৰ্ভিচ

অফিচৰ পৰা কাম চলাবৰ কাৰণেহে ৰখা হৈছে। Red tape আৰু ফাইলেই সিহঁতৰ কাৰ্য্য নিয়ন্ত্ৰণ কৰিছে। সিহঁত কেতিয়াও খেতিয়কৰ সংস্পৰ্শলৈ অহা নাই। সিহঁতে ইহঁতক নাজানে। তেওঁ আশা কৰে, জনসাধাৰণৰ মাজলৈ অহা পৰিৱৰ্ত্তন বুজিবলৈ সিহঁত নম্ৰ হয়। সিহঁতৰ আৰম্ভণি (initiative) কণ্ট্ৰোলৰ দ্বাৰা ৰুদ্ধ কৰা উচিত নহয়। সিহঁতক আত্মনিৰ্ভৰশীল হবলৈ দিব লাগে। গণতন্ত্ৰৰ ফল সিহঁতক অসহায় কৰাত নহয়। ধৰি লোৱা যে নিতান্ত সন্দেহ কাৰ্য্যত পৰিণত হল, কণ্ট্ৰোল উঠাই দিয়াত অৱস্থা শোচনীয় হল, তেতিয়া সেইবোৰলৈ ঘূৰি যোৱা কোনেও বন্ধ কৰিব নোৱাৰে। ব্যক্তিগতভাৱে তেওঁ বিশ্বাস কৰে যে ই বিশেষভাৱে অৱস্থাক সহজ হে কৰিব। তেতিয়া সমস্যাবোৰ সমাধান কৰিবলৈ জনসাধাৰণ উঠি পৰি লাগিব আৰু নিজৰ ভিতৰত কাজিয়া কৰাৰ সময় নাথাকিব।

## দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহ

দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ বিষয়ে তেওঁৰ মতামতৰ কাৰণে তেওঁক ধন্যবাদ দিয়া টেলিগ্ৰাম এখন তেওঁ পাইছে। যাক তেওঁ সত্য বুলি বিশ্বাস কৰিছিল তাকেহে মাথোন তেওঁ কৈছিল। সত্যাগ্ৰহত কোনো পৰাজয় নাই, ঘূৰি অহাৰ বাট নাই। স্বৰ্গীয় ৰামভজ দত্তৰ কৱিতাৰ প্ৰথম শাৰিটো তেওঁ গায়,—"পৰাজয় গ্ৰহণ কৰাতকৈ বৰং আমি মৃত্যুকে

বৰণ কৰিম।" পঞ্জাৱত মার্চিয়েল আইন জাৰি কৰা সময়ত যেতিয়া তাৰ জনসাধাৰণ আগেয়ে কেতিয়াও নুশুনা অপমানৰ বশৱৰ্ত্তী হবলগীয়া হৈছিল, তেতিয়া লিখকে এই শাৰী লিখিছিল। কিন্তু এই শাৰীবোৰ সকলো সময়ৰ কাৰণে। অৱস্থা সদায় এয়ে হয় যে উদ্দেশ্য সদায় সত্য আৰু উপযুক্ত হব লাগিব। আনকি এমুঠি সত্যাগ্ৰহীও ভাৰতৰ সম্মান ৰক্ষাৰ কাৰণে ( vindicate ) যথেষ্ট।

তেওঁলোকে তেওঁক ফণ্ডৰ কাৰণেও কবলৈ কৈছিল। দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় সকল দুখীয়া সম্প্ৰদায় নহয়। কিন্তু তেওঁ সামান্য সংখ্যক নিষ্ক্ৰিয় প্ৰতিৰোধকাৰী সকলৰ অভাৱ বুজে। ভাতৃবধ আৰু সমূহ স্থান পৰিৱৰ্ত্তনৰ ফলত কোটি কোটি টকাৰ খাজনাৰ লোকচান হৈছে। বৰ্ত্তমান অৱস্থাত নিষ্ক্ৰিয় প্ৰতিৰোধকাৰীসকলৰ ধনেৰে সহায় কৰিবলৈ ভাৰতীয় বোৰক কবলৈ তেওঁৰ অন্তৰে নকয়। কিন্তু যদি কোনোবাই ধনেৰে সহায় কৰিবলৈ সাজু তেন্তে তেওঁ আনন্দিত হব। সাগৰৰ সিপাৰৰ পূৰ্ব্ব আফ্ৰিকা, মৰিচচ আৰু আন আন ঠাইত অনেক ভাৰতীয় আছে। তেওঁলোকৰ প্ৰায়বোৰৰে সচ্ছল অৱস্থা আৰু তেওঁলোকৰ মাজত হিন্দু-মুছলমানৰ পাৰ্থক্যৰ কোনো প্ৰশ্ন নাই। তেওঁলোক সকলো ভাৰতীয় আৰু তেওঁ আশা কৰে যে ভাৰতৰ সম্মানৰ কাৰণে যুদ্ধ কৰা দক্ষিণ আফ্ৰিকাৰ ভাই সকললৈ ধন পঠিয়াব। সত্যাগ্ৰহত লাগি থকা সকলক

বিলাসিতা নালাগে। জীৱনৰ অতি লাগতিয়াল বস্তুৰ কাৰণেহে তেওঁলোকক মাথোন ধন লাগে। আৱশ্যকীয় সহায় দিয়া সাগৰৰ সিপাৰৰ প্ৰত্যেক ভাৰতীয়ৰে কৰ্ত্তব্য।

---

( ৩৭ )

১৮-১০-৪৭

## কুৰুক্ষেত্ৰলৈ কম্বল পঠোৱা হৈছে

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজী বেচি কম্বল আৰু ধন পোৱাৰ বাতৰি দিব পৰাত সুখী হৈছে। তেওঁ আশা কৰে যে এই পৰিমাণে কম্বল আহিলে সকলোবোৰ দৰ্কাৰ থকা আশ্ৰয়প্ৰাৰ্থীক সেইবোৰ দিবলৈ অসুবিধা নাথাকিব। তেওঁ আৰু সুখী হৈছে যে চৰ্দ্দাৰ পেটেলেও এনে এখন প্ৰাৰ্থনাপত্ৰ প্ৰচাৰ কৰিছে। গান্ধীজীয়ে জনায় যে আশ্ৰয়-প্ৰাৰ্থীসকলৰ কাৰণে কামত ব্যস্ত থকা ডাঃ সুশীলা নায়াৰ, শ্ৰীযুতা মাথাই, শ্ৰীযুতা চৰণ আৰু শ্ৰীযুতা কৃষ্ণবাইৰ লগত বাতিপুৱাই কুৰুক্ষেত্ৰলৈ গৈছে। আশ্ৰয়প্ৰাৰ্থীবোৰৰ কাৰণে তেওঁ লগত বহুত কম্বল আৰু আন আন কাপোৰ লৈ গৈছে।

### জাতীয় ভাষা

হিন্দুস্থানীক জাতীয় ভাষা কৰাৰ্লৈ গান্ধীজীয়ে কৰা মতামত সম্বন্ধে তেওঁ পোৱা চিঠিবোৰৰ কথা গান্ধীজীয়ে

উল্লেখ কৰে। সকলো ভাৰতীয়ৰ কাৰণে হিন্দুস্থানীয়েই যে অতি উত্তম আন্তঃপ্ৰাদেশিক ভাষা হব তাত তেওঁৰ সন্দেহ নাই। জনসাধাৰণ পাৰ্চিশব্দপূৰ্ণ উৰ্দ্দু আৰু সংস্কৃতশব্দপূৰ্ণ হিন্দি সহজে বুজিব নোৱাৰিব। বৃটীচ-ৰাজৰ অন্তৰ লগতে ইমান দিন কথা-বতৰাৰ সাধাৰণ মাধ্যম আৰু বিচাৰালয়ৰ ভাষা হৈ থকা ইংৰাজী ভাষা যাব লাগিব। ই হৈছে বল-পূৰ্ব্বক অধিকাৰ। ই কেতিয়াও ভাৰতৰ জাতীয় ভাষা হব নোৱাৰে। এজন সন্মানিত বন্ধুৱে, যি হওক, ইঙ্গিত কৰে যে ইংৰাজী ভাষাৰ যি স্থান হব নালাগিছিল বা নাছিল, সেই ঠাইৰ পৰা এই ইংৰাজী ভাষা দূৰ হব। লিখকে সন্দেহ কৰে যে, তেওঁৰ সেই বিষয়ৰ কথা কৈ থকাই ভাষাৰ প্ৰতি থকা বিতৃষ্ণা ইংৰাজী কথাকোৱা মানুহবোৰলৈ পৰিৱৰ্ত্তন হব পাৰে বা যাব পাৰে। লিখকে জানে যে যদি এনে কোনো দুৰ্ঘটনা ঘটে তেন্তে তেওঁ ( গান্ধীজী ) এনেভাৱে অন্তৰত দুখ পাব যে ( cut to the quick ) এই অনভি-প্ৰেত দুৰ্ঘটনাত বেজাৰত বলিয়া হব পাৰে। এই সাৱধান বাণী সময়োপযুক্ত হৈছে। শ্ৰোতাসকলে জনা উচিত যে তেওঁ সদায় কবোঁতা আৰু কাৰ্য্যৰ মাজত এটা পাৰ্থক্য ৰাখে। কাৰ্য্যটো বিতৃষ্ণাৰ উপযুক্ত হব পাৰে, কৰোঁতা-জন নহয়। তেওঁক মনত পেলাই দিয়া হৈছে যে তেওঁ জানে যে এই পাৰ্থক্য কেতিয়াবাহে মনত থাকে। মানুহে সাধাৰণতে কাৰ্য্য আৰু কৰোঁতাৰ মাজত গণ্ডগোল কৰে

আৰু কৰোঁতা আৰু কাৰ্য্য দুইটী দোষাৰোপৰ গণ্ডীত সোমাই পৰে। লিখকে তেওঁক সাৱধান কৰি দিছে যে তেওঁ ( Gandhiji ) ইংৰাজীয়েই মাতৃভাষাত পৰিণত হোৱা এংলো-ইণ্ডিয়ান, গোৱাবাসী আৰু আন সকলৰ কাৰণে সুবিধা ৰাখিব লাগিব। কেতিয়াবা গান্ধীজীয়ে ভাবি চাইছেনে যে হিন্দি বা হিন্দুস্থানীৰ মাজত যিটোৱেই শেষত আন্তঃ-প্ৰাদেশিক ভাষা হওক, ইহঁতৰ জ্ঞানৰ অভাৱত এইবোৰক তৎক্ষণাৎ অপসাৰণ কৰিব? লিখকে জানে সে তেওঁৰ ( গান্ধীজীৰ ) অন্তৰত আন ধাৰণা পোষণ কৰা নাই। গান্ধীজীয়ে কয় যে তেওঁৰ সন্দেহ সত্য। তথাপিও তেওঁ আশা কৰে যে, এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সিহঁতে হিন্দু-স্থানীৰ এটা কাৰ্য্যকৰী জ্ঞান লাভ কৰিব। যিমানেই সৰু হওক লাগে, সংখ্যালঘুবোৰে কোনো উৎপীড়ন অনুভৱ কৰিব নালাগে। এনে প্ৰশ্নবোৰ অতি ধীৰে হাতত লোৱাৰহে আৱশ্যক।

সেই একেজন উৎসাহী ( earnest ) বন্ধুৱে তেওঁৰ মনত পেলাই দিয়ে যে এই দুই বিধ আখৰৰ ( script ) ওপৰত গান্ধীজীৰ জিদে দুইটাকে পদচ্যুত কৰি ৰোমান অক্ষৰক ( script ) স্থান দিব পাৰে। ৰোমান আখৰৰ প্ৰতি বন্ধু-জনৰ পক্ষপাতিত্ব আছে। তেওঁ ( গান্ধীজী ) ইয়াৰ ভাগ নলয়। দুইবিধ আখৰক ৰোমানে স্থানচ্যুত কৰিব বুলিও তেওঁ ভয় নকৰে। এই প্ৰশ্ন লৈ তেওঁৰ তৰ্ক কৰিবৰ ইচ্ছা

নকৰে। তেওঁ ইয়াকে দেখুৱাবৰ কাৰণেহে এই বিষয় উল্লেখ কৰিছে যে এই দুইবিধ বৰ্ণৰ শিক্ষা কৰিবলৈ তেওঁলোক পিচুৱালে তেওঁলোকৰ জাতীয়তা নিশ্চয় তুচ্ছ বস্তু ( poor stuff )। তেওঁলোকৰ দেশৰ প্ৰতি ভাল পোৱাই এই দুই বৰ্ণৰ শিক্ষাক আনন্দৰ বিষয়হে কৰিব লাগে। তেওঁ শেখ আবদুল্লাৰ উদাহৰণটোকে দেখুৱাই কয় সেইদিন আবেলি শেখ আবদুল্লা চাহেবে তেওঁক জনায় যে কাশ্মীৰত তেওঁ বন্দী হৈ থাকোঁতে তেওঁ সহজে হিন্দি আৰু নাগৰি script শিকিব পাৰিছিল। যি কাম শেখ চাহেবে কৰিব পাৰিছে, সেই কাম আন আন জাতীয়তাবাদী সকলৰ কাৰণেও সমানে সহজ।

---

## ( ৩৮ )

১৯-১০-৪৭

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে ঘোষণা কৰে যে দিনবোৰ চুটি হোৱাৰ লগে লগে, মানুহবোৰে প্ৰাৰ্থনাত উপস্থিত হবলৈ ৬ বজা বৰ বেলি পাইছে। গতিকে সোমবাৰৰ প্ৰাৰ্থনা ৬ বজাৰ ঠাইত ৫-৩০ বজাত আৰম্ভ হব।

## ই স্বৰাজনে ?

সেই দিনা আবেলিৰ ভজনৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ সম্বন্ধত হৃদয়গ্ৰাহী পূৰ্ব্ব-স্মৃতি সোমাই আছে। ভজনাৱলীৰ প্ৰায় সকলোবোৰ ভজনৰে একোটা বুৰঞ্জী আছে। স্বৰ্গীয় পণ্ডিত খাৰে নামৰ এজন সঙ্গীতজ্ঞ আৰু ধৰ্ম্মপ্ৰাণ আশ্ৰমবাসীৰ দ্বাৰা ইয়াৰ সম্পাদন হৈছে। শ্ৰীকাকা কালেলকাৰে তেওঁক সহায় কৰে। সবৰমতী আশ্ৰমৰ মেনেজাৰ স্বৰ্গীয় মগনলাল গান্ধীয়ে এই বিশেষ সঙ্গীত প্ৰায়েই গাইছিল। দক্ষিণ আফ্ৰিকাত তেওঁ গান্ধীজীৰ লগত আছিল আৰু জাতিৰ সেৱাত তেওঁ নিজক অৰ্পণ কৰিছিল। তেওঁৰ মাতটি শুৱলা আৰু শৰীৰৰ গঠন নিপোটল আছিল। ভাৰতলৈ ঘূৰি অহাৰ পিচত তেওঁৰ সেই নিপোটল শৰীৰ নাই। তেওঁৰ ওপৰত পৰা ভাৰ এজন মানুহৰ কাৰণে বৰ গধুৰ। জনসাধাৰণৰ মাজলৈ গঠনমূলক কাৰ্য্য আৰু স্বৰাজৰ বাণী নিয়াটো সহজ কাম নহয়। তেওঁ অতি করুণ ভাৱেৰে এই ভজন প্ৰায়েই গাইছিল। ইয়াত লিখকে ঈশ্বৰক মুখা-মুখিকৈ নেদেখাৰ কাৰণে হোৱা হতাশভাৱ প্ৰকাশ কৰিছে। অপেক্ষাৰ ৰাতি যুগ যেন হল। মগনলালৰ ঈশ্বৰ হল স্বৰাজৰ সপোন চৰিতাৰ্থ হোৱা অৰ্থাৎ ভগৱানৰ ৰাজ্য। সেই সপোন যেন বহু দূৰত। গঠনমূলক কাৰ্য্যৰ মাজেদিহে ইয়াক পাব পাৰি। সেই সময়ত ৰাইজৰ আগত ডাণ্ডি ধৰা গঠনমূলক কাৰ্য্যৰ আঁচনিমতে জনসাধাৰণে কাম কৰিলেহেঁতেন, তেন্তে

আজি চকুৰ আগত দেখি থকা দৃশ্যবোৰ জনসাধাৰণে দেখিবলৈ নাপালেহেঁতেন। স্বৰাজ যোৱা আগষ্টৰ ১৫ আগষ্টত পোৱা হৈছে বুলি কোৱা হৈছে। তেওঁ ইয়াক স্বৰাজ নোবোলে। স্বৰাজত ভায়ে ভাইৰ টেটু টিপি মাৰিবলৈ যাব নোৱাৰে। স্বাধীন ভাৰতে সকলোৰে লগত বন্ধু হবলৈ ইচ্ছা কৰে। পৃথিৱীত কাকো শত্ৰু হিচাবে পাবলৈ নিবিচাৰে। কিন্তু হায়! ভাৰতৰ নিজৰ পুত্ৰ সন্তান হিন্দু আৰু শিখবোৰ এফালে আৰু মুছলমানবোৰ আনফালে হৈ ইজনে সিজনৰ ৰক্তপান কৰিবলৈ ব্যগ্ৰ।

ৰাইজে তেওঁলোকৰ প্ৰকৃত স্বৰাজৰ সপোন দিঠকত পৰিণত কৰিব বিচাৰে নে নিবিচাৰে সেইকথা তেওঁলোকৰ মনত ৰেখাপাত কৰাবলৈহে গান্ধীজীয়ে এইবোৰ কথা কৈছে; তেওঁলোকে স্বৰ্গীয় মগনলাল গান্ধীৰ দৰে এটা নিত্য ব্যগ্ৰতা অনুভব কৰিব লাগিব। ঈশ্বৰ আকাৰহীন। মানুহে তেওঁক নানা মূৰ্ত্তিত অনুমান কৰে। যদি তেওঁলোকে ৰামৰাজ্যৰ আকাৰত ঈশ্বৰক চাব খোজে, তেন্তে প্ৰথম আৱশ্যকীয় হব আত্ম-অন্তৰ্দৃষ্টি ( self introspection )। তেওঁলোকে নিজৰ দোষবোৰ হেজাৰগুণে ডাঙৰ কৰিব লাগিব আৰু ওচৰ-চুবুৰীয়াৰ দোষ দেখি চকু মুদিব লাগিব। প্ৰকৃত উন্নতিৰ সেইটোৱেই একমাত্ৰ পথ। আজি তেওঁলোক পৰাজিত। মুছলমানে হিন্দু আৰু শিখবোৰক শত্ৰু বুলি ভাবে আৰু হিন্দু আৰু শিখে মুছলমানক তেনে

বুলি ভাবে। ইজনাৰ সিজনৰ ধৰ্ম্মৰ প্ৰতি সিহঁতৰ সন্মান নাই। মন্দিৰ ভাঙি মছজিদ কৰা হৈছে, মছজিদ ভাঙি মন্দিৰ কৰা হৈছে। ই বৰ দুখৰ বিষয়। ইয়াৰ পৰা দুই ধৰ্ম্মৰ ধ্বংসহে হব।

## একমাত্ৰ পথ

এই জুই তেওঁলোকে কেনেকৈ নুমাব? তেওঁ তেওঁ-লোকক একমাত্ৰ পদ্ধতিৰ কথা কৈছে। আনে যি কৰক নকৰক তেওঁলোক নিজৰ আচাৰ-ব্যবহাৰত শুধ হব লাগিব। পাকিস্তানৰ হিন্দু আৰু শিখৰ দুৰৱস্থাৰ কথা তেওঁ নজনা নহয়। কিন্তু তাক জানিও তেওঁ তাক উপেক্ষা কৰিব বিচাৰে। নহলে, তেওঁ বলিয়া হব। তেওঁ ভাৰতক সেৱা কৰিব নোৱাৰিব। তেওঁলোকে ইউনিয়নৰ মুছলমানবোৰক একে তেজৰে ভাই বুলি ভাবিব লাগে। দিল্লীত শান্তি হৈছে বুলি কোৱা হৈছে। ই তেওঁক অকণো সান্ত্বনা দিয়া নাই। ইয়াৰ কাৰণ মিলিটাৰী আৰু পুলিচৰ উপস্থিতি। হিন্দু আৰু মুছলমানৰ মাজৰ ভালপোৱা হেৰোৱা নাই। অন্তৰবোৰ এতিয়াও অপৰিচিত। সেই সভাত মুছলমান আছেনে নাই তেওঁ ( গান্ধীজী ) নাজানে। কোনো থাকিলেও, তেওঁ নিৰাপদ বুলি তেওঁ নাজানে। আগদিনা প্ৰাৰ্থনা সভাত শেখ আবদুল্লা চাহেব আৰু কেইজনমান মুছলমান বন্ধু আছিল। কিদোৱাই চাহেবৰ ভাতৃৰ ভাৰ্য্যাও আছিল,

যাক নিজৰ কোনো দোষ নোহোৱাকৈ মুছৰীত নির্ম্মমভাবে বধ কৰা হয়। তেওঁ স্বীকাৰ কৰে যে তেওঁলোকৰ উপস্থিতিৰ কাৰণে তেওঁ অশান্তি ভোগ কৰিছে, তেওঁলোকৰ শৰীৰৰ কাৰণে তেওঁ ব্যগ্ৰ নহয়। তেওঁৰ সম্মুখত কাৰো বিপদ নহয় এই বিশ্বাসত তেওঁ নিজক তোষামোদ কৰিছিল। কিন্তু সিহঁত অপমানিত নহব বুলিও তেওঁ ডাঠি কব নোৱাৰে। যি কোনো প্ৰকাৰে সিহঁত অপমানিত হলে তেওঁ লাজত মূৰ দোঁৱাব লাগিব। মুছলমান ভাইৰ বিষয়ে এনে ভয় হোৱাৰ কাৰণ কি ? নিশ্চয়, নিজৰ দৰে আনৰ মাজতো সিহঁতে নিৰাপত্তা অনুভৱ কৰিব লাগে। নিজৰ দোষ ডাঙৰ কৰি নেদেখালৈকে আৰু আনৰ দোষত চকু দিয়ালৈকে ই হব নোৱাৰে। সকলোৰে চকু ভাৰতৰ ওপৰত কাৰণ ভাৰত এচিয়া আৰু আফ্ৰিকা আনকি গোটেই ভাৰতৰে আশাৰূপে থিয় দিছে। ভাৰতে এই আশা পূৰ্ণ কৰিব লাগিলে, ভ্ৰাতৃবধ বন্ধ কৰি সকলো ভাৰতীয় বন্ধু আৰু ভাই ভাই হিচাবে বাস কৰিব লাগিব। সুখী অৱস্থা বা ৰাজ্যৰ প্ৰথম আৱশ্যকীয় অৱস্থা নিষ্কলুষ অন্তৰ।

( ৩৯ )

৩০-১০-৪৭

## ইয়েই শেষ পাপনে ?

ৰাজকুমাৰীয়ে যোৱা কালি ৰাতি প্ৰাৰ্থনাৰ পিচত মোক জনালে যে, নিজৰ কৰ্ত্তব্য কৰি থাকোঁতে এজন মুছলমান হেল্‌থ অফিচাৰক নিৰ্ম্মমভাৱে হত্যা কৰা হয়। তেওঁ এজন ভাল বিবেচক চাকৰিয়াল। তেওঁৰ বিধৱা ভাৰ্য্যা আৰু লৰা-ছোৱালী আছে। বিধৱা গৰাকী ইমান বিভ্ৰান্ত হৈ পৰিছে যে তেওঁৰ একমাত্ৰ ইচ্ছা তেওঁক আৰু তেওঁৰ লৰা-ছোৱালীকো সেইদৰে নিৰ্ম্মমভাৱে হত্যা কৰিলেহেঁতেন যেহেতু নিষ্ঠুৰ হাতে তেওঁলোকৰ মাজৰ পৰা তেওঁলোকৰ যত্নলওঁতা আৰু আহাৰ যোগাওঁতাক আঁতৰাই নিছে।

যোৱা আবেলি মই আপোনালোকক কৈছোৱেই নহয় যে ওপৰত দেখিলেও ভিতৰি দিল্লীৰ অৱস্থা ভাল নহয়। মই বৰ্ণনা কৰা মতে যেতিয়ালৈকে দুৰ্ঘটনাবোৰ ঘটি থাকিব, তেতিয়ালৈকে দিল্লীৰ ওপৰ ভাগত দেখা নিস্তব্ধতাৰ কাৰণে আনন্দ কৰিবৰ কোনো কাৰণ নাই। বৰ্ত্তমান লৰ্ড হালিফাক্স আৰু আগৰ লৰ্ড আৰুইনে তেওঁৰ শাসনৰ কালত কোৱা ওপৰৰ নিস্তব্ধতাৰ কবৰৰেই এই নিস্তব্ধতা নেকি ?

ৰাজকুমাৰীয়ে আৰু কয় যে কোৰাণৰ মতে অন্তেষ্টিক্ৰিয়া কৰিবৰ কাৰণে যথেষ্ট মুছলমান বন্ধুক এক গোট খুউৱা সহজ কাম নহয়।

এই বৰ্ণনাই, মোক কৰাৰ দৰে কোনো জ্ঞানী মানুহৰ মনলৈও যে এটা শিহৰণ আনিব। দিল্লী এনে অৱস্থালৈ অহাটো উচিতনে ? অতি শক্তিশালী হলেও সংখ্যালঘুক সংখ্যাগৰিষ্ঠই ভয় কৰাটো কাপুৰুষতাৰ চিন।

মই আশা কৰোঁ যে কৰ্তৃপক্ষই এই পাপৰ সম্পাদন কৰোঁতাবোৰক ধৰি উচিত বিচাৰ কৰিব।

কোনো পাপ বা অন্যায় অতি হীন হলেও, ইয়েই যদি শেষ অন্যায় হয় তেন্তে মোৰ কবলৈ একো নাই। কিন্তু মই বৰ সন্দেহ কৰো যে ই নিৰ্দ্দেশকহে। দিল্লীৰ বিবেক নিশ্চয় ইয়াৰ দ্বাৰা সজীৱ হৈ উঠিব।

## আৰু কম্বল পোৱা হৈছে

কম্বলৰ কাৰণে ধন আহিবই লাগিছে। মই সকলো দাতাকে ধন্যবাদ জনাইছোঁ। ই ভাল কথা যে কোনো দাতায়েই কোনো সম্প্ৰদায়কে আঙুলিয়াই বস্তু দিয়া নাই।

## এখন মুকলি চিঠি

মই আৰু এটা ভয় প্ৰদৰ্শনলৈ দৃষ্টি আকৰ্ষণ কৰা দুঃখজনক কৰ্ত্তব্য কৰিব লগীয়া হৈছোঁ। এই ইংৰাজে এখন মুকলি চিঠি লিখিছে—“যাৰ লগত সম্বন্ধ তেওঁলৈ” ঃ—

“এটা বিপদজনক ঠাইৰ এডোখৰত আমি বাস কৰি আছোঁ। আমি সকলোৱেই গোৰা বৃটিচ আৰু ডাঙৰ

ব্যক্তিগত উৎসর্গা কৰিও আমি এই দেশৰ ভালৰ কাৰণে নিজক বহুত বছৰ নিয়োগ কৰিছোঁ ··আমি এতিয়া জানিব পাৰিছো, যে ভাৰতত বাকী থকা সকলো ইংৰাজক বধ কৰিবৰ কাৰণে এঠা ৰহস্যমূলক কথা ওলাইছে। আমি কাগজত পণ্ডিত নেহেৰুৰ অভয়বাণী পঢ়িছোঁ যে চৰকাৰে ৰাজ্যৰ সকলো অনুগত প্ৰজাক আৰু তেওঁলোকৰ সম্পত্তি ৰক্ষা কৰিব। কিন্তু সৰু গাওঁ আদিত বাস কৰা মানুহৰ কাৰণে কোনো আশ্ৰয় নাই। আমাৰ কাৰণে একেবাৰেই নাই। ই এটা শাৰীৰিক অসম্ভাব্যতা।" সুবিধা লৈ উল্লেখ কৰিব পৰা কথা এই মুকলি চিঠিত অনেকেই আছে। লুকাই থকা ভয়ৰ কাৰণে সাৱধান কৰিবলৈ মই যথেষ্ট প্ৰচাৰ কৰিছোঁ। অৱশ্যে, ই মাথোন ভয়ৰ হেতু হোৱাৰ বাহিৰে আন একো ইয়াত নাথাকিবও পাৰে। কোনো গোপন প্ৰচাৰো নহব পাৰে।

এনে সাৱধান অমান্য নকৰাত বিজ্ঞতা আছে। মই আশা কৰোঁ লিখকৰ ভয় ভিত্তিহীন। মই তেওঁৰ লগত একমত যে অকলশৰীয়া ঠাইত কৰ্তৃপক্ষৰ ৰক্ষাৰ সকলো প্ৰতিজ্ঞা মূল্যহীন। ইয়াক কোনোমতেই কৰিব নোৱাৰি —লাগে মিলিটাৰী আৰু পুলিচ যিমানেই কাৰ্য্যকুশল হওক; আৰু সকলোৱেই কব যে ইহঁতক এতিয়া তেনে নহয়। আশ্ৰয় ভিতৰৰ পৰা আহিব লাগে অৰ্থাৎ ঈশ্বৰত প্ৰস্তৰ-সদৃশ বিশ্বাস আৰু দ্বিতীয়তে ওচৰচুবুৰীয়া জনসাধাৰণৰ সজ

ইচ্ছাৰ পৰা। কোনোটোৱেই নাথাকিলে ভাৰতৰ আতিথ্য-বিমুখ উপকূল এৰি যোৱাই উত্তম আৰু অতি নিৰাপদ উপায় হব। দেশৰ অৱস্থা এনে হোৱা নাই। আমাৰ সকলোৰে কৰ্ত্তব্য হব লাগে বিশ্বাসী সেৱক হিচাবে ভাৰতত থাকিব বিচৰা সকলো ইংৰাজক বিশেষ মনোযোগেৰে বিবেচনা কৰা। তেওঁলোক সকলো প্ৰকাৰ অপমান বা অসন্মানৰ পৰা মুক্ত থাকিব লাগিব। আমি যদি নিজক স্বাধীন আৰু আত্ম-সন্মানবোধ-যুক্ত জাতি হিচাবে প্ৰমাণিত কৰিব খোজো তেন্তে প্ৰেচ আৰু ৰাজহুৱা অনুষ্ঠানবোৰে সকলোপ্ৰকাৰে এই বিষয়ত সতৰ্ক হব লাগিব। অতি কম সংখ্যক বা ক্ষুদ্ৰ হলেও ওচৰ-চুবুৰীয়াক সন্মান যি সকলে নকৰে তেওঁলোকে নিজক সন্মান কৰিলেও এই দাবী কৰিব নোৱাৰে।

---

## (৪০)

২১-১০-৪৭

## আন এটা অন্যায়

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে কয় যে তেওঁ আৰু এটা দুঃখজনক ঘটনাৰ কথা শুনিবলৈ পাইছে। ই সাম্প্ৰদায়িক হত্যাকাণ্ড নহয়। আপদ্‌গ্ৰস্ত মানুহজন এজন হিন্দু চৰকাৰী

চাকৰিয়াল। তেওঁক এটা সৈন্যই গুলিয়াই মাৰে, কাৰণ হুকুম মতে কাম নকৰাৰ ফলত। অতি সামান্য চেলুত বন্দুক ব্যৱহাৰ কৰা এই প্ৰবৃত্তি এটা গুৰুতৰ লক্ষণ। জীৱনৰ ওপৰত মূল্য নিদিয়া বৰ্ব্বৰ এই পৃথিৱীত আছে। চৰাই, পশু-পক্ষীক বধ কৰাৰ দৰে মানুহকো সিহঁতে গুলিয়াই মাৰে। স্বাধীন ভাৰত এই পৰ্য্যায় ভুক্তনে? জীৱ-সৃষ্টি কৰিবলৈ মানুহৰ শক্তি নাই, গতিকে সিহঁতৰ জীৱন লবলৈও সিহঁতৰ স্বত্ব নাই। তথাপিও মুছলমানে হিন্দু আৰু শিখক মাৰিছে; হিন্দু আৰু শিখেও মুছলমানক মাৰিছে। যেতিয়া এই নিষ্ঠুৰ লীলাৰ অন্ত পৰিব, তেতিয়া ৰক্তৰ প্ৰতি বাতুলতা ( lust ) মুছলমানে মুছলমানক হত্যা কৰাত আৰু হিন্দু-শিখে নিজক হত্যা কৰাত পৰিণত হব। গান্ধীজীয়ে আশা কৰে যে সিহঁতে সেই বৰ্ব্বৰ অৱস্থা নাপায়গৈ। সিহঁতে ( দুই ৰাজ্যই ) নিজক ইয়াৰ পৰা ওপৰলৈ তুলি বেলি নৌ-হওঁতেই অৱস্থাক অনুকূল নকৰিলে সিহঁতৰ ভাগ্যত এয়ে হব।

## আইনৰ লগত হস্তক্ষেপ নাথাকিব

তাৰ পিচত গান্ধীজীয়ে আন এটা প্ৰশ্নৰ উল্লেখ কৰে। কিছুমান ঠাইত কৰ্ত্তৃপক্ষই দ্ৰোহত ( rioting ) জড়িত থকা কিছুমান মানুহক আটক কৰিছে। আগৰ শাসন কালত ভুল হলেও আগতে ব্যৱস্থিত নিয়মমতে চলা ভাইচৰয়ৰ ওচৰত মানুহে দয়াৰ কাৰণে প্ৰাৰ্থনা জনাইছিল। এতিয়া

সিহঁতে সিহঁতৰ মন্ত্ৰীসকলৰ ওচৰত প্ৰাৰ্থনা কৰে। এতিয়া সিহঁতে নিজৰ ইচ্ছামতে কাম কৰিবনে ? তেওঁ সেইটো আশা নকৰে। মন্ত্ৰীসকলে খামখেয়ালিকৈ কাম কৰিব নোৱাৰে। তেওঁলোকে নিশ্চয় আইনক নিজ গণ্ডীত চলিবলৈ দিবলৈ বাধ্য। ৰাজ্যৰ দয়াৰ বিশেষ স্থল আছে আৰু উপযুক্ত পৰোৱানাৰ ( safeguard ) তলত কামত লগাব লাগে। আইনবোৰ মোকৰ্দ্দমা ( cases ) উঠাই নিবৰ একমাত্ৰ পথ সেইবোৰ বিষয়ৰ বিচাৰালয়ৰ ওচৰত সম্বন্ধ থকা বন্দীক উলিয়াই নিবলৈ কাৰণ দৰ্শাই অভিযোগকাৰীয়ে প্ৰাৰ্থনা কৰা। ঘৃণনীয় অন্যায়ত এনে সহজে মানুহ মুক্ত হব নোৱাৰে। এনে অৱস্থাত অভিযোগকাৰীয়ে আসামীৰ বিৰুদ্ধে সাক্ষ্য দিয়াৰ পৰা দূৰত থকাই যথেষ্ট নহয়। আচামীয়ে নিজৰ দোষ স্বীকাৰ কৰি দয়াৰ কাৰণে প্ৰাৰ্থনা কৰিব লাগিব। যদি অভিযোগকাৰীয়ে আন্তৰিক সহযোগ দেখুৱায় তেন্তে অবাৰিত ক্ষমা সম্ভৱপৰ। তেওঁ এইটো কথাৰ ওপৰতে বেচি জোৰ দিছে যে মন্ত্ৰীসকলৰ আনকি নিজৰ অতি আপোন মানুহৰ কাৰণে বিচাৰত হস্তক্ষেপ কৰিবৰ স্বত্ব আছে। বিচাৰ সুলভ আৰু তৎপৰ কৰা শাসনত সম্ভৱপৰ পৱিত্ৰতা নিমিত্তে কৰা গণতন্ত্ৰৰ কাৰ্য্য ( function )। কিন্তু মন্ত্ৰীসকলে অন্যায়ৰ বিচাৰালয়ক স্থানাধিকাৰ আৰু প্ৰভাৱিত কৰিবলৈ সাহ কৰা গণতন্ত্ৰ আৰু আইনক অমান্য কৰা ( negation )।

এজন বন্ধুৱে গান্ধীজীক সতৰ্ক কৰি দিয়ে যে তেওঁৰ

বক্তৃতাবোৰ ৰেডিওত প্ৰকাশিত হোৱাৰ কাৰণে তেওঁ যেন বাহিৰত ১৫ মিনিটৰ বেচি সময় কথা নহয়। তেওঁ এই সতৰ্কতা প্ৰশংসা কৰিছে। সেই কাৰণে তেওঁ তেওঁৰ মতামত কমাইছে, আৰু এই অভ্যাসমতে কাম কৰিবলৈ তেওঁ আশা কৰে।

---

( ৪৯ )

২২-১০-৪৭

প্ৰাৰ্থনাৰ পিচত বক্তৃতা দিওঁতে গান্ধীজীয়ে আৰু কম্বল আৰু কম্বলৰ কাৰণে ধন পোৱাৰ কথা কয়। এই দানৰ লগতে জড়িত থকা মহামনা প্ৰকৃতিৰ কাৰণে তেওঁ আনন্দিত।

## এখন উৰ্দ্দু বাতৰিৰ এচোৱা

আবেলি এজন বন্ধুৱে তেওঁক এখন উৰ্দ্দু বাতৰিৰ এচোৱা পঢ়ি শুনায়। তেওঁ উৰ্দ্দু বাতৰি প্ৰায় নপঢ়েই। তেওঁ উৰ্দ্দু জানে কিন্তু আৱশ্যকীয় স্বচ্ছন্দতাৰে পঢ়িব নোৱাৰে। সময়ে সময়ে বন্ধুসকলে তেওঁক উৰ্দ্দু বাতৰি পঢ়ি শুনায়। সেইদিনা তেওঁৰ আগত পঢ়া পাৰাগ্ৰাফত সম্পাদকে আন আন উত্তেজক কথাৰ উপৰিও লিখিছে যে হিন্দুবোৰ মুছলমানবোৰক ইউনিয়নৰ পৰা বাহিৰ কৰি দিয়াত দৃঢ়প্ৰতিজ্ঞ। হয় সিহঁত

যাব লাগিব নহয় নিজৰ মূৰবোৰ কটাওক। তেওঁ আশা কৰে যে ই সম্পাদকৰ মতহে প্ৰতিফলিত কৰিছে। যদি ই জনসাধাৰণৰ সৰহ সংখ্যক মত প্ৰতিফলিত কৰিছে, তেন্তে ই বৰ লাজৰ বিষয় আৰু ভাৰতৰ অস্তিত্বৰো উদ্বেগৰ বিষয়। আগদিনা আবেলি তেওঁ এই ধ্বংসমূলক নীতিৰ ফলাফলৰ কথা তেওঁলোকক কৈছে। ইয়াৰ পৰা শেহত হিন্দু আৰু মুছলমানে ইদলে সিদলক কটাকটি-মৰামৰি কৰিবগৈ। এজন বন্ধুৱে সেই বিষয়ে এফালে আৰম্ভ হোৱাৰ কথা তেওঁক কৈছে। জনসাধাৰণৰ মাজত গীতা, বাইবেল আৰু কোৰাণৰ স্থান বাতৰিয়ে লৈছে। সিহঁতৰ মানত এই ছপা কাকত অকাট্য ( gospel ) সত্য। এই কথাই সম্পাদক আৰু বাতৰিলিখক সকলৰ ওপৰত যথেষ্ট দায়িত্ব জাপি দিছে। সেই দিনা আবেলি তেওঁক পঢ়ি শুনোৱা তেনেধৰণৰ কথা কেতিয়াও প্ৰকাশ কৰিবলৈ দিব নালাগে। এনে বাতৰি বন্ধ কৰা উচিত।

## ৰাজ্য কোনফালে গৈছে

আন এজন বন্ধুৱে ৰাজ্যবোৰত দেখিবলৈ পোৱা অশান্তিৰ ( chaos ) কথা তেওঁক কয়। বৃটীচ দেশীয় ৰাজ্যবোৰৰ ওপৰত কিছু কৰ্ত্তৃত্ব চলাইছিল। সাৰ্ব্বভৌমিকতা শেষ হোৱাৰ লগতে সিও অন্ত পৰিল। চৰদাৰে সেই ঠাই ললেও তেওঁক সহায় কৰিবলৈ বৃটীশ সঙ্গীনৰ শক্তি তেওঁৰ নাই।

বেচি ভাগেই ভাৰত ইউনিয়নৰ অন্তৰ্ভুক্ত হোৱা সঁচা তথাপিও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বাধ্য হোৱাটো সিহঁতে অনুভৱ নকৰে। বহুতে ভাবিছে যে বৃটীচ আধিপত্যৰ তলতকৈ এতিয়া প্ৰজাবোৰক ইচ্ছামতে চলাবলৈ সিহঁত বেচি স্বাধীন। তেওঁ নিজেই এখন ৰাজ্যৰ তলতীয়া আৰু ৰাজন্যসকলৰ বন্ধু। সেই কাৰণে তেওঁ ৰাজন্যবৰ্গক সতৰ্ক কৰি দিয়ে যে নিজৰ প্ৰজাৰ কাৰণে প্ৰকৃত জিম্মাদাৰ ( trustees ) হোৱাই তেওঁ-লোকে নিজক ৰক্ষা কৰাৰ একমাত্ৰ পথ। স্বেচ্ছাচাৰী শাসক হিচাবে তেওঁলোক চলিব নোৱাৰে। তেওঁলোকে প্ৰজাক ধ্বংস কৰিব নোৱাৰে। ভাৰতৰ কপালত যিহকে নাথাকক কোনো দেশীয় ৰজাই স্বেচ্ছাচাৰী শাসক হোৱাৰ সপোন দেখিলে তেওঁলোকে ডাঙৰ ভুল কৰিছে। প্ৰজাৰ সদিচ্ছাৰ ওপৰতহে তেওঁলোক থাকিব পাৰে। ভাৰতৰ কোটি কোটি প্ৰজাই বৃটীচ সাম্ৰাজ্যৰ শক্তিক বাধা দি স্বাধীনতা অৰ্জ্জন কৰিছে। আজি সিহঁত বলিয়া হোৱা যেন লাগে। দেশীয় ৰজাসকলেও যেন তাকে অনুসৰণ নকৰে। স্বেচ্ছাচাৰ, ভ্ৰষ্টতা আৰু মদমত্ততাই নিশ্চিত ধ্বংস আনিবই।

## দশেৰা আৰু বকৰ-ঈদ্

সৰ্ব্বশেহত গান্ধীজীয়ে আগত-প্ৰায় দশেৰা আৰু বকৰ্-ঈদ্ উৎসৱৰ কথা উল্লেখ কৰে। সকলোৱেই উৎকণ্ঠিত। ভাৰত ইউনিয়নত গণ্ডগোল হবলগীয়া হলে হিন্দুবোৰেইহে

আৰম্ভ কৰিব। তেওঁ দশেৰাৰ মূলৰ কথা তেওঁলোকৰ মনত পেলাই দিয়ে। ৰাৱণৰ ওপৰত ৰামৰ জয়লাভৰ স্মৰণৰ কাৰণেহে ই। দুৰ্গা পূজাৰ অৰ্থ সৰ্ব্বব্যাপক শক্তিৰ পূজা। এই দহ দিনৰ পাচতে ভৰত মিলাপ। এই সকলোৰে অৰ্থ আত্ম-সংযম, অনুগ্ৰহপ্ৰৱণতা নহয় (lenience)। এই নদিন উপবাস আৰু প্ৰাৰ্থনাৰ দিন। তেওঁৰ মাকে এই ন দিন উপবাস কৰিছিল। তেওঁ সন্তানবোৰক যিমান দূৰ পাৰে সংযম অভ্যাস কৰিবলৈ শিক্ষা দিছিল। তেওঁলোকে নিজৰ ভাতৃবৃন্দক হত্যা কৰি উৎপাত কৰি সেই পৱিত্ৰ দিন পালন কৰিবনে ? জাতীয়তাবাদী মুছলমান সকলকো ধৰি ইউনিয়নৰ মুছলমান বোৰে নাজানে কালিলৈ ৰাতিপুৱা সিহঁতৰ কপালত কি আছে। তেওঁলোকে ভাৰত ইউনিয়নত জোৰ কৰি জাত্যান্তৰ কৰাৰ কষ্টত থাকিবনে ? প্ৰথমত শেষৰ অৱস্থা অতি বেয়া। তেওঁ হিন্দু আৰু শিখবোৰক বলেৰে ইচলামত দীক্ষিত কৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। তেওঁৰ পক্ষে বলেৰে দীক্ষিত হোৱাতকৈ মৃত্যুয়েই বেচি কাম্য। মুছলমানৰো সেই একে কথাই। নিজৰ কাপোৰ সলোৱাৰ দৰে যিবোৰ মানুহে নিজৰ ধৰ্ম্ম সলাব পাৰে সেইবোৰ মানুহৰ তেওঁৰ আৱশ্যক নাই। সিহঁত কোনো ধৰ্ম্মৰে লাভাংশ নহয়। তিনিটা বিকল্পিত বস্তুৰ যেই সেই এটাৰ মতে চলিলেও হিন্দু-ধৰ্ম্ম ৰক্ষা নপৰে। ইউনিয়নত থকা সকলে ভাই-ভাই দৰে থকায়েই একমাত্ৰ সন্মানজনক পথ। এই উৎসৱবোৰৰ

উপলক্ষে তেওঁলোকে সকলো শত্ৰুতা আৰু তিক্ততা ত্যাগ কৰক। তেতিয়াহে তেওঁ পূৰ্ণ আত্ম-বিশ্বাসেৰে পাকিস্তানলৈ যাত্ৰা কৰিব। যেতিয়ালৈকে হিন্দু আৰু শিখবোৰে নিৰাপদ হৈ আৰু সম্মানেৰে আৰু মুছলমান বিলাকে নিজৰ ঘৰলৈ উভতি নাহে তেতিয়ালৈকে তেওঁ সন্তুষ্ট নহয়।

---

( ৪২ )

২৩-১০-৪৭

## বন্ধু-বান্ধৱৰ লগত থকা শৰণাৰ্থীলৈ

ৰাৱলপিণ্ডিৰ পৰা দুজন শৰণাৰ্থীয়ে লিখা এখন চিঠি গান্ধীজীয়ে পঢ়ি শুনায়। চহৰৰ বন্ধুৰ ঘৰত তেওঁলোক আছে। তেওঁলোকে সকলো হেৰুৱালে আৰু জানিব খুজিছে তেওঁলোকৰ নিচিনা মানুহে কম্বল আৰু লেপ পোৱাৰ আশা আছেনে কি বুলি। গান্ধীজীয়ে উত্তৰ দিলে যে আশ্ৰয়-প্ৰাৰ্থী শিবিৰত থকা প্ৰকৃততে একো নোহোৱা শৰণাৰ্থীকহে মুক্তভাৱে কম্বল আৰু লেপ দিয়া হয়। বন্ধুসকলেহে তেওঁ-লোকৰ লগত থকা বন্ধু আৰু মিটিৰ-কুটুম্বক কাপোৰ দিয়া কৰ্ত্তব্য। কিন্তু তেওঁ বেচকৈয়ে উপলব্ধি কৰে নিজে কোনো ৰূপে চলিবলৈ কোনোমতে সক্ষম হোৱা মানুহৰ অসুবিধাৰ কথা। তেওঁলোকৰ লগত থকা সকলক তেওঁলোকে কম্বল

দিব নোৱাৰে। এনে মানুহক সহায় কৰিবৰ কাৰণে যে কোনো উপায় থাকিব লাগে সেই বিষয়ে তেওঁ স্পষ্ট। অসুবিধা এইটোৱেহে যে প্ৰকৃততে অভাৱগ্ৰস্ত নোহোৱা মানুহবোৰেও কম্বলৰ মুক্তভাবে দান বিচাৰিব। যেয়ে বিচাৰে তাকে কম্বল দিবলৈ গলে আৱশ্যকতাৰ বলে পৰা নহব। কোনেও তেওঁক নঠগিব বুলিয়েই তেওঁ কিছুমানক কম্বল দিছে আৰু যি সকলে কম্বল বিচাৰি তেওঁৰ ওচৰত অনুৰোধ কৰে তেওঁলোকৰ সঁচাকৈয়ে দৰ্কাৰ।

বিৰলা ভৱন শৰণাৰ্থীৰে ভৰা। বিৰলা ভাতৃয়ে যিমানক পাৰে আশ্ৰয় দিয়াৰ বোজা কান্ধত লৈছে। শৰণাৰ্থীক সহায় কৰিবলৈ গোস্বামীজীয়ে পাৰেমানে চেষ্টা কৰিছে। কিন্তু সমস্যা ইমান ডাঙৰ যে ইয়াৰ লগত সমানে ফেৰ মৰা টান। তেওঁ ইয়াকে বিচাৰে এই আগতপ্ৰায় শীতত যেন কোনো মানুহেই কষ্ট নাপায়।

## আৰু এটা অন্যায়

তেওঁ দুখেৰে আৰু এটা হত্যাকাণ্ডৰ কথা শুনিছে। চশমাৰ দোকান দিয়া এজন মুছলমানে সকলো শান্ত হৈছে বুলি ভাৱি দোকান খুলিবলৈ গৈছিল। তেওঁ দোকান মেলোঁতেই তেওঁক হত্যা কৰা হয়। এনে ঘটনা কিয় হব লাগে? পুলিচ আৰু মিলিটাৰী কত আছিল? দোকানখন অকলশৰীয়া ঠাইতে নাছিল। ওচৰ-চুবুৰীয়াবোৰে এই কাম

বন্ধ কৰিবলৈ চেষ্টা নকৰিলে কিয়? পাকিস্তানত নিজৰ ভাই-ককাইৰ দুঃখ-দুৰ্দ্দশা দেখি হিন্দু আৰু শিখবোৰৰ টেঙা লগা কথা তেওঁ বুজিছে। কিন্তু প্ৰতিহিংসা আৰু প্ৰতিশোধৰ ইচ্ছা দমাব লাগে। ইউনিয়নৰ নিৰপৰাধ মুছলমানবোৰৰ ওপৰত প্ৰতিশোধ লৈ সিহঁতে নিজক তললৈ ( degrade ) নিব নালাগে। হিন্দু আৰু শিখৰ দৰে দিল্লীত মুছলমানৰ নিজ ঘৰ।

## ওৱাৰ্দ্ধাত কুষ্ঠৰোগৰ সভা

ভাৰতৰ কুষ্ঠৰোগ সমস্যা সম্বন্ধে সেই দিনা আবেলি তেওঁৰ মতামত নজনায় বুলি তেওঁ ভাবিছে। ভাৰতত কুষ্ঠৰোগত ভোগা লাখ লাখ মানুহ আছে। মানুহ বেমাৰ-টোক আৰু সেই বেমাৰত ভোগা মানুহক ঘৃণা কৰে। শাৰীৰিক ভোগ কৰা মানুহতকৈ এনে অপৰিষ্কাৰ চিন্তা কৰা মানুহকহে তেওঁ বেয়া কুষ্ঠৰোগী বুলি বিবেচনা কৰে। কুষ্ঠৰোগৰ বিষয়ে আন ৰোগতকৈ ইয়াৰ ওপৰত বেচি কলঙ্ক কিয় থাকিব লাগে।

অতীতত, কুষ্ঠৰোগীবোৰক সেৱা কৰা খৃষ্টান মিছনেৰি-বোৰৰহে কম বেচি পৰিমাণে একমাত্ৰ সুবিধা আছিল। পিচলৈ পৰহিতৈষী ভাৰতীয় মানুহে ( সংখ্যাত বৰ কম হলেও ) সেৱাৰ কাৰণে আগ বাঢ়ি আহে। এনে এটা প্ৰতিষ্ঠান তেওঁ কলিকতাত দেখিছে। শ্ৰীমনোহৰ দিৱান

এনে পৰহিতৈষী মানুহ। তেওঁ শ্ৰীবিনোবাৰ শিষ্য আৰু তেওঁৰেই প্ৰৰোচনাত তেওঁ সেই সেৱাত লাগে। গান্ধীজীয়ে তেওঁক প্ৰকৃত মহাত্মা বুলি কব খোজে। তেওঁ ডাক্তৰ নহয়। কিন্তু তেওঁ বিষয়টো অধ্যয়ন কৰিছিল আৰু তেওঁৰ আন্তৰিক চেষ্টাৰ ফল স্বৰূপে ওৱাৰ্দ্ধাৰ ওচৰত কুষ্ঠৰোগীৰ উপনিবেশ গঢ়ি উঠে। মহাৰোগী সেৱা মণ্ডলে মধ্য প্ৰদেশত কুষ্ঠৰোগ নিবাৰণ কেন্দ্ৰ চালিত আৰু অনুষ্ঠিত কৰিছে। মহাৰোগী সেৱা মণ্ডলৰ চালনাৰ তলত সেই মাহৰ ৩০ তাৰিখে ওৱাৰ্দ্ধাত কুষ্ঠৰোগ কৰ্ম্মীসকলৰ এখন সভা আহ্বান কৰা হৈছে। স্বৰ্গীয় শ্ৰীনিবাস শাস্ত্ৰীয়াৰ এজন প্ৰশংসাকাৰী আৰু শিষ্য শ্ৰীজগদীশন দ্বাৰা প্ৰথমতে এই ধাৰণা ( idea ) কৰা হয়। শ্ৰীজগদীশনে নিজে কুষ্ঠৰোগত ভুগিছে। কস্তুৰবা ট্ৰাষ্টৰ এদ্‌ভাইচৰী মেডিকেল বোৰ্ডৰ আগত তেওঁ ইয়াক ডাঙি ধৰে আৰু ফলত এই সভা। এই সভাৰ সম্বন্ধত ডাঃ সুশীলা নায়াৰ ওৱাৰ্দ্ধালৈ গৈছে। ৰাজকুমাৰী অমৃত কাউৰ আৰু ডাঃ জীৱৰাজ মেহটা এই সভাত উপস্থিত থকা উচিত আছিল। জাতীয় কামত লাগি থকাৰ কাৰণে তেওঁলোকে দিল্লী এৰি যাব নোৱাৰে। তেওঁলোকৰ চকুৰ আগত পৰা জৰুৰী সমস্যাবোৰৰ এটালৈ তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে তেওঁ তেওঁলোকক এই সভাৰ কথা কয়। তেওঁলোকে নিজৰ শক্তি-সামৰ্থ্য জাতি-গঠন কামত লগাবনে ভাতৃবধত নিজক বিক্ষিপ্ত কৰি ৰাখিব ? অনুমেয় কুষ্ঠৰোগৰ সম্প্ৰদায়িক

হিংসাই অতিশয় বেয়া বিধ। যাতে এই মাৰাত্মক ৰোগৰ পৰা সিহঁতক নিৰোগ কৰিব তাৰ কাৰণে জনসাধাৰণে ঘৃণা আৰু সংশয় বঢ়োৱাতো তেওঁ যে কিমান আশা কৰে!

---

( ৪৩ )

২৪-১০-৪৭

## এটা আৰু একমাত্র প্রবৃত্তি

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে কয় কেই দিন মান আগতে কাগজত প্ৰকাশ হৈছে যে ১৭ তাৰিখে দিল্লীত বহিবলগীয়া Asiatic Labour Conference তেওঁ উদ্ঘাটন কৰিব। এই বাতৰি কাগজলৈ কোনে দিলে তেওঁ নাজানে; এই বিষয়ে তেওঁ একোকে নাজানে। তেওঁ কাগজৰ মানুহ এজনক এই কথা প্ৰতিবাদ কৰিবলৈ কৈছিল কিন্তু তেনে প্ৰতিবাদ ওলোৱা নাই। তেওঁ কব খুজিছে যে বৰ্ত্তমানত তেওঁ তেওঁৰ সকলো শক্তি-সামৰ্থ্য সেই সময়ৰ জৰুৰী সমস্যাত নিয়োগ কৰিছে। তেওঁ আন কোনো কামত মন বহুৱাব নোৱাৰে। হিন্দু, মুছলমান, পাৰ্শী, খৃষ্টান আৰু আন সকলো ভাৰতৰ সমানে সন্তান আৰু কন্যা আৰু তেওঁলোকৰ নাগৰিকতাৰ সমান স্বত্ব আছে। শৈশৱৰে পৰা এই আদৰ্শয়েই তেওঁৰ চকুৰ আগত। স্বাধীনতা পোৱাৰ লগে

লগে সেই আদৰ্শও যেন বিদূৰিত হৈছে। তেওঁলোকে সেই মাত্ৰ শুনা ভজনত কৈছে—"কোনোৱাই এজনক প্ৰশংসা কৰক বা গালি পাৰক ইয়াৰ কোনো কথা নাই, কাৰণ সকলো ঈশ্বৰৰ আগত উছৰ্গা কৰিব লাগিব।" তেওঁ ( গান্ধীজীয়ে ) তাকে কৰিবলৈ চেষ্টা কৰিছে। মানুহে ভাল পাওক তালৈ নাচাই তেওঁ যিটো সত্য বুলি বিশ্বাস কৰিছে তাকে কৈয়েই থাকিব।

## নিজৰ বিশ্বাস উজ্জ্বল ৰাখা

যোৱা কালিৰ ধনী মানুহ আজি ঘৰহীন শৰণাৰ্থী হৈ আশ্ৰয় আৰু বস্ত্ৰাদি নোহোৱাৰ কথা তেওঁ দুখেৰে উল্লেখ কৰে। অতি সোনকালেই ঈশ্বৰে তেওঁলোকৰ দুঃখ-দুৰ্দ্দশা অন্ত কৰিব, যদি তেওঁলোকে নিজৰ বিশ্বাসক উজ্জ্বল ৰাখে আৰু সত্য পথত লাগি থাকে।

## কুষ্ঠৰোগৰ সমস্যা

তাৰ পাচত তেওঁ কুষ্ঠৰোগৰ কথা কয়। এই বিষয়ে তেওঁ আগদিনা কৈছে। নিজে কুষ্ঠৰোগত ভোগা আৰু এতিয়াও আৰোগ্যলাভ অৱস্থাত থকা শ্ৰীজগদীশনে কুষ্ঠৰোগীৰ সেৱাৰ কাৰণে যথেষ্ট কৰিছে। তেওঁ সচৰাচৰ মাদ্ৰাজত বাস কৰে। কুষ্ঠৰোগ সন্মিলনৰ বন্দৱস্ত কৰিবৰ কাৰণে দুই সপ্তাহ আগতেই তেওঁ ওৱাৰ্দ্ধালৈ আহিছে। তেওঁ ( শ্ৰীজগদীশনে )

তেওঁলৈ কিছুমান প্ৰবন্ধ আৰু এক চিঠি পঠিয়াইছে; তেওঁ (গান্ধীজীয়ে) সেইবোৰ ৰাতিপুৱাহে পঢ়িছে। সেইবোৰত শ্ৰীজগদীশনে কুষ্ঠী (leper) শব্দটোৰ ব্যৱহাৰ উঠাই দিয়াৰ কাৰণ দেখুৱাইছে; কাৰণ এই শব্দটোৰ এটা কলঙ্ক আছে। তেওঁ জনাইছে যে এই ৰোগত ভোগা মানুহবোৰক (leper) নুবুলি কুষ্ঠৰোগী (leprosy patients) হে বুলিব লাগে। Scabies, হাইজা, প্লেগ আনকি সাধাৰণ পানীলগাৰ দৰে আন আন অনেক খোঁচৰা ৰোগ আছে। সম্ভৱতঃ এইবোৰতকৈ কুষ্ঠৰোগ কম সংক্ৰামক। আন ৰোগতকৈ কুষ্ঠৰোগৰ ওপৰত বেচি কলঙ্ক কিয় থাকিব লাগে? বক্তাই তেওঁলোকক কৈছে যে প্ৰকৃত কুষ্ঠ মলিন মনৰ লগতহে থাকে। লগৰ মানুহক তুচ্ছ-তাচ্ছিল্য কৰা, কোনো সম্প্ৰদায় বা মানুহ শ্ৰেণীক নিন্দা কৰা ৰোগী মনৰহে চিন, এইবোৰ তেওঁ শাৰীৰিক কুষ্ঠতাকৈ অতি বেয়া বোলে। এইবোৰ মানুহেই সমাজৰ প্ৰকৃত leper. তেওঁ নামৰ লগত বিশেষ একো জড়িত নকৰে। গোলাপক আন নাম দি মাতিলেও ইয়াৰ গোন্ধ নষ্ট নহয়।

আগদিনাই তেওঁ জনাইছে যে দিল্লীত জৰুৰী কাম থকাৰ কাৰণে ৰাজকুমাৰী অমৃত কাউৰ আৰু ডাঃ জীৱৰাজ মেহটা সন্মিলনত উপস্থিত থাকিব নোৱাৰিব। ডাঃ জীৱৰাজ মেহটা সন্মিলনত উপস্থিত থাকিব পাৰিব বুলি জনাত তেওঁ সুখী হৈছে।

সৰ্ব্বশেহত তেওঁ শ্ৰোতাসকলক জনায় যে পিচৰ দিনা আবেলি প্ৰাৰ্থনা সভা জেইলত হব আৰু, সেইকাৰণে শনিবাৰে তেওঁ তেওঁলোকৰ লগত কথা-বতৰা হব নোৱাৰে।

---

( ৪৪ )

২৫-১০-৪৭

## দিল্লীৰ বন্দীবোৰ

আজি আবেলি প্ৰায় ৩০০০ বন্দীৰ কাৰণে দিল্লী চেণ্ট্ৰেল জেইলত প্ৰাৰ্থনা সভা হয়। প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত গান্ধীজীয়ে কয় যে বন্দীবোৰৰ মাজত প্ৰাৰ্থনা সভা পাতিবলৈ নিমন্ত্ৰণ পোৱাত তেওঁ সুখী হৈছে। তেওঁ নিজে এজন প্ৰাক্তন বন্দী। তেওঁ বহুত বাৰ দক্ষিণ আফ্ৰিকা আৰু ভাৰতত কাৰাবাস বৰণ কৰিছে। দক্ষিণ আফ্ৰিকাত ভাৰতীয়, যাক কুলি নামে বৰ্ণনা কৰা হৈছিল, নিগ্ৰো আৰু তৃতীয় শ্ৰেণীৰ ইউৰোপীয়বোৰ আছিল। এই তিনিওটা শ্ৰেণীকে জেইলত পৃথককৈ ৰখা হৈছিল। সত্যাগ্ৰহী বন্দীৰ সংখ্যা বঢ়াত ভাৰতীয় আৰু নিগ্ৰোবোৰক একেটা কম্পাউণ্ডতে ৰখা হৈছিল। জেইলৰ আইনবোৰ বৰ কঠোৰ আছিল। ৰাজনৈতিক আৰু অনা-ৰাজনৈতিক বন্দীৰ

মাজত কোনো পাৰ্থক্য নাছিল। সিহঁত সকলোৱেই দোষী। এক প্ৰকাৰে ই সত্য। আইন ভঙ্গ কৰাবোৰে আইনৰ বিৰুদ্ধে দোষ কৰে।

## শ্ৰেণী ভাগ অনভিপ্সিত

ভাৰতত স্বাধীনতাৰ কাৰণে কৰা যুদ্ধখন এখন প্ৰকাণ্ড যুদ্ধ আৰু উচ্চ খাপৰ মানুহেও ইয়াৰ ভাগ লৈছিল। ফল স্বৰূপে ৰাজনৈতিক আৰু অনা-ৰাজনৈতিক বন্দীৰ মাজতে পাৰ্থক্য যে এনে নহয়, ৰাজনৈতিক বোৰৰ মাজতো ক, খ, আৰু গ ভাগ হল। তেওঁ এইবোৰ ভাগত বিশ্বাস নকৰে। তেওঁ বিশ্বাস কৰে যে ডাঙৰ হওক, সৰু হওক, সকলো মানুহেই দোষ কৰিছে। কিছুমানক ধৰি জেইলত দিয়া হয়। আনবোৰে কাৰাবাসৰ পৰা ৰক্ষা পায়। এখন ভাৰতীয় জেইলৰ এজন প্ৰধান জেইলাৰে তেওঁক কয় যে তেওঁৰ তলত থকা বন্দীবোৰতকৈ তেওঁ নিজক প্ৰায়েই ডাঙৰ দোষী বুলি ভাবে। সিহঁতক ওপৰৱালা প্ৰধান জেইলাৰক ঠগিবলৈ কোনো সক্ষম হব নোৱাৰে।

## মানসিক চিকিৎসালয় হিচাবে জেইল

স্বাধীন ভাৰতৰ সিহঁতৰ জেইলবোৰ কেনে হোৱা উচিত? তেওঁ বহুদিনৰে পৰা এই মতকে পোষণ কৰিছিল যে সকলো অপৰাধীকে ৰোগী বুলি বিবেচনা কৰিব লাগে আৰু এনে

শ্ৰেণীৰ ৰোগীবোৰৰ চিকিৎসা আৰু নিৰোগৰ কাৰণে জেইলবোৰ চিকিৎসালয় হোৱা উচিত। ধেমালিৰ কাৰণে কোনেও অপৰাধ নকৰে। ই ৰোগী মনৰ চিন। কোনো ৰোগৰ কাৰণবোৰ বিচাৰ কৰি সেইবোৰ দূৰ কৰিব লাগে। জেইলবোৰ চিকিৎসালয় হলে ৰাজবাৰীৰ অট্টালিকাৰ আৱশ্যক নাই। কোনো দেশেই এনে কৰিব নোৱাৰে আৰু ভাৰতৰ দৰে দুখীয়া দেশৰতো কথাই নকওঁ। কিন্তু জেইলৰ কৰ্ম্মচাৰীবোৰৰ দৃষ্টিপাত চিকিৎসালয়ৰ চিকিৎসক আৰু চিকিৎসাকাৰিণীৰ দৰে হব লাগে। চাকৰিয়াল বোৰক বন্দীবোৰে নিজৰ বন্ধু বুলি অনুভৱ কৰিব লাগে। সিহঁত তাত আছে সিহঁতৰ মানসিক স্বাস্থ্য ফিৰাই আনিবৰ কাৰণে, সিহঁতক যি কোনো প্ৰকাৰে নিগ্ৰহ কৰিবলৈ নহয়। জন-প্ৰিয় চৰকাৰে আৱশ্যকীয় আদেশ দিব লাগে, কিন্তু ইহাতে জেইল চাকৰিয়ালে সিহঁতৰ শাসনক নৰম ( humanic ) কৰিবলৈ একো কৰিব পৰা নাই। বন্দীবোৰৰ কৰ্ত্তব্য কি ?

## বন্দীৰ কৰ্ত্তব্য

ভূতপূৰ্ব্ব বন্দী হিচাবে তেওঁ লগৰীয়া বন্দীবোৰক উপদেশ দিয়ে আদৰ্শ বন্দী হিচাবে ব্যৱহাৰ কৰিবলৈ। সিহঁত জেইলৰ নিয়মানুবৰ্ত্তিতা ভঙ্গ কৰা উচিত নহয়। সিহঁতে সিহঁতক দিয়া যি কোনো কামতে সৰ্ব্বান্তঃকৰণে মনপুতি লাগিব লাগে। উদাহৰণ স্বৰূপে, বন্দীৰ আহাৰ সিহঁতে

নিজেই ৰান্ধে। সিহঁতে সিহঁতক দিয়া চাউল, ডাইল বা আন আন বস্তু পৰিষ্কাৰ কৰিব লাগে যাতে তাতে কোনো শিলগুটি আৰু কাঁকৰ বা ঘুণ থাকিব নোৱাৰে। বন্দীবোৰৰ যি কোনো অভিযোগ কৰ্ত্তৃপক্ষৰ আগত উপযুক্ত হিচাবে পেশ কৰিব লাগে। সিহঁতৰ সৰু সম্প্ৰদায়ৰ মাজত সিহঁতে এনে ভাৱে ব্যৱহাৰ কৰিব লাগে যাতে সিহঁত জেইলত সোমোৱাতকৈ ওলাই যাবৰ সময়ত ভাল মানুহ হৈ যাব পাৰে।

বন্দীবোৰৰ মাজত হিন্দু, শিখ আৰু মুছলমান থকা গান্ধীজীয়ে জানে। সিহঁতৰ শ্ৰেণীৰ ভিতৰত যেন সাম্প্ৰদায়িকতাৰ বিহ নোসোমায়। সিহঁত সকলো বন্ধু আৰু ভাতৃহিচাবে বাস কৰিব লাগে যাতে সিহঁত ওলাই যাওঁতে বাহিৰৰ বলিয়ালি বাধা দিব পাৰে। তেওঁ সকলো মুছলমান বন্দীক ইদ মোবাৰক যাচে আৰু আশা কৰে যে অনা-মুছলমান বন্দীবোৰেও সিহঁতৰ মুছলমান বন্ধুবোৰকো তেনে কৰে।

---

## (৪৫)

২৬-১০-৪৭

### দশেৰাৰ শিক্ষা

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত এখন চিঠিৰ কথা উল্লেখ কৰি গান্ধীজীয়ে আৰম্ভ কৰোঁতে জনতাৰ এজনে তেওঁক অনুসৰণ

কৰা মানুহবোৰে বছাৰ বছাৰ ৰামক দশেৰা দিনত ৰাৱণৰ প্ৰতিমূৰ্ত্তিক অগ্নিসংযোগকাৰী হিচাবে বৰ্ণনা কৰাত আৰু হিংসা প্ৰবৃত্তিক উৎসাহ দিয়াত প্ৰতিহিংসা আৰু প্ৰতিশোধক ভুল বা অন্যায় বোলাৰ কিবা অৰ্থ আছেনে বুলি সোধে। এই প্ৰশ্নত দুটা ভুল ( fallacies ) আছে বুলি গান্ধীজীয়ে কয়। তেওঁ নিজে নহলে তেওঁৰ আৰু কোন অনুসৰণকাৰী আছে তেওঁ নাজানে। আকৌ অনুষ্ঠান পদ্ধতিৰ ব্যাখ্যাও একেবাৰে ভুল। ই ( যে অকল ) ভিতৰুৱা হিংসাক নিৰুৎসাহ কৰিছেই তাৰ উপৰি ই যে একমাত্ৰ বা সম্পূৰ্ণভাবে ঈশ্বৰৰ হাতত যাক হিন্দুধৰ্ম্মত ৰাম বোলে তাক দেখুৱায়ো এই কাম নিৰুৎসাহ কৰিছে। তেওঁ মানুহৰ প্ৰাণৰ একমাত্ৰ অভ্ৰান্ত পাঠক আৰু সেই কাৰণেই ৰাৱণ কোন তেওঁ জানে। যদি সকলোৱেই ৰামৰ স্থান নিজৰ ওপৰত জাপি লয় তেন্তে ৰাৱণ কোন হব ? ত্ৰুটি বিশিষ্ট মানুহৰ আন ত্ৰুটিপূৰ্ণ মানুহৰ বিচাৰ কৰিবৰ কোনো স্বত্ব নাই। ই অমানুষিক আৰু হিন্দুৱে মুছলমানৰ ওপৰত আৰু মুছলমানে হিন্দুৰ ওপৰত হাত দিয়াটো অধৰ্ম্ম। সেই বাটেদি হিন্দুধৰ্ম্ম আৰু ইচলামৰ ধ্বংসহে আহে। সেই কাৰণে তেওঁ ( বক্তাই ) আনন্দ প্ৰকাশ কৰিছে যে সনাতনী হিন্দু হিচাবে তেওঁ হিন্দু, মুছলমান আৰু আন আন ধৰ্ম্মৰ মানুহবো প্ৰতিনিধিত্ব কৰিছে।

## কাশ্মীৰৰ ঘটনা

কাশ্মীৰৰ ঘটনাৰ বিষয়ে তেওঁক জানেনে নাজানে সেই কথা তেওঁলোকে সুধিব পাৰে। কাগজে যি খবৰ দিছে সিমানলৈকে তেওঁ জানে। বাতৰি কাকতৰ বাতৰি সঁচা হলে, কাশ্মীৰৰ ঘটনাৱলী নিশ্চয়ে অশুভ। দোষাৰোপ (charge) হৈছে যে কাশ্মীৰক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ পাকিস্তান চৰকাৰে বলপ্ৰয়োগ কৰিছে। যেই কোন এখন ডমিনিয়নৰ অন্তৰ্ভুক্ত কৰিবলৈ কাশ্মীৰ বা হায়দৰাবাদ বা সৰু জুনাগড় বা আন দেশীয় ৰাজ্যৰ ওপৰত কোনেও বলপ্ৰয়োগ কৰিব নোৱাৰে। ইয়াৰ সমাধান কি? তেওঁ সকলো ৰজা আৰু মহাৰাজাক বিনীতভাৱে কৈছে যে তেওঁলোকৰ ৰাজ্যৰ তেওঁলোক প্ৰকৃত শাসক। বৰ্ত্তমান শাসনকৰ্ত্তাবোৰ বৃটিচ সাম্ৰাজ্যবাদৰ সৃষ্টি। সকলো ৰাজ্যৰ প্ৰকৃত শাসক হৈছে প্ৰজা আৰু সিহঁতৰ ইচ্ছায়েই প্ৰধান। ৰজা আৰু মহাৰাজাসকল একমাত্ৰ ট্ৰাষ্টি হিচাবেহে থাকিব। বাহিৰৰ বা ভিতৰৰ পৰা কোনো বলপ্ৰয়োগ নোহোৱাকৈ বা নেদেখুৱাকৈ কাশ্মীৰৰ প্ৰজাই মীমাংসা কৰিব তেওঁলোক কোন ডমিনিয়নত থাকিব। এই নিয়ম সাৰ্ব্বজনীন প্ৰয়োগ।

## কলিকতাত শান্তি বিৰাজমান

তেওঁ কলিকতাৰ পৰা এখন টেলিগ্ৰাম পাইছে—তাত জনোৱা হৈছে যে বৰ শান্তিৰে কলিকতাত দশেৰা আৰু

ঈদ্ সমাধা হৈছে। তেওঁ কলিকতাত থাকোঁতেই তাত এটা শান্তিসেনাৰ দল গঠিত হৈছে। টেলিগ্ৰামত কোৱা হৈছে যে শান্তিসেনাই পৰিশ্ৰমেৰে নিজক এই কামত আত্মনিয়োগ কৰিছে। তেওঁলোকৰ কিছুমান সভ্যক পূৰ্ব্ববঙ্গলৈ পঠোৱা হৈছে। তাতো দশেৰা আৰু ঈদ্ শান্তিৰে সমাধা হোৱা যেন দেখা গৈছে। তেওঁলোকে দিল্লীত আৰু সকলো ঠাইতে কলিকতাক অনুসৰণ নকৰিব? সেই দিনা কিছুমান মুছলমানে দেখা কৰিবলৈ আহে। তেওঁ সকলোৰে বন্ধু আৰু সেই কাৰণেই সকলো সম্প্ৰদায়ৰ মানুহ তেওঁৰ ওচৰলৈ আহে। তেওঁ এইবোৰ মুছলমানকো ঈদ্ মোবাৰক যাঁছে কিন্তু অবিশ্বাসৰ মাজত তেওঁৰ অন্তৰ গধুৰ।

## বেচ কৰিলা ৰত্‌লম্

ৰট্‌লমৰ হৰিজন সেৱা-সঙ্ঘৰ চেক্রেটাৰীৰ পৰা তেওঁ এখন টেলিগ্ৰাম পাইছে। তাৰ মহাৰাজাই ঘোষণা কৰিছে যে ৰাজ্যত তেতিয়াৰ পৰা দায়িত্বশীল চৰকাৰ হব আৰু তেতিয়াৰ পৰা ট্ৰাষ্টি আৰু ৰাজ্যৰ সকলো মন্দিৰ হৰিজনৰ কাৰণে খুলি দিয়া হব। হৰিজন আৰু বৰ্ণহিন্দুবোৰ মহাৰাজাৰ লগত ৰাজ্যৰ মন্দিৰলৈ যায়। হিন্দুধৰ্ম্ম থাকিবলগীয়া হলে, সকলো হিন্দুৰ অন্তৰৰ পৰা অস্পৃশ্যতাৰ শেহ চিনো মচি পেলাব লাগিব। সাম্প্ৰদায়িক সংঘৰ্ষৰ লগত অস্পৃশ্যতাৰ ক্ষতৰ বিশেষ সম্বন্ধ। ঈশ্বৰৰ আগত সকলো

সমান। নিজৰ ধৰ্ম্মৰ নহয় বুলি কোনো মানুহক অৱজ্ঞা কৰা ঈশ্বৰ আৰু মানুহৰ আগত এটা পাপ। ই অস্পৃশ্যতাৰ এক প্ৰকাৰ।

---

( ৪৬ )

২৭-১০-৪৭

## এৰি যাবলৈ বাধ্য কৰা হৈছে?

বাৰে বাৰে অভিযোগ কৰা হৈছে যে মুছলমানবোৰক ইউনিয়নৰ নিজৰ পৈতৃক ভেটি এৰি পাকিস্তানলৈ যাবলৈ বাধ্য কৰা হৈছে। গতিকে শুনা গৈছে যে নানা উপায়েৰে সিহঁত ভেটি ত্যাগ কৰিবলৈ আৰু ৰেলেৰে বা খোজকাঢ়ি যাবৰ কাৰণে শিবিৰত ৰবলৈ বাধ্য কৰা হৈছে। মই বেচ জানো এইটো কেবিনেটৰ নীতি নহয়। এই বিষয়ে মই অভিযোগ-কাৰীবোৰক কলে সিহঁতে হাঁহে আৰু উত্তৰত কয় যে হয় তেওঁৰ বাতৰি ভুল বা চাকৰিয়ালবোৰে এই নীতি কাৰ্য্যত পৰিণত নকৰে। মই জানো যে মোৰ বাতৰি একেবাৰে সত্য। তেন্তে চাকৰিয়ালবোৰ অবাধ্য নে কি? মই আশা কৰো—নহয়। কিন্তু আপত্তি সাৰ্ব্বজনীন এনে অবাধ্যতাৰ কাৰণে নানা কাৰণ দৰ্শোৱা হয়। বেচি যুক্তিপূৰ্ণ কাৰণ হৈছে মিলিটাৰী আৰু পুলিচ বেচি ভাৱে সাম্প্ৰদায়িক

ভিত্তিত বিভক্ত, আৰু মানুহবোৰ চলি থকা কুসংস্কাৰত পৰাস্ত হয়। মই মোৰ মত দিছোৱেই যে, এই মানুহবোৰে, যাৰ ওপৰত আইন আৰু শৃঙ্খলাৰ ৰক্ষণৰ ভাৰ, সাম্প্ৰদায়িক কলঙ্কৰ দ্বাৰা প্ৰভাৱিত হয় তেন্তে শৃঙ্খলাৱদ্ধ চৰকাৰে বিশৃঙ্খলাক ঠাই দিব যদি এইটোৱেই হয় আৰু সমাজ ভাগি যাব। সাম্প্ৰদায়িকতাৰ ওপৰ উঠাতো চাকৰিয়ালৰ ওপৰৱালাবোৰৰ কৰ্ত্তব্য আৰু তেতিয়া তলখাপৰবোৰক সেই একে স্বাস্থ্যপূৰ্ণ ভাৱেৰে সংক্ৰমিত কৰিব লাগিব।

## নৈতিক বল শাৰীৰিক

বেচ জোৰেৰেই কোৱা হৈছে যে দেশত স্থাপিত হোৱা জনপ্ৰিয় চৰকাৰৰ এইখিনি সন্মানো নাই যে চাকৰিবোৰৰ ভাৰতীয় সভ্যক ভয়-বিহ্বল কৰা সামৰ্থ্যই বৈদেশিক বিভাগতন্ত্ৰ শাসন দিলে। ই আংশিক সত্য। কাৰণ, জনপ্ৰিয় চৰকাৰে এটা নৈতিক শক্তি প্ৰয়োগ কৰে যিটো বৈদেশিক চৰকাৰে নিজৰ সহায়ৰ কাৰণে নিয়োগ কৰা শাৰীৰিক শক্তিতকৈ অনেক গুণে উত্তম। দেশীয় চৰকাৰক যে জনতাই সহায় কৰিব এই ৰাজনৈতিক কৰ্ত্তব্যানুৰাগৰ অধিকাৰ এই নৈতিক শক্তিয়ে আগেয়ে স্বীকাৰ কৰে আজি ইয়াৰ অভাৱ হব পাৰে। কেন্দ্ৰৰ মন্ত্ৰীসভাই ইস্তফাৰ বাহিৰে ইয়াক বাধা দিয়াৰ আন একো উপায় নাই। আজি আবেলি আমি যিটো বিশেষকৈ পৰীক্ষা কৰিছো সেইটো

হৈছে কেন্দ্ৰীয় কৰ্তৃপক্ষৰ অৱস্থা। ই কেতিয়াও দুৰ্ব্বল নহব, আৰু বিশেষ আৱশ্যকীয়, ই কেতিয়াও দুৰ্ব্বল বুলি অনুভৱ কৰিব নোৱাৰে। ইয়াৰ নিজৰ শক্তিৰ ওপৰত আস্থা থাকিব লাগিব। গতিকে, চাকৰিয়ালবোৰৰ মাজত সামান্য ভাৱে অবাধ্যতা থকা কথাটো যদি সঁচা, তেন্তে দোষী জন ওলাই যাব লাগিব নাইবা মন্ত্ৰীসভা বা দায়িত্বশীল মন্ত্ৰীয়ে পদ ইস্তফা দিব লাগিব আৰু অফিচৰ বিশৃঙ্খলতাক কৃত-কাৰ্য্যতাৰে বিচাৰ কৰিব পৰা জনক স্থান দিব লাগিব। ইতস্ততঃ কৰি, মোৰ ওচৰলৈ অনবৰত আহি থকা অভিযোগৰ কথা কওঁতে মই এই আশাকে কৰিম যে সিহঁতৰ গভীৰতা নাই আৰু থাকিলেও যেতিয়ালৈকে সুবিচাৰ বা সত্যতা আছে তেতিয়ালৈকে প্ৰৱল কৰ্তৃপক্ষই সন্তোষজনকভাৱে সেইবোৰৰ বিচাৰ কৰিব।

## নাগৰিকৰ কৰ্ত্তব্য

ইউনিয়নৰ দুৰ্দ্দশাগ্ৰস্ত নাগৰিকবোৰৰ কৰ্ত্তব্য কি ? নিজৰ ঠাই বা ঘৰ এৰিবলৈ নাগৰিকক বাধ্য কৰিব পৰা আইন নোহোৱা কথাটো স্পষ্ট। আগেয়ে দিয়া হুকুমৰ দৰে হুকুম দিবলৈ কৰ্তৃপক্ষই বিশেষ শক্তিৰে নিজক প্ৰস্তুত কৰিব লাগিব। মই যিমান দূৰ জানো কাৰবাত নামন বাহিৰ কৰা কোনো তেনে লিখিত আদেশ নাই। বৰ্ত্তমান অৱস্থাত হাজাৰে হাজাৰে নিৰ্দ্দেশিত মুখৰ আদেশত জড়িত। পোছাক

পৰিহিত মানুহৰ যি কোনো হুকুমত মানুহক আত্মসমৰ্পণ কৰিবলৈ ভয় খুউৱা মানুহৰ লগত উপায় নাই। এইবোৰ মানুহলৈ মোৰ বলেৰে দিয়া উপদেশ এয়ে যে তেওঁলোকে লিখিত আদেশ বিচাৰিব লাগিব ; যিবোৰৰ সত্যতা সন্দেহ-স্থলত বিচাৰালয়ত প্ৰমাণিত হব যদি শেষ কাৰ্য্যকৰীলৈ ( executive ) কৰা আপিলে সন্তোষ দিব নোৱাৰে।

সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ ( সেই ঘৃণিত নাম ) প্ৰতিনিধিত্ব কৰা জনসাধাৰণে আইন নিজৰ হাতত তুলি লোৱাৰ পৰা বিৰত থাকিব। যদি নকৰে, তেন্তে সিহঁতে যি ডালৰ ওপৰত বহি আছে তাকে কাটিব। এই যি পৰিল বা অধঃপতন তাৰ পৰা মূৰ ভঙাটো টান হব। সময় থাকোঁতেই সিহঁতৰ অন্তৰত যেন জ্ঞান জাগি উঠে। বাতৰি সঁচা হলেও কুৎচিত ঘটনাৰ দ্বাৰা যেন সিহঁত উত্তেজিত নহয়। ন্যায়ৰ ৰক্ষণৰ কাৰণে আৱশ্যকীয় কাম কৰিবৰ কাৰণে সিহঁতে প্ৰতিনিধি-স্বৰূপ মন্ত্ৰীসকলক বিশ্বাস কৰক।

---

( ৪৭ )

২৮-১০-৪৭

## বিনয় ব্যৱহাৰ

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত শ্ৰোতাসকলৰ মাজৰে এজনৰ পৰা পোৱা চিঠি এখনৰ কথা গান্ধীজীয়ে উল্লেখ কৰে। তেওঁ

চিঠিত জনাইছে যে এজন মুছলমান টম্বু ব্যৱসায়ীৰ পৰা তেওঁ কিছুমান আঁৰ কাপোৰ আৰু টম্বু টকা দি ভাৰা কৰিছে। দোকানীজন এতিয়া পাকিস্তানত। গৰাকীৰ অভাৱত সেই ভাৰা কৰা বস্তুবোৰ কাক দিব লিখকে সেই কথা নাজানে। এই কথা চৰদাৰ বা শ্ৰীনিয়োগীক জনাব লাগে বুলি গান্ধীজীয়ে কয়।

## আলিগড় ছাত্ৰসমূহ

তাৰ পাচত আলিগড় কলেজৰ ছাত্ৰ গান্ধীজীৰ ওচৰলৈ অহাৰ কথা কয়; সিহঁতে তেওঁক কৈছে যে পাকিস্তানৰ পৰা বহুত ছাত্ৰ আলিগড়লৈ ঘূৰি অহা নাই। কিন্তু যি সকল এতিয়া কলেজত আছে তেওঁলোকে ঠিক কৰিছে যে সাম্প্ৰদায়িক সদ্ভাৱৰ কাৰণে তেওঁলোকে মনে মনে যি পাৰে কৰিব। তেওঁলোকৰ কাৰণে উত্তম উপায় হৈছে এয়ে যে তেওঁলোকে হিন্দু আৰু শিখ শৰণাৰ্থী শিবিৰলৈ গৈ সিহঁতৰ মাজত কম্বল বিলাই দিয়ক। এনে ধৰণে হিন্দু আৰু শিখ ভাই সকলক সেৱা কৰাৰ ইচ্ছাক প্ৰশংসা কৰোঁতে গান্ধীজীয়ে কয় যে বৰ্ত্তমান অৱস্থাত এনে ধৰণৰ সাহায্য অনাৱশ্যক। ই বৃথায়ে যোৱাৰ সম্ভাবনা আছে। তেওঁৰ উপদেশ হৈছে ছাত্ৰসকল পাকিস্তানলৈ যাওক আৰু হিন্দু আৰু শিখবোৰে কিয় নিজৰ ঘৰ এৰি গৈছে মুছলমান বোৰক সোধকগৈ। মুছলমান শৰণাৰ্থীবোৰৰ কাৰণে তেওঁ হিন্দু আৰু শিখবোৰৰ

পৰা আশা কৰাৰ দৰে তেওঁলোকে শৰণাৰ্থীবোৰক নিজৰ ঘৰলৈ ফিৰি যাবলৈ কবলৈ মানুহবোৰক কওকগৈ। সাধাৰণ নিয়ম হিচাবে বিনা কাৰণত কোনেও নিজৰ ঘৰ এৰিবলৈ নিবিচাৰে। গান্ধীজীৰ মতে এইটোৰ প্ৰত্যাবৰ্ত্তন নহলে দুই দলৰ মাজত শান্তি হোৱাটো অসম্ভৱ।

## টিকেটহীন ভ্ৰমণৰ অন্যায়

গান্ধীজীয়ে তাৰ পিচত টিকেটহীন ভ্ৰমণৰ কথা উল্লেখ কৰে; আজিকালি ই এটা সাধাৰণ ৰোগ হৈ পৰিছে। মানুহবোৰ ভাবিছে যে স্বাধীনতাৰ তলত ৰেলত বা বাচত বিনা পয়চাই সকলো ফুৰিব পাৰে। টিকেটহীন ভ্ৰমণৰ ফল স্বৰূপে চৰকাৰে প্ৰায় ৮ কোটি টকা লোকচান দিছে। এই লোকচান কোনে ভৰিব ? ইয়াৰ বাদেও লাখ লাখ শৰণাৰ্থীক আহাৰ আৰু বস্ত্ৰ যোগোৱাৰ সমস্যা আছেই। এই গধুৰ বোজা ববলৈ ভাৰত ইমান ধনী নহয়। এইদৰেই হৈ থাকিলেই, ভাৰত ধ্বংস হব। ৰেলে যদি কোটি কোটি টকা উপাৰ্জ্জন কৰে, ৰেলে চলোৱা খৰচো বৰ কম নহয়। গতিকে এইবোৰ ঘটনা বেচি দিনলৈ হৈ থাকিলে ভাৰত ধ্বংসৰ সন্মুখীণ হব। তেওঁ শুনিছে পাকিস্তানতো বৰ ভাল নহয়।

তাৰ পিচত গান্ধীজীয়ে ৰেলগাড়ীবোৰত স্বাস্থ্যৰ নিয়মৰ কথা শ্ৰোতাবোৰক মানিবৰ কাৰণে কয়। গাড়ীৰ ভিতৰত থু থু কৰা এটা উদাহৰণ। বিশেষ কাৰণ নোহোৱাকৈ ৰেলৰ

সঙ্কেত শিকলি টনা আদি ৰেলৰ নিয়ম নমনাটোও তেওঁ নিন্দা কৰে।

যদি তেওঁ ৰেল শাসনৰ মূলকৰ্ত্তা হলহেঁতেন, তেন্তে গান্ধীজীয়ে ৰেল চলাওঁতা সকলক উপদেশ দিলেহেঁতেন যে যাত্ৰীসকলে টিকেট নিকিনিলে ৰেল চলোৱা বন্ধ হব আৰু যাত্ৰীবোৰে ভাৰা দিলেহে গাড়ী পুনৰ চলিব এই বুলি তেওঁলোকে জনসাধাৰণক কওক।

---

## ( ৪৮ )

২৯-১০-৪৭

## দিলীপ কুমাৰ ৰায়

প্ৰাৰ্থনাৰ পিচত বক্তৃতা দিওঁতে গান্ধীজীয়ে সেইদিনা আবেলি ভজন গাওঁতা শ্ৰীদিলীপ কুমাৰ ৰায়ক জনতাক চিনাকী কৰি দিয়ে। গান্ধীজীয়ে কয় যে যদিও গান্ধীজীয়ে সঙ্গীত বিত্তাৰ বিষয়ে একো নাজানে, তথাপি তেওঁৰ বন্দী হৈ থকা অৱস্থাত পুনাৰ চেচুন হস্পিতালত তেওঁক অপাৰেচন কৰোঁতে তাত প্ৰথম তেওঁৰ গান শুনাতকৈ এতিয়া তেওঁৰ মাত বেচি মধুৰ আৰু সুন্দৰ যেন লাগে। বোধ কৰোঁ, পৃথিৱীৰ অতি কম মানুহৰেই শ্ৰীৰায়ৰ মাতৰ স্বাভাৱিক মধুৰতা আছে। ঋষি অৰবিন্দৰ পণ্ডিচেৰীৰ আশ্ৰমৰ মানুহ

তেওঁ। শ্ৰোতাসকলে জনা উচিত যে সেই আশ্ৰমত জাতি বা ধৰ্ম্মবিষয়ক কোনো ভেদাভেদ নাই। তেওঁৰ মনত আছে যে স্বৰ্গীয় চাৰ আকবৰ হায়দৰী সেই আশ্ৰমলৈ তীৰ্থযাত্ৰী হিচাবে গৈছিল। স্বভাৱতে, শ্ৰীৰায় পিতা-মাতাৰ অনুৰূপ সন্তান; আৰু কোনো কুসংস্কাৰ নাই। দিনটোৰ আগ-ভাগতে তেওঁ তেওঁক দেখা কৰিবলৈ গৈছিল আৰু বন্দে-মাতৰম্ আৰু ইকবালৰ চাৰা জাহানমে আচ্ছা এই দুটি গীত গায়। আবেলিৰ ভজনটোৰ শেষৰ শাৰীকিটাৰ অৰ্থ এয়ে যে ধনীৰ কোটি কোটি টকা ৰাজপ্ৰাসাদ, ঘোঁৰা আদিত আৰু সাধুৰ সকলো আছে আৰু পাইছে ঈশ্বৰত থাক তেওঁ মুৰাৰি, ৰাম, হৰি ইত্যাদি নামেৰে মাতে। যদি সকলোৱে এই শিক্ষা অন্তৰত গ্ৰহণ কৰে, তেন্তে তেওঁলোকৰ সকলো কুসংস্কাৰ দূৰ হব।

## কাশ্মীৰৰ আকস্মিক দুৰ্দ্দশা

কাশ্মীৰৰ অৱস্থাৰ কথা উল্লেখ কৰি গান্ধীজীয়ে কয় যে মহাৰাজা চাহেৰে দুখত ইউনিয়নত অন্তৰ্ভুক্ত হবলৈ বিচৰাত গৱৰ্ণৰ জেনেৰেলে এই আবেদন নামঞ্জুৰ কৰিব নোৱাৰে। তেওঁ আৰু মন্ত্ৰীসভাই কাশ্মীৰলৈ আকাশেদি সৈন্য পঠাইছে আৰু মহাৰাজাক জনায় যে ধৰ্ম্মৰ পাৰ্থক্য নকৰাকৈ কাশ্মীৰী-বোৰৰ নিৰপেক্ষ সৰ্ব্বসাধাৰণৰ মত ( plebisiteৰ ) নিৰ্ভৰ কৰি এই অন্তৰ্ভুক্তি কিছুকালৰ কাৰণে বিহিত থাকিব।

মহাৰাজাই জ্ঞানীলোকৰ দৰে শেখ আব্দুল্লাক সকলো শক্তি দি তেওঁৰ মন্ত্ৰী পাতে। আৰু তেওঁ বাতৰিত পঢ়ি সুখী হৈছে যে শেখ চাহেবে নিজৰ অধ্যবসায় দেখুৱাইছে আৰু এই আমন্ত্ৰণ অন্তৰেৰে গ্ৰহণ কৰিছে। অৱস্থানো কি? কোৱা হৈছে যে আফ্ৰিদি আদিৰে গঠিত বিদ্ৰোহী সৈন্য উপযুক্ত নেতাৰ তলত শ্ৰীনগৰৰ ফালে আগ বাঢ়িছে, বাটৰ কাষত থকা গাওঁবোৰ জ্বলাই, লুটপাট কৰি আনকি বিদ্যুতৰ power house ধ্বংস কৰি শ্ৰীনগৰক অন্ধকাৰত পৰিণত কৰিছে। পাকিস্তান চৰকাৰৰ কোনো প্ৰকাৰৰ উৎসাহ নোপোৱাকৈ এনেভাৱে সোমোৱাটো বিশ্বাস কৰিবলৈ টান লাগে। এই ঘটনাৰ গুণাগুণ বিচাৰ কৰিবলৈ তেওঁৰ হাতত যথেষ্ট সঁজুলি নাই। তেওঁৰ কাৰণে আৱশ্যকো নাই। তেওঁ ইয়াকে জানে যে শ্ৰীনগৰলৈ এমুঠি হলেও সৈন্য পঠোৱাটো ইউনিয়ন চৰকাৰৰ স্বত্ব। কাশ্মীৰীসকলক, বিশেষকৈ মৰমৰে মতা শেৰ এ কাশ্মীৰ বা কাশ্মীৰ সিংহ শেখ চাহেবক আত্ম-বিশ্বাস দিবলৈকো ই অৱস্থাক সংযত কৰিব। ইয়াৰ ফল ভগৱানৰ হাতত। মানুহে মাত্ৰ কৰিব পাৰে বা মৰিব পাৰে। কাশ্মীৰক সাহসেৰে ৰক্ষা কৰোঁতে সৰু ইউনিয়ন দলক মচি পেলালেও তেওঁ এটোপা চকু পানী নেপেলায় বা কাশ্মীৰক ৰক্ষা কৰোঁতে শেখ চাহেব তেওঁৰ মুছলমান, হিন্দু আৰু শিখ লগৰীয়াবোৰ, মতা আৰু তিৰোতা মৰিলেও তেওঁৰ দুঃখ নাই। বাকী ভাৰতলৈ ই এটা জিলিকি থকা

গৌৰৱজনক আদর্শ হব। এনে বীৰত্বপূর্ণ ৰক্ষণে ( defence ) গোটেই ভাৰত সংক্ৰমিত কৰিব আৰু আমি পাহৰি যাম যে হিন্দু, মুছলমান আৰু শিখ কেতিয়াবা শত্ৰু আছিল। তেতিয়া তেওঁলোকে বুজিব যে সকলো মুছলমান, হিন্দু আৰু শিখ নৰপিশাচ ( fiend ) নহয়। সকলো জাতি আৰু ধৰ্ম্মতে সাধু মতা আৰু তিৰোতা আছে। ভাল মতা আৰু তিৰোতাৰ কাৰণেহে পৃথিৱীখন আছে। আনকি গোটেই বিদ্ৰোহী সৈন্যদল সজ্জানলৈ আহিলেও তেওঁ আচৰিত নহয়। তেওঁলোকে ভজনৰ ভাৰ ( refrain ) মনত পেলাওক— "আমি সকলোৱেই একেজন ঈশ্বৰৰে, আৰু তেওঁৰ পৰাই আহিছোঁ, লাগে আমি যি কোনো নামেৰেই তেওঁক আৰাধনা কৰোঁ।"

---

( ৪৯ )

৩০-১০-৪৭

## অহিংসাৰ কৰ্ম্ম

এই আবেলিও আগৰ দৰেই প্ৰাৰ্থনাৰ আগতে কোৰাণৰ বাণী পাঠ কৰাত কাৰবাৰ আপত্তি আছে নেকি বুলি সোধাত এজনে ঠিয় দি কৈ নিজৰ আপত্তিতে লাগি আছিল। গান্ধীজীয়ে স্পষ্টকৈ কয় যে যদি এনে আপত্তি

আছে তেন্তে তেওঁ এইদৰে মুকলি প্ৰাৰ্থনা নকৰে আৰু প্ৰাৰ্থনাৰ পিচত বৰ্ত্তমান সময়ৰ ঘটনাৰ বক্তৃতা নিদিয়ে। ফলত তেওঁ জনাই দিয়ে জনসাধাৰণৰ আগত কোনো প্ৰাৰ্থনা বা বক্তৃতা দিয়া নহব। কিন্তু জনতাই গান্ধীজীক নোচোৱাকৈ প্ৰস্থান নকৰে। সেই কাৰণে তেওঁ বক্তৃতামঞ্চলৈ গৈ তেওঁ বুজা মতে অহিংসাৰ কৰ্ম্ম আৰু abstentionৰ কাৰণৰ বিষয়ে কেই আষাৰমান কথা কয়। তেওঁ কয় যে বিশেষকৈ বেচৰকাৰী ঘাঁহনিত ( private lawns ) কৰা প্ৰাৰ্থনাত আপত্তি কৰাটো অনুচিত। সি যি কি নহওঁক তেওঁৰ অহিংসাই এজন আপত্তিকাৰীকো অমান্য কৰাত সাৱধান দিছে যেতিয়া এটা বিৰাট জনতাই এজন মানুহৰ নিস্তব্ধতাৰ কাৰণে ভয় খুৱাব পাৰে। গোটেই জনতাই আপত্তি কৰিলে কথা বেলেগ। তেতিয়া কষ্ট খোৱাৰ ভয়লৈ পিঠি দিওঁ প্ৰাৰ্থনা সভা পতা তেওঁৰ কৰ্ত্তব্য। এইটো বিচাৰো আছে যে এজন আপত্তিকাৰীৰ কাৰণে সৰহ সংখ্যক মানুহক হতাশ কৰা উচিত নহয়। ইয়াৰ নিবাৰণ সৰল। যদি সংখ্যগৰিষ্ঠই নিজক সংযত কৰি এই অকলশৰীয়া আপত্তিকাৰীৰ বিপক্ষে কোনো খং ভাৱ নাৰাখে বা বেয়া অভিসন্ধি নাৰাখে তেন্তে প্ৰাৰ্থনা সভা পতা তেওঁৰ কৰ্ত্তব্য। এইটোৱেই সম্ভৱ যে যদি জনতাই ইচ্ছা আৰু কাৰ্য্যত অহিংস হয় তেন্তে আপত্তিকাৰীয়ে নিজকে সংযত কৰিব। তেওঁৰ মতে এইটোৱেই অহিংসাৰ কাৰ্য্য। তেওঁ আৰু কয় যে সত্যতা আৰু অহিংসা

কেইজনমান পাৰ্গত মানুহৰ একেচেতীয়া বস্তু নহয়। ঈশ্বৰৰ আদেশ হিচাবে জনাজাত আচৰণৰ সকলোবোৰ সাৰ্ব্বজনীন নিয়ম বুজিবলৈ আৰু ইচ্ছা থাকিলে কাৰ্য্যত পৰিণত কৰিবলৈ সৰল আৰু সহজ। সিহঁতক টান যেন দেখা যায় মানৱ জাতিক শামিত কৰা জড়তাৰ কাৰণে ( inertion )। মানুহ উন্নতিশীল প্ৰাণী। স্বভাৱত কোনো বস্তুৱেই বা প্ৰাণীয়েই বন্ধ নাথাকে। একমাত্ৰ ঈশ্বৰেই নিশ্চল—কাৰণ তেওঁ যোৱা কালি, আজি আৰু অহা কালিলৈও একেই আছিল, একেই আছে আৰু একেই থাকিবও; অথচ সদায়েই তেওঁ গতিশীল। আমি ঈশ্বৰৰ গুণবোৰ লৈ নিজে উদ্বেগ পাব নালাগে। আমি এইটোকে জানিব লাগে যে আমি সদায় আগবাঢ়ি গৈ আছোঁ। গতিকে, তেওঁ কয় সে যদি মানৱ জাতি জীয়াই থাকিব লাগে, তেন্তে ই সত্যতা আৰু অহিংসাৰ তললৈ উন্নতি কৰি আহিব লাগিব। আচৰণৰ এই দুটা আৱশ্যকীয় নিয়ম চকুৰ আগত ৰাখিহে তেওঁ আৰু এই জনতাই কাম কৰি জীয়াই থাকিব লাগিব।

( ৫০ )

৩১-১০-৪৭

## আদৰ্শমূলক আচৰণ

গান্ধীজীৰ প্ৰাৰ্থনা সভাত কোৰাণৰ পদ গোৱা আকৌ দুজন মানুহে আপত্তি কৰে, তাৰে এজন আগদিনা আবেলিৰ আপত্তিকাৰী। গান্ধীজীয়ে জনতাক সুধিলে শ শ মানুহৰ মাজৰ এজন বা দুজনে আপত্তি কৰি বাকীসকলক নিৰাশ কৰাৰ কাৰণে প্ৰাৰ্থনা নকৰাটো তেওঁৰ পক্ষে উচিত হবনে। শিষ্টাচাৰে বিচাৰে যে যদি সকলে কোৰাণৰ পদ গোৱাত আপত্তি কৰে তেন্তে তেওঁলোক প্ৰাৰ্থনা সভাত উপস্থিত থকাৰ পৰা বিৰত থাওক। এই অসাধ্য বিঘিনিৰ হাত সৰাৰ একমাত্ৰ উপায় জনতাৰ হাতত। কাৰণ আগ দিনা তেওঁ কৈছেই যে আপত্তিকাৰীৰ ওপৰত খং ভাৱ নালাগে বা কোনো প্ৰকাৰেই সিহঁতক কষ্ট দিব নালাগে। আপত্তি-কাৰীৰ ওপৰত হস্তক্ষেপ কৰিবলৈ তেওঁ পুলিচক মানা কৰিছে। সকলোৱেই একবাক্যে কলে যে তেওঁলোকে সিহঁতৰ ওপৰত হস্তক্ষেপ নকৰে। পিচত প্ৰাৰ্থনা চলিবলৈ ধৰিলে। সেইদিনাও শ্ৰীদিলীপ কুমাৰ ৰায় উপস্থিত আছিল আৰু তেওঁ এটা ভজন গায়।

প্ৰাৰ্থনাৰ পিচৰ বক্তৃতাত, গান্ধীজীয়ে আপত্তিকাৰীৰ আদৰ্শজনক সংযমৰ কাৰণে সিহঁতক, আৰু সম্পূৰ্ণ শান্ত অৱস্থাত থকাৰ কাৰণে জনতাক অভিনন্দন জনায়।

## এটা মন্দিৰ

তাৰ পিচৰ শ্ৰীদিলীপ কুমাৰ ৰায়ে গোৱা ভজনটো আলোচনা কৰি গান্ধীজীয়ে কয় যে এতিয়া গোৱা ভজনটিৰ সুৰ যদিও সহজ তথাপি গুণী গায়কৰ শিক্ষিত সুৰত ইয়াৰ এটা নিজস্ব মধুৰতা ওলাই পৰিছে। ভজনটিৰ ভাৱে (refrain) সাধুৰ মনক অনুৰূপ কৰিছে। উপাসনা মন্দিৰৰ লগত—য'ত প্ৰকৃত প্ৰেম চিৰস্থায়ী ভাৱে আছে আৰু অন্তৰক পোহৰ কৰিছে বুলি গান্ধীজীয়ে কয়। অন্তৰ পোহৰ হলে, দৰ্শন স্পষ্ট হয়। ইয়েই কাৰ্য্যত অহিংসা ( non-violence )। ঈশ্বৰত নবহা মন ঘূৰি ফুৰে আৰু তাৰ উপাসনাৰ মন্দিৰৰ মনৰ অভাৱ।

## ধনী-দুখী

আশ্ৰয়প্ৰাৰ্থীবোৰৰ ধনী আৰু দুখীয়াৰ মাজত থকা বিৰাট পাৰ্থক্যৰ কথাৰ উল্লেখ কৰি গান্ধীজীয়ে কয় যে নোৱাখালি আৰু দিল্লীত থাকোঁতে ধনীবিলাকে দুখীয়াবোৰক অসহায় অৱস্থাত এৰি বিকৃত ঠাইলৈ যোৱা তেওঁ দেখিছে। এনে হোৱা উচিত নহয়। দুখীয়াৰ প্ৰতি ধনী আৰু অৱস্থাপন্ন লোকসকলৰ সহানুভূতি থকা উচিত আৰু অথই সাগৰত সিহঁতক এৰি যোৱা উচিত নহয়। সিহঁত সকলোৱেই হয় একেলগেই ডুবিব বা সাতোঁৰ দিব। দুৰ্দ্দশাই উচ্চ-নীচ বা ধনী-দুখীয়াৰ মাজৰ সকলো পাৰ্থক্য দূৰ কৰা উচিত। তেতিয়া

সিহঁতৰ শৰণাৰ্থী শিবিৰবোৰ স্বাস্থ্য আৰু দৃঢ় সহযোগৰ আদৰ্শ হব।

## বলাৎকাৰ আৰু আন ধৰ্ম্মত দীক্ষা ( conversions ) নিন্দনীয়

তাৰ পাচত গান্ধীজীয়ে কেইজনমান মুছলমান তেওঁৰ ওচৰলৈ আহি শ শ মুছলমানক হিন্দু আৰু শিখ ধৰ্ম্মত বলেৰে দীক্ষা দিয়াৰ কথা কৈ অভিযোগ জনোৱাৰ কথা উল্লেখ কৰে। এনে দীক্ষাক নিন্দা কৰি গান্ধীজীয়ে কয় যে অনিচ্ছুক হিয়াত বলেৰে ধৰ্ম্ম সুমুৱাই দিব নোৱাৰি। হিন্দু বা শিখ ধৰ্ম্মত দীক্ষিত তথাকথিত প্ৰত্যেকেই নিশ্চিত হোৱা উচিত যে এই দীক্ষা ( conversion ) মানিব নালাগে আৰু এনে প্ৰত্যেক দীক্ষা লোৱা মানুহেই নিজৰ আগৰ ধৰ্ম্ম মনাত মুক্ত। তথা-কথিত ইছলাম ধৰ্ম্মত দীক্ষিত মানুহেও তেনে কৰক। যদি আন ৰকমেই হয়, এই তিনি ধৰ্ম্মৰ মৃত্যু হব। জনসাধাৰণৰ কৰ্ত্তব্যই এইটো যে সংখ্যাগৰিষ্ঠৰ কোনো ভয় নোহোৱাকৈ সংখ্যালঘু বাস কৰিব পৰাৰ ফালে চকু দিয়া। ইউনিয়নৰ মুছলমান সকল পাকিস্তানলৈ যাব খুজিলে, তেওঁলোকক যাবলৈ দিব লাগে। কিন্তু যি সকলে ভাৰত ইউনিয়নত থাকিব খোজে তেনে মুছলমানক উপযুক্ত ৰক্ষণৰ ব্যৱস্থা কৰি দিব লাগিব। যি কোনো অৱস্থাতে শক্তি প্ৰয়োগ কৰাৰ তেওঁ বিপক্ষে। সেই কাৰণে যি কোনো ফালৰে বাস্তুত্যাগী-

বোৰ সন্মান আৰু নিৰাপত্তাৰ নিজৰ ঘৰলৈ ঘূৰি অহা উচিত। বৰ্ত্তমান অস্বাভাৱিক অৱস্থা চিৰস্থায়ী হোৱা চাবলৈ তেওঁ জীয়াই থাকিবলৈ ইচ্ছা নকৰে।

---

( ৫৯ )

১-১১-৪৭

## ভগৱানৰ আলয়

আগদিনাৰ আপত্তিকাৰী আজিও গান্ধীজীৰ প্ৰাৰ্থনা-সভাত উপস্থিত আছিল। গান্ধীজীয়ে কয় যে আপত্তিকাৰীয়ে মাথোন শিষ্টভাৱে কোৰাণৰ পদ গোৱাত নিজৰ মতভেদ জনোৱাত তেওঁ সুখী হৈছে। বাকীবোৰ মানুহৰ মনত আপত্তি-কাৰীৰ প্ৰতি কোনো হিংসা ভাৱ নাই বুলি আৰু তেওঁৰ কোনো অন্যায় নকৰে বুলি কয়। আগৰ দৰেই প্ৰাৰ্থনা চলিবলৈ ধৰিলে। শ্ৰীদিলীপ কুমাৰ ৰায়ে আৰু গান্ধীজীয়ে কয় যে ভজনৰ প্ৰথম শাৰীৰ অৰ্থ হৈছে যে সাধুসকল সেই ঠাইৰে—যি ঠাইত কোনো দুখ-দুৰ্গতি বা শোক-বেজাৰ নাই। গান্ধীজীয়ে কয় যে তেওঁৰ মতে ইয়াৰ অৰ্থ দুটা আছে। প্ৰথমটো হৈছে তেওঁলোক এখন দেশৰ বাসিন্দা অৰ্থাৎ ভাৰতবৰ্ষৰ—যত দুখ-দুৰ্দ্দশা, শোক একো নাই। ভাৰতত এনে দুৰ্দ্দশা শোক-বেজাৰ নোহোৱা সময়ৰ কথা তেওঁৰ মনত

নপৰে। গতিকে প্ৰথম অৰ্থই কৰিব অভিলাষ বুজাইছে। দ্বিতীয় অৰ্থই আত্মা আৰু শৰীৰৰ কথা উল্লেখ কৰিছে। গতিকে আত্মা এনে এটা শৰীৰত থাকে যিটো শৰীৰ গীতাৰ ভাষাত প্ৰকৃত ধৰ্ম্মৰ আলয়; দ্ৰুতগামী প্ৰবৃত্তিৰ আলয় নহয়। এই কাৰ্য্যৰ ( pursuit ) কৃতকাৰ্য্যতাৰ লগৰীয়া অৱস্থা হৈছে এই আলয়ৰ গৰাকী কাম, ক্ৰোধ, লোভ, মোহ আদি ছুটা বিখ্যাত শত্ৰুৰ পৰা মুক্ত প্ৰত্যেকেই সেই সুখময় অৱস্থা পাবলৈ সক্ষম। আৰু প্ৰশংসনীয় ভাবে যদি তেনে ঘটে তেন্তে ভাৰতৰ বিষয়ে কবিৰ সপোন সোনকালে দিঠকত পৰিণত হব। ভাৰতৰ দুখ-দুৰ্দ্দশাৰ কথা বৰ্ণনা কৰি কুৰুক্ষেত্ৰ শিবিৰৰ পৰা অহা এজনা মহিলা ডাক্তৰৰ লগত তেওঁৰ কথা-বতৰাৰ কথা কয়। ই এটা বৰ করুণ দৃশ্য। শিবিৰে বেচি ডাক্তৰ, সৰহ ঔষধ, বেচি ঢাকনি ( covering ) আৰু গৰম কাপোৰ লব পাৰে। বহুতেই কাপোৰ সলনি হোৱা নাই। সন্তানৰ জননীয়ে অতি কষ্টেৰেহে সিহঁতক গৰম ৰাখিব পাৰিছে।

## শেখ আবদুল্লা

তাৰ পিচত তেওঁ শ্ৰোতাসকলক তেওঁলোকৰ অন্তৰ্দৃষ্টি কাশ্মীৰৰ ওপৰত পেলাবলৈ কয় আৰু তাৰ মানুহবোৰৰ কথা চিত্ৰিত কৰিবলৈ কয়। ওপৰত উৰাজাহাজ কৰি যাওঁতে হোৱা শব্দ তেওঁ শুনিবলৈ পালে তেওঁৰ মন প্ৰধান মন্ত্ৰী শেখ আবদুল্লা আৰু তাৰ মানুহবোৰৰ কাষ পায়গৈ। তেওঁ

সকলোৰে বন্ধু আৰু মানুহৰ মাজত কোনো পাৰ্থক্য নাৰাখে। তেওঁ অনা-মুছলমান আৰু মুছলমানৰ প্ৰতিনিধি। গান্ধীজীয়ে কয় ভয়ত কাশ্মীৰৰ পৰা পলাই যোৱা মানুহবোৰে তেনে কৰা উচিত নহয়। তেওঁলোকে সাহসী আৰু নিৰ্ভীক হবলৈ শিকিব লাগে আৰু নিজৰ ঘৰ-বাৰী ৰক্ষাৰ কাৰণে প্ৰাণ দিবলৈকো সাজু হব লাগে। ই সকলোৰে কৰ্ত্তব্য—লাগে সিহঁত বুঢ়া হওক, ডেকা হওক, তিৰোতা হওক বা শিশু হওক। সুন্দৰ কাশ্মীৰ ৰক্ষা কৰোঁতে কাশ্মীৰৰ সকলো মিলিটাৰী বা জনসাধাৰণ মৰাত খেদ নাই। কাশ্মীৰৰ আফ্ৰিদিবোৰ আৰু লুণ্ঠনকাৰীবোৰে এৰি যোৱাটো তেওঁতে কিমান আশা কৰে!

## কুৰুক্ষেত্ৰৰ শৰণাৰ্থী

অৱশেষত, গান্ধীজীয়ে কয় যে কুৰুক্ষেত্ৰৰ শৰণাৰ্থীয়ে যেনে ভাবে ভোগিছে, পাকিস্তানৰ শৰণাৰ্থীয়েও তাতকৈ কোনো গুণে কম ভোগা নাই। এই অজ্ঞান আৰু লগৰীয়া দুখ-দুৰ্দ্দশা বৰ্ত্তমান চলি থকা বলিয়ালিৰ ক্ষতিপূৰণৰ দাম হিচাবে বৰ বেঁচি। গতিকে শ্ৰোতাসকলক এই চিন্তা মনত ৰাখিবলৈ কয়। দুখ-দুৰ্দ্দশাৰ পৰা উদ্ধাৰৰ কাৰণে তেওঁলোকে দিব পৰা উত্তম দাম হৈছে সকলো শত্ৰুতা পৰিত্যাগ কৰি প্ৰত্যেক মুছলমান আৰু আনক বন্ধু হিচাবে গ্ৰহণ কৰা।

---

৫২

২-১১-৪৭

## সম্পূর্ণ সহযোগৰ আৱশ্যক

শ্রীব্রিজকৃষ্ণই জনায় যে আগতকৈ শ্ৰোতাৰ সংখ্যা বেচি হৈছে আৰু কোৰাণ পাঠ কৰাত আপত্তিকাৰী দহজন। তেওঁলোকৰ মাজত আগৰ কিজনো আছে। গান্ধীজীয়ে আৰু জানিব পাৰিছে গোপনভাৱে আপত্তি অনেকৰে আছে। গতিকে, গান্ধীজীয়ে প্রার্থনা কৰি থাকোঁতে সভাত কথা কয়। তেওঁ আপত্তিকাৰীৰ সংখ্যা বঢ়াত সুখী হৈছে। ৰাইজে ঈশ্বৰ উপাসনাৰ ভাগ লবলৈ অহা কথাটো ভাবিবলৈ ভাল নাপায় কিন্তু তেওঁক মহাত্মা বোলাৰ কাৰণে বা জাতিৰ কাৰণে তেওঁৰ সুদীর্ঘ সেৱাৰ কাৰণেহে তেওঁলোকে তেওঁক চাবলৈ বা তেওঁৰ কথা শুনিবলৈ আহিছে। প্রার্থনা সৰ্ব্বগ্ৰাহী। ঈশ্বৰ বহুত নামে জনাজাত। শেষ বিশ্লেষণত মানুহ যিমান, নামো সিমান। আনকি পশু, চৰাই-চিৰিকতি আৰু পাহাৰ-পৰ্ব্বতে ঈশ্বৰক প্রশংসা কৰা সত্য কথা। তেওঁলোকে ভজনাবলীত এজন মুছলমানে কৰা এটা স্তোত্র পাব ; তাত কোৱা হৈছে ৰাতিপুৱা আৰু আবেলিৰ চৰাই-কিৰিলিয়ে সিহঁতৰ সৃষ্টি-কৰ্ত্তাৰ প্রশংসা কৰে। প্রার্থনাৰ কোনো এক অংশৰ প্রতি আপত্তি দেখুৱাৰ কোনো অর্থ নহয় কাৰণ ইয়াক কোৰাণ বা আন ধৰ্ম্মপুথিৰ পৰা বাচি লোৱা হৈছে। কিছুমান মুছলমানৰ ত্রুটি যেয়েই নহওক আপত্তিক গোটেই সম্প্রদায়ৰ ওপৰত

আৰোপ কৰিব নোৱাৰি—পয়গম্বৰ বা আন কোনো বা তেওঁৰ বাণীটো দূৰৰ কথা। বক্তাই গোটেই কোৰাণকে পঢ়িছে। ইয়াৰ পৰা তেওঁৰ উপকাৰ হৈছে, হানি হোৱা নাই। তেওঁ অনুভৱ কৰে যে পৃথিৱীৰ সকলো ধৰ্ম্মপুথি পঢ়াৰ কাৰণে তেওঁ ভাল হিন্দুহে হৈছে। তেওঁ জানেহে কোৰাণৰ বিপক্ষীয় সমালোচক আছে। অনেক মুছলমান বন্ধু থকা বোম্বাইৰ এজন বন্ধুৱে তেওঁক এটা সাক্ষৰ দিছিল। কাফিৰবোৰৰ কাৰণে পয়গম্বৰৰ শিক্ষা কি? কোৰাণৰ মতে হিন্দুবোৰ কাফিৰ নহয়নে? তেওঁ বহুত দিনতেই মীমাংসা কৰিছে—তেওঁলোক নহয়। কিন্তু সেই বিষয়ে তেওঁ মুছলমান বন্ধুবোৰক কয়। তেওঁলোকে জ্ঞানৰ পৰা কলে। তেওঁলোকে তেওঁক **নিশ্চয়** বাণী দিছে কোৰাণৰ কাফিৰ অবিশ্বাসকাৰী ( non-believer )। তেওঁলোকে কয় যে হিন্দুসকল নহয়, কাৰণ তেওঁলোকে এজন ঈশ্বৰক বিশ্বাস কৰে। বিপক্ষীয় সমালোচকে কোৱা মতে তেওঁলোক গলে তেওঁলোকে ষোল শ গোপী থকাত লম্পট বুলি বৰ্ণনা কৰা কৃষ্ণক নিন্দা কৰাৰ দৰে কোৰাণ আৰু পয়গম্বৰকো নিন্দা কৰিব। কৃষ্ণক নিষ্কলঙ্ক বুলি সমালোচকবোৰক তেওঁ নিমাত কৰে। এটা দুশ্চৰিত্ৰ মানুহৰ আগত তেওঁ কেতিয়াও মূৰ নোদোঁৱায়। প্ৰত্যেক আবেলি তেওঁৰ লগত তেওঁলোকে প্ৰাৰ্থনা কৰা ঈশ্বৰ সকলোতে আছে আৰু তেওঁ সৰ্ব্বশক্তিমান। গতিকে, তেওঁলোকৰ কোনো শত্ৰু থাকিব নোৱাৰে আৰু কাকো ভয়

কৰিব নোৱাৰে কাৰণ ঈশ্বৰ তেওঁলোকৰ অন্তৰত আৰু প্ৰতি মুহূৰ্ত্ততে তেওঁলোকৰ কাষতে আছে। সমৱেত প্ৰাৰ্থনাৰ ৰূপ এনে হোৱাত যদি তেওঁলোকে সৰ্ব্বান্তঃকৰণে আৰু ভাৱগুপ্তি নোহোৱাকৈ প্ৰাৰ্থনা কৰিব নোৱাৰে, তেন্তে এনে প্ৰাৰ্থনা সভা নপতায়েই তেওঁ শ্ৰেয়ঃ বুলিব। যদি পাৰিলেহেঁতেন, তেন্তে তেওঁলোকে বুজিলেহেঁতেন যে তেওঁলোক বেঢ়ি থকা অন্ধকাৰ দূৰ কৰা সক্ষম কৰিবলৈ তেওঁলোকে বল বঢ়াইছে। গান্ধীজীয়ে শ্ৰোতাসকলক খোলাভাবে আৰু নিৰ্ভয়ে তেওঁলোকৰ মত ব্যক্ত কৰিবলৈ কোৱাত, তেওঁলোকে ব্যগ্ৰভাৱে জনায় যে তেওঁলোকক প্ৰাৰ্থনা লাগে আৰু যদি কোনো বাধা আছে তেন্তে আপত্তি-কাৰীৰ বিৰুদ্ধে কোনো ৰোষ বা হিংসাভাৱ নাৰাখে। আগৰ দৰেই প্ৰাৰ্থনা চলিবলৈ ধৰিলে। আবেলিৰ ভজন গুৰু-দেৱৰ নাতিনিয়েক নন্দিতা কৃষ্ণা কৃপালনিয়ে গায়।

## সময়

কাশ্মীৰৰ ঘটনাৰ কথা উল্লেখ কৰি গান্ধীজীয়ে কয় যে ভাৰত ইউনিয়নে সৈন্য আৰু আন আন সহায় পঠিয়াবই লাগিছে। চৰকাৰৰ নিজা জাহাজ নাই কিন্তু তেওঁ শুনি সুখী হৈছে যে বেচৰকাৰী কোম্পানীবোৰে চৰকাৰৰ হাতত সিহঁতৰ উৰাজাহাজ এৰি দিছে। সময় শৃঙ্খলাপূৰ্ণ সৈন্যদল আৰু শৃঙ্খলাবদ্ধ চৰকাৰৰ সপক্ষে আৰু লুণ্ঠনকাৰীৰ বিপক্ষে।

বন্ধুজনে দেখিছে। তেওঁ আৰু জানিছে যে হিন্দু আৰু শিখে মুছলমানক আশ্ৰয় দিয়া আৰু মুছলমানে হিন্দু আৰু শিখক আশ্ৰয় দিয়াৰ উদাহৰণ আৰু অনেক দিব পাৰি। আৰু কেইজনমান মুছলমান বন্ধুৱে তেওঁক দেখা কৰি এতিয়াও জনসাধাৰণৰ বিৰাট আৰু দোষনীয় অদল-বদল চলি থকাত তেওঁৰ লগতে দুখ প্ৰকাশ কৰিছে। সেই বন্ধুকেইজনে তেওঁক কয় যে ইউনিয়নত হিন্দু আৰু শিখবোৰে দুখকষ্ট ভোগাৰ দৰে পাকিস্তানতো মুছলমান আশ্ৰয়প্ৰাৰ্থীবোৰেও অশেষ যন্ত্ৰণা ভোগ কৰিছে। নিজৰ ঘৰৰ পৰা স্থানচ্যুত হৈ নিজৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা ইমান বিলাক মানুহৰ লগত সমানে ফেৰ মৰাটো কোনো চৰকাৰৰ কাৰণেই অসম্ভৱ। ই ফেনে-ফোটোকাৰে বৈ অহা পানীৰ দৰে। এই বেগ বন্ধ কৰিব নোৱাৰিনে বুলি বন্ধুকেইজনে সুধিলে। তেওঁ নিঃসন্দেহ হৈ কয় যে মানুহৰ মনৰ সংশয় আৰু আনক দোষাৰোপ কৰা সম্পূৰ্ণৰূপে আৰু আন্তৰিকতাৰে বন্ধ কৰিলেহে ইও বন্ধ হব। তেওঁ শ্ৰোতাসকলক তেওঁৰ লগতে প্ৰাৰ্থনা কৰিবলৈ কয় যেন ঈশ্বৰে এই অসুখী দেশলৈ জ্ঞান আনে। কোনো বাধা নোহোৱাকৈ শৃঙ্খলাভাৱে প্ৰাৰ্থনা চলিবলৈ দিয়াত আপত্তিকাৰী সকলৰ সজ্ঞান সংযমৰ প্ৰশংসা কৰে।

( ৫৩ )

৩-১১-৪৭

## সাম্প্ৰদায়িকতাৰ তীব্ৰতা

দুই প্ৰকাৰ বিহ একেলগে মিহলি কৰিলে, কোনে মীমাংসা কৰিব কৰ্ম্মক্ষেত্ৰত কোনবিধ প্ৰথম আৰু এনে মীমাংসা কৰিলে ই কোনফালে কাম কৰিব ? আমি জানো যে পশ্চিম পাকিস্তানৰ গোটেইখনতে এই বিষ বিয়পি পৰিছে আৰু হবলগীয়া শক্তিবোৰে ইয়াক এতিয়াও চিনিব পৰা নাই। ইউনিয়নৰ বিষয়ে, কম সীমাৰ ভিতৰতহে ই আৰন্ধ হৈ আছে। ঈশ্বৰৰ ওচৰত আশা কৰো যেন এই বিষ যেন স্বতন্ত্ৰতা ( isolation ) আৰু দমনৰ তলত থাকে। তেতিয়া উপযুক্ত সময়ত আৰু সোনকালে দুইদলৰ পৰা ইয়াক একেবাৰে বাহিৰ কৰাৰ প্ৰত্যেকটো আশাৰে কাৰণ থাকিব।

## খাদ্য নিয়ন্ত্ৰণ উঠাই দিয়া

ডাঃ ৰাজেন্দ্ৰপ্ৰসাদে খাদ্য নিয়ন্ত্ৰণ বিষয়ত তেওঁক উপদেশ দিবৰ কাৰণে প্ৰধানমন্ত্ৰীসকল বা তেওঁলোকৰ প্ৰতিনিধি সকলৰ সভাৰ বিষয়ে মই অনুভব কৰোঁ যে আজিৰ আবেলি সময় এই বৰ আৱশ্যকীয় প্ৰশ্নৰ আলোচনাত নিয়োগ কৰিম। এই কেইদিনত শুনা কথাবোৰে মোৰ অতি সোনকালে আজিৰ পৰা ছমাহৰ দেৰী নোহোৱাকৈ খাদ্য নিয়ন্ত্ৰণ একেবাৰে উঠাই দিব লাগে—এই প্ৰথমতে লোৱা মতৰ পৰা

বিচলিত কৰিব নোৱাৰে। দুয়োবিধ নিয়ন্ত্ৰণ আঁতৰাব লাগে বুলি টানকৈ লিখা কিছুমান চিঠি আৰু টেলিগ্ৰাম কোনো এদিন বাদ নোযোৱাকৈ পাই আছোঁ। বৰ্ত্তমানত বস্ত্ৰ নিয়ন্ত্ৰণৰ বিষয় বাদ দিম।

## নিয়ন্ত্ৰণৰ পৰা অন্যায়ৰ ( evil ) উৎপত্তি

নিয়ন্ত্ৰণেই প্ৰতাৰণা, সত্যৰ দমন, কলা-বজাৰৰ প্ৰাচুৰ্য্যতা আৰু কৃত্ৰিম অভাৱৰ উৎপত্তিৰ স্থল। তাৰোপৰি, ই মানুহক অমানৱ কৰে, initiativeৰ পৰা বঞ্চিত কৰে; পুৰুষানুক্ৰমে শিক্ষা পাই অহা আত্ম-সহায়ৰ শিক্ষাক নষ্ট কৰে। ই সিহঁতক পৰমুখাপেক্ষী কৰে। ই সমান নহলেও বিস্তৃতভাবে ভাতৃবধ, অনাৱশ্যক মৃত্যু, উপবাস আৰু আগতপ্ৰায় শীতপ্ৰধান বতৰৰ কাৰণে তীব্ৰতাপূৰ্ণ উপযুক্ত আবাস আৰু খাদ্যৰ অভাৱৰ সৃষ্টি কৰা অমানুষিক জনসাধাৰণৰ স্থান পৰিবৰ্ত্তনৰ পিচৰে এটা দুৰ্য্যোগ। দ্বিতীয়টো বেচি দৰ্শনযোগ্য। দৰ্শনযোগ্য নহয় বুলিও প্ৰথমটো পাহৰিবলৈ আমাৰ সাহ নহয়।

এই খাদ্য নিয়ন্ত্ৰণ যোৱা মহাসমৰৰ দোষগ্ৰস্ত ফলৰ এটা। সেই সময়ত সম্ভৱতঃ নিয়ন্ত্ৰণ অপৰিহাৰ্য্য আছিল কাৰণ সৰহকৈ ডাইল আদি আৰু খাদ্যদ্ৰব্য বাহিৰলৈ ৰপ্তানি হৈছিল। এই অস্বাভাৱিক ৰপ্তানি মানুহে কৰা অভাৱ সৃষ্টি কৰিবলৈ আৰু নানা বেয়া ফল থকা স্বত্বেও ৰেচনিং

কৰাবলৈ বাধ্য। আমি ইচ্ছা কৰিলেও বাদ দিব নোৱাৰ বপ্তানিৰ কোনো আৱশ্যক নাই। খাদ্য বিষয়ত ভাৰতৰ বিষয়ে বাহিৰা সহায় আশা নকৰিলে আমি পৃথিবীৰ অভাব-গ্ৰস্ত ঠাইবোৰক সহায় কৰিব পাৰিলোঁহেঁতেন।

ছুই পুৰুষ অন্তৰ্গত কৰি মোৰ জীৱন কালতেই মই বহুত ঈশ্বৰে পঠিওৱা আকাল দেখিবলৈ পাইছোঁ, কিন্তু ৰেচনিঙৰ বিষয়ে ভাবিব লগা হোৱা কোনো এটা সময়েই মোৰ মনত নপৰে।

আজি, ঈশ্বৰক ধন্যবাদ দিয়ক, মৌচুমী বতাহ নহাকৈ থকা নাই। গতিকে, খাদ্যৰ প্ৰকৃত অভাৱ নাই। ভাৰতৰ গাওঁবোৰত যথেষ্ট ডাইল আদি, মাছ-মছলা আৰু তেলৰ বীজ আছে। উৎপন্নকাৰীসকলে দামৰ কৃত্ৰিম নিয়ন্ত্ৰণ বুজিব নোৱাৰে, আৰু বুজি নাপায়। গতিকে, সিহঁতে খোলা বজাৰত যি দাম পায় তাতকৈ কম দামত ইচ্ছামতে সিহঁতৰ বস্তুবোৰ বেচিব নিবিচাৰে। এই স্পষ্ট কথা কাকো দেখুৱাব নালাগে। ইয়াৰ কাৰণে ষ্টেটিষ্টিক বা অভাৱ দেখুৱাবৰ কাৰণে বিস্তাৰিত টোকা আৰু ৰচনা আগবঢ়াই দিবলৈ মেজত কাম কৰা চিবিলিয়ান সকলৰ ৰঙা-ফিটাৰ ফাইলৰ মাজত ডুব গৈ থকাৰ আৱশ্যক নাই। এইটোহে আশা কৰিব লাগে যেন কোনেও জনসংখ্যা বেচি হোৱাৰ ভূত আমাৰ সম্মুখত চালনা কৰি আমাক ভয় নুখুৱায়।

## অভিজ্ঞলোকৰ উপদেশ

আমাৰ মন্ত্ৰীসকল আমাৰ মানুহবেই, আমাৰ মানুহেই পাতি দিয়া। তেওঁলোকে যেন নিজক মন্ত্ৰী আসনত নবহা কিন্তু নিয়ন্ত্ৰণ যিমান সোনকালে যায় সিমানেই ভাল বুলি কোৱা অভিজ্ঞ লোকসকলতকৈ বেচি জ্ঞান থকা বুলি গৌৰৱ নকৰে। এজন চিকিৎসকে লিখিছে যে যি সকলে ৰেচন খাদ্যৰ ওপৰত নিৰ্ভৰ কৰে তেওঁলোকে নিজৰ খাদ্যদ্ৰব্যবোৰ ( cereal and pulses ) গোটোৱাটো খাদ্য নিয়ন্ত্ৰণে অসম্ভৱ কৰি তুলিছে আৰু সেইকাৰণেই, তেওঁ কৈছে, জনসাধাৰণে অকাৰণত পঁচাবস্তুৰ কাৰণে নানা ৰোগত ভুগিছে।

## গণতন্ত্ৰ আৰু বিশ্বাস

নিয়ন্ত্ৰিত খাদ্যৰ ঠাইত, গৱৰ্ণমেণ্টে নিজেই খোলা বজাৰত কিনিব লগা হোৱা বস্তুবোৰ বেচিবৰ কাৰণে ষ্টোৰবোৰ চলাব লাগে। তেতিয়া তেওঁলোকে আপোনা-আপুনি নিয়মিত দাম স্থিৰ কৰাব পাৰিব আৰু গোটাই থকা ধান-যব আদি শস্য, ডাইল আদি আৰু তেল-বীজবোৰ মুকলি কৰিব পাৰিব। তেওঁলোকে শস্য-বিক্ৰেতা আৰু উৎপাদনকাৰীক বিশ্বাস নকৰিবনে ? মলবস্ত্ৰৰ ( apron strings ) তলত গণতন্ত্ৰ খণ্ড-বিখণ্ড হব। বিশ্বাসৰ ওপৰতহে ই থাকিব পাৰে। মানুহবিলাকে শ্ৰম নকৰি বা ইজনে সিজনক প্ৰতাৰণা কৰি যদি সিহঁত মৰে তেন্তে ই গ্ৰহণীয় পৰিত্ৰাণ হব। বাকীবোৰ

তেতিয়া এলেহুৱা, অকৰ্ম্মণ্য বা নৃশংসভাৱে স্বাৰ্থপৰ হোৱাৰ পাপৰ পুনৰুক্তি নকৰিবলৈ শিক্ষা পাব।

---

( ৫৪ )

৪-১১-৪৭

## বিপদৰ সন্ততি

প্ৰাৰ্থনা আৰম্ভ কৰাৰ আগতে গান্ধীজীয়ে কয় যে, বিনয়ী পুৰণি বন্ধুৰ স্বাভাৱিক আপত্তিৰ বাহিৰে কোনেও কোৰাণৰ পদ গোৱাত আপত্তি কৰিবলৈ ঠিয় নিদিয়াত, বিশেষভাবে দুঃখগ্ৰস্ত হোৱা এজন পাঞ্জাবী হিন্দু শৰণাৰ্থীৰ পৰা পোৱা আপত্তিৰ এখন অতি দুখলগা চিঠি পঢ়িব খোজে। আপত্তি-কাৰী সভাত আছেনে নাই তেওঁ কব নোৱাৰে। যদি এই চিঠি অতি কষ্টত লিখা হৈছে তেন্তে আপত্তিকাৰী সভাত উপস্থিত থাওক নাথাওক, এই চিঠি তেওঁ অমান্য কৰিব নোৱাৰে। এই চিঠি যুক্তিৰে লিখা হৈছে যদিও, খঙৰ পৰা হোৱা অজ্ঞানতাৰে এই চিঠি পৰিপূৰ্ণ। প্ৰত্যেক শাৰীতেই দোষ লিখা আছে। বাস্তৱতে তেওঁৰ গোটেই সময়খিনি দুখ-কষ্টৰ গল্প শুনোতেই গল, লাগে সেই গল্পবোৰ শিখ বা হিন্দু শৰণাৰ্থী বা স্থানীয় মুছলমান বিপদগ্ৰস্ত মানুহৰে হওক। তেওঁৰ আত্মা সমানে স্পৰ্শ কৰিছে আৰু দুখিত হৈছে আৰু যদি তেওঁ চিন্তিত হৈছে তেন্তে ই অহিংসাৰ প্ৰকাশ নহয়। তেওঁৰ নিবেদন, আহাৰ বা শোৱাৰ কাৰণে অকণো সময়

নাৰাখি গোটেই দিনটোৱেই কান্দি কটাব। কিন্তু তেওঁৰ আদি যৌৱনৰ পৰাই তেওঁৰ চকুত পৰা আনৰ দুখ-বেজাৰত নাকান্দি দুখ-কষ্টৰ লগত যুদ্ধ কৰিবৰ কাৰণে নিজৰ অন্তৰ টান কৰিবলৈ তেওঁ নিজক অহিংসাৰ অৰ্থত ব্যৱহাৰ কৰিছে। তেওঁলোকক অতীতৰ জ্ঞানী সকলে কোৱা নাইনে যে যি জন মানুহ অহিংসাৰে পূৰ্ণ তেওঁ ফুলতকৈ বেচি কোমল আৰু পাথৰতকৈও বেচি টান? তেওঁ সেই উপদেশমতে চলিবলৈ চেষ্টা কৰিছে আৰু সেই কাৰণে তেওঁৰ হাতত থকা চিঠিৰ দৰে বা তেওঁৰ কাৰলৈ অহা মানুহৰ মুখৰ ৰোষ আৰু বেজাৰৰ উক্তিৰ দৰে। আপত্তিৰ সম্মুখীন হলে সেই সমস্যাৰ লগত যুঁজ কৰিবলৈ তেওঁ অন্তৰ টান কৰে। চিঠিখন উৰ্দ্দু আখৰৰে লিখা হৈছিল। সেই চিঠিৰ কথাবোৰ টুকি লবলৈ তেওঁ শ্ৰীবৃজকৃষ্ণজীক কয়।

## আধা-সত্য Vs. অসত্য

প্ৰথমটো হৈছে তেওঁৰ (গান্ধীজীৰ) কথা ভঙ্গৰ দোষাৰোপ। তেওঁ কোৱা নাইনে যে প্ৰাথনা সভাত এজন আপত্তিকাৰী থাকিলেও, তেওঁ সেই আপত্তিক সন্মান কৰিব আৰু সেই দিনা আবেলি মুকলি প্ৰাৰ্থনা নকৰে? ই এটা অৰ্দ্ধসত্য, সম্পূৰ্ণ অসত্যতকৈ বেচি বিপদজনক। প্ৰথমবাৰ প্ৰাৰ্থনা সভা তেওঁ বন্ধ কৰোঁতে, তেওঁ জনাই দিছিল যে, আপত্তি-কাৰীক মাৰধৰ কৰালৈকেও এই আপত্তিত বেচিভাগ

শ্ৰোতাই রুষ্ট হোৱাৰ ভয়ত তেওঁ ইয়াক বন্ধ কৰিছে। এই ঘটনা কেইবা মাহৰো আগৰ। তেতিয়াৰ পৰা শ্ৰোতাসকলে আত্ম-সংযমৰ বিদ্যা শিক্ষা কৰিছে আৰু তেওঁলোকে অন্তৰত ৰোষ বা খং নাৰাখিব বুলি তেওঁলোকৰ পৰা নিশ্চয়তা পাইহে তেওঁ মুকলি প্ৰাৰ্থনা কৰিবলৈ সন্মত হৈছিল। তেওঁ জনাত ফল ভালেই হল। আপত্তিকাৰী সকল নিজৰ আচৰণত বৰ শান্ত আছিল আৰু নিজৰ আপত্তি জনোৱাৰ বাহিৰে তেওঁ-লোকে প্ৰাৰ্থনাত বাধা দিবলৈ একো কৰা নাই। গতিকে তেওঁ আশা কৰে পত্ৰলিখকে বুজিব যে ইয়াত নিয়ম ভঙ্গতো হোৱাই নাই, এতিয়ালৈকে ফল ভালহে হৈছে। তেওঁ শ্ৰোতাসকলক নিশ্চয়তা দিয়ে যে, তেওঁ যিমানদূৰ জানে, সমাজ-সেৱাত তেওঁৰ দীঘলীয়া জীৱনত তেওঁ এনে অন্যায় কৰাৰ দোষী নহয়।

জাপজী বা বাইবেলৰ বিষয়ে একো নকৰি কোৰাণৰ পৰা তেওঁ পদ গোৱাত পত্ৰলিখকে তেওঁক অপৰাধী কৰিছে। ইয়াতো তেওঁ গোটেই প্ৰাৰ্থনাৰ পদবোৰ গ্ৰহণ কেনেকৈ কৰা হৈছে তাৰ বৰ্ণনা দিওঁতে নিজৰ অজ্ঞতা দেখুৱাইছে। তেওঁ আগেয়েই দেখুৱাইছে প্ৰায়েই ভজনবোৰ বাইবেল আৰু গ্ৰন্থ চাহেবৰ পৰা লোৱা হৈছে।

## অৱস্থাপন্ন শৰণাৰ্থী

লিখকৰ তৃতীয় আপত্তি হৈছে অনেক বিখ্যাত কংগ্ৰেচীয়ে পশ্চিম পাঞ্জাব বা পশ্চিম পাকিস্তানৰ কিছুমান ঠাই এৰি

আহি সিহঁতৰ এই দুখ-দুৰ্দ্দশা আৰু বিপদ-আপদৰ ভাগ নলৈ পাকিস্তানত থকা ৰাজপ্ৰাসাদতকৈও ভাল অট্টালিকাত বাস কৰিছে ; আশ্ৰয়হীন, গৰমবস্ত্ৰহীন, কাপোৰৰ অভাবগ্ৰস্ত আৰু যথেষ্ট খাদ্য নোহোৱা শৰণাৰ্থীবোৰৰ পৰা সম্পূৰ্ণ পৃথক জীৱন যাপন কৰিছে। যদি এই আপত্তি সঁচা হয় তেন্তে ই এক বস্তুৰ বা ঘটনাৰ এক অপমানজনক অৱস্থা দেখুৱাব। প্ৰাৰ্থনা সভাত সাধাৰণ ভাবত দুখীয়াবোৰৰ দুখ-দুৰ্দ্দশাৰ ভাগ নলৈ তেওঁলোকৰ পৰা আঁতৰত থকা ধনী শৰণাৰ্থী বোৰক দোষিবলৈ তেওঁ ( গান্ধীজীয়ে ) ইতস্ততঃ কৰা নাই।

## দিল্লীত কৰ্ত্তব্য

গান্ধীজীয়ে যাম বুলি পাকিস্তানলৈ নোযোৱাৰ কাৰণে আপত্তিকাৰীয়ে তেওঁক বিদ্ৰূপাত্মক ভাষাৰে তিৰস্কাৰ কৰে। গান্ধীজীক সোধা হৈছে, তেওঁ কিয় হিন্দু আৰু শিখ দুৰ্গতবোৰৰ সহায় কৰিবলৈ পাকিস্তানলৈ নগৈ মুছলমান বন্ধুবোৰক সহায় কৰিবলৈ ভাল পাইছে? আপত্তিকাৰীয়ে একেবাৰেই নাজানে যে দিল্লীত তেওঁৰ কৰ্ত্তব্য অমান্য কৰিব নোৱাৰে আৰু যি কোনো আশা বান্ধি লৈও হিন্দু আৰু শিখ ভাইহঁতৰ দুৰ্গতি কমাবলৈও তেওঁ পাকিস্তানলৈ যাব নোৱাৰে। তেওঁ স্বীকাৰ কৰে যে তেওঁ মুছলমানৰ বন্ধু আৰু আনবো, কাৰণ তেওঁ হিন্দু আৰু শিখৰ সমানে বন্ধু। তেওঁ অন্যক ত্যাগ কৰি কৰা ( exclusive ) কোনো সেৱাত

বিশ্বাস নকৰে। যদি তেওঁ এটাক সেৱা কৰে, তেন্তে এনে সেৱা কৰিবলৈ তেওঁক উৎসাহিত কৰা মূলটো ( spirit ) এয়ে যে তেওঁ এজনক সেৱা কৰিছে অকল ভাৰতবৰ্ষৰ বা কোনো এক ধৰ্ম্মৰ বুলি নহয়—গোটেই মানৱ জাতিৰ বুলিহে। তেওঁ দিল্লীত থকাটোৱে অনাবশ্যক—এইটো দিল্লীৰ মুছলমানৰ প্ৰতি বন্ধুত্ব দেখুৱাই প্ৰমাণ কৰি দেখুৱাটো দিল্লীৰ হিন্দু আৰু শিখ শৰণাৰ্থী আৰু আনবোৰহে কৰ্ত্তব্য। তেওঁৰ যাত্ৰা নিষ্ফল নহব বুলি সম্পূৰ্ণ বিশ্বাস লৈ পাকিস্তানলৈ তেওঁ লৰ দিয়াতো সিহঁতে দেখিবলৈ পাব।

## দোষাৰোপৰ উত্তৰ

আপত্তিকাৰীয়ে আনকি কস্তূৰবা ফণ্ডকো এৰা নাই। তেওঁ সুধিছে কস্তূৰবা ফণ্ডৰে কি কৰা হৈছে আৰু কিয় ইয়াক শৰণাৰ্থীবোৰৰ সেবাত লগোৱা নাই। প্ৰথমতে, তেওঁ জেইলত থাকোঁতেই বিশেষ উদ্দেশ্যৰ কাৰণে অৰ্থাৎ ভাৰতৰ গাওঁবোৰৰ তিৰোতা আৰু লৰা-ছোৱালীৰ সেৱাৰ কাৰণে এই ফণ্ড তোলা হৈছে। ইয়াৰ কাৰণে ট্ৰাষ্টী বোৰ্ড আছে। ইয়াৰ সম্পাদক সদায় সতৰ্ক থকৰবাপা আৰু ইয়াৰ শুদ্ধ হিচাবপত্ৰ ৰখা হৈছে তাক ৰাইজে চাব পাৰে। গতিকে, লিখকে কোৱা মতে ইয়াক আন কামত লগাব নোৱাৰি আৰু লগাবৰো আৱশ্যক নাই। চাঁদা মুক্তহস্তেই দিছে আৰু ৰাইজে জানেই তেওঁৰ কম্বলৰ কাৰণে কৰা অনুৰোধৰ কেনে খোলোচা

উত্তৰ পাইছে। চৰ্দাৰ পেটেলৰ বিশেষ অনুৰোধেও (appeal) আগৰে পৰা আৰু এতিয়াও উদাৰ উত্তৰ পাইছে।

## শূকৰ বধ

লিখকৰ শেষ আপত্তি হৈছে পাকিস্তানত শূকৰ বধ নিষিদ্ধ হোৱাতো ইউনিয়নত কিয় গো-বধ নিষিদ্ধ কৰিব পৰা নাই? গান্ধীজীয়ে কয় যে পাকিস্তানত শূকৰ-বধৰ আইনগত নিষেধ আছেনে নাই তেওঁ নাজানে। আপত্তি-কাৰীয়ে দিয়া খবৰ যদি সঁচা হয়, তেন্তে তেওঁ সেই বিষয়ে দুখিত। তেওঁ জানে যে ইচলাম আইনত আহাৰ হিচাবে শূকৰ মাংসৰ ব্যৱহাৰ নিষিদ্ধ। কিন্তু তথাপিও, মুছলমানৰ বাহিৰে আনক শূকৰ মাংস ব্যৱহাৰ বন্ধ কৰা তেওঁ সমৰ্থন কৰিব নোৱাৰে।

## পাকিস্থান ধৰ্ম্ম-তন্ত্ৰ নে কি (Theocratic)

কায়েদে আজম জিন্নাই কোৱা নাইনে যে পাকিস্তান ধৰ্ম্ম-তন্ত্ৰ ৰাজ্য নহয়, ই সম্পূৰ্ণ ধৰ্ম্মনিৰপেক্ষ (secular) ৰাজ্য? কাৰ্য্যত যে এই দাবী সদায় সমৰ্থন কৰিব নোৱাৰি সি সম্পূৰ্ণ সচাঁ। ইউনিয়নো ধৰ্ম্ম-তান্ত্ৰিক হবনে আৰু হিন্দুধৰ্ম্মৰ মতবোৰো অনা-হিন্দুৰ ওপৰত আৰোপ কৰিব লাগিবনে? তেওঁ সেইটো আশা নকৰে। তেতিয়া ভাৰত ইউনিয়ন আশা আৰু প্ৰতিজ্ঞাৰ দেশ হবলৈ এৰিব, যি দেশলৈ সকলো এচিয়াস্থ আৰু আফ্ৰিকাস্থ মানুহে, আনকি গোটেই পৃথিবীয়ে

চায়। ইউনিয়নেই হওক বা পাকিস্তানেই হওক ভাৰতৰ পৰা পৃথিৱীয়ে ক্ষুদ্ৰতা আৰু ধৰ্ম্মান্ধতা আশা নকৰে। পৃথিৱীয়ে আশা কৰে মহত্ব আৰু উৎকৃষ্টতা—য'ৰপৰা গোটেই পৃথিৱীয়ে বৰ্ত্তমান চলি থকা অন্ধকাৰত এটা শিক্ষা আৰু এক জ্যোতি পাব পাৰে।

## গৰু-ছাগলীৰ শুশ্ৰূষা

গোজাতিৰ প্ৰগাঢ় বা অনুৰক্ত সেৱাত তেওঁ ( বক্তা ) কাৰো ওচৰত সেও নহয়, কিন্তু সেই অনুৰাগ আইনৰ দ্বাৰা মানুহৰ ওপৰত আৰোপ কৰিব নোৱাৰি। মুছলমানক ধৰি সকলো অনা-হিন্দুৰ লগত বন্ধুত্বৰ চৰ্চ্চা আৰু উপযুক্ত বা শুদ্ধ আচৰণৰ দ্বাৰাহে ই আহিব। গো-ৰক্ষাত গুজৰাটী আৰু মাৰোৱাৰীকে সৰ্ব্বশ্ৰেষ্ঠ বুলি ধাৰণা কৰা হৈছে, কিন্তু এতিয়ালৈকে তেওঁলোকে হিন্দুধৰ্ম্মৰ অনুজ্ঞা পাহৰি আছে যে তেওঁলোকে নিজে গো আৰু সিহঁতৰ বংশধৰক অতি বেয়া ভাবে বেয়া ব্যৱহাৰ কৰি তেওঁলোকে আনৰ ওপৰত আনন্দ মনেৰে এই বাধা জাপিবলৈ বিচাৰে। ভাৰতৰ গৰু-গাই কিয় এনেভাবে অৱহেলা কৰা হৈছে? আগতে কোৱা মতে, পৃথিবীৰ ভিতৰত অতি কম গাখীৰ দিয়া কাৰণে এই দেশত সিহঁত বোজা হৈ পৰিছে? বোজা-কঢ়িওৱা জন্তু হিচাবে সিহঁতক কিয় এনে নিৰ্লজ্জভাবে অপব্যৱহাৰ কৰা হৈছে?

নানান পিঞ্জিৰাপোল গৌৰব কৰিবৰ প্ৰতিষ্ঠান নহয়। সেইবোৰত যথেষ্ট ধন খৰচ হৈছে, কিন্তু সেইবোৰত বিজ্ঞান-

সন্মত আৰু জ্ঞানোদীপ্ত গোজাতিৰ প্ৰতি আচৰণ দেখা নাযায়। সেইবোৰে ভাৰতৰ গোজাতিৰ পুনঃসংস্কাৰ কেতিয়াও আনিব নোৱাৰে। গোজাতিৰ প্ৰতি মানুহৰ ব্যৱহাৰ বিশেষ চকু ৰাখিহে সিহঁতে এনে কৰিব পাৰে। তেওঁ (বক্তা) দাবী কৰে যে আইনৰ সহায় নোহোৱাকৈ, কিন্তু ভাৰতৰ মুছলমানৰ লগত তেওঁৰ বন্ধুত্ব গঢ়ি উঠাৰ কাৰণে, আন মানুহতকৈ কসাইৰ চুৰিৰ পৰা বেচি গো ৰক্ষা কৰাৰ তেওঁ কাৰণ হৈছে।

---

৫-১১-৪৭

## হৰিজনৰ adaptability

সেই শিষ্ট বন্ধুৰ বাহিৰে কোৰাণৰ বাণী পাঠ কৰাত কোনো আপত্তি নোহোৱাত, গান্ধীজীৰ আগতীয়া কোনো মন্তব্য নোহোৱাকৈয়ে প্ৰাৰ্থনা সভা আৰম্ভ হল। সেই দিনা আবেলিৰ ভজন কিংচওৱেৰ হৰিজন নিবাসৰ এজন হৰিজনে গায়। হৰিজনৰ সুন্দৰ সুৰ বন্ধাৰ বিষয়ে মন্তব্য কৰোঁতে গান্ধীজীয়ে কয় যে ই তেওঁৰ পক্ষে আনন্দৰ কথা, আৰু শ্ৰোতাসকলৰো। মানুহে মানুহে সমান সুবিধা পালে হৰিজন উচ্চ হিন্দু বা আন কোনো মানুহতকৈ কোনো গুণে নিকৃষ্ট নহয়। সঁচাকৈয়ে তেওঁ দেখিছে যে, কোনো কোনো বিষয়ত —উদাহৰণ স্বৰূপে বাক্ আৰু যন্ত্ৰ সঙ্গীত বা শিল্পকাৰ্য্যত সাধাৰণ হৰিজনে বেচি সক্ষমতা (adaptability) দেখুৱাইছে।

তেওঁ এইটো কবলৈ ইচ্ছা নকৰে যে আন শ্ৰেণীৰ মানুহৰ দৰে হৰিজনবোৰ পাপ কৰাত উন্মুখ নহয়। কিন্তু তেওঁ কবলৈ ইচ্ছা কৰে যে অস্পৃশ্যতাই হৰিজনবোৰৰ ওপৰত জাপি দিয়া কঠোৰ অক্ষমতা স্বত্বেও, সমান সুবিধা সিহঁতক দিলে সমান উন্নতিৰ ওপৰত কোনো বাধা থকা প্ৰমাণ নকৰে। আন এটা আনন্দৰ কথা হৈছে আন হিন্দুক দিয়া স্বত্বৰ দৰে একে সমান স্বত্বত হৰিজনবোৰৰ কাৰণে পান্ধাৰপুৰৰ পুৰণি আৰু বিখ্যাত মন্দিৰৰ দ্বাৰ খুলি দিয়া হৈছে। ইয়াৰ আচল যশস্যা শ্ৰীসানে গুৰুজীৰ প্ৰাপ্য; কাৰণ ইয়াৰ দ্বাৰ খুলি নিদিয়াত তেওঁ আমৃত্যু অনশন কৰিছিল। এই শুদ্ধ পথ অৱলম্বন কৰাৰ কাৰণে তেওঁ পান্ধাৰপুৰ ট্ৰাষ্টী, তাৰ মানুহ আৰু ওচৰৰ মানুহবোৰক অভিনন্দন জনায়। তেওঁ আশা কৰে যে অতি সোনকালে অস্পৃশ্যতাৰ শেষ চিনো অতীতৰ কথা হব। ভাৰতৰ দুই ৰাজ্যকে গ্ৰাস কৰা সাম্প্ৰদায়িক বিষ ধ্বংস কৰাত এই খোজ কোনো নিকৃষ্ট দান নহয়।

## নিৰামিষ কেনেকৈ বিস্তাৰ কৰা হয়

গান্ধীজীয়ে ডাকযোগেদি তেওঁলৈ অহা নানা প্ৰশ্নৰ কথা আলোচনা কৰে। এজন মুছলমান বন্ধুয়ে আপত্তি জনাই যে তেওঁ থকা ইউনিয়নৰ অঞ্চলত নিৰামিষাসী হিন্দুবিলাকে সিহঁতৰ মাজত থকা মুছলমান বোৰক আনকি মাছ আৰু ছাগলী মাংস খোৱাও বন্ধ কৰিবলৈ কৈছে। এনে ধৰণৰ

অসহিষ্ণুতা আৰু সঙ্কীৰ্ণতাত তেওঁৰ ( বক্তাৰ ) কোনো ধৈৰ্য্য নাই ; ধৰ্ম্মবিষয়ক বিশ্বাসৰ পৰা ভাৰতত নিৰামিষাসীৰ সংখ্যা কম বুলি কোৱা হৈছে। ভাৰতৰ অধিক সংখ্যক হিন্দুৱে কোনো সুবিধা পালেই মাছ, চৰাই মাংস বা ছাগৰ মাংস খোৱাত ইতস্ততঃ নকৰে। মুছলমানবোৰৰ ওপৰত সিহঁতৰ বিশ্বাস (cult) জাপি দিবলৈ সিহঁতৰ কি স্বত্ব আছে ? সিহঁতে সিহঁতৰ অনা-নিৰামিষাসী হিন্দুবোৰৰ ওপৰত ইয়াক জাপিবলৈ সাহ নকৰে। গোটেই বিষয়টো তেওঁৰ মানত হাস্যঙ্কৰ। নিৰামিষ ভোজন প্ৰচাৰ কৰিবলৈ মানুহবোৰৰ উচিত উপায় হৈছে ইয়াৰ সৌন্দৰ্য্যক বাহিৰ কৰি দেখুৱাই সিহঁতৰ নিজৰ জীৱনতে প্ৰমাণ দেখুৱাব লাগে। আনক নিজৰ মতলৈ আনিবলৈ ইয়াতকৈ আৰু আন প্ৰশস্ত উপায় নাই।

## নিজৰ ঘৰতে থাকা

এজন হিন্দু সমালোচকে কয় যে তেওঁ ( গান্ধীজী ) আৰু তেওঁৰ দৰে আনসকলে মুছলমানৰ একগুঁয়েমিৰ কাৰণে দুখ-যন্ত্ৰণাৰ আবিৰ্ভাৱ হোৱা স্বত্বেও মুছলমানৰ আগত প্ৰচাৰ কৰি ভাগৰা নাই যে, সিহঁতে নিজৰ ঘৰ এৰিব নালাগে, নিৰাপদভাবে তেওঁলোকে তেনে কৰিব পাৰিলেও। যেহেতু, সিহঁত নিজৰ ঘৰত সোমাই থাকিলে নিজৰ জীৱিকা আৰ্জ্জিবলৈ সিহঁত লৰচৰ কৰিব নোৱাৰিব বা বেচিভাগ হিন্দু ৰাইজেই সিহঁতৰ পৰিশ্ৰমৰ ফল তৈয়াৰী বস্তুবোৰ কিনিবলৈ

এৰিব। নিজৰ চকুৰ আগতে আনক বধ কৰা আৰু আনবোৰক পাকিস্তানলৈ যোৱা দেখি অৱশিষ্ট মুছলমানবোৰক ইমান বোৰ অসুবিধা থকা স্বত্ত্বেও নিজৰ ঘৰত থাকিবলৈ কাৰণে আশা কৰাটো অতিমাত্রা হব। গান্ধীজীয়ে স্বীকাৰ কৰে যে এই সমালোচনাত যথেষ্ট সত্য আছে, কিন্তু সিহঁতক দিবলৈ তেওঁৰ আন উপদেশ নাই। তেওঁ ভাবে যে নিজৰ ঘৰ-বাৰী এৰি যোৱাৰ ফলত যথেষ্ট দুখ-দুৰ্গতি হব পাৰে। সেই কাৰণে তেওঁ আন্তৰিক বিশ্বাস কৰে যে দুখ-দুৰ্দ্দশা হোৱা স্বত্ত্বেও অবশিষ্টই যদি সাধু আৰু সাহসেৰে নিজৰ ঘৰত থাকে, তেওঁলোকে নিশ্চয় হিন্দু ওচৰ-চুবুৰীয়াৰ কঠুৱা অন্তৰ কোমলাব পাৰিব। তেতিয়া ভাৰতৰ দুয়ো ভাগতে আনবোৰে পৰিত্রাণ পাব। কাৰণ কঠোৰ সাধুতাৰ লগত অহিংসাৰ পৰা জন্ম হোৱা আদৰ্শ ( unexampled ) বা অভূতপূৰ্ব্ব সাহস যথেষ্ট সংখ্যক মুছলমানে দেখুৱালে গোটেই ভাৰত অনুপ্ৰাণিত হব।

## অহিংসাত স্থিৰতা

সকলো হেৰুৱাবলৈ উন্মুখ মিঃ উইনষ্টন চাৰ্চ্চিল, হিটলাৰ, মুচ'লিনি আৰু জাপানীবোৰক তেওঁৰ অহিংসা নীতি গ্ৰহণ কৰিবলৈ উপদেশ দিবলৈ সাহ কৰা দেখি এখন চিঠিত তেওঁক তিৰস্কাৰ কৰা হৈছে। তাৰ পিচত চিঠি লিখকে কয় যে নিজক নিৰাপদ জানি যদি তেওঁ এনে উপদেশ দিব পাৰে তেন্তে কংগ্ৰেচ চৰকাৰৰ তেওঁৰ বন্ধু সকলে ইয়াক এৰি

কাশ্মীৰলৈ সহায় পঠিওৱাত তেওঁ কিয় তেওঁৰ অহিংসা এৰি দিলে? কাশ্মীৰী বোৰে কেনেকৈ অহিংসাৰে আক্ৰমণ-কাৰীবোৰৰ সন্মুখীন হব সেই বিষয়ে বিশেষ ভাবে পন্থা দেখুৱাবলৈ গান্ধীজীক আহ্বান কৰি চিঠিৰ সামৰণি মাৰিছে। উত্তৰত গান্ধীজীয়ে কয় যে লিখকে নিজৰ অজ্ঞতা দেখুৱাৰ কাৰণে তেওঁ দুখিত। শ্ৰোতাসকলৰ মনত আছে যে তেওঁ বাৰে বাৰে কৈ আহিছে ইউনিয়ন কেবিনেটৰ বন্ধুসকলৰ ওপৰত এই বিষয়ে তেওঁৰ কোনো প্ৰভাৱ নাই। আগৰ দৰেই তেওঁ স্থিৰভাবে অহিংসা নীতিত খামুচি ধৰি আছে কিন্তু কেবিনেটত থকাৰ কাৰণে তেওঁৰ মত তেওঁৰ অন্তৰঙ্গ বন্ধুৰ ওচৰত জাপি দিব নোৱাৰে। তেওঁলোকৰ বিপক্ষে কাম কৰাটো তেওঁ আশা কৰিব নোৱাৰে আৰু সকলোৱেই তেওঁৰ স্বীকাৰোক্তিত সন্তুষ্ট হব লাগিব যে তেওঁ তেওঁৰ বন্ধু-সকলৰ ওপৰত তেওঁৰ আগৰ অধিকাৰ হেৰুৱাইছে। লিখকে উত্থাপন কৰা প্ৰশ্ন সম্পূৰ্ণ যোগ্য হৈছে।

## শ্ৰদ্ধাৰ প্ৰত্যাখ্যান নহয়

তেওঁৰ অহিংসাই তেওঁক প্ৰশংসা বা শ্ৰদ্ধা প্ৰত্যাখ্যান কৰাত বাধা দিছে, য'ত ইয়াক দিবৰ যোগ্য যদিও শ্ৰদ্ধাবান লোকজন উগ্ৰতাৰ পক্ষপাতী। এইদৰে, সুভাষ বসুৰ উগ্ৰতাৰ পক্ষপাতিত্ব আৰু তাৰ ফলক কাৰ্য্যত গ্ৰহণ নকৰিলেও তেওঁৰ দেশপ্ৰেম, সঙ্গতিপন্নতা ( resourcefulness ) আৰু

সাহসক অসঙ্কুচিত প্ৰশংসা কৰিবলৈ তেওঁ এৰা নাই। সেই দৰে, কাশ্মীৰীবোৰক সহায় কৰাত ইউনিয়ন চৰকাৰে অস্ত্ৰ ব্যৱহাৰ কৰাত তেওঁ অনুমোদন নকৰিলেও আৰু শেখ আব্দুল্লাৰ অস্ত্ৰৰ আশ্ৰয় গ্ৰহণ নকৰিলেও তেওঁলোকৰ সঙ্গতি-পন্ন আৰু প্ৰশংসনীয় আচৰণত তেওঁৰ প্ৰশংসা সম্ভৱতঃ তেওঁ নিদি নোৱাৰে, যদি সহায়কাৰী সৈন্য আৰু কাশ্মীৰী ৰক্ষা-কৰ্ত্তাবোৰে সাহসেৰে শেষ মানুহটোলৈকে মৃত্যু বৰণ কৰিলেহেঁতেন। তেওঁ জানে যে, সিহঁতে তেনে কৰিব পাৰিলে, সিহঁতে সম্ভবতঃ ভাৰতৰ মুখমণ্ডল পৰিবৰ্ত্তন কৰিলেহেঁতেন। যদি এই ৰক্ষণ আন্তৰিক আৰু কাৰ্য্যত অহিংস হয়, তেন্তে তেওঁ “সম্ভৱতঃ” শব্দটো ব্যৱহাৰ নকৰে; কাৰণ, পাকিস্তান মন্ত্ৰীসভাক নোৱাৰিলেও ইউনিয়ন মন্ত্ৰীসভাক প্ৰতিবাদীৰ মতলৈ অনা পৰ্য্যন্ত ভাৰতৰ মুখমণ্ডলৰ পৰিবৰ্ত্তন কৰাত তেওঁ নিশ্চিন্ত হব।

অহিংসাৰ কৌশল প্ৰতিবাদীৰ কাৰণে কোনো অস্ত্ৰৰে সজ্জিত সহায় নহয়। কোনো দোষ নোহোৱাকৈ অহিংস সহায় ইউনিয়নৰ পৰা পঠিয়াব পাৰি। এনে সহায় পাওক নাপাওক, কিন্তু ৰক্ষণকাৰীবোৰে আক্ৰমণকাৰীবোৰৰ, বা আনকি অসংখ্য শৃঙ্খলাপূৰ্ণ সৈন্যদলৰ শক্তিকো স্পৰ্দ্ধাৰে অগ্ৰাহ্য কৰিব। আৰু ৰক্ষণকাৰীবোৰে অন্তৰত আক্ৰমণ-কাৰীৰ বিৰুদ্ধে কোনো ঈৰ্ষাভাব আৰু ৰোষভাব নোলোৱা আৰু আনকি নিজৰ মুঠি ব্যবহাৰ নকৰিও কোনো অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ নকৰি নিজৰ কৰ্ত্তব্য স্থানত মৃত্যু বৰণ কৰাই বুৰঞ্জীত

অভূতপূৰ্ব্ব বীৰত্বৰ নিদৰ্শন হব। অকল ভাৰতৰেই নহয়, গোটেই পৃথিবীৰেই নিজৰ সুগন্ধ বিতৰণে কাশ্মীৰ এখন পবিত্ৰ স্থানত পৰিণত হব। অহিংসাৰ কাৰ্য্য বৰ্ণনা কৰাৰ পিচত তেওঁ নিজৰ আৱশ্যকতা (importance) স্বীকাৰ কৰিব লগীয়া হল এই বিষয়ত যে তেওঁৰ শব্দৰ শক্তি কমি গৈছে যিটোৱে, গীতাৰ দ্বিতীয় অধ্যায়ৰ শেষৰ শাৰীত কোৱাৰ দৰে, আত্মাৰ ওপৰত সম্পূৰ্ণ অধিকাৰ দিয়ে। এই উদ্দেশ্যৰ কাৰণে আৱশ্যকীয় তপশ্চৰ্য্যাৰ তেওঁৰ অভাৱ। তেওঁ মাথোন প্ৰাৰ্থনা কৰিব পাৰে আৰু ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ৰাইজক আমন্ত্ৰণ কৰিব পাৰে যে যদি তেওঁৰ অনুগ্ৰহ হয় তেন্তে তেওঁ এইমাত্ৰ বৰ্ণনা কৰা গুণবোৰ তেওঁক দিব পাৰে।

## বিকৃত ঘটনাবোৰ

প্ৰাৰ্থনাৰ পিচত গান্ধীজীয়ে এজন বন্ধুৱে তেওঁলৈ পঠিওৱা দুখন বাতৰি কাকতৰ দুডোখৰ কটা কাগজৰ কথা উল্লেখ কৰে। তেওঁ লিখকৰ নাম জানে কিন্তু তেওঁ তেওঁৰ নাম বা সেই কাগজৰ কথা কবলৈ ইচ্ছা নকৰে। তেওঁ মাথোন ইয়াকে কব খুজিছে যে সেই লেখাবোৰ হিন্দুধৰ্ম্মৰ সেৱাৰ কাৰণেহে; তথাপিও সেই কাগজ ইচ্ছাকৃত অসত্যৰে পূৰ্ণ। ঘটনাৰ আবিষ্কাৰ নোহোৱাত সেইবোৰ বিকৃত কৰা হৈছে। তেওঁ দৃঢ়তাৰে কব পাৰে যে ধৰ্ম্মৰতো কথাই নাই কোনো উদ্দেশ্যকে তেনে ভাবে প্ৰতিপন্ন কৰিব নোৱাৰি

আচল ঘটনাৰ ওপৰত ভিত্তি নকৰি একমাত্ৰ কল্পিত কথাৰ গৰিলা লৈ কৰা এনে আক্ৰমণত আক্ৰমণ কৰা মানুহবোৰক ই দুখ দিয়া নাই। গতিকে, লিখক সকল যিমানেই প্ৰখ্যাত হওক এনে বাতৰি কাকতক সমৰ্থন কৰাৰ বিপক্ষে, তেওঁ জনসাধাৰণক সাৱধান কৰি দিয়ে।

## নিয়ন্ত্ৰণ দূৰ কৰা

গান্ধীজীয়ে উল্লেখ কৰা দ্বিতীয় কথাটো হৈছে যে খাদ্য-মন্ত্ৰীৰ দ্বাৰা আহ্বান কৰা বেচৰকাৰীসকলৰ কমিটিৰ মত-বোৰৰ এটা মীমাংসা কৰাত ডাঃ ৰাজেন্দ্ৰপ্ৰসাদক সাহায্য কৰিবলৈ দিল্লীলৈ অহা বেলেগ বেলেগ প্ৰদেশৰ মন্ত্ৰীসকলক বা তেওঁলোকৰে প্ৰতিনিধিসকলক লগ পাই তেওঁ সুখী হৈছে। গতিকে গান্ধীজীয়ে এই কমিটিৰ কথা শুনি সিহঁতৰ থাকিব পৰা সন্দেহবোৰ স্পষ্টভাবে দূৰ কৰিবৰ আশাত তেওঁলোকক দুআযাৰমান কবলৈ তেওঁক সুবিধা দিবৰ কাৰণে তেওঁ ডাঃ ৰাজেন্দ্ৰপ্ৰসাদক কয়। কাৰণ, তেওঁ লোৱা standৰ বিষয়ে তেওঁ ( বক্তা ) সম্পূৰ্ণ নিশ্চিত। ডাঃ ৰাজেন্দ্ৰপ্ৰসাদে তেওঁৰ প্ৰস্তাৱ সাদৰেৰে গ্ৰহণ কৰে আৰু গান্ধীজীও পুৰণি বন্ধুসকলক লগ পাই সুখী হয়। তেওঁ ( গান্ধীজীয়ে ) কৈয়েই আছে যে সাম্প্ৰদায়িক গণ্ডগোলত তেওঁৰ মতৰ সম্বন্ধত, তেওঁ এটা back number, কিন্তু তেওঁ কবলৈ পাই সুখী হৈছে যে খাদ্য প্ৰশ্নৰ বিষয়ত তেওঁৰ stand সম্বন্ধত বিষয়টো তেনে নহয়।

তেওঁ এই মত পোষণ কৰে যে কোনো খাদ্য নিয়ন্ত্ৰণ বা বস্ত্ৰ নিয়ন্ত্ৰণ থাকিব নোৱাৰে, যেতিয়ালৈকে বঙ্গৰ গবৰ্ণৰ আৰু তেওঁৰ মাজত দেখা-সাক্ষাৎ (interview) হৈ থাকিব। সেই সময়ত তেওঁৰ কোনো সমৰ্থক ( backing ) আছিল নে নাই তেওঁ কব নোৱাৰে। কিন্তু অলপতে হোৱা তৰ্ক-বিতৰ্কৰ সময়ত তেওঁ জানিব পাৰি আচৰিত হৈছিল যে তেওঁ জনা আৰু নজনা জনসাধাৰণৰ অনেকেই তেওঁৰ সমৰ্থক আছিল। এই বিষয়ৰ অসংখ্য লেখা-পঢ়াৰ মাজত তেওঁ কোনো এজন মানুহকে তেওঁৰ পৰা মতভেদ হোৱা নাপালে। তেওঁ শ্ৰীঘনশ্যামদাস বিড়লা আৰু লালা শ্ৰীৰামৰ দৰে ডাঙৰ লোকৰ মতৰ বিষয়ে একো নাজানে, আৰু তেওঁ চোচিয়েলিষ্ট সকলৰ পৰাও কিবা সমৰ্থন পোৱাৰ কথাও নাজানে, মাত্ৰ ডাঃ ৰামমনোহৰ লোহিয়াই তেওঁক লগ ধৰি তেওঁ গ্ৰহণ কৰা মতত আন্তৰিক সমৰ্থন প্ৰকাশ কৰে। তেওঁ এই ইঙ্গিত অকপটে দিয়ে যে খাদ্য নিয়ন্ত্ৰণৰ কাৰণে দেশৰ সম্মুখত উপস্থিত হোৱা এনে অৱস্থাত ডাঃ ৰাজেন্দ্ৰপ্ৰসাদ (নিজৰ) স্থায়ী কৰ্ম্মচাৰী সকলোতকৈ তেওঁৰ কমিটিৰ এজন বা তাতকৈ বেচি সভ্যৰ দ্বাৰা চালিত হোৱা উচিত।

## খাদি বনাম মিলৰ কাপোৰ

তাৰ পিচত তেওঁ বস্ত্ৰ নিয়ন্ত্ৰণৰ কথা কয়। খাদ্য নিয়ন্ত্ৰণ দূৰ কৰা বিষয়তকৈ এই বিষয়ত তেওঁ ব্যক্তিগত ভাবে,

সম্ভব হলে এই বিষয়ত বেচি নিশ্চিত হলেও তেওঁ সন্দেহ কৰে যে খাদ্য নিয়ন্ত্ৰণৰ দৰে কাপোৰৰ বিষয়ত সিমান সমৰ্থন তেওঁ নাপায়। তেওঁৰ এই স্বীকাৰোক্তি ( submission ) অবিশ্বাস্য ভাবে সহজ। দেশী বা বিদেশী যি কোনো মিলৰ কাপোৰৰ খাদিয়েই যে সম্পূৰ্ণ অনুকল্প এই বিষয়ৰ তেওঁৰ মত কংগ্ৰেচে তৎক্ষণাৎ সমৰ্থন কৰে। স্বৰ্গীয় যমুনালালজীৰ তলত এই খাদি বোৰ্ড স্থাপিত হয়, আৰু তেওঁৰ ( গান্ধীজীৰ ) য়াৰবেদা কাৰাবাসৰ পৰা মুক্তিৰ পিচত এই বোৰ্ডৰ পৰিসৰ বৃদ্ধি হৈ All India Spinners Associationঅত পৰিণত হয়। ভাৰতৰ বাসিন্দা ৪০ কোটি। ইয়াৰ পৰা পাকিস্তান বাদ দিলে তথাপিও ৩০ কোটিতকৈ বেচি মানুহ হয়। সিহঁতৰ আৱশ্যক মতে যথেষ্ট কপাহ উৎপন্ন হয়। এই কপাহক বব পৰা সূতা কৰিবলৈ যথেষ্ট সুতা কটা মানুহ আছে আৰু হাতে-কটা সূতা ববলৈ দেশত আৱশ্যকীয় সংখ্যাতকৈ বেচি তাঁতী আছে। বেচি ধন নলগোৱাকৈয়ে কোনো অসুবিধা নোহোৱাকৈ দেশত সিহঁতে সকলো চকা ( wheels ) তাঁত আৰু আন দৰকাৰী বস্তু তৈয়াৰ কৰিব পাৰে। গতিকে সকলো আৱশ্যকীয় বস্তু খাদিৰ বাহিৰে আন ব্যবহাৰ নকৰাৰ দৃঢ় বিশ্বাস আৰু দৃঢ়তা। তেওঁলোকে জানে যে ইচ্ছা অনুযায়ী অতি মিহি খাদি বোৱা সম্ভব আৰু মিলত তৈয়াৰ হোৱাতকৈও উৎকৃষ্ট চানেকী উৎপন্ন কৰা সম্ভব। বিদেশীৰ হাতৰ পৰা এতিয়া ভাৰত মুক্ত হোৱাত, বিদেশী চৰকাৰৰ

প্ৰতিনিধি আদিৰপৰা পোৱা বিপক্ষতা এতিয়া আৰু হব নোৱাৰে। ই এতিয়া গান্ধীৰ পক্ষে বৰ আচৰিত বিষয় হৈছে যে তেওঁলোকে নিজৰ নিজত্ব ফিৰাই পোৱাত, কোনেও খাদিৰ কথা নকয়, কাৰো খাদিৰ সম্ভাব্যতাৰ ওপৰত বিশ্বাস থকা যেন দেখা নাযায় আৰু ভাৰতক কাপোৰ পিন্ধাবৰ কাৰণে তেওঁলোকে মিলৰ কাপোৰৰ বাহিৰে আনৰ কথা নাভাবে। তেওঁৰ অকণো সন্দেহ নাই যে ভাৰতৰ কাৰণে খাদিৰ অৰ্থনীতিয়েই একমাত্ৰ নিখুঁত অৰ্থনীতি।

---

## (৫৭)

৭-১১-৪৭

## তেহাৰ গাৱঁলৈ যাত্ৰা

গান্ধীজীয়ে তেহাৰৰ মুছলমান শৰণাৰ্থী বোৰক দেখা কৰিবলৈ যোৱাত আৰু তাত বেচি সময় দিবলগীয়া হোৱাত, তেওঁ ঘূৰি আহি পোনে পোনেই প্ৰাৰ্থনা সভালৈ যায়। স্বাভাবিক প্ৰাৰ্থনাৰ পিচত গান্ধীজীয়ে তেওঁৰ যাত্ৰাৰ কথা উল্লেখ কৰে আৰু তেহাৰ আৰু তেহাৰৰ আশে-পাশে থকা মুছলমানবোৰে অত্যাবশ্যকীয় দুখ-যন্ত্ৰণা ভোগ কৰিছে। অনেকেই মাটিৰ গৰাকী, কিন্তু উৎপাতৰ ভয়ত সিহঁতে মাটিত খেতি নকৰে। সিহঁতে সিহঁতৰ গৰু-গাই, হাল-কোৰ আৰু কিছুমান লগত নিব পৰা বস্তু বেচি থৈ আহে। সিহঁত

মিলিটাৰীৰ দ্বাৰা ৰক্ষিত হৈছে। তেওঁৰ চাৰিওফালে গোট খোৱা প্ৰায় ২০০০ মান দুৰ্দ্দশাগ্ৰস্থ মানুহে সিহঁতৰ প্ৰমুখৰ দ্বাৰা কোৱাই যে জীৱন-নিৰ্ব্বাহ অসম্ভব হোৱাত আৰু সিহঁতৰ বন্ধুবান্ধব আৰু মিটিৰ-কুটুম্ব অনেকেই পাকিস্তানলৈ যোৱাত সিহঁতো তালৈ যাব খোজে। যিমান সোনকালে পাৰে সিহঁতক লাহোৰলৈ পঠিয়াই দিলে বৰ দয়াৰ কাম হয়। সিহঁতে কয় যে মিলিটাৰী পহৰাৰ বিপক্ষে সিহঁতৰ কোনো অভিযোগ নাই। কিন্তু তেহাৰত এই দেখাশুনাৰ সম্পূৰ্ণ বিৱৰণত সময় লবলৈ তেওঁ ইচ্ছা নকৰে। তাৰ জনতাক তেওঁ কয় যে তেওঁৰ কোনো শক্তি নাই কিন্তু তেওঁ আনন্দ মনেৰে সিহঁতৰ বাতৰি প্ৰধান মন্ত্ৰী আৰু তেওঁৰ সহকাৰী স্বৰাষ্ট্ৰ সচিবৰ আগত পেশ কৰিব।

## এটা শিক্ষা

তাৰ পিচত দিল্লীত থকা শৰণাৰ্থীবোৰৰ সমস্যাৰ কথা কয়। তেওঁক কোৱা হয় যে দুৰ্দ্দশাগ্ৰস্ত দল হিচাবে শৰণাৰ্থী-বোৰে অনুভব কৰে যে সিহঁতে পাবলগীয়া কিছুমান বিশেষ সত্ব আছে; যে সিহঁতে বজাৰ কৰিবলৈ ওলাই গলে দোকানী বোৰে কেতিয়াবা বিনা দামে আৰু অতি কম দামত বস্তু সিহঁতক দিয়াটো সিহঁতে আশা কৰিছিল। গাইগুটীয়া বস্তু কিনাত কেতিয়াবা কেইবাশও পায়গৈ। কিছুমান শৰণাৰ্থীয়ে আশা কৰে যে টঙ্গাওৱালাবোৰে সিহঁতক বিনা পইচাই নিব

বা আগতকৈ অতি কম পয়চা দাবী কৰক। গান্ধীজীয়ে কয় যে তেওঁৰ দিয়া এই বাতৰি যদি সঁচা হয়, তেন্তে তেওঁ কবলৈ বাধ্য হব যে দুৰ্ভাগ্যই সাধাৰণতে উৎপীড়িতক শিকোৱা শিক্ষা শৰণাৰ্থীবোৰে শিকিব পৰা নাই। তাৰ দ্বাৰাই সিহঁতে নিজৰ আৰু দেশৰ অন্যায় কৰিছে আৰু আগতেই জটিল হোৱা বিষয়ক আৰু জটিল কৰিছে। এনে আচৰণ চলি থাকিলে, সিহঁতে দিল্লীৰ দোকানীবোৰক সিহঁতৰ প্ৰতি উদাসীন হবলৈ বাধ্য কৰিব।

## শৰণাৰ্থীৰ প্ৰতি উপদেশ

একে সময়তে সকলো সম্পত্তিৰ পৰা বঞ্চিত হোৱা শৰণাৰ্থীবোৰে বেচি বস্তু কিনিব পাৰে এই কথা তেওঁ বুজিব পৰা নাই। তেওঁ আশা কৰে যে বিশেষ আৰু ন্যায়সঙ্গত সময়ৰ বাহিৰে আন সময়ত শৰণাৰ্থীবোৰে ঈশ্বৰ প্ৰদত্ত ঠেঙৰ বাহিৰে আন বস্তু চলাচলৰ কাৰণে যেন ব্যৱহাৰ নকৰে। তেওঁ আৰু জানিব পাৰিছে যে শৰণাৰ্থীবোৰৰ সোঁতৰ পিচত উত্তেজক বস্তুৰ পৰা পোৱা খাজানা অনেক পৰিমাণে বাঢ়িছে। ঘটনাক্ৰমে সিহঁতে বুজা উচিত যে যদি কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰ কংগ্ৰেচ আৱশ্যকতাৰ প্ৰতি সত্য হয় তেন্তে কোনো এখন ৰাজ্যতে কানি, ভাং আদি মাদক আৰু উত্তেজক দ্ৰব্য নাথাকিব, কাৰণ সম্পূৰ্ণ নিবাৰণ ঘোষণা কৰিবৰ কাৰণে নিজক প্ৰৰোচিত কৰিবলৈ মুচলিম বন্ধু

সকলৰ কংগ্ৰেচ প্ৰস্তাবৰ কোনো আৱশ্যক নাই। অভূতপূৰ্ব্ব উপদ্ৰব সহ্য কৰিব লগা হোৱা শৰণাৰ্থীবোৰে পানীয় দ্ৰব্য ব্যবহাৰ বা বিলাসিতাত মগ্ন হোৱাৰ পৰা নিজক সংযত কৰিব নোৱাৰেনে? তেওঁ আশা কৰে যে আগৰ প্ৰাৰ্থনাৰ পিচত কৰা আলোচনাত তেওঁ দিয়া উপদেশ যেন শৰণাৰ্থী-বোৰে মানে; যেন সিহঁতে চেনি বা গাখীৰৰ দৰে আচৰণ কৰে। আৰু দৃঢ় ভাবে যি সকলৰ মাজত আছে সিহঁতৰ বোজা হবলৈ মান্তি নহয়; আৰু যেন ধনী-দুখীয়া সকলো শৰণাৰ্থীয় একেটা কম্পাউণ্ড বা শিবিৰত কাম কৰে আৰু আদৰ্শ নাগৰিক আৰু আত্ম-নিৰ্ভৰশীল হবৰ কাৰণে সম্পূৰ্ণ সহযোগেৰে কাম কৰে।

---

৮-১১-৪৭

(৫৮)

আগৰ কেইজন নম্ৰ আপত্তিকাৰীৰ উপৰিও কোৰাণ পাঠ কৰাৰ বিপক্ষে আৰু তিনিজন আপত্তিকাৰী আছিল। প্ৰাৰ্থনা আৰম্ভৰ আগতে, গতিকে, গান্ধীজীয়ে আপত্তিকাৰীৰ বিপক্ষে কোনো ৰোষভাব নৰখা আৰু ধীৰ আৰু শান্ত ভাবে প্ৰাৰ্থনা সভাৰ প্ৰতি মনোযোগ দিয়া এই প্ৰাথমিক অৱস্থা আনিবলৈ শ্ৰোতাসকল ৰাজী আছেনে বুলি সোধে। শ্ৰোতা-সকলে তৎক্ষণাৎ একবাক্যে কয় যে সেই নিৰ্দ্দেশ তেওঁলোকে

মানিব। গোটেই প্ৰাৰ্থনা কালত আপত্তিকাৰীবোৰ মনে মনে আছিল। কোনো বাধা নোহোৱাকৈ প্ৰাৰ্থনা চলে। সৰ্ব্বশেষত গান্ধীজীয়ে ইয়াৰ কাৰণে ধন্যবাদ জনায়।

## শিখ শাস্ত্ৰ পাঠ

গান্ধীজীয়ে এজন শিখ বন্ধুৰ পৰা পোৱা এখন চিঠিৰ কথা উল্লেখ কৰে। তাত তেওঁ লিখিছে যে তেওঁ সদায় প্ৰাৰ্থনা সভাত উপস্থিত থাকে, কাৰণ তেওঁ ( লিখকে ) ভাল পায়। প্ৰাৰ্থনাৰ পৰোক্ষ ভাবে থকা সহিষ্ণু অৰ্থক ( spirit ) লিখকে প্ৰশংসা কৰে। গান্ধীজীৰ গ্ৰন্থ চাহেব, সুখমণি, জাপজি আদিৰ উল্লেখ তেওঁ বিশেষ ভাবে প্ৰশংসা কৰে। কিন্তু তেওঁ অনুভব কৰে যদি তেওঁ গোটেই শিখ সম্প্ৰদায়ৰ হৈ কব পাৰিলেহেঁতেন যে পত্ৰলিখকে গান্ধীজীৰ সম্মুখত গাবলৈ ইচ্ছা প্ৰকাশ কৰা শিখ শাস্ত্ৰবোৰৰ পৰা নানা বাণী বা শ্লোক বাচি গান্ধীজীয়ে সদায় গাই থকা কথাত সিহঁত দ্ৰবীভূত হব। বক্তাই পত্ৰলিখকৰ ইচ্ছাত মান্তি হয় আৰু লগতে কয় যে লিখকৰ গীত তেওঁ নিজে শুনাৰ পিচত তেওঁ এটা মীমাংসালৈ আহিব। সেই বিষয়ে তেওঁ কয় যে লিখকে শ্ৰীবৃজকৃষ্ণজীৰ পৰা সঙ্কেত পাব লাগিব।

## কপাহৰ গাঁথৰ কাৰণে প্ৰাৰ্থনা

তাৰ পিচত তেওঁ উল্লেখ কৰে যে লাখ লাখ টকা বচাবৰ কাৰণে আৰু শৰণাৰ্থীবোৰৰ কোনো অসুবিধা নোহোৱাকৈ

ঢাকনি পাবৰ কাৰণে শৰণাৰ্থীবোৰে নিজৰ ব্যবহাৰৰ কাৰণে ৰেজাই তৈয়াৰ কৰিবলৈ সিহঁতে কপাহ, কেলিকো আৰু বেজি পোৱাৰ কথাৰ উল্লেখৰ উত্তৰত বোম্বাই কপাহ ব্যৱসায়ীসকলৰ পৰা তেওঁৰ ওচৰলৈ দান আহিছে। এনে এটা কাৰ্য্যই শৰণাৰ্থীবোৰৰ সন্মান বঢ়াব আৰু সবল সহযোগৰ প্ৰথম শিক্ষা লাভ কৰিব। লগতে তেওঁ কয় যে দিল্লীতো কপাহ কলৰ কোনো অভাৱ নাই। এই চহৰত বহুত মিল চলি আছে কিন্তু বোম্বেৰ পৰা অহা দান তেওঁ আহ্বান কৰিছে কাৰণ ইচ্ছুক দানীসকলৰ ওপৰত তেওঁ অনাবশ্যক বোজা দিবলৈ ইচ্ছা নকৰে। দানীৰ সংখ্যা যিমানেই বাঢ়ে, সিমানেই সিহঁতৰ আৰু দেশৰ মঙ্গল। গতিকে তেওঁ আশা কৰে যে, যিমান সোনকালে সম্ভৱ, কপাহ ব্যবসায়ী সকলে যিমান পাৰে গাঁথ পঠিয়াওক। ধনীলোকৰ এনে সহযোগে চৰকাৰৰ ওপৰত পৰা বোজা কমাব। যেতিয়া সিহঁতে নিজৰ নিজত্ব পাইছে, তেতিয়া প্ৰত্যেকেই দেশৰ চৰকাৰৰ একোজন নিজ ইচ্ছাৰ অংশীদাৰ—যদি নাগৰিকৰ সম্পূৰ্ণ অৰ্থত নাগৰিক হিচাবে নিজৰ কৰ্ত্তব্য কৰে।

## খাদি বয়ন

তেওঁ সন্দেহ নকৰে যে কপাহৰ গাঁথ আহিলে, তেওঁ ৰেজাইৰ কাৰণে যথেষ্ট কেলিকো দিবলৈ মিলৰ গৰাকীবোৰক প্ৰৰোচিত কৰিব পাৰিব। কপাহ গাঁথৰ উল্লেখৰ পৰা তেওঁ

বস্ত্ৰ নিয়ন্ত্ৰণ পালেহি। তেওঁ কয় যে দেশত যথেষ্ট পৰিমাণে কপাহ পোৱাৰ এই অৱস্থাত সকলো মানুহৰ কাৰণে হাতেৰে খাদি তৈয়াৰ কৰা ভাৰতত সহজ আৰু সম্ভৱ। ভাৰতত কেতিয়াবা কপাহৰ আকাল হৈছে বুলি তেওঁ কেতিয়াও নাজানিছিল। এই দেশত সিহঁতে সদায় যথেষ্ট কপাহ উৎপন্ন কৰা এই সাধাৰণ কাৰণতো কোনো আকাল থাকিব নোৱাৰে। হাজাৰ হাজাৰ গাঁথ কপাহ দেশৰ পৰা ৰপ্তানী হোৱা স্বত্বেও দেশৰ মিলৰ কাৰণে কপাহৰ কোনো অভাব হোৱা নাই। তেওঁ আগেয়েই এই বিষয়লৈ শ্ৰোতাসকলৰ মনোযোগ আকৰ্ষণ কৰিছে যে অতি বেচি জনসংখ্যাও আছে আৰু ভাৰতত হাতেৰে-ধুনা, হাতেৰে-সূতা-কটা আৰু হাতেৰে-বোৱাৰ যথেষ্ট যন্ত্ৰপাতি আছে। গতিকে তেওঁ ইয়াকে কব পাৰে যে একমাত্ৰ নিশ্চেষ্টতাইহে দেশত কাপোৰৰ অভাব আছে বুলি সিহঁতক চিন্তা কৰাইছে। বস্ত্ৰ নিয়ন্ত্ৰণ কোনেও বিচৰা নাই। মিলেও বিচৰা নাই। মিলৰ কামিলাবোৰে বিচৰা নাই নাইবা কিনোতা জনসাধাৰণেও বিচৰা নাই। নিয়ন্ত্ৰণে দেশ ধ্বংস কৰিছে, এলেহুৱাৰ সংখ্যা বঢ়াইছে। সিহঁতে, উপকাৰী কামৰ অভাৱত, অনিষ্টৰ নিত্য মূল।

## আত্ম-সহায় আৰু সহযোগ

এই সম্বন্ধত শৰণাৰ্থীবোৰৰ কথা আকৌ উল্লেখ কৰি গান্ধীজীয়ে কয় যে যদি শৰণাৰ্থীবোৰ দৰকাৰী কামত

নিজক নিযুক্ত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ তেন্তে সিহঁতে প্ৰথমে নিজৰ কাৰণে বেজাই তৈয়াৰ কৰিব আৰু তাৰ পিচত মতা আৰু তিৰোতাই প্ৰত্যেকটো মুহূৰ্ত্তকে, গুটি বচা, ধুনা, সূতা কটা, বোৱা আদি কামত লগাব। ইমানবোৰ লাখ লাখ শৰণাৰ্থীয়ে সহযোগপূৰ্ণ চেষ্টাৰ দ্বাৰাই মুকলি কৰি দিয়া বলশক্তিয়ে গোটেই দেশ বিদ্যুৎময় কৰিব আৰু মানুহবোৰক শৰণাৰ্থীৰ অনুসৰণ কৰাব আৰু প্ৰত্যেক অলস ঘণ্টাকে নিজৰ ঘৰত আহাৰ উৎপন্ন কৰাত আৰু খাদি তৈয়াৰ কৰাত নিয়োগ কৰাব। এই কথাও মনত ৰাখিব লাগিব যে যদি গাঁথ নকৰোতেই কপাহ পথাৰৰ পৰা পোনে পোনেই ওচৰৰ বয়ন কাৰীবোৰৰ ঘৰলৈ নিয়া হয় তেন্তে এটা কামৰ পৰা ৰক্ষা পৰিব, কপাহ নষ্ট নহব, ধুনা সহজ হব আৰু ভবিষ্যতৰ কাৰণে কপাহ গুটিবোৰ ঘৰতে থাকিব।

## দয়াৰ ভগিনী

অৱশেষত বক্তাই লেডী মাউণ্টবেটেনে তেওঁৰ লগত দেখা কৰাৰ কথা কয়। তেওঁ দয়াৰ ভগিনী হৈছে, সদায় দুই ৰাজ্যত ফুৰিছে, নানা কেন্দ্ৰত শৰণাৰ্থীবোৰক দেখা কৰিছে, ৰোগী আৰু দুৰ্দ্দশাগ্ৰস্ত বোৰক চাইছে আৰু এই দৰে তেওঁ যি পাৰে সেই সান্ত্বনাকে সিহঁতক দিবলৈ চেষ্টা কৰিছে। কুৰুক্ষেত্ৰ কেন্দ্ৰত তেওঁ থকাৰ সময়ত গান্ধীজীয়ে কেতিয়া সিহঁতৰ লগত দেখা কৰিব এই কথা কেন্দ্ৰবাসীয়ে তেওঁক

সুধিছিল। তেওঁ ইমানবোৰ মানুহৰ মুখৰ পৰা ব্যাকুলতাৰ কথা শুনিছিল যে তেওঁ ( গান্ধীজীয়ে ) সিহঁতক দেখা কৰিব বুলি সকলো আশা সিহঁতৰ আগত ডাঙি ধৰিছিল। গান্ধীজীয়ে তেওঁক নিশ্চয়কৈ কয় যে তেওঁ সেই আশা ডাঙি ধৰা উপযুক্ত হৈছে। সেই কাৰণে তেওঁ ঠিক কৰিলে পানিপথলৈ যাবলৈ—যত হিন্দু আৰু মুছলমান সকলোৱে তেওঁৰ আগমনৰ কাৰণে বৰ ব্যগ্ৰ হৈ আছে। সেই একে যাত্ৰাতে তেওঁ কুৰুক্ষেত্ৰ শিবিৰলৈ যোৱাও ঠিক কৰিলে। কিন্তু তেওঁ দেখিলে যে সেই যাত্ৰাত কুৰুক্ষেত্ৰ শিবিৰ সুমুৱাব নোৱাৰি। গতিকে কুৰুক্ষেত্ৰ শিবিৰলৈ যোৱাটো আগত নিখিল ভাৰত কংগ্ৰেচ কমিটিৰ অধিবেশনৰ পিচলৈকে স্থগিত ৰখাটো আৱশ্যক হল। অৱশ্যে তেওঁক জনোৱা হল যে কুৰুক্ষেত্ৰ শিবিৰৰ দৰে ডাঙৰ শিবিৰত loud speaker বন্দবস্ত কৰা টান কাৰণে দিল্লীৰপৰা শিবিৰত বাস কৰা মানুহবোৰক ৰেডিঅ'ৰে সহায়েৰে কথা কোৱাত অসুবিধা নহব, যদি শিবিৰত আৱশ্যকীয় সংযোগকাৰক যন্ত্ৰাদি স্থাপন কৰা হয়। তেতিয়া তেওঁ সিহঁতৰ আগত মঙ্গলবাৰ বা বুধবাৰে কথা কব পাৰিব আৰু পিচত যাব পাৰিব। সেই সময়তে তেওঁ পানিপথ যাত্ৰা শেষ কৰাৰ আশা কৰে।

---

(৫৯)

৯-১১-৪৭

মই দুখিত যে মই অহা কালিলৈ পানিপথলৈ যাত্রা কৰিম, আজি সোনকালেই নিস্তব্ধতা অবলম্বন কৰিব লাগিব যাতে পানিপথ পায়েই তাৰ হিন্দু মুছলমানবোৰৰ আগত কথা কব পাৰোঁ। প্রার্থনাৰ কাৰণে দিল্লীলৈ ঘূৰিবলৈ আশা কৰো যেতিয়া মই কথা কব পাৰিম। বাতৰি কাকতে ভুলকৈ বাতৰি দিছে যে অহা কালিলৈ মই কুৰুক্ষেত্রলৈ যাম। মই ঠিক ভাবেই কৈছোঁ যে মই কুৰুক্ষেত্র শিবিৰলৈ যাবলৈ ইচ্ছা কৰিছোঁ যদিও আগত নিখিল ভাৰত কংগ্রেচ কমিটিৰ অধিবেশন শেষ হোৱাৰ পিচতহে। মই সম্ভৱতঃ বুধবাৰে নির্দ্দিষ্ট সময়ত ৰেডিঅ'ৰ দ্বাৰা সিহঁতক কবলৈ আশা কৰোঁ।

## দেৱালী উৎসৱ নহব

কেইদিনমানৰ পিচতে দেৱালীয়ে আমাক পাব। এজনা শৰণার্থী মহিলাই ( sister ) লিখিছে ঃ—

"উৎসব হিচাবে আমি দেৱালী পালন কৰোঁনে নকৰোঁ এই প্রশ্নই আমাৰ মনত উত্তেজনাৰ সৃষ্টি কৰিছে। এই প্রশ্নৰ বিষয়ত মই আপোনাৰ আগত আমাৰ চিন্তাধাৰা ডাঙি ধৰিব খোজোঁ লাগে মোৰ হিন্দি যিমানেই অস্পষ্ট হওক। মই গুজৰাণৱালাৰ এজনী শৰণার্থী। সেই ঠাইত মই মোৰ সকলো হেৰুৱালোঁ। তথাপিও, অৱশেষত আমি স্বাধীনতা

পোৱাত আমাৰ অন্তৰবোৰ আনন্দেৰে পূৰ্ণ হৈছে। স্বাধীন ভাৰতত এয়ে প্ৰথম দেৱালী। গতিকে, আমি সকলো দুখ বেজাৰ পাহৰি যোৱা আমাৰ পক্ষে উপযুক্ত আৰু আমি গোটেই ভাৰতত দীপান্বিতা হোৱা আশা কৰোঁ। মই জানো যে আমাৰ দুৰ্দ্দশাত আপোনাৰ অন্তৰ শতধা হৈছে আৰু গোটেই ভাৰতক এই আনন্দৰ পৰা দূৰত থকাটো আপুনি বিচাৰিব। আপোনাৰ সহানুভূতিৰ কাৰণে আমি কৃতজ্ঞ। আপোনাৰ অন্তৰ দুখেৰে পৰিপূৰ্ণ হোৱা মই সকলো শৰণাৰ্থী আৰু ভাৰতৰ বাকী মানুহক কব খোজোঁ যে তেওঁলোকে উৎসৱৰ সময়তহে স্ফূৰ্ত্তি কৰিব আৰু সঙ্গতি নোহোৱা মানুহ বোৰক ধনীলোক সকলে সহায় কৰিব। স্বাধীনতা হোৱাৰ পিচত আমাৰ সন্মুখত পৰা সকলোবোৰ উৎসৱৰ আনন্দ উপভোগ কৰিবলৈ ভগবানে যেন আমাক জ্ঞান দিয়ে।”

এই ভনী আৰু তেওঁৰ দৰে চিন্তা কৰা আনসকলক মই প্ৰশংসা কৰোঁতে, মই এই কথা নোকোৱাকৈ নোৱাৰোঁ যে তেওঁ আৰু তেওঁৰ দৰে ভবা সকলৰ ভুল হৈছে। সকলোৱেই জানে যে দুখ-দুৰ্দ্দশাৰ মাজত থকা পৰিয়ালে নিজৰ বল অনুসৰি উৎসৱত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে। (অতি) সীমাবদ্ধ গণ্ডীৰ মাজত একত্বৰ মতৰ এটা উদাহৰণ। এই সীমাবদ্ধতাৰ কঠিন আবৰণ ভাঙ্গি দিয়া আৰু ভাৰত এটা পৰিয়ালত পৰিণত হব। এইবোৰ সীমাবদ্ধতা দূৰ হলে, সঁচাকৈয়ে গোটেই পৃথিবীও এটা পৰিয়ালত পৰিণত হব।

এই সীমা পাৰ নোহোৱাৰ অৰ্থ মানুহ কৰিব পৰা সকলো সুক্ষ্ম অনুভূতিৰ প্ৰতি নিৰ্দ্দয় হোৱা। আমি আত্ম-কেন্দ্ৰিক হব নালাগে, বা মিছাতে ভাব-গৌৰবান্বিত হৈ ঘটনাৰ প্ৰতি অন্ধ হব নালাগে। আনন্দ স্ফুৰ্ত্তিৰ পৰা বিৰত থকা মোৰ উপদেশৰ ভিত্তি হৈছে বহুত মূল বিবেচনা। শৰণাৰ্থীৰ সমস্যাই লাখ লাখ হিন্দু, মুছলমান আৰু শিখক চুইছে। (মানুহে কৰিলেও) আহাৰ আৰু বস্ত্ৰৰ অভাব বেচকৈ আছে। ইয়াৰ বেচি গভীৰ কাৰণ হৈছে, জনমতক ইচ্ছামতে ৰূপ দিব পৰা মানুহবোৰৰ অসাধুতা। মানুহৰ প্ৰতি মানুহৰ বিস্তাৰিত অমানুষিকতা আৰু সিহঁতৰ দুখ-দুৰ্দ্দশাৰ পৰা শিক্ষা লাভ কৰিবলৈ দুৰ্দ্দশাগ্ৰস্ত মানুহ বোৰৰ স্বৈৰাচাৰ অমান্তি। এই দুৰ্দ্দশা বা দুখত মই কোনো আনন্দৰ কাৰণ দেখা নাই। উৎসৱত অংশ গ্ৰহণ কৰাত দৃঢ়-প্ৰতিজ্ঞ আৰু জ্ঞান-সন্মত প্ৰত্যাখ্যান, সন্তদৰ্শন আৰু আত্ম-শোধনৰ এটা উদ্দীপনা হব। কঠোৰ পৰিশ্ৰম আৰু মহাদুঃখৰ পিচত লাভ কৰা এটা আশীৰ্ব্বাদ দলিয়াই পেলাবলৈ যেন আমি একো নকৰোঁ।

## বিদেশী উপনিবেশত স্বাধীনতা

এই সপ্তাহত ফৰাচী ভাৰতৰ বন্ধুসকলৰ আগমনৰ কথা মই উল্লেখ কৰিব লাগিব। তেওঁলোকে অভিযোগ জনাইছে যে চন্দননগৰত যিটোক মই সত্যাগ্ৰহ বুলি দাবী কৰাৰ কথা কৈছোঁ, ভাৰত ইউনিয়নৰ তলত স্বায়ত্ব-শাসনৰ সম্পূৰ্ণতাৰ

কাৰণে ফৰাচী ভাৰতৰ জনগণৰ আকাঙ্ক্ষা দমাবৰ কাৰণে ইয়াকে অপপ্ৰয়োগ কৰা হৈছে। আকৌ ইয়াতে ফৰাচী কৃষ্টিৰ সম্পূৰ্ণ প্ৰভাৱ ৰক্ষা কৰা হৈছে। মোক তেওঁলোকে আৰু কয় যে, বৃটীচ চৰকাৰৰ তলত থকাৰ দৰে, ফৰাচী ভাৰততো পঞ্চম-বাহিনীৰ লগত মিলাব পৰা মানুহ আছে; সিহঁতে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে, ফৰাচী কৰ্ত্তৃপক্ষৰ লগত সহযোগ কৰিছে আৰু ফৰাচী চৰকাৰেও ফৰাচী ভাৰতৰ জনসমাজৰ স্বাভাৱিক আশা-আকাঙ্ক্ষাক দমন কৰিবলৈ উদ্দেশ্য কৰিছে। মই সঁচাকৈয়ে দুখিত হম যদি ফৰাচী ভাৰতৰ পৰা লোকসকলৰ কথা সত্য হয়। যি নহওক, মোৰ মত সম্পূৰ্ণ প্ৰৱল। বৃটীচ শাসনৰ পৰা স্বাধীন হোৱা লাখ লাখ সিহঁতৰ দেশীয় মানুহক দেখি এইবোৰ সৰু সৰু বিদেশী উপনিবেশৰ প্ৰজাবোৰৰ দাসত্বৰ বান্ধত থকা, সম্ভৱপৰ নহয়। মই আচৰিত হৈছো যে চন্দননগৰৰ প্ৰতি কৰা মোৰ বন্ধুত্বৰ কাৰ্য্যবোৰ ভাৰতৰ সৰু সৰু বিদেশী উপনিবেশবোৰত মই কেতিয়াবা এটা নিকৃষ্ট সামাজিক মৰ্য্যাদা সমৰ্থন কৰাটো দেখুৱাবলৈ যি কোনোৱে বিকৃত কৰিব পাৰে। গতিকে, মই আশা কৰোঁ যে আচলতে মোক দিয়া বাতৰিৰ কোনো ভিত্তি নাই আৰু ভাৰতত বা আনঠাইত, বগা বা ক'লা মানুহৰ লগত বিৰাট ফৰাচী জাতিয়ে নিজক একেটা কৰি নেদেখুৱায়।